# প্ৰান্তিক

৫ম বছৰ ১৬শ সংখ্যা [illegible]

সময় যাত্ৰা

সাহিত্যাচাৰ্য

দ্ৰোণাচাৰ্য



আনন্দ আহি সমবায়

ব্যৱসায়ী থিয়েটাৰ

প্রান্তিক

৫ম বছৰ ১৬শ সংখ্যা ১৬—৩১ জুলাই '৮৬ | মূল্য চাৰি টকা

যোগাযোগৰ ঠিকনা ঃ পোঃ শিলপুখুৰী গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

কেইবা মাহৰো আগতে "শিক্ষাৰ প্ৰত্যাহ্বান" নামৰ এখন খচৰা-পুস্তিকা বিতৰণ কৰা হৈছিল। বহুতে সেইখনকে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দলিল বুলি ভুল কৰিছিল। আচলতে সেই খচৰাৰ ভিত্তিতে পাছত শিক্ষানীতি নিৰ্ণয় কৰা হৈছে। এই নীতিৰ উদ্দেশ্য, সাৰ্থকতা, দুৰ্বলতা, অসম তথা অন্যান্য পিছপৰা ৰাজ্যসমূহৰ বাবে এই নীতিৰ উপযুক্ততা আদিৰ আলোচনা ঃ

**ৰাষ্ট্ৰীয় শিক্ষানীতি—১৯৮৬ ঃ ড. কুলেন্দু পাঠক**

চাৰ্নবিলৰ আণৱিক কাৰখানাৰ বিস্ফোৰণৰ ফলত মানুহৰ কিমান অপকাৰ হ'ল, সেইবিষয়ে বহু কথা জনা গৈছে। কিন্তু মানুহৰ বৈঠকখানাতে চাৰ্নবিল দুৰ্ঘটনাৰ ক্ষুদ্ৰ সংস্কৰণৰ সৃষ্টি হ'ব পাৰে। টিভি, ভিডিঅ' আদিৰ লগত দিনে-দিনে অধিক লোকৰ নিবিড় সম্পৰ্কে গঢ়ি উঠিছে। কিন্তু তেওঁলোকৰ মংগলাৰ্থে কিছুমান অপ্ৰিয় সত্য কথা কৈ থোৱা ভাল।

**বৈঠকখানাত চাৰ্নবিল ঃ অচিন্ত্যনয়ন বেজবৰুৱা**

**আধুনিকতাৰ বাৰ্তাবাহী জনদিয়েক অসমীয়া চিত্ৰকাৰ ঃ নীলমণি ফুকন**

ভীষ্মৰ কাৰণে শিখণ্ডী পুৰুষ নহয়, নাৰী। অৰ্জুন বৃহন্নলা হ'ল। মূৰত দীঘল চুলি, মাত কোমল···। লিংগ পৰিবৰ্তন এটা ঘটিবপৰা ঘটনা। জীৱজগতত ই ঘটিয়েই আছে ; ৰামায়ণ-মহাভাৰত যুগতো ঘটিছিল।

**শাশ্বত বিজ্ঞান— শিখণ্ডী বৃহন্নলা ঃ ড° কালীনাথ শৰ্মা**

অসমত পেট্ৰ'লিয়াম আৰু কয়লা পোৱা যায় বুলি আমি জানো। কিন্তু ইয়াত লোৰ আকৰো আছে, তামৰ আকৰো আছে ; ইয়াত কিছু পৰিমাণে সোণো উৎপাদন কৰিব পৰা যায়।

**অসমত খনিজ সম্পদৰ বিত্তিত সম্ভাব্য উদ্যোগ ঃ হেমন্ত বৰগোঁহাই**

## এই সংখ্যাত

অসমীয়া প্ৰাণতা অতুল হাজৰিকাৰ জীৱনৰে এটা বিশেষত্ব, যি বিশেষত্ব তেওঁৰ ৰচনাৰাজিতো প্ৰতিফলিত হৈছে। ৰামায়ণ-মহাভাৰতৰ কথাই নাই, মেটাৰলিংক আৰু এণ্ডাৰছনৰ ভাঙনি কৰোঁতেও তেওঁ নিচেই অসমীয়া সাজ-পাৰ দিহে সজাবলৈ ভাল পায়। ··· আজিৰ চাম অসমীয়া সাহিত্য-সেৱীৰ মানত তেওঁ দ্ৰোণাচাৰ্য।

অলপতে দেহাৱসান ঘটা সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ বিষয়ে **যোগেশ দাসৰ** প্ৰবন্ধ : **সাহিত্যাচাৰ্য দ্ৰোণাচাৰ্য** ।১৬।

যোৱা আঠত্ৰিছ বছৰে চৰকাৰে বনভূমিৰ বেদখল, অপৰিকল্পিত লুণ্ঠন, বন্য প্ৰাণীৰ জীৱন নাশ আদি কাৰ্যৰ প্ৰতি উদাসীনতাৰ নীতি গ্ৰহণ কৰি অহা বাবেই আজি অসমৰ বনভূমি ক্ৰমাগতভাৱে হ্ৰাস হ'ব লাগিছে। চৰকাৰী হিচাপমতে—বৰ্তমান অসমত মুঠ ভৌগোলিক মাটিকালিৰ ৩৯ শতাংশহে বনভূমি আছে। কিন্তু এনে বনভূমিৰ শতকৰা ১.৪ ভাগত প্ৰকৃততে বন বা উদ্ভিদ নাই।

**অসম বনভূমিৰ সবিশেষ ঃ মোহিনী কুমাৰ শৰ্মা** ।২২।

বাহিৰত অসমৰ এখন বিকৃত ছবি দাঙি ধৰি অহা বুলি অনুভৱ কৰি অহাৰ বাবে কলিকাতা চহৰখনৰ প্ৰতি আমাৰ মনত এক বিৰূপ মনোভাব পৰিলক্ষিত হয়। কিন্তু আৰু এখন কলিকতা আছে য'ৰপৰা জানিব লগীয়া, শিকিব লগীয়া বহু কথাই আছে ; সেইখন হৈছে সৰ্বসাধাৰণ ৰাইজৰ কলিকাতা। কলা-সংস্কৃতি, শিক্ষা-দীক্ষা সকলো দিশতে এই লোকসকলে চহৰখনক এনে এটা প্ৰাণ দিছে, যিটো স্পন্দন দিল্লী বা বোম্বাই কোনো মহানগৰীতে উপলব্ধি কৰিব নোৱাৰি।

কলিকাতাৰ অন্য এটা দিশৰ বিষয়ে **পৰাগ কুমাৰ দাসৰ** কলিকাতাৰ চিঠি ঃ **দ্বিতীয় দৃষ্টিত কলিকাতা** ।৩৫।

পত্ৰলাপ ।৪। ঘটনা-প্ৰবাহ ।৬। ধ্বনি ।৮। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। বনিহাট ফৰেষ্ট কলেজ ।১১। শিলঘাট মৰাপাট কল ।১৩। সাহিত্যাচাৰ্য দ্ৰোণাচাৰ্য ।১৬। সময়-যাত্ৰা ।২০। অসমৰ বনভূমি ।২২। আনন্দ আহিঁৰ সমবায় ।৩১। কলিকাতাৰ চিঠি ।৩৫। দৈনন্দিন ।৩৯। গল্প ।৪১। কবিতা ।৪৫। উপন্যাস ।৪৬। কলা-সংস্কৃতি ।৫১। ক্ৰীড়াংগন ।৫৫। শেষ পৃষ্ঠা ।৫৮।

বেটুপাতৰ আলোক চিত্ৰ ঃ দীপক বেজবৰুৱা

মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ ঃ কুলদীপ নায়াৰ * বদন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ড° দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ড° কৃষ্ণগোপাল ভট্টাচাৰ্য * ড° সুনীল পৱন বৰুৱা * ড° কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক ঃ ইমৰান হুছেইন
অংগসজ্জা দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ ঃ দীপক বেজবৰুৱা

মুদ্ৰাংকন ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Vol V No. 16 16—31 July/'86

Prantik
The Assamese Fortnightly

P.O. Silpukhuri, Guwahati—781003 Phone : 28751

OKDISCD

### দুৰ্দশাগ্ৰস্ত ধুবুৰী জিলা

ধুবুৰী জিলা। এই জিলা অৱহেলিত। ৰাজনীতিৰ মেৰপাকত নোসোমাই আছোঁ। এই জিলাৰে গোলকগঞ্জ সমষ্টিৰ মানুহলৈ—যিবিলাক মানুহৰ সমস্যা জিলাখনত থকা অইন মানুহৰ লগত একে।

গোলকগঞ্জ সমষ্টিৰ দক্ষিণফালে বাংলাদেশ, পশ্চিম আৰু উত্তৰ ফাল বেৰি আছে পশ্চিম বংগই। ইয়াৰ মানুহে গোৱালপৰীয়া আৰু ৰাজ্যিক ভাষাৰ সানমিহলি ভাষাৰে কথা কয়। বেছিভাগ মানুহেই খেতিয়ক আৰু মাটিহীন দীনমজুৰ। ইয়াত চাকৰীৰ ক্ষেত্ৰ অকল শিক্ষা অনুষ্ঠানকেইখন। কলকাৰখানা বা আন প্ৰতিষ্ঠান নথকাত, আৰু খেতিৰ বতৰ বছৰে বছৰে বেয়া হোৱাত মানুহবিলাকৰ অৱস্থা দিনক-দিনে পানীত হাঁহ নচৰা হৈ পৰিছে। অসমত দুখীয়া কাক বোলে এই অঞ্চললৈ আহিলে তাৰ প্ৰকৃত দৃষ্টান্ত পোৱা যাব। মাটি থকা খেতিয়ক অভাৱৰ তাড়নাত দিনক দিনে মাটিহীনৰ পৰ্য্যায়ত পৰি গল, আৰু মাটিহীন্‌বিল্যকে কাম নাপাই ঢাপলি মেলিলে গুৱাহাটী তথা অসমৰ অইন অইন চহৰলৈ।

এই খবাংবতৰত দিনহাজিৰা পাঁচ-ছটকা। তদুপৰি কামো নাই। বিহুৰ আগদিনা এজনী তিৰোতাই আহি কলে, "বাবু, লৰা আৰু ছোৱালীজনীক এমুঠি ভাত দিয়ক, নহলে মৰি যাব।" মই সুধিলো, তোৰ গিৰিয়েৰ আছে নে? বেচেৰীয়ে সুযোগ পাই লম্বা লাইন আৰম্ভ কৰিলে। তাৰ সাৰমৰ্ম হ'ল—অইনৰ গছৰপৰা খুজি অনা কেইকেজিমান শিমলু তুলা আছিল। গিৰিয়েকে সেইখিনি এজনক বিক্ৰি কৰিছিল। তেওঁ গুৱাহাটীলৈ ওলাবৰ সময়ত তাইক কৈছিলযে তুমি তুলাৰ দামখিনি আনি খাবা। তেওঁ গুৱাহাটীলৈ গ'ল। বেচেৰীয়ে বহুত আশাৰে তুলাৰ ধন খোজাত কিনোতাৰপৰা উত্তৰ পালে যে সেইদিনাই দুপৰীয়াৰ সময়ত তাইৰ গিৰিয়েকে তুলাৰ দাম লৈ গুৱাহাটীলৈ গৈছে।

এজন নিবনুৱা ডেকা ল'ৰা কেইবামাহো আগতে মোৰ লগত পৰামৰ্শ কৰিবলৈ আহিছিল। এজন দালালে তেওঁক চাকৰী দিব; টকা লাগে সাত হাজাৰ। ঘৰত মাটি মাথো ৩/৪ বিঘা। উক্ত মাটিত শালি ধানৰ খেতি। সেই মাটি বিক্ৰি কৰি টকা দিব দালালক। এপিনে মাটি বন্ধক থলে সাত হাজাৰ টকা নহয়, ইপিনে বিক্ৰি কৰি দিলে পৰিয়ালত থকা ভাই-ভনী, মা-দেউতাই কি খাই জীয়াই থাকিব?

এই ধৰণৰ হাজাৰ-বিজাৰ সমস্যা প্ৰায়বিলাক মানুহৰ ঘৰত। অভাৱ-অনাটনত বেছি ভাগ পৰিয়াল জৰ্জৰিত। মানুহৰ কৰ্মশক্তি আছে, কাম নাই; মানুহ শিক্ষিত হৈছে, চাকৰীৰ ক্ষেত্ৰ নাই।

গতিকে এই অঞ্চলৰ মানুহৰ কথা অসমৰ চিন্তাশিল লোক আৰু অৰ্থনীতিবিদসকলে আন্তৰিকতাৰে ভাবি চাব বুলি আশা কৰিলো।

—আনোৱাৰ হুচাইন,
আগমনী

---

### কাজিৰঙাৰ কাষে কাষে মানুহো আছে!

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষে কাষে মানুহো আছে। এই মানুহখিনিক বিভিন্ন সমস্যাই জুৰুলা কৰি মাৰিছে। বাৰিষাৰ সময়ত এই উদ্যানখনৰ জন্তুবোৰৰ অৱস্থা দেখিলে বৰ দুখ লাগে। বানপানী হোৱাৰ লগে লগে এই জন্তুবোৰে নিৰাপত্তা বিচাৰি ওখ ঠাইলৈ আহে। সিহঁতে উদ্যানৰ কাষৰীয়া মানুহখিনিৰ খেতি-বাতি খাই নষ্ট কৰি পেলায়। এইটো ঠিক আমি উদ্যানখনৰ উন্নতিৰ হকেহে চিঞৰিছোঁ। কিন্তু জন্তুবোৰৰ কথা চিন্তা কৰাৰ লগতে কাষৰীয়া মানুহখিনিৰ অৱস্থাও চিন্তা কৰাৰ প্ৰয়োজন। ইয়াৰ এটা সু-ব্যৱস্থা চৰকাৰে কৰাটো প্ৰয়োজন হৈ পৰিছে। আগৰ কেই বছৰত আমাৰ দুখ দুৰ্গতিৰ কথা চৰকাৰে জানিবলৈ ইচ্ছা কৰিছিল যদিও আশ্বাসকণৰ বাহিৰে আন একো দিবপৰা নাছিল। উদ্যানৰ কাষৰীয়া মানুহখিনিয়ে দিনটো পথাৰত কঠোৰ পৰিশ্ৰম কৰি আহি ৰাতিও শান্তিৰে শুব নোৱাৰে। ৰাতি জন্তুৰ লগত বিৰাট যুদ্ধ কৰিব লগা হয়। এই মানুহখিনিয়ে চৰকাৰে আগ বঢ়োৱা বিভিন্ন ধৰণৰ কৃষি ঋণ লৈও লাভবান হ'ব পৰা নাই। তেওঁলোকে বছৰত তিনিটা খেতি কৰিবলৈ সুবিধা পালেও ৰাতিৰ ভিতৰতে কাজিৰঙাৰ জন্তুৱে খাই খেতি শেষ কৰি পেলায়। উদ্যানৰ কৰ্তৃপক্ষক জনালেও বনৰীয়া জন্তু কেইটাক খেদি পঠোৱাৰ বাহিৰে অন্য কোনো ব্যৱস্থা ল'ব নোৱাৰে। আমি ভাবোঁ নষ্ট কৰা খেতিসমূহ জৰিপ কৰি কৃষকসকলক উচিত মূল্য দিব লাগে। উদ্যানৰ জন্তুৱে উদ্যানৰ কৰ্মচাৰীক নতুবা কৃষকক মাৰিলেও উচিত ক্ষতিপূৰণ পোৱা নাযায়। লোকসভাত অসমৰ গণ পৰিষদৰ সদস্য শ্ৰীভদ্ৰেশ্বৰ তাঁতিদেৱে কৈছে যে কাজিৰঙা অঞ্চলত বনৰীয়া হাতীয়ে কোনো মানুহ মাৰিলে ক্ষতি পূৰণ হিচাপে সংশ্লিষ্ট লোকৰ পৰিয়ালক দিয়া হয় মাত্ৰ পঞ্চাছ টকা। সেই টকাও সময়মতে দিয়া নহয়। বহলাই নকলেও হ'ব যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰ মানুহতকৈ জন্তুৰ মূল্য বেছি।

গতিকে আশা ৰাখিছোঁ— নতুন চৰকাৰে মানৱীয় দৃষ্টি ভংগীৰে উদ্যানৰ জন্তু কেইটাৰ লগতে কাষৰীয়া মানুহোখিনিকো জীয়াই থকাৰ সুবিধা দিব।

—দুৰ্লভ শইকীয়া,
কুঠৰী, নগাঁও

> এটা নতুন ৰাজনৈতিক দলে শাসনভাৰ ললে স্বাভাৱিকতে সপক্ষৰ-বিপক্ষৰ লোকে চৰকাৰখনৰ নীতি, আচৰণ, কৰ্ম আদিৰ প্ৰতি চকু ৰাখে। এনে সময়ত স্বাভাৱিকতে ঘটা দুটা ঘটনা হ'ল: চৰকাৰে অসুবিধাসমূহৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰে আৰু সেই অসুবিধাসমূহৰ মাজতে কৰা কামৰ কৃতিত্ব দাবী কৰে; আনহাতে জনসাধাৰণে হতাশা, অসন্তুষ্টি আদি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰে। এই পৰিস্থিতিত আটাইতকৈ ক্ষতিকৰ বস্তুটো হৈছে উৰাবাতৰিৰ ওপৰত প্ৰতিষ্ঠিত অভিযোগ। বাটে-ঘাটে মন্ত্ৰী-বিধায়ক-বিষয়া সম্পৰ্কে প্ৰচাৰিত অভিযোগবোৰে গোটেই শাসন আৰু সমাজব্যৱস্থাটোকে দুৰ্বল কৰে। এনেবোৰ অভিযোগৰ সত্যতা বা সেইবোৰৰ বিষয়ে সংশ্লিষ্ট লোকসকলৰ বক্তব্য ৰাজহুৱাভাৱে প্ৰকাশ আৰু প্ৰচাৰ হ'লে ক্ষতিৰ পৰিমাণ কম হয়।
>
> এইখিনি কথা মনত ৰাখি আমি পাঠক-পাঠিকাসকলক তেখেতসকলৰ কাণত পৰা কিন্তু নিৰ্ভৰযোগ্যতাৰ বিচাৰত তিষ্ঠিব পৰা অভিযোগসমূহ নিজৰ নাম-ঠিকনা সম্পূৰ্ণকৈ দি আমালৈ পঠাবলৈ অনুৰোধ কৰিলো। সংশ্লিষ্ট ব্যক্তিৰপৰা আমি সেই অভিযোগবোৰৰ উত্তৰ আনি প্ৰকাশ কৰিবলৈ চেষ্টা কৰিম।
>
> —স. প্ৰা.

---

### বেংক আৰু ঋণ

১৯৮৬ চনৰ মাৰ্চৰ ৩ তাৰিখে ঘটা এটা ঘটনা। লখিমী গাঁৱলীয়া বেংকৰ এটা শাখাত অসমৰ গণ পৰিষদ চৰকাৰৰ এজন মন্ত্ৰীয়ে পৰিষদৰ এজন সভ্যক লৈ সদস্যজনৰ হকে এটি ঋণ মঞ্জুৰী দিয়াৰ অনুৰোধ জনায়। দুদিনমানৰ আগতে বেংকৰফালৰপৰা উক্ত ব্যক্তিক ঋণ সম্পৰ্কে প্ৰয়োজনীয় ব্যৱস্থাসমূহৰ কথা অৱগত কৰোৱা হৈছিল। বেংকৰ বিধি অনুযায়ী ঋণ মঞ্জুৰী পোৱা নহব পাৰে বুলি শংকা কৰিয়েই ৩ মাৰ্চত নিজৰ সদস্য বুলি গৌৰৱ বোধ কৰি মন্ত্ৰী মহোদয়ৰ গাড়ীত আহি বেংকত তেওঁ নিজ হাতে তৈয়াৰী ৬৫,০০০ টকাৰ আঁচনি এখন দাখিল কৰে। তেওঁক এই কথাও স্পষ্ট কৰি দিয়া হৈছিল যে এনে গধুৰ পৰিমাণৰ খুচুৰা-ব্যৱসায় ঋণ মাত্ৰ এহেজাৰ কি দেৰ হেজাৰ মুলধন খটুউৱা, ১০ টকা পাছ বুকত থকা একেবাৰে লেনদেন নোহোৱা ব্যক্তিৰ বাবে সম্ভৱ নহ'ব পাৰে। গধুৰ পৰিমাণৰ ঋণৰ ক্ষেত্ৰত শাখাসমূহে প্ৰধান কাৰ্যালয়ৰপৰা অনুমোদন বিচাৰে। তদুপৰি গাঁৱলীয়া বেংকসমূহৰ উদ্দেশ্য ক্ষুদ্ৰ আৰু উপান্ত কৃষক, কুটীৰ শিল্পী, খুচুৰা বিক্ৰেতা আদিক ঋণৰ সুবিধা দিয়া। তথাপি চৰকাৰৰ অনুমোদন সাপেক্ষে সীমিত পৰিমাণৰ দুই এটা ঋণ মঞ্জুৰী দিয়া হয়। বিধিগত ব্যৱস্থা অনুসৰি বেংকে ঋণ মঞ্জুৰী দিয়াত কৃপণালি নকৰে। গতিকে আমাৰ অনুৰোধ ৰাজনৈতিক নেতাসকলে বিত্তীয় অনুষ্ঠানত হস্তক্ষেপ নকৰি এইবোৰৰ স্বকীয় বৈশিষ্ট্য বৰ্জায় ৰাখিবলৈ প্ৰেৰণা যোগাওক। আমি মনত ৰখা উচিত হ'ব যে ৰাজনৈতিক নেতা, জনসাধাৰণ, বিত্তীয় অনুষ্ঠান,—এই সকলো দেশৰ সামগ্ৰিক উন্নতিৰ ক্ষেত্ৰত পৰস্পৰৰ পৰিপূৰক।

—এগৰাকী বেংক বিষয়া

#### দুই

মই এজন বিজ্ঞানৰ স্নাতক। ১৯৮৩ চনৰপৰাই চাকৰি বিচাৰি ভাগৰি পৰিছোঁ। সেয়েহে চাকৰিৰ আশা বাদ দি ব্যৱসায়ত হাত দিম বুলি ভাবি জিলা উদ্যোগ কেন্দ্ৰৰ জৰিয়তে কুকুৰা ফাৰ্ম এখন খোলাৰ কাৰণে ঋণ বিচাৰি আবেদন কৰিলোঁ। মোৰ আবেদন মঞ্জুৰ হ'ল। অফিচলৈ গৈ গম পালো যে মোৰ ঋণৰ সকলো কাগজ পত্ৰ ইউনাইটেড বেংক অৱ ইণ্ডিয়াৰ উত্তৰ গুৱাহাটী শাখালৈ পঠিয়াইছে। উক্ত বেংকলৈ আহি মেনেজাৰক সাক্ষাৎ কৰিলোঁ। মেনেজাৰে কলে যে— "তোমাৰ নাম ইয়ালৈ অহা নাই আৰু আহিলেও আমি ঋণ দিব নোৱাৰো।" মই আচৰিত হৈ তেওঁক কিয় ঋণ দিব নোৱাৰে সুধিলো। তেওঁ কলে যে— "তুমি আঁতৰৰ ল'ৰা। মই তোমাক চিনি নাপাওঁ।" অৱশেষত মই ঋণ নাপালো। অথচ আমাৰ এলেকাত ৰাষ্ট্ৰীয়কৃত বেংকৰ এইটোৱেই একমাত্ৰ শাখা।

—বিনয়কৃষ্ণ কাকতি,
ডোৰা কহঁৰা (কামৰূপ)

#### তিনি

মই বেংকৰ কৰ্মচাৰী। বেংকৰ কৰ্মচাৰী হিচাপে ঋণ আদি দিয়া ক্ষেত্ৰত মানুহক সহায় কৰাটো আমাৰ কৰ্তব্য আৰু ধৰ্ম। বেংক এটা ব্যৱসায়ী প্ৰতিষ্ঠান; গতিকে দেশৰ দৰিদ্ৰতা দূৰীকৰণৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে তৈয়াৰ কৰা নানান আঁচনিৰ জৰিয়তে জনসাধাৰণৰ আৰ্থিক অৱস্থা টনাকয়াল কৰাৰ লগতে বেংকৰ লাভ বৃদ্ধি কৰাটোৱেই আমাৰ লক্ষ্য।

কিন্তু ঋণ এটা মঞ্জুৰ কৰা সম্পৰ্কত বেংকৰ বহু নিয়ম-নীতি আছে। সেয়েহে ঋণ এটা মঞ্জুৰ কৰাৰ সময়ত আৱশ্যকীয় তথ্যপাতি চালি-জাৰি চোৱা দৰকাৰ। তাৰ বাবে কিছু সময়ৰ আৱশ্যক হয়। কিন্তু বৰ্তমান গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পাছৰে পৰাই কিছু সংখ্যক লোকে আন্দোলন, জেল, নিৰ্বাচন আদিৰ গইনা লৈ (যেনিবা তেওঁলোকেহে আন্দোলন কৰিহে গণ পৰিষদক জিকালে) হাতে হাতে ঋণ মঞ্জুৰী দিয়াৰ ভাবুকি দিয়ে। গতিকে আমি কিছু সমস্যাৰ সন্মুখীন হব লগাত পৰিছো। এনেবোৰ ব্যক্তিৰ কাৰ্যকলাপে গণ পৰিষদ চৰকাৰৰ ভাবমূৰ্তি ম্লান কৰাৰ সম্ভাৱনা আছে। আনহাতে আন্দোলন কৰা, জেল খোৱা আদি ব্যক্তিক ঋণ দিয়াৰ বিশেষ আঁচনিও আমাৰ বৰ্তমানে নাই। সেয়েহে এই কথাখিনিৰ প্ৰতি ৰাইজৰ লগতে চৰকাৰৰো দৃষ্টি আকৰ্ষণ কৰিলোঁ। আন্দোলন জেল, নিৰ্বাচন তথা গণ পৰিষদৰ জয়লাভত কৰ্মচাৰীৰ অৰিহণাৰ বিষয়ে ব্যাখ্যা কৰাটো বাহুল্য মাথোন। কিন্তু সেইসকল ব্যক্তিক সঁকিয়াই দিব খোজোঁ যে আন্দোলন আদিৰ ক্ষেত্ৰত আমাৰ ভূমিকা তেওঁলোকতকৈ কম উল্লেখযোগ্য নাছিল।

—নগেন বৰা,
ধনোৱানগৰ, তেজপুৰ

---

### "সুগন্ধি আগৰ"

শ্ৰীবদন বৰুৱাদেৱৰ "সুগন্ধি আগৰ" নামৰ প্ৰবন্ধটি পঢ়ি আপোনাৰ লগত যোগাযোগ কৰা লোভ সামৰিব নোৱাৰিলো। মই এজন পিছ পৰা জনজাতি সম্প্ৰদায়ৰ নিবনুৱা দুখীয়া লোক। এই আগৰ (সাঁচি) ব্যৱসায় সৰুসুৰাকৈ বৰ্তমানেও কৰি আছোঁ। আপোনাৰ প্ৰবন্ধৰ যোগে এই সাঁচিৰ দাম জানিবলৈ পাই আচৰিত হলো। কেজিত যদি ৪৫/৫০ হাজাৰ টকা হয়, তেনেহলে আমি একোৱেই পোৱা নাই বুলি কব লাগিব। মই সপ্তাহত এক কুইণ্টলতকৈও বেছি এই মাল সোণাৰী টাউনৰ এজন বাঙালী মহাজনক দিওঁ। তেওঁ মাত্ৰ ১০ টকা কেজি অৰ্থাৎ কুইণ্টলত ১০০০ টকাহে দিয়ে। আমি অন্য ঠাইলৈ নি বিক্ৰি কৰিব নোৱাৰোঁ। তাকো বাটে-পথে পুলিছৰ জুলুম। আৰু মই জনাত এই ব্যৱসায় অসমীয়া মানুহতকৈ অইন মানুহেহে বেছিকৈ কৰে। মই চাঁচি-চিকুণাই মাল নিজে উলিয়াওঁ। এই মালত মাত্ৰ মোক কেজিত [illegible] টকা দিয়ে। তাকো বহু খাতিৰ-বাতিৰ কৰিব লাগে। এই বজাৰৰ ওপৰত আমাৰ কোনো হাত নাই। এতিয়া দেখিছোঁ, আমি কষ্ট কৰি কাটি-মেলি অন্যকহে ধন্য কৰিছোঁ, আমাৰ ইয়াত যথেষ্ট সাঁচি গছ আছে। মই নিজে গছ হিচাপে মানুহৰপৰা কিনি কাটি মাল উলিয়াওঁ। এই কাম যথেষ্ট কষ্টকৰ। গতিকে কি ধৰণে, কি উপায় কৰিলে আমি উপযুক্ত কষ্টৰ উপযুক্ত মূল্য পাম এই সম্পৰ্কে আপোনালোকৰ আৰু চৰকাৰৰপৰা সহায়-পৰামৰ্শ পাম বুলি আশা কৰিলো।

—উমা খাখলাৰী
মেঙেনাৰাৰী, শিৱসাগৰ

---

### 'ডিব্ৰুগড়'

প্ৰান্তিক (১—১৫ জুন '৮৬) ত স্বৰ্গীয় কেশৱ বৰদলৈৰ নামটো কেশৱ চাংকাকতী বুলি ভুলতে লিখিলো। পৃঃ ৩৪। —শাৰাংগধৰ ৰাজখোৱা

---

### হতাশা

নগাঁও চহৰৰ ফুটপাথত মোৰ ছাইকেলখন কাতিকৈ ধৰি বন্ধু এজনৰ লগত কথা পাতিছিলো। অহা-যোৱা কৰিব পৰা বাট থাকোঁতেও এজন চেমনীয়া ল'ৰাই মোৰ ছাইকেলখনৰ পিছ ফালটো এনেকৈ দাঙি বাট মোকোলাই ললে যেন মোকেহে ঢকাটো দিলে। ভাইটি, তোমাৰ অসুবিধা হৈছিল যদি মোক কোৱা হ'লেই ছাইকেলখন আঁতৰাই দিলো হয়…

ভাইটিয়ে উভতি ধৰি নোক সিয়াঁৰিলে— খোপাইৰ ঘৰৰ বাট পাইছ ছাল্লা…

মই চমকি উঠিলো। বন্ধুজনে তাক চিনি পায়। নগাঁও চহৰৰ নাম কৰা এজন ছাত্ৰ নেতা— সংগ্ৰামী। এই ঘটনাটোৰ কথা মই এই বাবেই লিখিলো যে বাটে-ঘাটে এনে বহুতো উৎকট পৰিস্থিতিয়ে দেখা দি আমাৰ মনলৈ হতাশা আনিছে। সেই যে ভাইটিটো, তাৰ দৰে বহুতো চেঙেলীয়াৰ মন এনেকুৱা হৈছেগৈ যেন প্ৰকৃত সংগ্ৰামী বা নেতা (?) তেওঁলোকহে। ইমখা 'ঢাপত গজা' বিধৰহে! আৰু এইবোৰ কাৰণতে আজি অনেক পয়-মাল ঘটিছে। কাৰোবাক ভাবুকি দিয়া, চাকৰী নোপোৱাৰ বেজাৰত ছিনেমাঘৰৰ টিকেট ব্লেক কৰা, কথাই কথাই হাত তোলা, একোছা দাড়ি ৰাখি নিজকে 'প্ৰফুল্ল মহন্ত' বুলি ভবা, বাটকৰাক আগচি হোৱাই-নোহোৱাই চাঁদা তোলা, এইবোৰ ঘটনাই আমাক হতাশা নকৰিবনে? তাৰ উপৰি শৈক্ষিক জগতৰ পবিত্ৰ পৰিবেশ ধ্বংস কৰাৰ বাবে এনে এচাম যুবকেই জগৰীয়া নহয় নে? তেওঁলোকে মনত ৰখা ভাল,— সকলো ভাল অসমীয়াই অসমী আইৰ বাবে তেজ, ধন, আত্মা উছৰ্গা কৰি থৈছে।

—গুণ কাকতি,
দক্ষিণ ঘাট, নগাঁও

---

### বৰফৰ সমান শীতল

যোৱা ২০ জুন (৮৬) তাৰিখে নাথকুছি পলিষ্টাৰ কোম্পানিটো উদ্বোধন কৰিবলৈ অহা মুখ্যমন্ত্ৰী, উদ্যোগ মন্ত্ৰী আদিক চোৱা আৰু তেখেতসকলৰ ভাষণ শুনাৰ প্ৰয়াসেৰে গন্তব্য স্থানলৈ আগবাঢ়িছিলো। বাটতে দেখিলো, কেইজনমান ডাঙৰ ল'ৰাই এজন মানুহৰ লগত তৰ্ক কৰি আছে। মানুহজন আছিল এজন বৰফ বেচোতা। তেওঁ একো টুকুৰা বৰফৰ দাম চল্লিছ পইচাকৈ খোজাত ল'ৰা এজনে তেওঁৰ বৰফৰ বাকচটো ৰাস্তাৰপৰা বগৰাই দিয়ে আৰু কেইটুকুৰামান বৰফ কেইবাজনো ল'ৰাই পইচা নিদিয়াকৈ লৈ গুচি যায়।

ঘটনাস্থলীৰ কাষতেই কেইজনমান মান পুলিছ-বিষয়া থকা সত্বেও ডেকা কেইজনক তেওঁলোকে একোকে নকলে।

—সৌৰভ কুমাৰ শৰ্মা,
(দশমমান শ্ৰেণীৰ ছাত্ৰ) পাঠশালা

---

### "আগলি বাহঁৰে লাহৰী গগনা"

শ্ৰীপুতুল চন্দ্ৰ শৰ্মাই গগনাৰ বিষয়ে লিখোঁতে (১।৪।৮৬) উল্লেখ কৰিছে: "অসমত গগনা যাইকৈ দুই প্ৰকাৰৰ দেখা যায়। প্ৰথমবিধৰ নাম লাহৰী গগনা। কোনো কোনো ঠাইত ইয়াক ৰূপহী গগনাও বোলে। ৰূপহী গাভৰু-সকলে বজোৱা গগনা কাৰণেই বোধ-হয় ইয়াৰ এই নাম হৈছে। আনবিধৰ নাম ৰামধন গগনা। ই ডেকাসকলে বজোৱা গগনা।" আমি জনাত অসমত প্ৰচলিত গগনা দুই প্ৰকাৰ; এবিধৰ নাম পাতি গগনা আৰু আন বিধৰ নাম হ'ল মান গগনা। পাতি গগনাত মাত্ৰ এডাল কিছু বহল আৰু পাতল শুং থাকে। ইয়াৰ এমূৰে মুগা সুতা লগাই মুখেৰে বজায়। মান গগনাত এডাল শুং থকাৰ উপৰিও গগনা বনোৱা বাহঁ চটাৰ পিঠিফালে দুখন বাহঁৰ পাতল পাত লগোৱা থাকে।

—দেৱজিৎ কোঁৱৰ
বঙালপুখুৰী ক্লাব ৰ'ড,
যোৰহাট

---

### অশুভ বিবাহ

প্ৰান্তিকৰ পাততে শুভ বিবাহৰ অশুভ ফলৰ বিষয়ে অনেক লেখা আমি পঢ়িছোঁ। অনেকে জাতিগত অনুভূতিৰ বিৰোধিতা কৰিও চিঠি-পত্ৰ লিখিছে। এইবিলাক বৰ্তমান সমাজৰ প্ৰয়োজনীয় আলোচনা। কিন্তু কিছুদিনৰ আগতে হোৱা এটা কাণ্ডই আমাক আচৰিত কৰি দিছে।

এজন ল'ৰাই গাঁৱৰে ছোৱালী এজনী পলুৱাই আনিলে। ল'ৰাৰ বাপেক হাইস্কুলৰ শিক্ষক, ককায়েক গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফাইনেল ইয়েৰৰ ছাত্ৰ। কিন্তু ছোৱালীৰ ঘৰ অশিক্ষিত খেতিয়ক। ছোৱালীজনী অনাৰ পাছত ল'ৰাপক্ষৰ উক্তি হ'ল যদি ছোৱালীৰ বাপেকে সাতহাজাৰ টকা দিয়ে, তেন্তে ছোৱালী ৰখা হ'ব, নহলে বাহিৰ কৰি দিয়া হ'ব। নিৰুপায় হৈ পৰোক্ষভাৱে আলোচনা কৰি ছোৱালীৰ বাপেকে পাঁচ হাজাৰ টকা দি জীয়েকৰ সম্মানটো ৰাখিলে।

যি সময়ত গোটেই দেশত যৌতুক আৰু এনে দাবীৰ বিৰুদ্ধে প্ৰতিবাদৰ ঢৌ উঠিছে; চৰকাৰেও আইন প্ৰণয়ন কৰি এনে লোকক শাস্তি দিয়াৰ ব্যৱস্থা কৰিছে, তেনে সময়ত এই শিক্ষিত লোকজনে এনে ঘৃণনীয় কাম কৰিছে। এনে শিক্ষকৰ দ্বাৰা সমাজৰ ধৰণী কণ-কণ ল'ৰাছোৱালীয়ে কেনে শিক্ষা পাব?

—বত্তেশ্বৰ মেধি
মঠৰ বড়ি, বহা

---

### অসভ্য আচৰণ

যোৱা ১০ মে' শনিবাৰে সন্ধিয়া প্ৰায় ৭ মান বজাত বৰপেটাৰ এম. ছি. কলেজৰ সম্মুখৰ ৰাস্তাৰে তিনিজনী ছোৱালী আহি আছিল। সেই সময়ত ৰাস্তাত কোনো বিজুলী-বাতিৰ পোহৰ নাছিল। তেনে অৱস্থাৰ সুযোগলৈ কেইজনমান ডেকা ল'ৰাই সেই ছোৱালী কেইজনীক আগচি ধৰে আৰু দৈহিকভাৱে উৎপীড়ন কৰে। ছোৱালী কেইজনীয়ে উপায় নাপাই চিঞৰ মাৰে। সেই চিঞৰ শুনি দুই এজনকৈ মানুহ আহি ঘটনাস্থলীত গোট খায়। কিন্তু তাৰ আগেয়েই ল'ৰা কেইজন পলাই যায়।

—ধনীন দাস
বৃন্দাবন হাটী, বৰপেটা

---

### দূৰদৰ্শন / প্ৰবাসীৰ আনন্দ

টেলিভিশ্যনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ যোৱা ১৫ এপ্ৰিলৰ নিশা গুৱাহাটী দূৰদৰ্শনে যুগুতোৱা "অসমৰ বিহু উৎসৱ" অনুষ্ঠানটো প্ৰসংশনীয় হৈছে। বাহিৰত থকা প্ৰবাসী অসমীয়া ৰাইজৰ মনবোৰ সেইদিনা আনন্দতে ভৰি পৰিছিল। অসমৰ সাংস্কৃতিক অনুষ্ঠান বাহিৰৰ মানুহে দেখিবলৈ পোৱাত সুখী হৈছোঁ। এনেধৰণৰ সাংস্কৃতিক কাৰ্যসূচী মাজে-সময়ে টেলিভিশ্যন যোগে প্ৰচাৰ কৰিবলৈ গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰলৈ মোৰ অনুৰোধ থাকিল।

—চিদানন্দ নাথ, এলাহবাদ-১২

# কেন্দ্ৰ আজিও সেই সুৰে উতলা …

লুইতৰ বুকুৰেদি বহু পানী বাগৰি গ'ল, তথাপি কেন্দ্ৰই অসমকে ধৰি উত্তৰ-পূব অঞ্চলৰ প্ৰতি আগৰ দৃষ্টিভংগী সলনি কৰা নাই। এই অঞ্চলটোৰ কামৰ কথা উলালেই কেন্দ্ৰৰ টকা-পইচাৰ নাটনি হয়। স্বাধীনতাৰ পাছৰ যোৱা ৩৮ বছৰে ধনৰ অজুহাত দেখুৱাই কেন্দ্ৰই এই অঞ্চলটোক প্ৰাপ্যৰপৰা বঞ্চিত কৰি আহিছে, এতিয়া অসম-আন্দোলন আৰু অসম-চুক্তিৰ পাছতো তাকে কৰিবলৈ লৈছে।

শেহতীয়া বাতৰিত প্ৰকাশ যে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে বিত্তীয় অসুবিধাৰ কাৰণে ত্ৰিপুৰাত চলোৱা অনুসন্ধানৰ কাম বন্ধ কৰি দিছে আৰু একে কাৰণতে উত্তৰ-পূৱ অঞ্চলৰ আন কিছুমান ঠাইতো এনে কাম বন্ধ কৰিবৰ বাবে নিৰ্দেশ দিছে।

সেইদৰে বিত্তীয় হেঁচাৰ কাৰণেই গুৱাহাটীৰ মাজৰপৰা ৰেলপথ আঁতৰোৱাৰ কাম ন'হবগৈ বুলি ইংগিত দিয়া হৈছে; ৰেলমন্ত্ৰীয়ে অসমৰ সংসদী সদস্যক জনাইছে যে বিকল্প পথৰ খৰচ ৬২ কোটি টকা হ'ব আৰু বৰ্তমান পথৰপৰা সা-সুবিধাবোৰ স্থানান্তৰ কৰাৰ খৰচ ৬০ কোটি টকা হ'ব আৰু এই খৰচ কেন্দ্ৰই বহন কৰাটো কষ্টসাধ্য হ'ব।

বান-নিয়ন্ত্ৰণ, খহনীয়া প্ৰতিৰোধ জলসম্পদৰ ব্যৱহাৰ আদিৰ ক্ষেত্ৰত দেশৰ আনবোৰ অঞ্চলৰ তুলনাত উত্তৰ-পূব অঞ্চলত ব্যয় কৰা ধনৰ পৰিমাণ আৰু হাতত লোৱা প্ৰকল্পৰ সংখ্যা নিচেই নগণ্য। যি মঞ্জুৰ কৰিছিল তাৰে একো কাম নহয়। তদুপৰি নতুন বাজেটত ধৰা ধন এই অঞ্চলত খৰচ নকৰি অন্যান্য ঠাইত খৰচ কৰাৰ উদাহৰণ আছে।

## দুৰ্দিনৰ আগজাননী ?

অসমত কোনো কোনো ঠাইত খৰাং বতৰে দুৰ্দিনৰ আগজাননী দিছে। প্ৰয়োজনৰ সময়ত বৰষুণ নাই আৰু প্ৰয়োজন নথকা সময়ত বৰষুণ—এই ঘটনাৰ কিমান ভাগ প্ৰকৃতিৰ খেয়াল আৰু কিমান ভাগ আমি সৃষ্টি কৰা পৰিৱেশগত অৱস্থা সেইটো খাটাংভাৱে নিৰ্ণয় কৰা হোৱা নাই। শতকৰা ৮০ ভাগ কৃষিজীৱী-লোকৰ ৰাজ্য এখনত কৃষকসকলেই সেই ৰাজ্যৰ সৰ্বাধিক গুৰুত্ব পাব লগা জনসমষ্টি; কিন্তু তেওঁলোকে জীৱন আৰু জীৱিকাৰ বাবে আজিও দৈৱৰ ওপৰত—মেঘ-দেৱতাৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি থাকিব লগা হৈছে। ৩ জুলাইত জলসিঞ্চন বিষয়াৰ সম্মিলনত পানী যোগান ব্যৱস্থা কিমান গুৰুত্বপূৰ্ণ সেইটোহে দোহৰা হ'ল, কিন্তু খৰাং-সমস্যা চম্ভালিবলৈ কি ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে তাক জনা নগ'ল।

* গৰমৰ বন্ধ খোলাৰ লগে লগে প্ৰথম মানৰ পৰা সপ্তম মান শ্ৰেণীৰ ভিতৰত পঢ়া ৩৮ লাখৰো অধিক ছাত্ৰছাত্ৰীৰ মাজত ৫ কোটি টকা মূল্যৰ পাঠ্য পুথি বিনামূলীয়াকৈ বিতৰণ কৰা হ'ব বুলি ৰাজ্যৰ শিক্ষামন্ত্ৰীয়ে জনাইছে। উল্লেখযোগ্য যে গণ পৰিষদ চৰকাৰে কাৰ্যভাৰলৈয়ে এই সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। বিনামূলীয়াকৈ পাঠ্যপুথি বিতৰণ কৰা অসমেই একমাত্ৰ ৰাজ্য বুলি কোৱা হৈছে।

## মিজোৰাম ঃ আৰু এখন চুক্তি

অৱশেষত মিজোৰামৰ লালডেংগাৰ লগত এখন চুক্তি হ'ল। অসম আৰু পঞ্জাব চুক্তিৰ বৰ্তমান অৱস্থা চাই সন্তুষ্ট হ'ব নোৱৰাসকলে মিজোৰাম চুক্তিও পাছত দেখিলেহে লিখিবলৈ আঁতৰাই থৈছে। ইতিমধ্যে মিজোৰাম চুক্তিৰ সমালোচনা হৈছে বিজেপিৰ ফালৰপৰা; তেওঁলোকৰ মতে এই চুক্তি কৰি উচ্চতম ন্যায়ালয়ৰ এটা ৰায় উলংঘা কৰা হৈছে, মিজোৰামক আন ৰাজ্যক নিদিয়া বিশেষ মৰ্যাদা দিয়া হৈছে, হিংসা আৰু উগ্ৰপন্থাক উৎসাহ যোগোৱা হৈছে আৰু লালডেংগাই ভাৰতীয় জাতীয়তা মানি ল'বলৈ অনবৰতে অস্বীকাৰ কৰি থকা সত্বেও তেওঁৰ লগত চুক্তিখন কৰা হৈছে। বিজেপিৰ আপত্তি 'ৰাজনৈতিক' বুলি তেওঁলোকে ঘোষণা কৰিছে।

এই চুক্তিখনৰ বিষয়ে 'ইনফা'ৰ ইন্দৰজিতে মন্তব্য কৰিছে যে নগালেণ্ডৰ ৰাজ্যপালৰ ক্ষেত্ৰত দিয়া দি মিজোৰামৰ ৰাজ্যপালক বিশেষ ক্ষমতা দিয়া হোৱা নাই। অৱশ্যে নগালেণ্ডৰ দৰে মিজোৰামৰ ক্ষেত্ৰতো সংসদে প্ৰণয়ন কৰা কেতবোৰ আইন মিজোৰাম বিধান সভাৰ অনুমোদনক্ৰমেহে প্ৰযোজ্য হ'ব। কিন্তু এই ক্ষেত্ৰতো নগালেণ্ডত হোৱা অভিজ্ঞতাৰ আলোকত কেতবোৰ সালসলনি কৰা হৈছে।

## নগালেণ্ডত বিদ্ৰোহ দমন কৰাৰ সাধুটো !

ইনফা'-ৰ ইন্দৰজিতে লিখিছে: নগালেণ্ডত যোৱা এবছৰত আত্মগোপনকাৰী বিদ্ৰোহীয়ে ১০ টা বেংকত ডকাইতি কৰি ১ কোটিৰো অধিক টকা লুট কৰিছে, কিন্তু ৰাজ্যখনৰ ই-কংগ্ৰেছ চৰকাৰে এই ডকাইতিবোৰ নিন্দা কৰা নাই আৰু এই সম্পৰ্কত বিশেষ ব্যৱস্থাও লোৱা নাই। চাঞ্চল্যকৰ খবৰটো হ'ল ৰাজ্যখনৰ ই-কংগ্ৰেছ চৰকাৰৰ আত্মগোপনকাৰীৰ ষড়যন্ত্ৰৰ লগত সহযোগিতা থকা বুলি প্ৰকাশ পাইছে। নেচনেল ছচিয়েলিষ্ট কাউন্সিল অৱ নগালেণ্ডৰ (এন এছ চি এন) লোকে ডকাইতি কৰি গোটোৱা ধনৰ বৃহৎ ভাগ হেনো নগালেণ্ডৰ কিছুমান মন্ত্ৰীক দিয়ে আৰু তেওঁলোকে সীমান্তৰ সিপাৰে থকা এন এছ চি এনৰ মানুহক তাৰ ভাগ দিয়ে। এই সংগঠনটোৰ সভাপতি ইছাক ছুয়ে তেওঁলৈ এজন বিদ্ৰোহীৰ হাতত পঠিওৱা ৯ লাখ টকা গ্ৰহণ কৰাৰ ৰছিদ কৰ্তৃপক্ষৰ হাতত পৰিছে। ৰাজ্যৰ কিছুমান প্ৰভাৱশালী মন্ত্ৰীয়ে তেওঁলোকৰ ব্যক্তিগত অস্ত্ৰ-ভাণ্ডাৰত চীনত নিৰ্মিত স্বয়ংক্ৰিয় অস্ত্ৰশস্ত্ৰও সংগ্ৰহ কৰি ৰাখিছে। সৰ্বসাধাৰণ নগা ৰাইজৰ প্ৰশ্ন: 'আত্মগোপনকাৰীৰ লগত ষড়যন্ত্ৰত লিপ্ত এনে এখন মন্ত্ৰীসভাক সমৰ্থন দি থকা দিল্লীৰ এইটো কেনে চৰকাৰ ? এইজন কি ধৰণৰ প্ৰধান মন্ত্ৰী ?'

## গণ পৰিষদৰপৰা লোক সভাৰ সদস্য বহিষ্কাৰ

অসম গণ পৰিষদে অৱশেষত লোকসভাৰ সদস্য এজনক দলৰপৰা বহিষ্কাৰ কৰিলে; ঘটনাটো কেইবাটাও দিশৰপৰা তাৎপৰ্যপূৰ্ণ বুলি ধাৰণা কৰা হৈছে। দীৰ্ঘদিনীয়া নিৰ্যাতন আৰু নিষ্পেষণ ভোগ কৰাৰ মূৰত গণ পৰিষদৰ ক্ষমতা দখলৰ ৰূপত হোৱা অসমীয়া মানুহৰ এটা অভূতপূৰ্ব ৰাজনৈতিক উত্থানৰ মাত্ৰ ছমাহৰ পাছতে ৰাইজৰ অপাৰ আশীৰ্বাদ শিৰত লৈ নিৰ্বাচিত এজন প্ৰতিনিধিক তেওঁৰ অসহনীয় অসামাজিক আচৰণ আৰু জনবিৰোধী উচ্ছৃংখলতাত অতীষ্ঠ হৈ দলৰপৰা বহিষ্কাৰ কৰিব লগা হোৱাৰ এইটো প্ৰথম ঘটনা।

পৰ্যবেক্ষকসকলে মন কৰিছে যে গণ পৰিষদ দল আৰু চৰকাৰত বোধকৰো এতিয়া কোনো নেতৃত্বৰ সংকট নাই, তেওঁলোকে দাবী কৰাৰ দৰেই দল আৰু চৰকাৰত ঐক্যবদ্ধ নেতৃত্বই চলিছে অথবা পুনৰ চলিবলৈ আৰম্ভ কৰিছে; লোকসভাৰ সদস্যজনক বহিষ্কাৰ কৰিবলৈ লোৱা সিদ্ধান্তটোৰ বলিষ্ঠতাই তাকে সূচায়।

অৱশ্যে ঘটনাটোৰ আন কেইটামান তাৎপৰ্যও উদঙাই ধৰা হৈছে: নিৰ্বাচনৰ বাবে প্ৰাৰ্থী বাছনি কৰোঁতে গণ পৰিষদে যে কিছুমান ক্ষেত্ৰত বিচক্ষণতা দেখুউৱা নাছিল তাৰ সাক্ষী এই সদস্যজন।

* অন্ধ্ৰ প্ৰদেশ চৰকাৰে ঘোষণা কৰিছে যে ৪৪ শতাংশ চৰকাৰী চাকৰি আৰু শিক্ষানুষ্ঠানৰ আসন অনুন্নত শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব, কিন্তু এই সংৰক্ষণৰ সুবিধা বাৰ্ষিক আয় ১২ হাজাৰ টকাৰ তলত থকা সকলেহে পাব। ইয়াৰ ফলত মুঠ সংৰক্ষণ ৬৭ শতাংশলৈ বাঢ়িল। গাওঁ পঞ্চায়ত, মণ্ডল আৰু জিলা পৰিষদৰ নিৰ্বাচনযোগে পূৰাব লগা ২০ শতাংশ পদো এই অনুন্নত শ্ৰেণীবোৰৰ বাবে সংৰক্ষিত ৰখা হ'ব।

* ই-কংগ্ৰেছৰ সাংগঠনিক নিৰ্বাচন যোৱা ১৪ বছৰ ধৰি স্থগিত ৰখাৰ ফলত দলটোৰ গণতান্ত্ৰিক কাৰ্যনিৰ্বাহ পযুদস্ত হৈছে বুলি কৈ দলৰ কাৰ্যকৰী সভাপতি কমলাপতি ত্ৰিপাঠীয়ে আকৌ বিতৰ্ক এটাৰ সৃষ্টি কৰিছে।

* ইন্দিৰা গান্ধীক হত্যা কৰাৰ দায়ত মৃত্যু দণ্ড পোৱা সতৱন্ত, কাহেৰ আৰু বলবীৰ সিঙৰ পাছৰ দুজনৰ উকীল ৰাম জেঠমালানিয়ে দিল্লী উচ্চ ন্যায়ালয়ত যুক্তি প্ৰদৰ্শন কৰি কৈছে যে জনসাধাৰণ উপস্থিত থাকিব নোৱাৰা তিহাৰ 'জেলৰ ভিতৰত বিচাৰ কৰিবলৈ দি আদালতে অভিযুক্ত কেইজনৰ অধিকাৰ হানি কৰিছে—কাৰণ ৰাজহুৱা স্থানত বিচাৰ চলোৱাটো ন্যায্য বিচাৰৰ সবাতোকৈ প্ৰয়োজনীয় চৰ্ত আৰু সংবিধানে সেই অধিকাৰ দিছে।

## মুক্তি আৰু ব্যৱসায়

স্বাধীনতা আৰু সমতাৰ প্ৰতীক হিচাপে স্থাপন কৰা আমেৰিকাৰ ষ্টেচু অৱ লিবাৰ্টিৰ এশ বছৰ পূৰ হোৱা উপলক্ষে ৫০ নিযুত ডলাৰ খৰচ কৰি উৎসৱ পতা হয়। ৬৬ নিযুত ডলাৰ খৰচ কৰি পুনৰ সজায়-পৰাই তোলা মূৰ্তিটো ৰাষ্ট্ৰপতি ৰেগনে উন্মোচন কৰে। নিউইয়ৰ্ক পোতাশ্ৰয়ত থকা এই মূৰ্তিটোৱে লাখ লাখ প্ৰব্ৰজনকাৰীৰ বাবে আমেৰিকাই তেওঁলোকক গ্ৰহণ কৰাৰ এটা শতিকা সূচাইছে। মূৰ্তিটো আমেৰিকাক উপহাৰ দিছিল ফ্ৰান্সে; উৎসৱত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মিটাৰঁৱেও যোগ দিয়ে। উল্লেখযোগ্য যে এখন বেচৰকাৰী পুজি-সংগ্ৰহ কমিটিয়ে মূৰ্তিটো পুনৰ্নিমাণৰ বাবে প্ৰয়োজন হোৱা ২৬৫ নিযুত ডলাৰতকৈ অধিক ধন সংগ্ৰহ কৰে। ২১ টা বৃহৎ নিগমক 'প্ৰযোজক'ৰ অধিকাৰ দিয়া হয় আৰু সেইবোৰে গাইপতি ৪ নিযুত ডলাৰকৈ দিয়ে। সাংবাদিক, সমাজ বিজ্ঞানী আদিয়ে আমেৰিকাৰ অতি আদৰৰ এই প্ৰতীকটো পুনৰ নিৰ্মাণ কৰি উন্মোচন কৰা উপলক্ষ্য লৈ ব্যৱসায় কৰাত ক্ষোভ প্ৰকাশ কৰে। অনুষ্ঠান চাবলৈ বহাৰ ঠাইকণো ধনী আৰু প্ৰভাৱশালীলোকে 'কিনি'লয়। ভাৰতেও 'গোদাবৰী' নামৰ জাহাজখন পঠিয়াই অনুষ্ঠানত ভাগ লয়।

* পাকিস্তানত বেনজিৰ ভুট্টোৱে প্ৰতিৰক্ষা ব্যয় কৰ্তন কৰি জনগণৰ কল্যাণৰ কাৰণে ধন সাচিবলৈ আহ্বান জনাইছে। তেওঁ দেখুৱাইছে যে প্ৰতিৰক্ষা শিতানত ধৰা ধন ১৯৮০-৮১ চনৰ পৰিমাণতে ৰখা হ'লে পাকিস্তানে ১১২,০০০ কোটি টকা বচাব পাৰিলেহেঁতেন কল্যাণমূলক আচনিৰ বাবে। ইফালে সাপ্তাহিক 'ডন' পত্ৰিকাৰ প্ৰবন্ধ এটাতো কোৱা হৈছে যে এই বছৰ প্ৰতিৰক্ষা ব্যয় ১০ শতাংশ বৃদ্ধি কৰাৰ ফলত নৱজাত কেচুৱাকে ধৰি প্ৰতিজন ব্যক্তিৰ ওপৰত গাইপতি ৪২২ টকাৰ বোজা পৰিছে। সেইদৰে বিদেশক শোধ কৰিব লগা ধাৰৰ বোজাও গাইপতি পৰিছে ২০০ টকাকৈ। এই প্ৰসংগত উল্লেখযোগ্য যে যোৱা ৫ জুলাইত 'কৃষ্ণ দিবস' পালন কৰাৰ লগে লগে বেনজিৰৰ সংগ্ৰাম গুৰুত্বপূৰ্ণ পৰ্যায়ত উপনীত হোৱা বুলি কোৱা হৈছে। ১৯৭৭ চনত এই তাৰিখতে জিয়া উল হকে জুলফিকৰ আলী ভুট্টোক ক্ষমতা চ্যুত কৰি সামৰিক একনায়কত্ব প্ৰতিষ্ঠা কৰে। প্ৰকাশিত বাতৰিৰ মতে এই দিৱস "সমগ্ৰ পাকিস্তানত" উদযাপন কৰা হয়।





OKDISCD

## ‘অপূৰণ কৰমৰ ভাৰ…’

‘…… আজিও সেই একেই পৰিস্থিতি অসমীয়া জাতীয়তাবাদৰ সম্মুখত। অসমৰ আজিৰ এই সমস্যা সংবিধান উদ্ভুত—যেনেকৈ ভাৰতীয় জাতীয়তাবাদৰ সমস্যা উদ্ভৱ হৈছিল গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া এক্ট ১৯৩৫ চনৰ পৰা। ১৯৩৫ চনৰ সংবিধানৰ আধাৰত তেতিয়াৰ ৰাজ্যসমূহৰ… ক্ষমতা আছিল ৰাজনৈতিক। বিধায়িনী ক্ষেত্ৰত ১১ টা আৰু বিত্তীয় বিষয়ত ১৩ টাৰ ক্ষেত্ৰত ক্ষমতা কাঢ়ি নিয়া হ’ল। ৰাজ্য চৰকাৰসমূহক, বিশেষকৈ অসম ৰাজ্যক পংগু কৰি পেলোৱা হ’ল—দান-দক্ষিণা, ভিক্ষা-ঋণৰ ওপৰত বৰ্ত্তি থাকিবৰ বাবে বাধ্য কৰোৱা হ’ল। অথচ ৰাজ্য চৰকাৰসমূহ অধিক অধিকাৰপ্ৰাপ্ত হ’ব লাগিছিল। আজি সেয়েহে ৩৭ চনতকৈয়ো পৰিস্থিতি গভীৰ। এই পৰিস্থিতি স্বীকাৰ কৰি ল’বলৈ আমি সক্ষম নে?…

‘… ১৯৭৮ চনৰেপৰা আমি জড়তা পৰিহাৰ কৰি এক ঘনাই সলনি হোৱা ৰাজনৈতিক প্ৰবাহৰ প্ৰভাৱত চলমান, ধাৱমান, গতিশীল অৱস্থিতি গ্ৰহণ কৰিছোঁ।

‘আমি পিছে এতিয়া কি কৰিম? আমি অপূৰণ কৰমৰ ভাৰ বান্ধিলৈ’, মূৰৰ ওপৰত সহিব নোৱৰা ঋণৰ বোজালৈ, পিছুৱাই পিছুৱাই গৈয়েই থাকিম নেকি? ৰাজনৈতিকভাৱে পৰাভূত, অৰ্থনৈতিকভাৱে কৰায়ত্ত আৰু জাতিগতভাৱে নিশ্চিহ্ন হৈ? নে আমি কষ্টলব্ধ স্বাধীনতা সংৰক্ষণৰ বাবে আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ ভেটিত, সন্মুখৰ হেঙাৰ, বাধা-বিঘিনি আঁতৰাই নিজকে প্ৰতিষ্ঠা কৰিম? কোনটো কৰিম? মুঠতে আমি পৰিষদৰ ভিতৰে-বাহিৰে ৰণখন তৰিবৰ বাবে সক্ষম আৰু প্ৰস্তুতনে?…’

[ নিবাৰণ বৰা: ‘অসম বাণী’ ত ]

### তামোলৰ পিক

‘… এজন খৃষ্টান পুৰোহিত এজন জনজাতীয় লোকৰ সৈতে খোজ কাঢ়ি গৈ থাকোঁতে ঘটা এটা সৰু সঁচা ঘটনাৰ বিষয়ে মই শুনিছিলো। গৈ থাকোঁতে এঠাইত জনজাতীয় লোকজনে কথাৰ মাজতে ৰৈ ক’লে: অনুগ্ৰহ কৰি ইয়াতে এখন্তেক ৰ’ব, মই আহিছোঁ। তেওঁ দহ মিনিটৰ পাছত উভতি আহিল। ইমান সময় কিয় হ’ল বুলি সোধাত তেওঁ ক’লে যে তেওঁ তামোলৰ পিক পেলাবলৈ গৈছিল। কিন্তু তুমি ইয়াতে পিক নেপেলালা কিয়? —ফাডাৰজনে সুধিলে। জনজাতীয় লোকজনে হেনো ক’লে: আপুনি কি কৈছে—ইয়াত? এই সুন্দৰ সুন্দৰ ফুল বিলাকৰ মাজত? গতিকে তেওঁ বনাঞ্চল দূষিত নকৰি হাবিখন পাৰ হৈ সীমালৈকে গ’ল পিক পেলাবলৈ। তেওঁলোক শিক্ষিত নহ’ব পাৰে, কিন্তু তেওঁলোকৰ দায়িত্ব-বোধ যে আছে এই ঘটনাই দেখুৱায়। আমাৰ নগৰীয়া মানুহে হ’লে য’তে ত’তে থু পেলাই দিব।…’

[বিশিষ্ট পৰিবেশ-বিজ্ঞানী ডঃ ভি. এম. মেহেৰ-হোমজিঃ ‘দি ইলাষ্ট্ৰেটেড উইকলি অৱ ইণ্ডিয়া’ত] ”

### অসম-প্ৰশ্নত ত্ৰিপাঠী কাৰ লগত?

‘…পঞ্জাবৰ দৰেই অসমত কংগ্ৰেছ যে কেৱল নিৰ্বাচনী যুদ্ধতে বিধ্বস্ত হৈছে সেয়ে নহয়; —এই ৰাজ্যখনত দল প্ৰায় বিলুপ্ত হোৱাৰ উপক্ৰম ঘটিছে। অসমত অতি সংকটৰ সময়ত যিজনে দলৰ গুৰি বঠা ধৰিছিল তেওঁক আপুনি ত্যাগ কৰিলে আৰু এতিয়া আকৌ দল গঢ়ি তুলিবৰ বাবে তেওঁৰ কোনো বিকল্প পোৱা নাই। কিন্তু অসমত দলৰ অৱস্থাৰ কথা বাঁৰু বাদ দিলো; অসম চুক্তিৰ ফল হ’ব সাংঘাতিক। অসম চুক্তিত স্বাক্ষৰ কৰি ভাৰত চৰকাৰে এই কথা স্বীকাৰ কৰি ল’লে যে বিদেশীসকলৰ উপৰিও এইখন দেশত এনে এদল লোক আছে যি ভোটাধিকাৰৰ পৰা বঞ্চিত হৈও ভাৰতীয় নাগৰিক। অসম-আন্দোলনকাৰীসকলৰ দাবী মানি লৈ আৰু পাছত চুক্তি কৰি ভাৰত চৰকাৰে এই কথাই মানি ল’লে যে কেৱল পেশীৰ জোৰ দেখুৱায়েই এদল শক্তিশালী দৃঢ়-সংকল্পবদ্ধ লোকে এজন ভাৰতীয়ৰ দেশৰ যিকোনো ঠাইত বসবাস কৰাৰ সাংবিধানিক অধিকাৰ সলনি কৰি দিব পাৰে। অসম-চুক্তিৰ এই ‘ব্যৱস্থাৱলীৰ সম্পূৰ্ণ ৰাজনৈতিক তাৎপৰ্য সম্পৰ্কে আপোনাৰ উপদেষ্টাসকলে আপোনাক অৱহিত কৰিছেনে, নাই মই নাজানো।…’

[ই-কংগ্ৰেছৰ কাৰ্যনিৰ্বাহক সভাপতি কমলাপতি ত্ৰিপাঠীয়ে দলৰ সভাপতি আৰু প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীলৈ দিয়া চিঠিৰ অংশ বিশেষ]॥

### ক্ৰিকেট: এন্দুৰ-নিগনি, পেটৰ অসুখ

‘…লৰ্ড ছত প্ৰথমখন টেষ্টতে সন্দেহৰ কোনো থল নথকাকৈ বেয়াকৈ হৰা ইংলেণ্ডৰ খেলুৱৈ, বাতৰি কাকত আৰু সংবাদ মাধ্যমে এতিয়া আম্পায়াৰিং, নেট প্ৰেকটিচৰ সুবিধাৰ অভাৱ, বতৰ, ড্ৰেছিং ৰুমত এন্দুৰ-নিগনি, পৰিবহন ব্যৱস্থা, ৰাজনৈতিক বিক্ষোভ প্ৰদৰ্শন, দৰ্শকৰ গুণ্ডামি, খাদ্য আৰু পানী, কোষ্ঠবদ্ধতা আৰু পেট চলা অসুখ লৈ আপত্তি কৰিব আৰু নোৱাৰে।…’

[ সম্পাদকলৈ চিঠি এখনৰ অংশ: ‘দি টাইমছ অৱ ইণ্ডিয়া’ত ]॥

### ফুটবল: চুটি কম্বল

‘…তেওঁ (টিম অৰ্থাৎ ব্ৰাজিলৰ ফুটবলৰ ৰণনীতিবিদ এলবা দি পাওলা লিমাই) কয়: ফুটবল এখন চুটি কম্বলৰ লেখীয়া। মূৰটো ঢাকিলে ভৰি কেইটা উদং হৈ যায় আৰু ভৰি কেইটা ঢাকিলে মূৰটো উদং হৈ যায়। অৰ্থাৎ টিমে ক’ব খুজিছে যে ফুটবলত আক্ৰমণ আৰু প্ৰতিৰক্ষাৰ দিশত ভাৰসাম্য ৰক্ষা কৰাটো টান কাম— ইমান টান কাম যে কেৱল শ্ৰেষ্ঠ দলবোৰহে সেই ক্ষেত্ৰত সফল হ’ব পাৰে।…

[ চিজাৰ মিনত্তি: ‘দি টেলিগ্ৰাফ’ত ]॥





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক কৰা সৰহভাগ সমালোচনাত পৰোক্ষভাৱে যিটো কথাৰ ইংগিত নিহিত হৈ থাকে সেইটো হ’ল, তেওঁ পঞ্জাব আৰু অসম চুক্তি নকৰা হ’লে আৰু মুছলমান মহিলাৰ ভৰণ-পোষণ আইনখন নকৰা হ’লে দেশখন শান্তিপূৰ্ণ আৰু সাম্প্ৰদায়িক পৰিবেশমুক্ত হৈ থাকিলহেঁতেন। তাৰ লগতে এই ইংগিতো থাকে যে এহাতে পঞ্জাবৰ অকালীসকলৰ লগত আৰু অসমৰ ছাত্ৰসকলৰ লগত মিটমাট নকৰি আৰু আনহাতে হিন্দু ‘খেলখন’ খেলিবলৈ চেষ্টা কৰি ইন্দিৰা গান্ধীয়ে ঠিক কামেই কৰিছিল।

এই কথাবোৰ পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন আছে। ৰাজহুৱা স্মৃতি ক্ষণস্থায়ী, কিন্তু চুক্তি দুখনত উপনীত হোৱাৰ সময়ত দেশখন কেনেকৈ স্বস্তিৰ ঢৌ এটাই ঢৌৱাই পেলাইছিল সেই কথা মনত পেলোৱা দৰকাৰ। হঠাৎ উত্তেজনাৰ উপশম ঘটিল আৰু এনে এটা অনুভূতি জাগিল যে বছৰ বছৰ ধৰি পুঞ্জীভূত হ’বলৈ দিয়া সমস্যাবোৰৰ এতিয়া আৰু ৰেহা লাগিব। অৱশেষত প্ৰশাসন এটা ভুৱা মৰ্যাদা বোধত আৰু যেন ভুগি থকা নাই, এনে লাগিল।

সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ আৰু অপাৰেশ্যন ব্লু ষ্টাৰে হানি-খুচি ক্ষত-বিক্ষত কৰা পঞ্জাব এটা নতুন আৰম্ভণিৰ দুৱাৰডলিত উপস্থিত হোৱা যেন লাগিল। শিখ জনমতৰ বিচ্ছিন্ন হৈ পৰা উদাৰনৈতিক অংশটো ঘাই সূঁতিলৈ উভতি আহিল আৰু এইটো কথা স্পষ্ট হৈ পৰিল যে ৰাজ্যখনত তেওঁৰ দলৰ প্ৰধান ৰাজনৈতিক প্ৰতিদ্বন্দ্বী অকালীসকল ক্ৰমে পৰাভূত হৈ পৰালৈহে ইন্দিৰা গান্ধীয়ে প্ৰতিৰোধ চলাই আছিল। মীমাংসাৰ চৰ্তসমূহ আৰু সহজ হ’লহেঁতেন, কাৰণ স্বৰণ সিঙে অকালী আৰু নতুন দিল্লীৰ মাজত এজন মধ্যস্থতাকাৰী হিচাপে ভাল কামেই কৰিছিল; তদুপৰি হৰচান্দ সিং লংগোৱালৰ লেখীয়া নৰমপন্থী নেতাসকলক প্ৰতিহত কৰিবলৈকে যে ইন্দিৰাগান্ধী আৰু তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীয়ে জাৰ্ণাইল সিং ভিন্দ্ৰেনৱালেক গঢ়ি তুলিছিল সেইটো বুজাতো টান নহৈছিল।

### ৰাজীৱ গান্ধীৰ ভুল হৈছে কোনখিনিত

মাকে গঢ়ি তোলা প্ৰাচীৰখন ভাঙি আৰু চুক্তি সম্পাদন কৰি ৰাজীৱ গান্ধীয়ে ভুল কৰা নাছিল; তেওঁ ভুল কৰিছে চুক্তি ৰূপায়ণ কৰাত বেলি কৰিহে। ১৯৮৪ চনৰ নৱেম্বৰত দিল্লী আৰু অন্যান্য ঠাইত হোৱা সংঘৰ্ষৰ বলিসকলক পুনৰসংস্থাপিত কৰাটো চুক্তিৰ প্ৰথম কথা আছিল, কিন্তু এতিয়াহে ৰাজীৱ গান্ধীয়ে তাৰ বাবে সময়সীমা বান্ধি দিছে। চুক্তি মতে ২৬ জানুৱাৰীতে চণ্ডীগড় পঞ্জাবলৈ হস্তান্তৰিত হ’ব লাগিছিল, কিন্তু ন’হল; খান্দুখেৰা, ফাজিলকা আৰু আবহৰৰ আন গাঁওবোৰত নতুনকৈ গণনা চলোৱাৰ পণ্ডশ্ৰমটো চৰকাৰে এৰাই চলিব লাগিছিল (তাত ১৯৬১ চনৰ লোকপিয়লৰে পুনৰাবৃত্তি ঘটিল —তেতিয়াও পঞ্জাবী কোৱা হিন্দুসকলে হিন্দীক মাতৃভাষা বুলি লিপিবদ্ধ কৰাইছিল)।

বৰং যিটোৰ প্ৰয়োজন আছিল সেইটো হ’ল সংগ্ৰামৰত আৰু তেওঁলোকৰ লগত চৰকাৰ আৰু পুলিছৰ যিসকল সহযোগী হৈ আছে সেই সকলৰ বিৰুদ্ধে পৰিকল্পিত কাৰ্যব্যৱস্থা গ্ৰহণ কৰা। কেতবোৰ ঠাইত সামৰিক বাহিনী নিয়োগ কৰা হ’লে তেওঁলোকক অধিক কাৰ্যকৰভাৱে চম্ভালিব পৰা গ’লহেঁতেন আৰু হিন্দু সংখ্যালঘুসকলৰ মাজত বিয়পিপৰা বিতত অৱস্থাটো অধিক ভালদৰে দূৰ হ’লহেঁতেন। বিজেপি-প্ৰধান লালকৃষ্ণ আদৱানিয়ে যোগ দিবলৈ অসন্মতি প্ৰকাশ কৰাৰ পাছত প্ৰাসংগিকতা আৰু হেৰুৱাই পেলোৱা জগজীৱন ৰাম ‘পেনেল’খনৰ পৰিবৰ্তে ৰাজীৱ গান্ধীয়ে অকালীসকলকো অন্তৰ্ভুক্ত কৰি এখন সৰ্বদলীয় সমিতি গঠন কৰিব লাগিছিল।

সেইদৰে অসমতো আগৰ ৰাজ্যপাল লালন প্ৰসাদ সিঙে ১৯৮০ চনত প্ৰস্তাৱ কৰা মীমাংসা এটাত ইন্দিৰা গান্ধীয়ে বাধা নিদিয়া হ’লে চুক্তিৰ চৰ্তসমূহ অধিক সহজ হ’লহেঁতেন। তেতিয়া বিদেশী চিনাক্তকৰণৰ সময়সীমা হিচাপে আনকি ১৯৬৭ চনো মানি ল’বলৈ অসমৰ ছাত্ৰ নেতাসকল ইচ্ছুক আছিল, কিন্তু ইন্দিৰা গান্ধীয়ে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদক শক্তিশালী কৰিব খুখুজিলে। সংগঠন দুটাক তেওঁ তেওঁৰ কংগ্ৰেছ পাৰ্টিৰ প্ৰতিদ্বন্দ্বী বুলি বিবেচনা কৰিছিল। তাৰ পৰিবৰ্তে তেওঁ তেতিয়াৰ ৰাজ্যপালৰ উপদেষ্টা হিচাপে হৰিশচন্দ্ৰ ছাৰিনক পঠিয়াই দিলে আৰু ছাৰিনে টকা-পইচাৰ কৌশল আৰু আলোচনা এৰি চলাৰ কৌশল অৱলম্বন কৰি এনে এটা পৰিস্থিতিৰ সৃষ্টি কৰিলে য’ত ৰাজ্যখনৰ সমস্ত গোষ্ঠী-সম্প্ৰদায় পৰস্পৰৰ বিৰুদ্ধে থিয় দিলে আৰু তাৰ পৰিণতিত কিছু দিনৰ পাছত নেলী হত্যাকাণ্ডৰ সৃষ্টি হ’ল। অসমীয়া আৰু অনা-অসমীয়া, বিশেষকৈ বাঙালীসকলৰ মাজত যিটো ফাট



OKDISCD

মেলিলে তাক মেৰামতি কৰি ঠিক কৰিবলৈ হয়তো বহু বছৰ লাগিব।

চুক্তিখন কৰি ৰাজীৱ গান্ধীয়ে ভুল কৰা নাই, কিন্তু পাছলৈ তেওঁ অমনোযোগী হৈ পৰিল; —অৱহেলা কৰিবলৈ ল'লে। চুক্তিখনৰ প্ৰধান চৰ্তসমূহ কাৰ্যকৰী কৰিবলৈ এতিয়াও বাকী। বিশৃংখল অৱস্থাটোত অসম চৰকাৰেও অৰিহণা যোগাইছে। 'বিদেশী' —এই আখ্যাটো বাংলাদেশৰপৰা অহা অবৈধ অনুপ্ৰবেশকাৰীৰ বিৰুদ্ধেহে ব্যৱহাৰ কৰিব লাগিছিল; অসম চৰকাৰে নতুন দিল্লীৰপৰা কোনো বাধা নোপোৱাকৈ এই সংজ্ঞা সকলো বহিৰাগতৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছে, আনকি ভাৰতৰ আন আন অংশৰপৰা অহা লোকৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিছে। বিহাৰী শ্ৰমিক আৰু মাৰোৱাৰী ব্যৱসায়ীকো বাংলাদেশী অনুপ্ৰবেশকাৰী বোলা হৈছে। আনকি তিনি দশকৰ আগেয়ে বাংলাদেশৰপৰা অসমলৈ প্ৰব্ৰজন কৰা লোককো, বিশেষকৈ মুছলমানসকলক জুলুম কৰা হৈছে। কোনো অৱস্থাতেই এই প্ৰব্ৰজনকাৰীসকলৰ সতি-সন্ততিক তেওঁলোকৰ নাগৰিকত্ব সম্পৰ্কে প্ৰশ্ন কৰাৰ থল নাই; কাৰণ তেওঁলোকৰ ভাৰতত জন্ম হৈছে। কিন্তু তাকে কৰা হৈছে। এই ক্ষেত্ৰতো আপত্তি কৰিব লগা কথা হৈ পৰিছে চুক্তিখন কাৰ্যকৰী কৰিবলৈ লোৱাৰ পদ্ধতিটোহে,— চুক্তিখন নহয়।*

---

* অসম গণ পৰিষদ চৰকাৰে 'ৰিদেশী' আখ্যা কাৰ কাৰ ক্ষেত্ৰত কেনেদৰে ব্যৱহাৰ কৰিছে সেই বিষয়ে শ্ৰীনায়াৰে প্ৰকাশ কৰা মন্তব্যৰ লগত আমি একমত নহওঁ। যিহেতু তেখেতৰ এই শিতানৰ লেখা ভাৰতৰ কেইবাখনো বিশিষ্ট কাকত-আলোচনীতো ওলায়, আৰু এইটো লেখা ইতিমধ্যে কাকত বিশেষত ওলাই গৈছেই, সেই দেখি আমাৰ ফালৰপৰা ভুল বুলি ভবা অংশখিনিও অনুবাদত বাদ নিদিয়াকৈ প্ৰকাশ কৰা হ'ল।

শ্ৰীনায়াৰ প্ৰান্তিকৰ নিবন্ধকাৰসকলৰ অন্তৰ্ভুক্ত গতিকে তেখেতৰ এই প্ৰবন্ধ সম্পৰ্কে আমাৰ দৃষ্টিভংগী তেখেতৰ দৃষ্টিগোচৰ কৰা হ'ব। পাঠক-পাঠিকা সকলৰপৰা এই প্ৰবন্ধ সম্পৰ্কে **ইংৰাজীতে** লিখা চিঠি-পত্ৰ পালে আমি সেয়াও শ্ৰীনায়াৰলৈ পঠাম।

—স৹ প্ৰা৹

মুছলমান মহিলাৰ ভৰণপোষণ আইনখনৰ বিষয়তো ভুল হোৱা নাই। বিক্ষুব্ধ সম্প্ৰদায় এটাই তেওঁলোকৰ ব্যক্তিগত আইন বিপন্ন নহয় বুলি স্বস্তি বোধ কৰিছে। ৰাজীৱ গান্ধীয়ে খেলিমেলিখন কৰি পেলালে ততাভুকুতাকৈ বিলখন গৃহীত কৰাই আৰু আনকি মুছলমানসকলৰ মাজতো যথেষ্ট ৰাজহুৱা বিতৰ্কৰ থল নিদি— এই ক্ষেত্ৰত মনত ৰাখিব লগা কথা হ'ল হিন্দু ক'ড বিলখন গৃহীত কৰাৰ আগেয়ে নেহৰুৱে হিন্দুসকলক আলোচনাৰ বাবে তিনিবছৰ সময় দিছিল। আৰু বিলখনৰ বিষয়ে আলোচনা হওঁতে ৰাজীৱ গান্ধীয়ে সহজে এইটো বিষয়ত মুছলমান নেতাসকলক বুজাই-বঢ়াই মান্তি কৰিব পাৰিলেহেঁতেন যে তেওঁলোকে যেন যিটো প্ৰথাত পুৰুষজনে মাত্ৰ ৩ বাৰ 'তালাক' বুলিলেই বিবাহবন্ধনৰ অৱসান ঘটে,—যিটো প্ৰথা স্বয়ং কোৰানৰ বিৰোধী, সেই বিবাহ বিচ্ছেদ প্ৰথাটো যুক্তিসংগতভাৱে পুনৰ গঠিত কৰি লয়।

বোধকৰোঁ, তেওঁ মুছলমানসকলৰ ব্যক্তিগত আইনখন সংশোধন কৰি ল'বলৈও সেই সম্প্ৰদায়ৰ নেতাসকলক ক'ব পাৰিলেহেঁতেন; —পাকিস্তানকে ধৰি বহু ইছলামীয় দেশে বহুবিবাহ প্ৰথাৰ অৱসান ঘটাবলৈ আৰু এজন স্বামীক একেসময়তে একাধিক পত্নী ৰাখিবলৈ নিদিবৰ বাবে যিদৰে সংশোধন কৰিছে।

এটা কথা স্পষ্ট যে বহুতেই ৰাজীৱ গান্ধীক ভুল কাৰণত সমালোচনা কৰিছে। গণতান্ত্ৰিক অনুষ্ঠানসমূহ আৰু নৈতিক নিয়ম-কৰণবোৰৰ ক্ষেত্ৰত যি ঘটিছে তাৰ প্ৰতি তেওঁ অসংবেদী মনোভাব দেখুৱাইছে আৰু তেওঁৰ প্ৰতি অধিক যুক্তিপূৰ্ণ সমালোচনা সেইটোহে। মুক্ত সন্মতিৰ ওপৰত আধাৰিত এখন সমাজত কেতবোৰ মন্তব্য বা কাম যে অনুমোদনযোগ্য নহয়, সেই কথা তেওঁ উপলব্ধি কৰা নাই। এইক্ষেত্ৰত ইন্দিৰা গান্ধী আৰু বেয়া আছিল। শুদ্ধ আৰু ভুলৰ মাজৰ সীমাৰেখাডাল তেওঁ মোহাৰি পেলাইছিল আৰু এনে এটা গাঁথনি থিয় কৰাইছিল য'ত ক্ষমতাচক্ৰৰ ঘনিষ্ঠ লোকসকলে তেওঁলোকৰ নিজৰ স্বাৰ্থ বা তেওঁলোকে প্ৰতিনিধিত্ব কৰা কংগ্ৰেছৰ মাজৰ উপদলটোৰ স্বাৰ্থ পূৰণ কৰিবৰ বাবে প্ৰতিটো নিয়ম-বিধি-উলংঘা কৰিব পাৰিছিল। তেওঁৰ কাৰণে ক্ষমতাই আছিল লক্ষ্য আৰু তাক ধৰি ৰাখিবলৈ তেওঁ কোনো পন্থাকে বেয়া বুলি নাভাবিছিল। ইয়েই চৰম সীমাত উপনীত হৈছিল জৰুৰী অৱস্থাত।

ৰাজীৱ গান্ধীয়ে এই অনুষ্ঠানবোৰ পুনৰ জীয়াই তুলিব পাৰিলেহেঁতেন, কিন্তু তেওঁৰ শাসনকাৰ্যৰ যি পদ্ধতি তাৰ লগত সেইবোৰ খাপ খুৱাই ল'বলৈ তেওঁৰ যি উগ্ৰ হেঁপাহ সেয়ে সেইবোৰৰ অধিক অনিষ্ট সাধন কৰিছে। তেৱেঁ মাকৰ দৰেই মন্ত্ৰীসভাখন এটা স্বয়ংক্ৰিয় যন্ত্ৰবিশেষত পৰিণত কৰি লৈছে আৰু সকলো ক্ষমতা প্ৰধানমন্ত্ৰীৰ সচিবালয়ত কেন্দ্ৰীভূত কৰিছে। তেওঁ আৰু এখোপ চৰাহে; তেওঁ আনকি ৰাষ্ট্ৰপতি বোলা অনুষ্ঠানটোকো প্ৰয়োজনৰ বাহিৰৰ কথা কৰি পেলালে। তেওঁৰ যিটোৰ সভাপতি সেই পাৰ্টিটোকো তেওঁ হীন স্তাবকতাৰ অভ্যাসৰপৰা উদ্ধাৰ পাবলৈ নিদিলে, —যিটো অভ্যাস ইন্দিৰা গান্ধীৰ সময়তে আৰম্ভ হৈছিল।

তেওঁ সকলো দিশত যথানুপাত বোধ এটাও দেখুওৱা নাই। তেওঁ কৈছে যে তেওঁ ভাৰতক ২১ শতিকালৈ লৈ যাবলৈ বিচাৰিছে। কিন্তু এইটো তেওঁৰ এটা ইচ্ছাহে, কাৰণ আমি কম্পিউটাৰ ল'ব লাগে বুলি কোৱাত বাদে তেওঁ আন একো কোৱা নাই। একোটা সময়ত তেওঁ কয় যে ভাৰতে এসময়ত নিৰ্মাণ কৰা আদৰ্শগত গাঁথনিটো অনুসৰণ কৰিব লাগিব আৰু তাৰ পাছতে একোটা সময়ত তেওঁ এজন ফলাফল চাই আদৰ্শ বিচাৰ

১২ পৃষ্ঠাত চাওক



# বৰ্নিহাট ফৰেষ্ট কলেজ

জীৱন দাস

অৰণ্য মানৱৰ আদিম আশ্ৰয়-স্থলেই নহয়, জন্মক্ষণৰপৰাই অৰণ্যৰ ওপৰত নিৰ্ভৰ কৰি মানুহ তিষ্ঠি আছে। 'গছ নহলে মানুহ নাথাকে' বোলা আপ্তবাক্যাষাৰিৰ যথাৰ্থতে মূল্য আছে। এইটোৱেই অৰণ্য সংৰক্ষণৰো মূল কাৰণ। 'Trees means water, water means bread and bread is life.' এয়াও চিৰন্তন সত্য।

পৃথিৱীৰ কথা নকৰেঁই, ভাৰতবৰ্ষত মুঠ বননি এলেকাৰ পৰিধি ৭৫ নিযুত হেক্টৰ। ইয়াৰে বন বিভাগে প্ৰায় ৯৬ শতাংশ বনভূমি তদাৰক কৰি আছে। দেশখনৰ কৃষিৰ পিছতেই ভূমি ব্যৱহাৰৰ ক্ষেত্ৰত বননিৰ দ্বিতীয় স্থান। আমাৰ দেশত জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পাই আহিছে; ১৯৫১ চনত ৩৬১ নিযুতৰপৰা ১৯৮১ চনত ৬৪৮ নিযুতলৈ বাঢ়িছে। ১৯৫০ চনত মুঠ কৃষিভূমি আছিল ১১৮ নিযুত হেক্টৰ আৰু মুঠ কৃষিজাত দ্ৰব্য আহৃত হৈছিল মুঠ ৫৮ নিযুত টন। কিন্তু কৃষিজাত সামগ্ৰী বৰ্ধিত কৰাৰ অজুহাতত বহু বনভূমি এলেকা চৰকাৰৰ অনুমোদনতেই কৃষিভূমিলৈ ৰূপান্তৰিত হৈছিল। এনে এটা সৰ্বনশীয়া পৰিস্থিতিত আমাৰ দেশত বনভূমি দূৰদৰ্শিতাৰে সংৰক্ষণ কৰিবলৈ এচাম প্ৰশিক্ষিত বনকৰ্মীৰ আৱশ্যক হ'ল আৰু সেই কাৰণেই এই বন-বিজ্ঞানৰ প্ৰশিক্ষণ লবলৈ দেশখনৰ বিভিন্ন ৰাজ্যত বহু বন-বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপিত হ'ল। এই ক্ষেত্ৰত দেশখনৰ আন ৰাজ্যৰ লগতে খোজ মিলাই আমাৰ ৰাজ্যতো গুৱাহাটীৰ জালুকবাৰীত বনপালকৰ (ফৰেষ্টাৰৰ) প্ৰশিক্ষণৰ কাৰণে চৰকাৰী বন বিদ্যালয় গঢ়ি তোলা হ'ল। বনৰক্ষীৰ (ফৰেষ্ট গাৰ্ডৰ) প্ৰশিক্ষণো প্ৰথমতে জালুকবাৰীতেই বনপালকৰ বিদ্যালয়ত আৰম্ভ হ'ল যদিও অৱশেষত উজনি অসমৰ মাকুমত হে এই বিদ্যালয় স্থায়ীভাৱে স্থাপিত হ'ল। এই দুয়োখন বিদ্যালয়ৰ এবছৰীয়া প্ৰশিক্ষণে অসমৰ বন বিভাগটোৰ এক বুজন সংখ্যক প্ৰশিক্ষিত কৰ্মীৰ জন্ম দিছে।

বৰ্নিহাট। অসমৰ গাতে লাগি থকা মেঘালয়ৰ বৰ্নিহাটত ৰাজ্যিক বন সেৱা মহাবিদ্যালয়খন (State Forest Service College) ১৯৭৬ চনৰ মে' মাহত স্থাপিত হ'ল। ভাৰতত বৰ্তমান ৩ খন এনে মহাবিদ্যালয় আছে, কিন্তু বৰ্নিহাটত প্ৰতিষ্ঠা কৰাখনেই আটাইতকৈ পুৰণি। ইয়াৰ উপৰিও উত্তৰ প্ৰদেশৰ ডেৰাডুনত এখন আই. এফ. কলেজ (Indian Forest College) আছে আৰু ৫ খন ৰেঞ্জাৰ্ছ কলেজ দেশখনত সিচৰতি হৈ আছে। আৰু আছে বহু বন পালক আৰু বনৰক্ষীৰ বিদ্যালয়। ইমানবোৰ বন প্ৰশিক্ষণৰ ব্যৱস্থা থকা সত্ত্বেও কেইবাখনো ৰাজ্যই বৰ্তমানৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আৰু বন বিদ্যালয় নিজৰ ৰাজ্যত স্থাপন কৰিছে। উৰিষ্যাৰ আংগুলত এখন, উত্তৰ প্ৰদেশৰ হলদোৱানিত এখন আৰু গুজৰাটত আন এখন (কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দেশনাত) কলেজ স্থাপিত হৈছে। অসমৰ কাষৰীয়া ৰাজ্য পশ্চিমবংগৰ দাৰ্জিলিঙৰ মনোমোহা আৰণ্যক পৰিবেশত হিমালয়ৰ পাদদেশত কাৰছিয়াঙত এখন ৰেঞ্জাৰ্ছ মহাবিদ্যালয় আছে।

ডেৰাডুন বন প্ৰশিক্ষণৰ জন্ম স্থান। ডেৰাডুনৰ শাখা-প্ৰশাখাই সমগ্ৰ দেশখন ছাটি আছে। ইয়াৰ উপৰিও এছিয়াৰ বৃহত্তম বন গৱেষণাগাৰ প্ৰতিষ্ঠান (Forest Research Institute) নিউ ফৰেষ্টৰ মন হৰি নিয়া প্ৰাকৃতিক দৃশ্যৰ মাজত বৃটিছ চৰকাৰৰ দিনতেই স্থাপিত হৈছে। (এই নিবন্ধৰ লেখকো ডেৰাডুন ফৰেষ্ট ৰেঞ্জাৰ্ছ কলেজত প্ৰশিক্ষিত)

সাধাৰণ পাঠকে বৰ্নিহাট কলেজখনতো কি শিক্ষা দিয়া হয় সেই কথা হয়তো ভালকৈ নাজানে। সেয়েহে আমি চমুকৈ এই বিষয়ে কিছু কথা কোৱাৰ প্ৰয়াস কৰিছোঁ। এই কলেজত দেশৰ বিভিন্ন ঠাইৰপৰা যেনে, আন্দামান নিকোবৰ দ্বীপপুঞ্জ, অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশ, অসম, বিহাৰ, গোৱা, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নগালেণ্ড, উৰিষ্যা, পাঞ্জাব, ৰাজস্থান, চিকিম, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, তামিলনাডু, বাংগালোৰৰ কৃষি বিজ্ঞান প্ৰতিষ্ঠান, উত্তৰ প্ৰদেশৰ ষ্টাৰ কাগজ কল প্ৰতিষ্ঠান, জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ প্ৰশিক্ষাৰ্থী আদিয়ে ইয়াত শিক্ষা গ্ৰহণ কৰে। এই কলেজৰ দুবছৰীয়া পাঠ্যক্ৰমৰ শিক্ষাৰ পাছত ফৰেষ্ট ডিপ্লোমা লৈ ১৯৭৬ চনৰপৰা ১৯৮৪ চনলৈ মুঠ ২৬২ গৰাকী প্ৰশিক্ষণপ্ৰাপ্ত বন বিষয়াই নিজৰ নিজৰ ৰাজ্যত কাম কৰি আছে।

প্ৰশিক্ষণ কালৰ বিষয়সমূহ হ'ল:

(১) ফৰেষ্ট বটানি (Forest Botany)

(২) ফৰেষ্ট ইউটিলাইজেচন (Forest Uitilisation)

(৩) ফৰেষ্ট ছাৰ্ভেয়িং আৰু লেভেলিং (Forest Surveying and levelling)

(৪) ফৰেষ্ট ছইল ছায়ঞ্চ (Forest Soil Science)

(৫) ছইল কনজাৰভেশ্যন আৰু লেণ্ড মেনেজমেণ্ট (Soil Conservation and Land management)

(৬) ফৰেষ্ট প্ৰটেকশ্যন ৱাইল্ড লাইফ মেনেজমেণ্ট আৰু ৰিক্ৰিয়েশ্যন



OKDISCD

(Forest Protection Wild Life management and recreation)

(৭) জিঅ'লজি (Geology)

(৮) ফৰেষ্ট এণ্টোমোল'জি আৰু জুল'জি (Forest Entomology and Zoology)

(৯) ফৰেষ্ট পেথল'জি, (Forest Pathology)

(১০) ছিলভিকালচাৰেল ছিষ্টেম (Silvicultural System)

(১১) ছিলভিকালচাৰ অৰ ইণ্ডিয়ান ট্ৰিজ (Silviculture of Indian trees)

(১২) ভেলুৱেশ্যন আৰু ৱৰ্কিং প্লেন (Valuation and working plan)

(১৩) ফৰেষ্ট মেনেজমেণ্ট আৰু ফৰেষ্ট ইঞ্জিনিয়াৰিং (Forest management and Forest Engineering)

(১৪) ফৰেষ্ট মেনচুৰেশ্যন (Forest mensuration)

ইয়াৰ উপৰিও আছে এৰিয়েল ফটোগ্ৰাফি (Aerial photography)। এই বিষয়টো ডেৰাডুনৰ বন গৱেষণাগাৰ প্ৰতিষ্ঠানৰ জৰিয়তে প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষণৰ কালছোৱাত শিক্ষাৰ্থীসকলে পশ্চিমবংগ, বিহাৰ, অসম, উত্তৰ প্ৰদেশ, পঞ্জাব, হিমাচল প্ৰদেশ, মহাৰাষ্ট্ৰ, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক আৰু কেৰালা আদি ৰাজ্যবোৰৰ বন-বননিত পৰিভ্ৰমণ কৰি বিভিন্ন ঠাইৰ হাবি-বননিৰ বিষয়ে অধ্যয়ন কৰাৰ সুবিধা পায়। তেওঁলোকে আগ্নেয়াস্ত্ৰ চলোৱাৰ প্ৰশিক্ষণো আহৰণ কৰে। শৰীৰ আৰু মনপ্ৰাণ প্ৰফুল্ল ৰাখিবলৈ খেলাধুলা, ব্যায়াম আদি কলেজখনৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা আছে।

বন বিজ্ঞানৰ ইমানখিনি অধ্যয়ন, গৱেষণা আৰু অভিজ্ঞতা আহৰণ কৰাৰ পাছতো যদি আমাৰ দেশৰ বিজ্ঞ বন বিষয়াসকলে দেশৰ অৰণ্য আৰু প্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কায়মনোবাক্যে দহৰ তথা দেশৰ উন্নতিৰ কাৰণে কাম নকৰে তেন্তে ইয়াতকৈ আৰু কি পৰিতাপৰ বিষয় হ'ব পাৰে? অসমৰ ক্ষেত্ৰত দেখা যায় যে, আধুনিক বিজ্ঞানসন্মতভাৱে ৰাজ্যখনত ৩৩.৩ শতাংশ হাবি-বননি থাকিব লাগে যদিও দৰাচলতে ২১ শতাংশতকৈও বহু কম হাবি-বননি আছে। অণুযোগৰ সুৰত ক'ব পাৰি, এনে হোৱাৰ কাৰণে বিভাগটোৰ শাসনৰ বাঘজৰী ধৰাসকলো আংশিকভাৱে জগৰীয়া।

শ্বিলঙলৈ যোৱা পথৰ দাঁতিতে শুৱনি হাবি-বননিৰে পৰিবেষ্টিত বৰ্নিহাট ষ্টেট ফৰেষ্ট ছাৰ্ভিছ কলেজৰ প্ৰশিক্ষাৰ্থীসকলে যদিও ঠাইতে আধুনিক জগতখনৰ সামগ্ৰী নাপায়, তথাপি বেছি মেলি গুৱাহাটী মহানগৰী আৰু শ্বিলঙলৈ গৈ আৱশ্যকীয় সামগ্ৰী সংগ্ৰহ কৰিব পাৰে। মনোৰম প্ৰাকৃতিক পৰিবেশত কলেজখন স্থাপিত হোৱাত প্ৰশিক্ষাৰ্থীসকলৰ প্ৰকৃতিৰ লগত মনে প্ৰাণে জড়িত হোৱাৰ যথেষ্ট সুবিধা হৈছে। মুখপত্ৰ 'অৰণ্যম্'খন হ'ল কলেজখনৰ দাপোণ। এই দাপোণখনিয়ে সৰ্বসাধাৰণ ৰাইজকো মনৰ খোৰাকৰ যোগান ধৰিছে।

[তথ্য 'অৰণ্যম্'ৰ পৰা লোৱা হৈছে। যোগান ধৰিছে, অসমৰ প্ৰাক্তন মুখ্য বন সংৰক্ষক শ্ৰীৰবীন্দ্ৰ মোহন দাসদেৱে। লেখক]

---

১০ পৃষ্ঠাৰ পিছৰ পৰা

কৰা প্ৰয়োগবাদী। সমস্যাৰ যিটো মূল—জনগণৰ জাগ্ৰত প্ৰত্যাশা আৰু বিশেষকৈ যুবক-যুবতীৰ নিবনুৱা সমস্যা,—তাৰ বিষয়ে আনকি গুৰুত্বসহকাৰে চিন্তাচৰ্চাই কৰা হোৱা নাই।

বোধকৰোঁ, তেওঁ ভাবিছে যে ইন্দিৰা গান্ধীৰ আগৰ উপদেষ্টাসকলক গুচতাই আনি মাকে কৰা ধৰণৰ যাদু তেৱোঁ কৰিব। পি. এন. হাকছাৰ ভিতৰ মহলৈলৈ উভতি আহিল, কিছু পৰিমাণে পি. এন. ধৰো আহিল। জি. পাৰ্থসাৰথি বৈদেশিক পৰিক্ৰমা বিষয়ৰ উপদেষ্টা হিচাপে আৰু এল. কে. ঝা বিত্তীয় বিষয়ৰ উপদেষ্টা হিচাপে আগৰেপৰা আছেই। তাৰ মানে তেওঁ যে যৌবনক অযৌক্তিকভাৱে পুজা কৰিবলৈ লৈছিল, তাৰ সামৰণি পৰিল নেকি? তেওঁলোকৰ প্ৰতি যথাবিহিত ক্ষমা প্ৰাৰ্থনাৰে এই আমাৰ কথা ক'বই লাগিব যে তেওঁলোকে যথেষ্ট বিশৃংখলতাৰ সৃষ্টি কৰিলে আৰু তেওঁলোকে ক্ষমতাৰ বাঘজৰী এৰি আঁতৰি যাবৰ সময় হ'ল।

সকলো দোষ সত্ত্বেও ৰাজীৱ গান্ধীয়ে যদি চৰকাৰটো খোলা, উন্মুক্ত কৰিলেহেঁতেন তেতিয়াহ'লেও কিছু ক্ষতিপূৰণ হ'লহেঁতেন। ক্ষমতাত অধিষ্ঠিত হোৱাৰ দিনদিয়েকৰ ভিতৰতে সেইটো কৰিব বুলি তেওঁ কৈছিল। কিন্তু এতিয়া সকলো কথাই তেওঁৰ জনদিয়েক বন্ধু আৰু বিশ্বস্ত বিষয়াৰ ভিতৰত আৱদ্ধ হৈ আছে। চৰকাৰ খোলা হ'লে সুবিধা হ'ল এইটোৱেই যে শাসকজনে দেশখনত কি ঘটি আছে জানি থাকিব পাৰে আৰু খা-খবৰৰ কাৰণে তেওঁক বেৰি থকা মানুহ কেইজনৰ ওপৰতে তেওঁ নিৰ্ভৰ কৰি থাকিব নালাগে। ৰাজীৱ গান্ধী এতিয়া তেওঁ নিজৰ চৌপাশে থিয় কৰি লোৱা প্ৰাচীৰৰ মাজত এজন বন্দী। তেওঁ খা-খবৰ পোৱাৰ উৎসবোৰ চোৰাংচোৱা ব্যুৰ' (আই, বি), কেন্দ্ৰীয় তদন্ত ব্যুৰ' (ছি. বি. আই) আৰু তেওঁ পুহি ৰখা চক্ৰটোতে আৱদ্ধ।

আনকি এজন মন্ত্ৰী বা জ্যেষ্ঠ চৰকাৰী বিষয়ৰ গতিগোত্ৰ আৰু পৰিচয় চোৰাংচোৱা এজেন্সিক দি পৰীক্ষা কৰি লোৱাৰ প্ৰথাটো দৰাচলতে ৰাজীৱ গান্ধীয়ে প্ৰৱৰ্তন কৰে। আনকি, লোকসভা আৰু ৰাজ্য বিধানসভাবোৰৰ প্ৰাৰ্থীসকলকো চোৰাংচোৱা এজেন্সিবোৰৰ দ্বাৰা পৰীক্ষা কৰোৱা হয়। ৰাজীৱ গান্ধীৰ বিৰুদ্ধে উঠা আটাইবোৰ সমালোচনা যুক্তিসংগত নহ'ব পাৰে, কিন্তু ইমান সমালোচনা এতিয়াও কিয় হৈছে সেই বিষয়ে তেওঁ চোৰাংচোৱা এজেন্সিবোৰক সুধি চোৱা ভাল হ'ব।।



# শিলঘাট মৰাপাট কল

পদ্ম পাটৰ



অসমত সদ্যহতে চৰকাৰীখণ্ডৰেই হওক কিম্বা সমবায় খণ্ডৰেই হওক প্ৰায়বোৰ উদ্যোগ প্ৰতিষ্ঠানৰ অৱস্থা শোচনীয়। সমবায় ভিত্তিত গঢ়ি উঠা দেৰগাঁৱৰ চেনিকল আৰু কাছাৰৰ চেনিকলৰ অৱস্থা অতি দুখলগা। গুৱাহাটীৰ অসম গ্ৰাছ ফেক্টৰি আজি দীৰ্ঘদিন ধৰি বন্ধ হৈ আছে। অশোক কাগজ কল—যাক লৈ অসমে গৌৰৱ বোধ কৰাৰ থ'ল আছিল—সেই কাগজ কল পুনৰ খুলিবপৰা যাব নে নাযায় সেই বিষয়ে শংকা প্ৰকাশ কৰা হৈছে। আনহাতে, জাগীৰোডত আঢ়ৈশ কোটিৰো অধিক টকা ব্যয় কৰি হিন্দুস্থান পেপাৰ কৰ্পৰেশ্যনৰ কাগজ কল প্ৰতিষ্ঠা কৰা হৈছে; প্ৰতিষ্ঠা কৰা হৈছে অসম পলিটেক্সৰ;—কিন্তু সেই জাগীৰোডৰে আন এটা প্ৰতিষ্ঠান—জাগীৰোড স্পান ছিল্ক মিলটোৰ অৱস্থাই দিনে দিনে বেয়াৰ ফালে গতি কৰি আছে। এয়া আমাৰ জাতিৰ বাবে শুভ লক্ষণ নিশ্চয় নহয়। এনেবোৰ প্ৰতিষ্ঠান অন্য কোনোৱে আহি চলোৱা নাই—চলাইছোঁ আমি নিজে। দোষ আমাৰ নিজৰেই। এনেক্ষেত্ৰত বাইছ মাহ কাল বন্ধ হৈ থকা সমবায় খণ্ডৰ অসম সমবায় কলটোত যোৱা পহিলা জানুৱাৰীৰ ('৮৬) পৰা কাম পুনৰ আৰম্ভ হোৱা কথাটো অসমবাসীৰ বাবে এটা মংগলজনক, আশাপ্ৰদ বাতৰি। এই মৰাপাট কলটো,—ছবছৰীয়া আন্দোলনৰ পাছত কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনৰ নেতৃবৃন্দৰ মাজত স্বাক্ষৰিত হোৱা অসম চুক্তিৰ ফল হিচাপে পুনৰ সক্ৰিয় হয়। উল্লেখযোগ্য যে বাইছমাহ কাল বন্ধ হৈ থকা পাছত মৰাপাট কলটোৱে প্ৰথম দিনা উৎপাদন কৰিছিল আধা টন থৈলা, বস্তা আদি।


মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰত শিলঘাটত অৱস্থিত এই কলটো স্থাপন কৰা হৈছিল ১৯৬৮ চনত, ১.৬ কোটি টকা ব্যয় কৰি। কলটো স্থাপন কৰাৰ দুবছৰৰ পাছত ১৯৭০ চনত পৰীক্ষামূলক উৎপাদন আৰম্ভ হৈছিল। প্ৰকৃততে কলটোৰ উৎপাদন কাৰ্য আৰম্ভ হৈছিল ১৯৭১ চনৰ পৰাহে। উৎপাদন আৰম্ভ হোৱাৰ সময়ত ইয়াৰ কৰ্মী আছিল ৯৯২ জন। সেই সময়ত দৈনিক ১৬ ঘণ্টাকৈ কল চলাই উৎপাদন কৰা হৈছিল কুৰি মেট্ৰিকটনকৈ। সমবায় খণ্ডত গঢ়ি উঠা এই কলটোৰ উৎপাদন আছিল যথেষ্ট উৎসাহজনক। কিন্তু ১৬ বছৰৰ পাছত এই কলটো বন্ধ হৈ যাব লগা হোৱাটো অত্যন্ত দুশ্চিন্তাৰ বিষয় হৈছিল। বহুতে—ভাবে এই কলটোৰ বাবে যি পৰিমাণৰ বিষয়া-কৰ্মীৰ প্ৰয়োজন আছিল, ৰাজনৈতিক হেঁচাতেই হওক বা নিবনুৱা সমস্যা সমাধানৰ বাবেই হওক, তাতকৈ বহু বেছি সংখ্যক লোক নিযুক্ত হোৱাত কলটো বন্ধৰ সন্মুখীন হ'ব লগা হয়। তদুপৰি একশ্ৰেণী স্বাৰ্থান্বেষী বিষয়াই কলটোৰ সামূহিক উন্নতিৰ কথা নাভাবি নিজৰ কেনেকৈ দুপইচা বেছি উপাৰ্জন হয় তাৰ চিন্তাত থকা ঘটনাটোও ইয়াৰ বাবে সমানে দায়ী। প্ৰতিজন বনুৱা, বিষয়া, কৰ্মচাৰীয়ে যদি এই কলটোক নিস্বাৰ্থভাৱে চলাই গ'লহেঁতেন, তেন্তে এনে দৰে কলটো বন্ধ হবলৈ নাপায়। আন এটা উল্লেখযোগ্য দিশ হৈছে এনেবোৰ কলত ৰাজনৈতিক নেতাৰ হস্তক্ষেপ। নীচ স্বাৰ্থপূৰণৰ সুৰুঙাবোৰ যদি বন্ধ কৰি দিয়া নহয়, সেই সুৰুঙাৰে যদি অহৰহ বহু কষ্টোপাৰ্জিত উৎপাদনৰ শকত অংশ এটা ওলাই গৈ থাকে, তেন্তে এই কলে যিমানেই উচ্চ হাৰত উৎপাদন নকৰক লাগে, এদিন আকৌ ই বন্ধ হৈ যাব। সমবায় খণ্ডৰ এই মৰাপাট কলটো চলাবৰ বাবে অসমত কিয় নগাঁও জিলাখনতেই প্ৰচুৰ কেঁচামাল আছে। নগাঁও জিলাত যি পৰিমাণৰ মৰাপাট উৎপন্ন হয়, তাৰে আৰু ছটা এনে কল চলাবপৰা হ'ব। কেৱল নগাঁৱতে চাৰে চাৰি লাখ কুইণ্টল মৰাপাট উৎপন্ন হয়। গতিকে কলটো নিশ্চয় কেঁচা মালৰ বাবে বন্ধ হ'বলগীয়া হোৱা নাছিল। কিন্তু এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল কলটোৰ উৎপাদিত সামগ্ৰী বিক্ৰিৰ নীতি। ভাৰতৰ কোনো মৰাপাট কলতে ক্ৰয়কাৰী এজেন্সিক শতকৰা দহভাগ ৰেহাই দিয়াৰ নিয়ম নাই। তেতিয়াৰ ব'ৰ্ড অৱ ডাইৰেক্টৰছে লোৱা (১৯৭৬-৭৭) সিদ্ধান্ত মৰ্মেই এই হাৰত উৎপাদন সামগ্ৰী বিক্ৰি কৰি অহা হৈছে। ফলত এচাম ৰাজনৈতিক নেতা আৰু ব্যৱসায়ীক তেলীৰ মূৰত তেল দি থকা হৈছে আৰু কলটোক জুকলা কৰি অহা হৈছে। উদাহৰণ স্বৰূপে—এই কলৰ উৎপাদিত সামগ্ৰীৰ প্ৰতি




OKDISCD

টনৰ মূল্য— ৬০০০ টকা। প্ৰতিদিনে কুৰি টন উৎপাদন হলে— ১২ হাজাৰ টকা ৰেহাই দিব লাগে। তদুপৰি দিব লগা হয় প্ৰতিটনত বিক্ৰি কৰ, কেন্দ্ৰীয় কৰ আদিৰ বাবদ প্ৰায় চাৰিশ টকা। মুঠতে উৎপাদিত সামগ্ৰীৰ প্ৰতি টনত প্ৰায় এহেজাৰ টকা কৰ আৰু ৰেহাইৰ বাবদ দিব লগা হয়। সেইদৰে এবছৰৰ হিচাপ কৰি চালেই দেখা যাব—সেই ১৯৭৬-৭৭ চনৰ এটা অন্যায় সিদ্ধান্তৰ বলি হৈ এই সৰু কলটোৱে কিমান লাখ টকাৰ লোকচান ভৰিব লগা হৈছে! অকল সেয়াই নহয়;—যি এজেণ্ট বা কোম্পানিয়ে বস্তুবোৰ কিনে, তেওঁলোকে বাকীলৈ নিয়ে আৰু মাছৰ তেলেৰে মাছ ভাজি খাই ছমাহ-বছৰেকৰ মূৰত সেই টকা ঘূৰাই দিয়ে। এনেকৈ এটা কলৰ উন্নতি সম্ভৱ হ'ব পাৰেনে? এই ক্ৰয় নীতিৰ আমূল পৰিবৰ্তন ঘটাব লাগিব। বন্ধ কৰিব লাগিব কলিকতাৰ অফিছলৈ ঘনাই আদেশ অনাৰ বাবে বিষয়াসকলৰ অহা-যোৱাৰ বাট (যাৰ বাবে টি· এ-ডি.এৰ নামত খৰচ হয়, লাখ লাখ টকা)। তদুপৰি—কলিকতাত থকা কাৰ্যালয়টো অসমতে স্থাপন কৰাটো উচিত কাম হ'ব। অকল সেয়ে নহয়, আমাৰ উৎপাদিত সামগ্ৰী আমি স্থানীয়ভাৱে বেচাৰ ব্যৱস্থা কৰিব লাগিব। অসমৰ সমবায় খণ্ড, চৰকাৰী খণ্ড বা অন্য কোম্পানিসমূহে যাইকৈ এই কলত তৈয়াৰ হোৱা উচ্চমানৰ থৈলা কিনি ব্যৱহাৰ কৰিব পাৰে। ষ্টেটফেড, হিন্দুস্থান সাৰ নিগম, আসাম কাৰ্বন, আসাম অয়ল, ভাৰতীয় খাদ্য নিগম আদিয়ে এই কলৰ বস্তা প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰিব লাগে। (আমি জনামতে ইতিমধ্যে এনে ব্যৱস্থাৰ বাবে যোগাযোগ কৰা হৈছে।) এই ক্ষেত্ৰত আমাৰ থলুৱা উৎপাদিত সামগ্ৰী যাতে প্ৰতিযোগিতামূলক দামত দিব পৰা যায় আৰু প্ৰতিষ্ঠানসমূহে কিনে, তাৰ বাবে অসম চৰকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগে। বাহিৰৰ এচাম ধনী ব্যৱসায়ীক ধনী কৰাত যদি সাম্প্ৰতিক চৰকাৰেও ইন্ধন যোগায়, তেনেহলে ই দুৰ্ভাগ্যৰ কথা হ'ব।

আমি অলপতে এদল সাংবাদিকে শিলঘাট মৰাপাট কলৰ পৰিচালক সঞ্চালক শ্ৰীবিশ্ব বৰাক লগ কৰিছিলো। তেখেতে আমাক এই কলটোৰ বিভিন্ন অভাৱ-অভিযোগৰ কথা অৱগত কৰিছিল। তেখেতে কৈছিল,—আমি মিলটোৰ কাম পুনৰ আৰম্ভ কৰিছোঁ—প্ৰথমদিনা আধাটন থৈলা প্ৰস্তুত কৰিছোঁ। চৰকাৰৰপৰা সদ্যহতে আধা সাহায্যও পাইছোঁ। মিলটো এতিয়া ভালদৰে চলিব। কিন্তু কিছুমান বিধি সলনি নকৰিলে আকৌ আগৰ অৱস্থাই হ'বগৈ পাৰে। তদুপৰি আছে বিদ্যুৎ যোগানৰ প্ৰশ্নটো। এই কলটো চলাবলৈ মাত্ৰ ·৭ মেগাৱট শক্তিৰ প্ৰয়োজন হয়। সেইখিনিৰ যোগানতে নানা খেলিমেলি। অথচ এদিন যদি এই কলটোৰ এখন শাল নচলে, তেন্তে লোকচান হয় বাৰ হাজাৰ টকা। আনহাতে অসম চৰকাৰক এবছৰত কৰ ৰূপে দিব লগা হয় ৪৫ লাখৰো অধিক টকা। কলটোত প্ৰায়েই বিজুলী যোগান বন্ধ থকাত উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি হয়। বিষয়া গৰাকীৰ মতে কলটোত ব্যৱহৃত হোৱা যন্ত্ৰপাতিবোৰ উচ্চ







শ্ৰেণীৰ আৰু শেহতীয়া মডেলৰ। এই মেচিনবোৰ অনা হৈছিল— উত্তৰ আয়াৰলেণ্ডৰ বেলফাষ্টৰপৰা আৰু কলিকতাৰ লেগুন জুট মেনুফেকচাৰিং কৰ্পৰেশ্যন আৰু অৰিয়েণ্টেল কোম্পানিৰ পৰা। কলটোৰ স্থাপনত খৰচ হৈছিল— মুঠতে ১·৬ কোটি টকা। ইয়াৰে ৯০ লাখ টকা যন্ত্ৰপাতিত আৰু ৩০ লাখ টকা খৰচ হৈছিল মিলটোৰ ঘৰ-দুৱাৰ নিৰ্মাণত। আৰম্ভণিতে কলটোৰ উৎপাদন আছিল প্ৰতিদিনত ২০ মেট্ৰিক টন। শেষত ৪·৫৬ কোটি টকা লোকচান ভৰি কলটো বন্ধ হ'ব লগা হ'ল। বনুৱাসকলৰ মতে অবাঞ্চিত কৰ্মচাৰী, অধিক নিয়োগ আদি কলটোক ৰোগ-গ্ৰস্ত কৰি তোলাত সহায়ক আছিল।

সদ্যহতে কলটোত পুনৰ উৎপাদন কাৰ্য আৰম্ভ কৰিছে ৪২৫ জন কৰ্মচাৰীয়ে। কলটো চলাবলৈ সদ্যহতে অসম চৰকাৰে একাৰন্ন লাখ টকা মঞ্জুৰী আগবঢ়াইছে। (জানুৱাৰী মাহৰ তৃতীয় সপ্তাহত ৩৮ লাখ আৰু ফেব্ৰুৱাৰী মাহৰ তৃতীয় সপ্তাহত ১৩ লাখ টকা) সদ্যহতে ২৫ জন উৎপাদনকাৰী কৰ্মীৰে নিতৌ ৬ টন থৈলা আদি উৎপাদন কৰা হৈছে। মেচিনেৰিত ৪০ জন নিয়োগ কৰা হৈছে। তাত ১০০ জন লোকে কাম কৰিলে উৎপাদন ১৫ টন হ'বগৈ।

অসম সমবায় মৰাপাট কলটোৱে অসম চৰকাৰক কৰৰূপে বিগত বছৰবোৰৰ বাবদ এক কোটিৰো অধিক টকা দিবলৈ বাকী আছে। কেন্দ্ৰীয় চৰকাৰক ২·৭৯ কোটি টকাৰ এটা মঞ্জুৰী দিবলৈ কলৰ কৰ্তৃপক্ষই আবেদন জনাইছে। এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ লগত হোৱা আলোচনাৰ পাছত ১·৬১ কোটি টকাৰ মঞ্জুৰী এটা পোৱাৰ আশা আছে।

এই কলটো যদি চলাই ৰাখিব লাগে, তেন্তে সাম্প্ৰতিক অসম চৰকাৰে অসমৰ স্থানীয় সমবায়খণ্ড, চৰকাৰী খণ্ড আৰু স্থানীয় কোম্পানিসমূহে শতকৰা ষাঠি ভাগ উৎপাদন সামগ্ৰী (থৈলা, চুটলি, চটি কাপোৰ আদি) কিনাৰ বাবে এটা আদেশ জাৰি কৰি কাৰ্যকৰী ব্যৱস্থা লব লাগে। এই কলত উৎপাদিত সামগ্ৰীৰ বাবে কলিকতা অফিছে আহবান কৰা নিবিদা অনুসৰি সামগ্ৰী সৰবৰাহ কৰিবলৈ হলে পৰিবহনত অধিক টকা খৰচ কৰিব লগা হয়। এনে ক্ষেত্ৰত কলিকতাৰ মৰাপাট কলৰ বাহিৰে আন উপকৃত নহয়। শিলঘাটৰপৰা গুৱাহাটীৰ ইণ্ডিয়া কাৰ্বনলৈ এক ট্ৰাক মালৰ ভাৰা ১০০০ টকা; কিন্তু কলিকতালৈ ৩০০০ টকা! চৰকাৰে এনে নীতিৰ আমূল পৰিবৰ্তন ঘটাই কলটোক নতুন জীৱন দিয়াত গুৰুত্ব দিব লাগে।

কলটোৰ বাবে প্ৰয়োজনীয় কেঁচা মাল (মৰাপাট আদি) ৰাখিবলৈ প্ৰয়োজনীয় গুদামঘৰ নাই। মাত্ৰ তিনিমাহৰ বাবে ১২০০ মেট্ৰিক টন ৰাখিব পৰাৰহে ব্যৱস্থা আছে। ইয়াৰো সম্প্ৰসাৰণ ঘটোৱা উচিত।

কর্তৃপক্ষই সদ্যহতে কৰ্মীসকলক বিনামূলীয়াকৈ চাহৰ যোগানৰ ব্যৱস্থা কৰিছে? বিষয়া-কৰ্মীৰ বাবে এখন চিকিৎসালয় স্থাপন কৰাৰ কথাও ভাবিছে। সদ্যহতে এগৰাকী চিকিৎসক (part time) নিয়োগ কৰি এখন বিছনা আৰু এজন কম্পাউণ্ডাৰ ৰাখিছে।

অলপতে ভাৰতীয় মৰাপাট কল নিগমৰ আয়ুক্ত আৰু অন্যান্য বিশেষজ্ঞৰ দলে এই কলটো পৰিদৰ্শন কৰি অসম চৰকাৰলৈ বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। ভাৰতত সদ্যহতে মৰাপাট কলৰ ব্যৱসায়টো লাভজনক নহয় যদিও এই কলটোৰ ভৱিষ্যত উজ্জ্বল, যদিহে আমি আমাৰ উৎপাদিত কেঁচামাল সঠিক নীতিৰে আৰু দক্ষতাৰে ব্যৱহাৰ কৰিব পাৰোঁ।

[ আলোকচিত্ৰ লেখকৰ নিজা ]

# সাহিত্যাচাৰ্য দ্ৰোণাচাৰ্য

যোগেশ দাস

ৰচনা ১৮।৬।৮২
পাঠ ১৯।৬।৮২

আশীৰ দেওনা পাৰ হ'বলৈ আৰু মাত্ৰ দুমাহ আছে, এই বয়সতো হেনো শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাই ঢালিগাঁৰত লুকাই লুকাই হিয়া ঢালি তিনিটা ৰোমাণ্টিক কবিতা লিখি পেলালে! ঘটনাটো উল্লেখযোগ্য বুলি আমাৰ বোধ হৈছে। তেওঁ নিজেই লিখিছে যে মনত পৰাৰেপৰা আজিলৈকে কবিতা লিখিয়েই আছে, আৰু 'স্মৃতি'ৰে আত্মকথা 'লেখা' প্ৰসংগত জীৱনৰ সকলো কথাকে অকপটে খুলি বৰ্ণনা কৰিছে। গতিকে তেওঁৰ পক্ষে কবিতা লিখাটো যেনেকৈ স্বাভাৱিক, তেনেকৈ কি লিখিছে তাক খোলাখুলিকৈ কোৱাটোও স্বাভাৱিক। মাত্ৰ আমাৰ কাৰণে, ছাত্ৰৰ স্নেহধন্য ছাত্ৰৰ কাৰণে, অসমীয়া সাহিত্যৰ কাৰণে ঘটনাটো তাৎপৰ্যপূৰ্ণ: অতুল হাজৰিকাৰ কবি মনটো 'দীপালী'ৰ দিনৰ দৰেই তেজাল হৈ আছে, যুৱজনোচিত হৈ আছে। এইটো কাৰণতে তেওঁ প্ৰবেশিকা স্তৰৰ-পৰাই আজিলৈকে অবিৰামভাৱে লিখিয়েই আছে, আনকি কেতিয়াবা চকুৰ নিচিনা অত্যাৱশ্যকীয় অংগই আহুকাল কৰিলে 'জগন্নাথ পদ্ধতি' (আপোন হাত) এৰি 'গণেশ পদ্ধতি'ৰেও (বৰদলৈ পিতা-পুত্ৰ নিত্যানন্দ-কমলনন্দৰ হাতে) লিখিছে, আজিলৈকে এশখনৰো অধিক পুথি প্ৰকাশ কৰিছে —অসমীয়া সাহিত্যিকৰ ভিতৰত তেওঁৰেই গ্ৰন্থ আটাইতকৈ বেছি বুলি শ্ৰীমুনীন বৰকটকীয়ে লিখিছে হ'বলা? ঠিক নাট-লিখাত নহ'লেও, আৰু পুৰণি কাহিনীবিলাকৰ নতুন অভিযোজনাত নহ'লেও, তেওঁ যে নানান প্ৰবন্ধ-পাতি আৰু কবিতাবিলাকত পৰিবৰ্তনশীল সময়ৰ লগত নিজকে খাপ খুৱাই লৈ আহিছে এই কথা সকলোৱে স্বীকাৰ কৰিব। তেওঁ নিজকে প্ৰাচীন-পন্থী বুলি কয় (তেওঁ ব্যৱহাৰ কৰা শব্দটো 'পৌৰাণিক'), বিহুৰ পিঠা-পনা অন্তৰ্ধান হোৱাত আৰু সৰস্বতী পূজাৰ অৰ্চনা-পদ্ধতিত বিজতৰীয়া কথা-কাণ্ড সোমোৱাত আক্ষেপো কৰে; কিন্তু তথাপি তেওঁ বৰ বেছিকৈ উচ্চবাচ্য নকৰি ল'ৰাৰ লগত ল'ৰা হৈ চলি গৈছে: বেজবৰুৱাৰ কথা কবলৈ উচ্ছ্বসিত হৈ উঠে; হেম গোসাঁইৰ বিষয়ে বেণুধৰ শৰ্মাই লিখা জীৱনীখন অলপ-অলপকৈ, শলাপি শলাপি পঢ়ি দীঘলীয়া সোৱাদ লয়, ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে বেয়াকৈ বা ভুলকৈ লিখা দেখিলে চোকাকৈ উত্তৰ লিখে; অথচ আমাৰ নিচিনা উঠি অহা সাধাৰণবিলাককো প্ৰশংসা কৰে; আমাৰ লিখা-মেলাৰ বিষয়ে খা-খবৰ লৈ উৎসাহ দিয়ে। নতুন আৰু পুৰণিক সংমিশ্ৰণ কৰি এই যে তেওঁৰ জীৱন-নিৰ্বাহৰ পদ্ধতি, এইটোৱেই তেওঁক আজিও এজন অক্লান্ত কবি কৰি ৰাখিছে। বাৰ্ট্ৰাণ্ড ৰাছেলৰ দৰে বাৰু ৮০ বছৰত আকৌ মাহ-হালধি ল'ব নালাগে, কিন্তু ৮০ বছৰত ৰোমাণ্টিক কবিতা লিখাটো একো অসামাজিক বা অস্বাভাৱিক কাম নহয়। মনটো বুঢ়া নোহোৱাটোৱেই আচল কথা।

অসমীয়া-প্ৰাণতা অতুল হাজৰিকাৰ জীৱনৰে এটা বিশেষত্ব, যি বিশেষত্ব তেওঁৰ ৰচনাৰাজিতো প্ৰতিফলিত হৈছে। ৰামায়ণ-মহাভাৰতৰ কথাই নাই, মেটাৰলিংক আৰু এণ্ড্ৰাৰছনৰ ভাঙনি কৰোঁতেও তেওঁ নিচেই অসমীয়া সাজ-পাৰ দিহে সজাবলৈ ভাল পায়। আব্দুছ ছাত্তাৰে লিখিছে যে 'মজিয়ানা'ৰ নিচিনা মনোৰম নাটকত আৰু 'স্বপ্নপুৰী'ৰ নিচিনা কবিতাত অলেখ আৰবী শব্দ কবি-নাট্যকাৰ হাজৰিকাই এজন শিক্ষিত অসমীয়া মুছলমানৰ নিচিনাকৈয়ে অৱলীলাক্ৰমে প্ৰয়োগ কৰিছে। জীয়ৰী জোনাকীয়ে (একমাত্ৰ সন্তান শ্ৰীমতী বিজয়লক্ষ্মী পাঠক) লিখিছে: "দেউতাই সাধাৰণতে ভাল পোৱা কেইপদমান বস্তু হ'ল— তিল পাতত দিয়া, পাভ মাছ পাতত দিয়া, ভূতমূলা পাতত দিয়া, বাঁহ গাজ, আলু পিটিকা, কোমোৰা শুঠিৰ খাৰ, কাঁহুদী খাৰলি ইত্যাদি।" আকৌ,— "দেউতাই ডিছত ভাত খোৱা, পিয়লাত চাহপানী খোৱা পছন্দ নকৰে। এতিয়াও ঘৰত তেওঁ কাঁহৰ কাঁহীত ভাত আৰু কাঁহৰ পুৰণিকলীয়া বানবাটিতে চাহপানী খায়। অসমীয়া জীয়ৰীবোৱাৰীহঁতে শাৰী পিন্ধা কথা দেউতাই সমূলি ভাল নাপায়। সেই কাৰণে কেতিয়াবা মন গলেও মোৰ শাৰী পিন্ধা নহ'ল। মায়ো সদায় ৰিহা-মেখেলাহে ব্যৱহাৰ কৰে। অসমীয়া নিয়ম-নীতিবোৰ মানি দেউতাই বৰ ভাল পায়।" এইখিনি কথা সৰিতা সভাৰ যি 'হাজৰিকাৰ সাহিত্য প্ৰতিভা' গ্ৰন্থৰপৰা উদ্ধৃত কৰা হৈছে তাতে ড° উপেন্দ্ৰনাথ গোস্বামীয়েও হাজৰিকাৰ ৰচনা-পদ্ধতি সম্বন্ধে আলোচনা কৰি নিৰহ-নিপানী জতুৱা অসমীয়া শব্দবিলাকৰ এখন দীঘল তালিকা উলিয়াইছে। আমি সকলোৱে দেখিয়ে আছোঁ কেনেকৈ তেওঁ গদ্য-পদ্য, নাট-কাহিনী সকলো ৰচনাতে সৰসৰ কৰে যোজনা-পটন্তৰ ব্যৱহাৰ কৰি যায়। এইজন জাতে-পাতে অসমীয়া সাহিত্যিকৰে আকৌ বৃটিছ যুগত গঢ় লোৱা সৰ্বভাৰতীয় চেতনা আজিৰ দিনৰ আন কাতোকৈ কম নহয়। সেই চেতনাৰ বশৱৰ্তী হৈয়েই তেওঁ ছাজাহান-মমতাজক বেহেস্তৰপৰা নমাই আনিছে, মাৰাঠা-বীৰ শিৱাজীক বিখ্যাত নাটকৰ নায়ক পাতিছে, হৰিজন-কন্যা কৌমুদীৰ মহৎ ত্যাগৰ গুণগান কৰিছে, বীৰ টিকেন্দ্ৰজিতৰ স্বাধীন সত্তাক সন্মান প্ৰদৰ্শন কৰিছে। —এই নাটকৰ অনাতাঁৰ প্ৰচাৰ যি দিনা দিল্লীৰপৰা হৈছিল সেই দিনা সমগ্ৰ মণিপুৰত উথল-মাথল লাগিছিল, গুৱাহাটীৰ মণিপুৰী বস্তিতো চাৰিওফালে লাউডস্পিকাৰ লগাই দি ৰজন জনোৱা হৈছিল! এই যে দ্বিধাবিভক্ত একক চেতনা. অসমীয়া আৰু ভাৰতীয়, ইয়াৰ উদ্ভৱৰ অন্তৰালত কিজানি সংমিশ্ৰিত বংশগতি আৰু আমাৰ যুগৰ অপৰিহাৰ্য বুৰঞ্জী চেতনাই কাম কৰি আহিছে। সংমিশ্ৰিত বংশগতি বোলোঁতে ভয় খাব নালাগে। নিতাই বৰা নামে এজন অসমীয়া মানুহ অষ্টাদশ শতিকাৰ শেষৰ ফালে গৌৰীনাথ সিংহৰ ৰাজত্বকালত হোৱা মোৱামৰীয়া বিদ্ৰোহৰ কাৰণে ভটীয়াই আহি খাগৰিজানত থিতাপি লৈছিলহি:— তেওঁৰ নিচিনাকৈ অন্যান্য লোকেও অ'ৰ-ত'ৰপৰা 'উৰি' আহি তাত বহা কাৰণে নগাঁও চহৰৰ ওচৰৰ সেই ঠাই ডোখৰক উৰীয়াগাঁও বোলে। সেই নিতাই বৰাই অতুল হাজৰিকাৰ পিতৃবংশৰ গুৰি 'সাহসী আৰু সৰবৰহী স্বভাৱ'ৰ কাৰণে তেওঁলোকে পাছলৈ বৰাৰপৰা হাজৰিকালৈ উত্তীৰ্ণ হৈছিল। নিয়তিৰ লীলা, সেই মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈকে ৰজা গৌৰীনাথ সিংহই এটি সৰু বৃটিছ ফৌজ অনাইছিল, আৰু সেই ফৌজৰ মাজত আহিল কানুসিং চুবাদাৰ নামে এজন পঞ্জাবী ডেকা। তেওঁ যুদ্ধৰ পাছত অসমতে থাকি গ'ল, নওৰংগৰামৰ দৰে অসমীয়া জীয়ৰী এগৰাকীক বিয়া কৰাই নলবাৰী অঞ্চলত বসতি স্থাপন কৰিলে। এই কানুসিঙৰে তিনি পুৰুষৰ অধস্তন সন্তান ৰমাকান্ত চৌধাৰীৰ--- 'অভিমন্যু বধ' কাব্য আৰু 'সীতাহৰণ' নাটৰ প্ৰণেতা কন্যা নিৰুপমা অতুল হাজৰিকাৰ মাতৃদেৱী। প্ৰসংগক্ৰমে, হাজৰিকাৰ পিতৃ আৰু মাতামহ উভয়ৰে প্ৰথম নাম ৰমাকান্ত ---হাজৰিকাৰ ভাষাত, "দৰা আৰু শহুৰ দুয়োৰো একে নাম--- ৰমাকান্ত।" এই যে ক্ৰমাগত বংশগতিৰ সুফল —অতুল চন্দ্ৰ হাজৰিকা, সোঁৱৰণী মতে দেৱকান্ত আৰু ধৰণীকান্ত. মীন ৰাশি, মাকহঁতৰ মৰমৰ জগন্নাথ, বিহগী কবিৰ চেনেহৰ জগ— আধুনিক ভাবাপন্ন মোমায়েকে দিয়া যাৰ অতুল নামেই শেষত বৰ্তি থাকিল, তেওঁৰ ব্যক্তিত্ব জাতীয় দৃষ্টিকোণৰপৰা চালে একেটাই হ'লেও দ্বিধাবিভক্ত হোৱাই স্বাভাৱিক যেন নালাগেনে? এয়া পশ্চিমবাহী ব্ৰহ্মপুত্ৰ আৰু পূৰ্ব-বাহিনী জাহ্নৱীৰ যেন মিলন।

আকৌ মুনীন বৰকটকীৰ কথাৰেই কৈছোঁ--- কবি অতুল চন্দ্ৰ হাজৰিকা জোনাকী যুগৰ ত্ৰিমূৰ্তিৰে re-incarnation ডিম্বেশ্বৰ নেওগ আৰু বিনন্দ চন্দ্ৰ বৰুৱাৰে সৈতে ৩য়-৪ৰ্থ দশকৰ পুনৰ্জাত ত্ৰিমূৰ্তি। নৱন্যাসবাদৰ প্ৰেৰণা এওঁলোকৰ মাজতো অব্যাহত থাকিল, মাত্ৰ ভাব-ভাষা আৰু সামাজিক পৰিবৰ্তনৰ কাৰণে তাৰ কিছু কিছু ৰূপান্তৰ ঘটিল। জোনাকীৰ ত্ৰিমূৰ্তিৰ ভিতৰত বেজবৰুৱাৰ প্ৰভাৱ যেনেকৈ ব্যাপক আছিল তেনেকৈ তেওঁৰ নেতৃত্বও আছিল সৰ্বজনগ্ৰাহ্য। সেই প্ৰভাৱ আৰু নেতৃত্বৰ লগতে বেজবৰুৱাৰ বিপুল সাহিত্য-সৃষ্টিয়ে তেওঁৰ জন্মৰ আধা-শতিকামান পাছত ওপজা হাজৰিকাৰ চাম সাহিত্যিকক স্বাভাৱিকতে বহু ক্ষেত্ৰতে প্ৰভাৱান্বিত কৰিছিল। বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱৰ সময়তে দেখা গৈছিল তেওঁৰ উত্তৰ সাধক এইচাম সমভাবাপন্ন সাহিত্যিক তেওঁক লৈ কিমান উচ্ছ্বাসিত হৈ উঠিছিল— সেই উচ্ছ্বাসৰ কাৰণ আজিৰ চামে কিজানি বিচাৰি নাপাব। উৎপন্নৰ বিপুলতা আৰু বিচিত্ৰতাৰ ফালৰপৰা তুলনা কৰি চাই যদি আজি কোনোবাই কয় যে হাজৰিকাদেৱে বেজবৰুৱাকেই অনুসৰণ কৰিছে তেনেহলেও একেআষাৰে নুই কৰা টান হ'ব; —অৱশ্যে তেওঁ এঠাইত কৈছে যে বিশেষভাৱে কোনো লেখকেই তেওঁৰ ওপৰত প্ৰভাৱ পেলোৱা নাই: প্ৰভাৱৰ কথা আমিও নকওঁ— কিন্তু বেজবৰুৱাৰ দৰেই বিভিন্ন ধৰণৰ লেখা হাজৰিকা দেৱৰ অবিৰত কাপৰপৰা ওলাইছে, অন্যান্যৰ কথাই নাই তেওঁ পাচোটিমান চুটি গল্পও এসময়ত লিখিছিল (যেনেকৈ পূৰ্বসূৰীজনে এখনেই উপন্যাস লিখিছিল)। গোহাঞিবৰুৱাৰ দৰে অনেকেই জোনাকী যুগত অসমীয়া সাহিত্যৰ বহুতো অভাৱ মোচন কৰিবলৈকে পুথি লিখিব লগা হৈছিল। হাজৰিকাদেৱেও অসমৰ ৰংগমঞ্চবিলাকত মৌলিক অসমীয়া নাটকক প্ৰতিষ্ঠা দিবলৈ বহুসংখ্যক নাটক ৰচনা কৰিলে; তেওঁ আমাৰ শিশু সাহিত্যৰ ভঁৰালটো ভালেখিনি চহকী কৰি তুলিলে; তদুপৰি বেজবৰুৱাই অসমীয়া ভাষাৰ তথা অসমীয়া জাতীয়তাৰ স্বাতন্ত্ৰ্য ৰক্ষাৰ্থে ব্যংগ-অস্ত্ৰেৰে আলোচনীৰ পাত বখলা-বখল কৰাৰ দৰে হাজৰিকাদেৱেও আমাৰ জাতীয় সংস্কৃতিৰ নানান প্ৰয়োজনত প্ৰবন্ধৰ পিছত প্ৰবন্ধ, কবিতাৰ পিছত কবিতা লিখিয়েই আছে। সময় আৰু মানুহৰ পৰিবৰ্তন হোৱা কাৰণে তেওঁ উত্তৰ সূৰী হিচাপে ন-ভাঙতি মাটিও উলিয়াইছে: শিশুৰ উপযোগী কাহিনী আৰু কবিতা. বিদেশী সাহিত্যৰ অনুবাদ, বিয়াল্লিছৰ পটভূমিত নাটক, টিকেন্দ্ৰজিতৰ প্ৰচাৰ ইত্যাদিক ইয়াৰ দৃষ্টান্তৰূপে দাঙি ধৰিব পাৰি। বেজবৰুৱাই কলিকতা, সম্বলপুৰত থাকি যিকেইখন নাটক লিখিছিল সেই কেইখনৰ মঞ্চোপযোগিতা সম্বন্ধে সমালোচকে সন্দেহ প্ৰকাশ কৰে— যেনেকৈ আধুনিক মঞ্চাধ্যক্ষ প্ৰযোজকে এলিজাবেথীয় শ্বেক্সপিয়েৰৰ নাট এখন মেলিবলৈ ললেও অনেক কাটকুট ৰদ-বদল কৰিবলৈ বাধ্য হয়। নাট্যকাৰ হাজৰিকাই কিন্তু কুমাৰ ভাস্কৰ নাট্যমন্দিৰত এহাতে মমবাতি আনহাতে স্ক্ৰিপ্ট লৈ স্মাৰকৰ ভূমিকাত অৱতীৰ্ণ হোৱা কাৰণে নাটকৰ মঞ্চোপযোগিতা ভালদৰেই বুজি পাইছিল আৰু সেইমতেই নাট লিখি গৈ অসমীয়া নাটকক এদিন প্ৰতিষ্ঠা দিবলৈ সক্ষম হ'ল। তেওঁ অভিনেতা বা মঞ্চ-সমালোচক নোহোৱা সত্ত্বেও এইবিধ যৌগিক কলাক লেখক, অভিনেত্ৰী, দৰ্শকৰ কষ্টিশিলত পৰীক্ষা কৰিব





OKDISCD

লগা কথাটো অভিজ্ঞতাৰপৰাই স্বীকাৰ কৰি গৈছে। প্ৰখ্যাত বান ৰংগমঞ্চয়ো তেওঁৰ হতুৱাই নাট লিখাই নিছিল, যেনেকৈ গোহাঞিবৰুৱাৰ হতুৱাই 'বানৰজা' লিখাই লৈছিল। অসমৰ নাট্যজগতত তেওঁৰ এই বিশিষ্ট ভূমিকাৰ কাৰণেই এইখন জগতৰ ইতিহাস যুগুত কৰিবলৈ তেওঁলৈ সমূহ- নাট্যামোদীৰ আহবান আহিছিল, আৰু এই কামটো অসম্ভৱ নহ'লেও দুৰ্লংঘ্য গিৰিস্বৰূপ বুলি জানিও তেওঁ দহ বছৰৰ একান্ত চেষ্টাৰ ফলত ১৯৬৭ চনত ৬৪২ পৃষ্ঠা জোৰা মহামূল্য 'মনুমেণ্টেল' গ্ৰন্থ 'মঞ্চলেখা' প্ৰকাশ কৰি উলিয়ায়। শংকৰদেৱৰ দিনৰপৰা আৰম্ভ কৰি সুদীৰ্ঘ ৫০০ বছৰৰ মঞ্চ-ইতিহাস ইয়াত বিবৃত হৈছে, যদিও যথেষ্ট তথ্যপাতিৰ অভাৱত ই পূৰ্ণাংগ নহ'ল বুলি তেওঁ নিজেই অনুভৱ কৰিছে। তথাপি সত্ৰসমূহৰ ভাওনা আৰু অংকীয়া নাটককে ধৰি সৰু-বৰ মঞ্চ আৰু সৰু-বৰ নাট্যপ্ৰচেষ্টালৈকে যি ইতিবৃত্ত তেওঁ ধৰি ৰাখিলে সেইখিনিয়েই এই বিষয়ৰ ভৱিষ্যৎ অনুসন্ধানৰ কাৰণে প্ৰধান সম্বল হৈ থাকিব। পোন্ধৰ বছৰৰ আগতে কুৰি টকা দাম কৰা এই মূল্যবান গ্ৰন্থৰ কাৰণে তেওঁ চৰকাৰী অৰ্থ-সাহায্য কিবা পালেনে নাই কব নোৱাৰোঁ, নাইবা প্ৰকাশক-ভাগিনিয়েক লোকেন মেধিৰেই বা কি লোকচান হ'ল তাকো কব নোৱাৰোঁ। কিন্তু অৰ্থ বিষয়ত বিমুখ হ'লেও জাতিয়ে যে এনে এটা মহৎ অৱদানৰ কাৰণে হাজৰিকা দেৱক চিৰদিন কৃতজ্ঞতাৰে স্মৰণ কৰিব এই বিষয়ে সন্দেহ নাই।

'দীপালীৰ' কবি হাজৰিকাদেৱৰ ৰোমাণ্টিক চেতনাই কবিতাৰ ক্ষেত্ৰত বিভিন্ন দিশলৈ গতি কৰিছে। 'দেৱদাসী' আৰু গোলাপৰ কথা'ই বছৰ বাগৰাৰ লগে লগে সামাজিক পৰিবৰ্তনৰ লক্ষ্য ৰাখি সমালোচনাশীল ভংগী গ্ৰহণ কৰিছে। শিশু-কবিতাবিলাকৰ উপৰি 'মাণিকী মধুৰী', 'মনমাধুৰী' 'ৰক্তজবা', 'বাংঢালী' আদি গীত আৰু কবিতাৰ সংকলনবিলাকত তাৰ নিদৰ্শন আছে। যদিও ৰোমাণ্টিকতাৰ চেতনা এৰা পৰা নাই তথাপি এইবিলাকত চৌপাশৰ জগতখনৰ প্ৰতি কবিৰ সজাগতা তথা তৰুণৰ সৈতে নিবিড় হ'বলৈ কৰা আগ্ৰহৰ কাৰণে—স্নেই তৰুণৰ দৰে একেবাৰে বিদ্ৰোহৰ নিচান তুলি নললেও—প্ৰাচীনলৈ ঢাল লোৱা মনটোক বহুত মুক্ত কৰি ল'ব পাৰিছে; আৰু বহুত প্ৰাচীনৰ দৰে খং বা অভিমানত মুখ ঘূৰাই লোৱা নাই। দীপালীৰ পৰৱৰ্তী সকলো কবিতাৰ ভিতৰত আমাৰ বোধেৰে 'মণিকূটে'ই আটাইতকৈ উল্লেখযোগ্য সৃষ্টি। ইয়াৰ কবিতাবিলাকক তেওঁ 'সান্ধ্য কবিতা' নাম দিছে। এই নামকৰণৰ অৰ্থ সকলোৱে বুজিব। তথাপি কবিৰ বক্তব্য উদ্ধৃত কৰা ভাল হ'ব, যদিও ই দহ বছৰমানৰ আগৰ কথা: "আজিৰপৰা দুকুৰি বছৰৰো আগতে মোৰ জীৱনৰ আগবতৰতে প্ৰকাশ কৰা 'দীপালী' নামৰ কবিতা-পুথিখনৰ মোখনি মাৰিছিলো 'বিদায় সংগীত' নামৰ কবিতা এটাৰে। কিছু আগতীয়াকৈ লিখা হলেও তাৰ পিছত ইমান দিন ভু-ভাৰতৰ চাউল খাব পাৰিম বুলি আৰু 'মণিকূট'ত 'অন্তিম মিনতি' লিখিবলগীয়া হ'ব বুলি তেতিয়া কল্পনাই কৰিব পৰা নাছিলো। চাওঁতে চাওঁতে মই আজি তিনিকুৰি দহবছৰৰ দুৱাৰদলিত ভৰি দিলোঁহি। এৰি অহা দিকচৌ বাটটোলৈ উলটি চালে আৰু যাবলগীয়া আগৰ কালে চকু ফুৰালে মনত নানা ভাবে জুমুৰি দি ধৰে। এনে পৰিস্থিতিত মোৰতো কথাই নাই, নাস্তিকো অস্তিক হ'বলৈ বাধ্য হয়, অনাগত ভৱিষ্যতৰ চিন্তাই মন খুলি খুলি খায়।" এইখিনি কবিতাতে কবি হাজৰিকা জীৱন-জোৰা অভিজ্ঞতাৰ পৰিণামত, মানুহ আৰু সমাজৰ সমালোচনাৰ পৰিপ্ৰেক্ষিতত যিখিনি গভীৰ উপলব্ধি হৈছে যাৰ জ্ঞানেৰে সৈতে তেওঁ স্ৰষ্টাৰ সমুখীন হৈছে। বিভিন্ন ধৰ্মশাস্ত্ৰৰ অধ্যয়নেৰে পুষ্ট হৈ, উচ্চ-নীচৰ ভেদভাবক সমালোচনা কৰি, গোবিন্দৰ প্ৰতি ভক্তি আৰু মহাপুৰুষৰ প্ৰতি শ্ৰদ্ধা অনুভৱ কৰি ৰহস্যবাদীসকলৰ দৰেই তেওঁ জীৱনৰ গধূলিপৰত পৰমজনক ধৰিবচুব পৰাৰ সামান্য বাহিৰত মনঃচক্ষুৰে দেখিবলৈ পাইছে। এই উপলব্ধি ককণো, সুন্দৰো। নীলকণ্ঠৰ দৰে মায়া-মোহ ত্যাগক তেওঁ ইয়াত আদৰ্শ বুলি ধৰিছে। ৰবীন্দ্ৰনাথৰ দৰেই তেওঁ পৰমজনৰ বাঁহীৰ সুৰ ৰিণি-ৰিণি শুনিছে, ৰায়চৌধুৰীৰ দৰেই প্ৰকৃতিপ্ৰিয়া-সন্তান সৰ্বত্ৰতে তেওঁক বিৰাজমান দেখিছে, তেওঁ নাৰৰীয়া হৈ ভুৱৰালৈ বৈ থকাৰ দৰেই আমাৰ কবিলৈও বৈ আছে। ইয়াকে আমি তেওঁৰ Swan Song বুলিব পাৰোঁ।

কবিতাৰ কথা এৰি অতুল হাজৰিকাৰ শেহতীয়া গদ্য-ৰচনালৈ চকু দিলে আমি দেখিবলৈ পাওঁ যে 'মঞ্চলেখা'ৰ দৰেই অনেক তথ্য-পাতি তেওঁ ভৱিষ্যতৰ কাৰণে লিপিবদ্ধ কৰি গৈছে। তেওঁৰ জীৱনৰ কথাৰে সমৃদ্ধ 'স্মৃতিৰ পাপৰি', 'স্মৃতিলেখা' আৰু নানাজনৰ সাহিত্য-কৰ্ম সম্বন্ধে কৰা চমু আলোচনাবিলাক এই দিশৰপৰা মূল্যবান। পূৰঠ অভিজ্ঞতাসম্ভূত হোৱা কাৰণেই হ'বলা এইবিলাকত নিৰ্ভীকভাৱে তেওঁ বহু অপ্ৰিয় কথাও মুকলিকৈ কৈ গৈছে। বিশেষকৈ কেইবাজনো স্বৰ্গগত ব্যক্তিৰ দোষ-গুণ উভয়ৰে ভাৱসাম্য ৰক্ষা কৰি দাঙি ধৰা আলোচনাই নতুন জীৱনীকাৰক সাহস যোগাব পাৰিব বুলি ধাৰণা হৈছে। তদুপৰি, ৰাজহুৱা সভাত তেওঁৰ স্বাভাৱিক ডাঙৰ মাতটোৰে সদায়েই ৰগৰ তুলি অহাৰ দৰে এইবিলাক ৰচনাতো শ্লেষ আৰু ব্যংগই ৰসৰ সৃষ্টি কৰিছে;— অতি আপোনজনকো এনে বাক্যবানৰ হান দিবলৈ তেওঁ পৰাঙ্মুখ হোৱা নাই। বোধহয় শেষ বয়সত দিকচৌ বাট অতিক্ৰমি অহা অভিজ্ঞতাৰপৰা তেওঁ তেওঁৰ প্ৰাণৰ 'গীতা'ত কথিত স্থিতপ্ৰজ্ঞ ব্যক্তিৰ নিচিনা নিৰ্বিকাৰ হৈ পৰিছে। কিন্তু সেই বুলি এইবিলাক ৰচনা কেৱল ৰস-সৃষ্টিৰ প্ৰচেষ্টা নহয়। ইয়াৰ তথ্যপাতি পুৰণি সমাজৰ ইতিহাসৰ কাৰণে অমূল্য সম্পদ হ'ব। ইয়াত অনেক সাধাৰণ লোকৰ মহত্ত্ব বৰ্ণিত হৈছে, যিবোৰে মানুহক বেছিকৈ জানিবলৈ আমাক বাট দেতুৱাব। ইয়াত মাজে মাজে একোটা কৰুণ শীৰ্ষবিন্দু আছে, —প্ৰজ্ঞানন্দক জোঁৱাই কৰিব নোৱাৰিব বুলি ভাবি তেওঁৰ ঘৰলৈ গৈ মূৰত ধৰি 'মোৰ ল'ৰা হ'লা বুলি আশীৰ্বাদ কৰা কথা পঢ়ি চকুপানী ওলাব খোজে,— যিবোৰে পাঠকৰ অন্তৰ গভীৰ কৰি তোলে।

অসম সাহিত্য সভাৰ লগত হাজৰিকা দেৱৰ সম্বন্ধ কেনেকুৱা তাক সভাৰ লগত জড়িতসকলক নকলেও হয়। সাহিত্য সভাৰ সভাপতি পদত অধিষ্ঠিত হোৱাৰ সমান সন্মান আৰু নাই বুলি তেওঁ ভাবে। অধ্যাপক যতীন্দ্ৰনাথ গোস্বামীৰ ভাষাত, "হাজৰিকা আৰু অসম সাহিত্য সভা যেন টকা এটাৰ এপিঠি-সিপিঠি।" যুদ্ধোত্তৰ কালত অসম সাহিত্য সভাৰ অৱস্থা তেনেই নিৰ্জীৱ হৈ পৰিছিল। ১৯৫৩ চনত শ্বিলঙত প্ৰধান সম্পাদক নিৰ্বাচিত হৈ একেৰাহে তিনি বছৰ কাল ইয়াৰ গুৰি ধৰি হাজৰিকাই সভাক পুনৰ্জীৱন দান কৰিলে, ইয়াক বৃহত্তৰ ৰূপ দিলে, আজি তাৰ যি বিস্তৃত আকাৰ-প্ৰকাৰ তাৰ বাট কাটি দিলে। ১৯৫৯-৬০ চনত নগাঁও অধিবেশনৰ সভাপতি নিৰ্বাচিত হৈও তেওঁ সাহিত্য সভাক উচিত নেতৃত্ব দিলে; সেই সময়ৰ ভাষা আন্দোলনত সভাৰ তৰফৰপৰা জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে দেহেকেহে খাটিলে। তেওঁৰ উদ্যোগতে ভাষণাৱলী দুখণ্ডত প্ৰকাশিত হয় আৰু সন্মিলনৰ 'বাৰ্ষিকী' প্ৰকাশৰ কাম আৰম্ভ হয়। 'ভাষণমালা' প্ৰকাশৰ গুৰিতো তেৱেঁই প্ৰধান উদ্যোক্তা হয়। এইবিলাক দুষ্প্ৰাপ্য অভিভাষণে আজি সাহিত্য সভা তথা অসমৰ সমূহ জাতিপ্ৰেমী ৰাইজকে প্ৰভূত সহায় কৰিছে। একমাত্ৰ তেওঁৰ চেষ্টা আৰু উদ্যোগতে শ্ৰীপ্ৰফুল্ল বৰুৱা-শ্ৰীফুন্নু বৰুৱা ভাতৃদ্বয়ৰ শ্ৰৰুত দানেৰে সাহিত্য সভাৰ এটি অতি মূল্যবান সাংস্কৃতিক সম্পদ 'লক্ষ্মীৰাম বৰুৱা সদন' নিৰ্মিত হৈ উঠিছে। দূৰভ্ৰমণত সহজে ওলাই যাব পৰালৈকে সভাৰ প্ৰতিখন বাৰ্ষিক অধিবেশনতে হাজৰিকাদেৱ মঞ্চত উপস্থিত হৈ আহিছে। সাহিত্য সভাপ্ৰাণ এনে এজন সাহিত্যিকৰ প্ৰতি সমগ্ৰ জাতিৰ হৈ সভাই উচ্চ সন্মান প্ৰদৰ্শোৱাটো নিতান্তই উচিত আৰু কৃতজ্ঞতা-জ্ঞাপক কাম হৈছে। সাহিত্য সভাৰ তৰফৰ পৰা অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাক আজি আনুষ্ঠানিকভাৱে 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান উপলক্ষেই এই অনুষ্ঠানৰ আয়োজন হৈছে। এই উপাধিয়ে তেওঁৰ নিচিনা সকলো এৰিবপৰা ব্যক্তিক আনন্দ দিব পাৰিছেনে নাই ক'ব নোৱাৰোঁ। সাহিত্য অকাডেমিৰ পুৰস্কাৰে আনন্দ দিয়াৰ দৰে পদ্মশ্ৰী উপাধিয়ে তেওঁক উচ্ছ্বাসিত কৰা নাছিল, কিন্তু পৰিয়ালৰ আগ্ৰহৰ কাৰণে সেই সন্মান তেওঁ তাক অনিচ্ছাসত্ত্বেও গ্ৰহণ কৰে। সেইদৰে, 'সাহিত্যাচাৰ্য' উপাধিয়ে তেওঁক উচ্ছ্বাসিত নকৰিলেও আমাক কৰিছে; আমি গৌৰৱবোধ কৰিছোঁ। আমি কেইবাটাও পুৰুষ অধ্যাপক হাজৰিকাৰ ছাত্ৰ, —তেওঁৰে ছাত্ৰ শ্ৰীঅতুলচন্দ্ৰ বৰুৱাও আহি আহি সভাপতি হ'ল —আমি সাহিত্য-চৰ্চাত ছাৰৰে শিক্ষা, প্ৰেৰণা আৰু উৎসাহ লাভ কৰি উপকৃত হৈ আহিছোঁ। একপ্ৰকাৰে অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা আজিৰ চাম অসমীয়া সাহিত্য-সেৱীৰ মানত দ্ৰোণাচাৰ্য। ছাৰে তেওঁৰ গুৰুস্বৰূপ লক্ষ্মীনাথ বেজবৰুৱাৰ সমস্ত ৰচনাৱলী গোটাই-পিটাই, বিচাৰি-খোচাৰি—আমাকো সেই কামত লগাই—সাহিত্য প্ৰকাশৰ যোগেদি 'বেজবৰুৱা গ্ৰন্থাৱলী' উলিয়াই অসাধ্য সাধন কৰিলে। ছাৰৰ নিজৰে যিমানবিলাক ৰচনা—ডঃ ভুঞাৰ লেখীয়া তেওঁ ছিজিল নহয় বুলি নিজেই কৈছে —ক'ত ক'ত বা সেইবোৰ সিঁচৰতি হৈ আছে — কেতিয়াবাকৈ 'হাজৰিকা ৰচনা সম্ভাৰ' উলিয়াবলৈ সিদ্ধান্ত হলে আমি যে কি কৰিম আজি ভাবিবলৈকে ভয় লাগিছে।


সদৌ অসম ছাত্ৰ সন্থাৰ অনুমোদিত মাহেকীয়া আলোচনী প্ৰকাশ পাইছে

**বৰ্তমান গণ-আন্দোলন আৰু ছাত্ৰ সন্থা এতিয়া……**

## *ছাত্ৰ প্ৰতিনিধি*

* "ছাত্ৰ প্ৰতিনিধিয়ে" অন্যায়ৰ বিৰুদ্ধে মাত মাতিব
* "ছাত্ৰ প্ৰতিনিধিয়ে" দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতিব
* "ছাত্ৰ প্ৰতিনিধিয়ে" কবলগীয়া কথাবোৰ স্পষ্ট আৰু নিৰ্ভিক হ'ব
* জনসাধাৰণে বিচৰা মতে অ. গ. প. চৰকাৰক সমস্যাবোৰ সমাধান কৰাবলৈ বাধ্য কৰাব

যোগাযোগৰ বাবে গোবিন্দ মোহন গোস্বামী উজান বজাৰ বি. চি. ৰোড গুৱাহাটী-১


OKDISCD

# সময় যাত্ৰা

নীলোৎপল বেজবৰুৱা

ধোঁৱাবৰণীয়া মহাকাশ যান KLX-33 তীব্ৰগতিত নীলবৰণীয়া গ্ৰহটোৰফালে আগুৱাই গৈছিল। সৌৰজগতৰ তৃতীয় গ্ৰহ পৃথিৱীৰ মাধ্যাকৰ্ষণ ক্ষেত্ৰ অতিক্ৰম কৰোঁতে ঘড়িত সময় দেখা গৈছিল ১১:৫৩:৪৫। মহাকাশচাৰীকিজন আছিল পৃথিৱীৰ ফ্লেছ গৰ্ডন, তেওঁৰ প্ৰেমিকা ডেল, আৰু বিজ্ঞানী বন্ধু ড° জাৰকভ। কেইছেকেণ্ডমান পাছতে যানখনে পৃথিৱীত অৱতৰণ কৰিলেহি। প্ৰায় এসপ্তাহ ভ্ৰমণৰ অন্তত ক্লান্ত আৰু আনন্দিত মহাকাশচাৰীসকলে পৃথিৱীৰ মাটিত ভৰি দিলেহি। KLX-33ৰ পৰা বাহিৰ ওলায়েই কিন্তু তেওঁলোক আচৰিত হৈ গ'ল। আতংকিত জাৰকভে চিঞৰি উঠিল, "সৰ্বনাশ হৈ গ'ল ফ্লেছ! আমি সম্ভৱতঃ টাইম ৱাৰ্পৰ মাজেদি আহিলো।"

কিন্তু কম্পিউটাৰেতো ভুল সংকেত দিয়া নাছিল!"

ফ্লেছো সমানেই আচৰিত হ'ল।

বাওঁহাতখন চেলাউৰিৰ কাষলৈ নি ড° জাৰকভে কিবা এটা পৰ্যবেক্ষণ কৰা যেন দেখা গ'ল আৰু ক'লে, "বোধহয় আমি অতীতত প্ৰৱেশ কৰিলোঁ।"

ড° জাৰকভৰ অনুমান অশুদ্ধ নাছিল। অলপ সময়ৰ পাছত হাজাৰ-হাজাৰ অশ্বাৰোহী সৈন্যৰ অশ্বৰ পদ-শব্দ শুনা গ'ল। শব্দবিলাক ক্ৰমাৎ ওচৰ চাপি আহিল আৰু অস্ত্ৰধাৰী অশ্বাৰোহীসকলে তেওঁলোকক বেঢ়ি ধৰিলেহি।

"ফ্লেছ, ইহঁতক প্ৰাচীন ৰোমৰ সৈনিক যেন লগা নাইনে?"—ডেলে ফুচফুচাই সুধিলে।

"ঠিকেই। ময়ো তাকেই অনুমান কৰিছোঁ।"

হৃষ্টপুষ্ট এজন ফ্লেছহঁতৰ ফালে আগবাঢ়ি আহিল। তেওঁ আছিল সেনাপতি। তেওঁ কঠোৰ স্বৰেৰে ক'লে, "ভিন্ন গ্ৰহবাসী তোমালোক ক'ৰপৰা আহিছা? এই গ্ৰহত অনধিকাৰ প্ৰৱেশ কৰাৰ পৰিণাম বোধহয় তোমালোকে নাজানা?"

"আমি পৃথিৱীবাসী, কোনো বেলেগ গ্ৰহৰপৰা অহা নাই।"—ফ্লেছে সেনাপতিক বুজাবলৈ চেষ্টা কৰিলে। সেনাপতিয়ে চিঞৰি উঠিল, —"সৈন্যসকল! বন্দী কৰা এই ভিন্নগ্ৰহবাসীসকলক। আমাৰ মহান সম্ৰাটে এই মিছলীয়াসকলৰ বিচাৰ কৰিব।"

ধোঁৱাবৰণীয়া মহাকাশযানৰ মহাকাশচাৰীসকলে সাজু হ'বলৈ সময়েই নাপালে। তেওঁলোকক বন্দী কৰা হ'ল।

ঠিক এঘণ্টাৰ পাছত। মহান সম্ৰাটৰ ৰাজসভাত ফ্লেছ, ডেল আৰু জাৰকভক বন্দী অৱস্থাত দেখা গ'ল। গলগলীয়া স্বৰত ৰজাই সুধিলে, "অচিনাকিসকল, শুনিবলৈ পাইছো—তোমালোক এই গ্ৰহৰে?" এই অসত্যৰ প্ৰমাণ দিব পাৰিবা?"

"হয়, মহান সম্ৰাট। আমি কুৰি শতিকাৰ পৃথিৱীবাসী। টাইম ৱাৰ্পৰ মাজেদি অহা কাৰণে আপোনালোকৰ দ্বাদশ শতিকাত প্ৰৱেশ কৰিলোঁ। এই সত্যৰ কোনো প্ৰমাণ দিব নোৱাৰিম।" —ফ্লেছে সাহসেৰে উত্তৰ দিলে।

"জটিল তথ্যেৰে বিভ্ৰান্তিৰ সৃষ্টি নকৰিবা অচিনাকি।" খঙত সম্ৰাটে চিঞৰি উঠিল। কিছুসময়ৰ পাছত তেওঁৰ খং শাম কটা যেনে দেখা গ'ল আৰু এটি ৰহস্যময় হাঁহিৰে ক'লে, "ঠিকেইতো। কোনো প্ৰমাণ নাই। প্ৰমাণ দিয়াতকৈ বন্ধুসকলে ক্ৰীড়া-ক্ষেত্ৰত মৃত্যুবৰণ কৰিবলৈ পালেই বোধহয় বেছি আনন্দিত হ'ব।"

প্ৰচণ্ড হাতচাপৰিৰে সম্ৰাটৰ প্ৰস্তাৱক সমৰ্থন কৰা হ'ল।

সেইবাৰ সেই বলিয়া সম্ৰাটৰ হাতৰপৰা ৰক্ষা পাওঁতে ফ্লেছহঁতে যথেষ্ট যুদ্ধ কৰিবলগীয় হৈছিল। শেহতীয়া ইন্ধনখিনিৰে মহাকাশচাৰীসকলে পুনৰ "টাইম ৱাৰ্প"ত প্ৰৱেশ কৰিছিলহি আৰু এইবাৰ কোনো ভুল নকৰাকৈয়ে কুৰি শতিকাত উপস্থিত হৈছিলহি।

এয়া হ'ল মহাকাশৰ কাহিনীৰ নায়ক ফ্লেছ গৰ্ডনৰ সময় যাত্ৰাৰ (time travel) এক বৈচিত্ৰময় অভিজ্ঞতা।

এতিয়া প্ৰশ্ন হ'ল ই সম্ভৱনে? কুৰি শতিকাৰ শেষাৰ্ধত কোনো মহাকাশযানত আৰোহণ কৰি ওঠৰ শতিকাৰ জুলাই মাহৰ সেই মহান দিনটোলৈ উভতি যাবপৰা যাবনে, যিদিনা বাষ্টিলৰ ৰুদ্ধ দুৱাৰ শত শত বিপ্লৱীৰ দ্বাৰা মুক্ত হৈছিল, ফ্ৰান্সত নৱ চেতনাৰ উন্মেষ ঘটিছিল? নাইবা চাৰি-হাজাৰ দুশ চনৰ এক ভৱিষ্যতৰ যুগলৈ, য'ত ধাতৱ যন্ত্ৰ ৰবট আদিৰেহে পৃথিৱী শাসিত হ'ব। ষ্টাৰ ৱাৰ, ষ্টাৰ ট্ৰেক আদি বিজ্ঞানভিত্তিক বোলছবি অথবা এচিমভ, ভল্টেয়াৰ, এইচ. জি. ৱেলছ আদিৰ দৰে প্ৰতিভাবান লেখকৰ লিখনিত এই সম্ভাৱনাই ইতিমধ্যেই ৰূপ পাইছে। কিন্তু বাস্তৱতে ই সম্ভৱনে?

এই প্ৰশ্নৰ উত্তৰ বিচাৰি কুৰি শতিকাৰ আৰম্ভণিৰ পৰাই বিজ্ঞানীসকলে চিন্তা-চৰ্চা আৰম্ভ কৰি দিছিল। আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ সূত্ৰক (১৯০৫ চনত বিশেষ আপেক্ষিকতাবাদ আৰু ১৯০৬ চনত সাধাৰণ আপেক্ষিকতাবাদ সূত্ৰৰ জন্ম হয়।) ভিত্তি কৰিয়েই অৱশ্যে তেওঁলোকে গৱেষণাকাৰ্য চলাইছিল।

এতিয়া আপেক্ষিকতাবাদৰ সূত্ৰৰ ভিত্তিত সময় যাত্ৰা কেনেকৈ সম্ভৱ—ইয়াৰ ওপৰত আমি দৃষ্টিপাত কৰিম। আইনষ্টাইনৰ চিন্তাধাৰাই কুৰিশতিকাৰ প্ৰথমাৰ্ধৰ বিজ্ঞান জগতখনলৈ এক নতুন চাঞ্চল্য আনিছিল। স্থান কাল আদিৰ দৰে ৰাশিবোৰৰ ওপৰত থকা বিজ্ঞানী নিউটনৰ মতবাদকো আইনষ্টাইনে বিশেষ ৰূপ দিছিল। নিউটনে কৈছিল যে, স্থান আৰু কাল আদি ৰাশিবোৰ পৰম (absolute); কিন্তু আপেক্ষিকতাবাদৰ সৃষ্টিৰ গৰাকীয়ে ক'লে স্থান-কাল পৰম নহয়। সিহঁতৰ সংকোচন অথবা সম্প্ৰসাৰণ হ'ব পাৰে। এয়াই হ'ল আপেক্ষিকতাবাদৰ ভেটি। এই গণ্ডগোলীয়া কথাখিনি আমি সহজ পৰীক্ষা এটাৰে বুজিবলৈ চেষ্টা কৰিম।

ধৰা হ'ল কোনো এখন নিৰ্দিষ্ট ঠাইত (ধৰা হ'ল ক) এজন ব্যক্তি থিয় হৈ আছে আৰু আন এজন ব্যক্তিয়ে এখন গাড়ীত বহি স্থান 'খ' লৈ যাবলৈ উদ্যত হৈছে। যাত্ৰাৰ আৰম্ভণিতে দুয়ো হাতত থকা ঘড়ী মিলাই ল'ব। এতিয়া গাড়ীখনে যাত্ৰা আৰম্ভ কৰিলে। গাড়ীখন ঠিক এঘণ্টাত 'খ' স্থান পালেগৈ। কিন্তু এটা আচৰিত ঘটনা ঘটিব। গাড়ীখনত বহি থকা মানুহজনে গাড়ীখনত এঘণ্টাতকৈ কিছু কম সময়ৰ ভিতৰত (ধৰা হ'ল ৫৯.৯৯ মিনিট) 'খ' স্থান পোৱা বুলি ভাবিব। ই কেনেকৈ সম্ভৱ? আপেক্ষিকতাবাদৰ সূত্ৰ অনুসৰি অৱশ্যেই ই সম্ভৱ। ইয়াক কালৰ আপেক্ষিকতা (relativity of time) বা কালৰ সম্প্ৰসাৰণ (time dialation) বুলি কোৱা হয়। তত্ত্বৰ পৰা দেখুৱাব পাৰি যে বেগ যিমানেই বেছি হয়, সময়ো সিমানেই লাহে লাহে যায়। অৰ্থাৎ গাড়ীখন যিমানেই বেগত যাব, ৰৈ থকা ব্যক্তিজনৰ তুলনাত যাত্ৰীজনৰ বাবে সময়ো সিমানেই লাহে লাহে যাব। দ্ৰুততম বেগত গ'লে কি হ'ব? পোহৰৰ বেগেই দ্ৰুততম বেগ। পোহৰে ছেকেণ্ডত ৩,০০,০০০ কি.মি. দূৰত্ব অতিক্ৰম কৰে। তত্ত্বৰপৰা প্ৰমাণ কৰি দেখুউৱা হৈছে যে ইয়াতকৈ কোনো বেছি বেগেই সম্ভৱ নহয়। এতিয়া এজন মহাকাশ-চাৰীয়ে পোহৰৰ বেগত যোৱা এখন মহাকাশযানত উঠি যদি এবছৰ মহাকাশ ভ্ৰমণৰ বাবে পৃথিৱীবাসীৰপৰা বিদায় লয় আৰু ঠিক এবছৰৰ পাছত তেওঁ পৃথিৱীলৈ ঘূৰি আহে; তেন্তে তেওঁ দেখিবহি যে পৃথিৱীখন দুই বা তিনিহাজাৰ বছৰ আগবাঢ়ি গ'ল, অৰ্থাৎ তেওঁ ভৱিষ্যতত প্ৰৱেশ কৰিলে। আচলতে তেওঁৰ মহাকাশযানখন ইমান বেগী আছিল যে পৃথিৱীবাসীৰ তুলনাত তেওঁৰ সময় অতি লাহে লাহে পাৰ হৈছিল। (হয়তো তেওঁৰ এদিন সময় পৃথিৱীৰ বন্ধুসকলৰ বাবে দহবছৰতকৈও বেছি আছিল।) এই-ক্ষেত্ৰত মহাকাশচাৰীজনক টাইম ৱাৰ্পৰ মাজেদি অহা বুলি ক'ব পাৰি। এয়াই হ'ল আপেক্ষিকতাবাদৰ ভিত্তিত সময় যাত্ৰাৰ এক কল্পনা। কিয়নো পোহৰৰ বেগত গতি কৰা মহাকাশযান নিৰ্মাণ কাৰ্য অসম্ভৱ। পল লাঞ্জভা নামৰ পদাৰ্থবিদ এগৰাকীয়ে অৱশ্যে হিচাপ কৰি দেখুৱাইছে যে মহাকাশচাৰীজনে যদি পোহৰৰ কুৰি ভাগৰ এভাগ বেগেৰেও গতি কৰে; তেন্তে দুবছৰৰ মূৰত (তেওঁৰ ঘড়িমতে) পৃথিৱীলৈ উভতি অহাৰ পাছত তেওঁ লক্ষ্য কৰিব যে পৃথিৱীত ইতিমধ্যে দুটা শতিকা পাৰ হৈ গৈছে।

বহু প্ৰতিভাবান বিজ্ঞানীয়ে সময় যাত্ৰা সম্ভৱ কৰি তুলিবলৈ গভীৰভাৱে তেওঁলোকৰ গৱেষণাত ব্ৰতী হৈছে। টেক্সাছ বিশ্ববিদ্যালয়ৰ অধ্যাপক ফ্ৰেংক টিপলাৰ এওঁলোকৰ ভিতৰত অন্যতম। এই অধ্যাপক গৰাকী এজন উচ্চস্তৰৰ গণিতজ্ঞ আৰু অংকশাস্ত্ৰৰ সূত্ৰৰ সহায়ত সময় যাত্ৰা যে সম্ভৱ সেইবিষয়ে তেওঁ মত প্ৰকাশ কৰিছে। তেওঁ ১০০ কি.মি. দীঘল, ২০ কি. মি. ব্যাসৰ, আৰু ছেকেণ্ডত ২০০০ বাৰ নিজ অক্ষত ঘূৰ্ণনৰত এটি নক্ষত্ৰৰ সন্ধানত আছে। টিপলাৰে কয় যে তেওঁৰ আদৰ্শ নক্ষত্ৰটোৰ ভৰ ইমানেই বেছি হ'ব যে ইয়াৰ প্ৰচণ্ড মাধ্যাকৰ্ষণ শক্তি আৰু বৃত্তীয় গতিৰ ফলস্বৰূপে কাষৰ স্থান—কাল ক্ষেত্ৰ (space time) খন ভংগ হ'ব। এনে অৱস্থাত এখন মহাকাশ-যান এই নক্ষত্ৰটোৰ কাষত যদি এটা নিৰ্দিষ্ট কোণত গৈ অৱস্থিত হয়,—আৰু ঠিক সেই স্থানলৈ গৈ এক সম্পূৰ্ণ আবৰ্তনৰ পাছত ঘূৰি আহে তেনেহ'লে তাৰ আৰোহীজন হয়তো এশবছৰ অতীতলৈ যাবগৈ। যানখনৰ কৌণিক দিশ পৰিবৰ্তন কৰিলে তেওঁ হয়তো দহহাজাৰ বছৰ বা তাতোকৈ বেছি,—ধৰা হ'ল দহ বিলিয়ন বছৰ অতীত বা ভৱিষ্যতলৈ যাব পাৰিব। এই ধাৰণা অৱশ্যেই কিছু জটিল।

কিন্তু প্ৰশ্ন হৈছে, প্ৰয়োজনীয় চৰ্ত-সমূহ পূৰণ কৰিব পৰা এনেকুৱা নক্ষত্ৰ পোৱা যাবনে? যাব। পালছাৰ (pulsar) নামৰ একজাতীয় নক্ষত্ৰই এই চৰ্তসমূহ পূৰণ কৰিব। পালছাৰ হ'ল এবিধ নিউট্ৰন নক্ষত্ৰ (neutron star)। নিউট্ৰন নক্ষত্ৰৰ ভৰ কল্পনাতীত-ভাৱে বেছি। সৌৰভৰৰ দুগুণ বা দুগুণতকৈ বেছি এটা নিউট্ৰন নক্ষত্ৰৰ এচামুচ পদাৰ্থৰ ওজন প্ৰায় ৪০ বিলিয়ন টন হ'ব। বৰ্তমান বিজ্ঞানী-সকল ছেকেণ্ডত ২০০০অৰ আবৰ্তন কৰা এই পালছাৰৰ সন্ধানতে আছে। অসীম ধৈৰ্য আৰু একাগ্ৰতাৰ ফল-স্বৰূপে বিজ্ঞানীসকলে কেইবছৰমানৰ আগতে ছেকেণ্ডত ১৫০০ বাৰ ঘূৰা এটা পালছাৰৰ সন্ধান পাইছে। প্ৰচণ্ড আশাবাদী অধ্যাপক টিপলাৰে ভাবে যে এই অসীম বিশ্বৰ লক্ষ-লক্ষ নক্ষত্ৰ-পুঞ্জৰ মাজত এটা পালছাৰ নিশ্চয় ওলাব; যি সময় যাত্ৰাক বাস্তৱ ৰূপ দিয়াত সহায় কৰিব।

ডক্টৰ মহেশ্বৰ নেওগৰ অপূৰ্ব জীৱন-কথা
জীৱনৰ দীঘ আৰু বাণি

মহেশ্বৰ নেওগ ৰচনাৱলী
প্ৰথম খণ্ড। ১,০১৬ পৃষ্ঠা। ১৩০.০০ টকা

ডক্টৰ মহেশ্বৰ নেওগ প্ৰকাশন
ন্যাস-পৰিষদৰ হৈ

বাণী মন্দিৰ ঃ ডিব্ৰুগড়

OKDISCD

# অসমৰ বনভূমিৰ সবিশেষ

মোহিনী কুমাৰ শৰ্মা

যোৱা আঠত্ৰিছ বছৰে চৰকাৰে বনভূমিৰ বেদখল, অপৰিকল্পিত লুণ্ঠন, বন্য-প্ৰাণীৰ জীৱন নাশ আদি কাৰ্যৰ প্ৰতি উদাসীনতাৰ নীতি গ্ৰহণ কৰি অহা বাবেই আজি অসমৰ বন্যভূমি ক্ৰমাগতভাৱে হ্ৰাস হ'ব লাগিছে। চৰকাৰী হিচাপ মতে বৰ্তমান অসমত ৩০,৭০৭·৫৭ বৰ্গ কিল'মিটাৰ বা মুঠ ভৌগোলিক মাটিকালিৰ ৩৯ শতাংশ বনভূমি আছে। কিন্তু এনে বনভূমিৰ শতকৰা ১৪ ভাগত (১০,৯১১·৫৭ বৰ্গ কি· মি·) প্ৰকৃততে বন বা উদ্ভিদ নাই। নেশ্যনেল ৰিম'ট ছেনছিং এজেঞ্চিয়ে (NRSA) চলোৱা জৰিপ অনুসৰি বৰ্তমান অসমৰ মুঠ বনভূমিৰ পৰিমাণ ১৯,৭৯৬ বৰ্গ কি· মি· বা ভৌগোলিক মাটিকালিৰ শতকৰা ২৫ ভাগতকৈ কম। সংৰক্ষিত বনাঞ্চলবোৰৰ কিমান পৰিমাণ ভূমিত গছ-বন আছে, সেই তথ্য পোৱা নাযায়।

## অসমৰ বনভূমিৰ তথ্য

অসমৰ বনভূমিৰ ওপৰত প্ৰকৃতাৰ্থত অত্যাচাৰ আৰম্ভ হয় ত্ৰিছৰ দশকতে। তেতিয়াৰ বৃটিছ চৰকাৰৰ অধীনৰ মুখ্য-মন্ত্ৰী ছাৰ চাদুল্লা চাহাবে অসমত ১৯৩৭ চনৰপৰা ১৯৪৬ চনলৈ 'খাদ্য শস্যৰ উৎপাদন বৃদ্ধিৰ প্ৰচাৰ' [Grow More Food Campaign] অভিযান চলায় আৰু এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে বংগদেশৰপৰা মানুহ আনি অসমৰ বিভিন্ন ঠাইত সংস্থাপন কৰে। সংস্থাপনৰ বাবে যেতিয়াই মাটিৰ অভাৱ হ'ল, তেতিয়াই হাজাৰ-হাজাৰ বিঘা সংৰক্ষিত বনাঞ্চল খেতিৰ বাবে উপযোগী কৰি মুকলি কৰি দিয়া হ'ল। স্বাধীনতাৰ পাছতো এই অৱস্থাৰ পৰিবৰ্তন নঘটিল। দেশৰ শাসন ভাৰ গ্ৰহণ কৰা ৰাজনীতিকে অসমৰ সংৰক্ষিত বনাঞ্চলবোৰত বেছিকৈয়ে বাহিৰৰ লোক সংস্থাপন কৰি 'ভোট বেংক'ৰ সৃষ্টি কৰিলে। মূৰকত অসমৰ বনাঞ্চলৰ ওপৰত ৰাজনীতিকৰ নিৰ্দেশত অধিক বেদখল হ'ল। এফালে বিধান সভাত বনাঞ্চল আৰু বন্য-প্ৰাণীৰ সংৰক্ষণৰ বাবে আইন গ্ৰহণ কৰা হ'ল, আনহাতে ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবে 'ভোট বেংক'ত জমা বঢ়াই নিয়া হ'ল।

বনবিভাগৰ তথ্যানুসাৰে ১৯৭১-১৯৮১ চনৰ ভিতৰত সৰ্বমুঠ ১১২·৪১ বৰ্গ কি· মি· সংৰক্ষিত বনভূমি কৃষিৰ বাবে মুকলি কৰা হৈছে। কিন্তু ঠাৰৰ কৰা মতে এই সংখ্যাৰ লগত অতিৰিক্ত ১,৫০০ বৰ্গ কি· মি· বনাঞ্চল বৰ্তমানলৈকে কৃষিকাৰ্যৰ বাবে মুকলি কৰা হৈছে। এইবোৰ চৰকাৰী হিচাপ কিমানদূৰ সঠিক কোৱা টান।

চৰকাৰী তথ্যানুসাৰে [তালিকা (ক)] অসমত সংৰক্ষিত আৰু অন্যান্য বনাঞ্চলৰ পৰিমাণ বাঢ়িছেহে ; কিন্তু দৰাচলতে ই জানো সত্য ? তুলনাৰ বাবে হায়দৰাবাদৰ নেশ্যনেল ৰিম'ট ছেনছিং এজেঞ্চিয়ে চলোৱা জৰিপমতে অসমৰ বনাঞ্চলৰ হিচাপ তালিকা—খত দাঙি ধৰা হ'ল।

এই তালিকাত উল্লেখ কৰা বনাঞ্চলৰ পৰিমাণ উপগ্ৰহৰ সহায়ত কৰা জৰিপৰ দ্বাৰা নিৰ্ণয় কৰা হৈছে। এই পৰিসংখ্যাৰ শতকৰা ৯৫ ভাগ সত্যতা আছে। এই পৰিসংখ্যাই এইটো সূচাই যে বৰ্তমান অৱস্থাত অসমত শতকৰা ২৫ শতাংহহে বনাঞ্চল আছে। গড় হিচাপে অসমত প্ৰতি বছৰে (১৯৭২-৭৫ ৰপৰা ১৯৮০-৮২) ১৭৯·৮৬ বৰ্গ কি· মি· বনাঞ্চল কমিছে। এই হাৰ একেদৰে থাকিলে অসম অচিৰেই প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হ'ব।

## পাৰ্বত্য-জিলাৰ বনাঞ্চল

কাৰবি আংলং আৰু উত্তৰ কাছাৰ জিলাত ১৯৫১ চনত সৰ্বমুঠ ৮,০২৯ বৰ্গ কি· মি· বনাঞ্চল আছিল। ১৯৭৮ চনত বনাঞ্চলৰ পৰিমাণ হয়গৈ ৩,৩৬০ বৰ্গ কি· মি·। ১৯৫১ চনত মুঠ মাটিকালিৰ ৫২·৭৫ শতাংশ বনাঞ্চল আছিল ; কিন্তু ১৯৭৮ চনত সেই পৰিমাণ কমি হয়গৈ ২২·০১ শতাংশ। গড়হিচাপে প্ৰতি বছৰে ১·১৪ শতাংশ বনাঞ্চল কমিছে। মুঠ ২৭ বছৰত ৪,৩৬৯ বৰ্গ কি· মি· বনাঞ্চল ধ্বংস হৈছে।

পাৰ্বত্য অঞ্চলৰ বনাঞ্চল হ্ৰাস হোৱাৰ গুৰিতে হৈছে এই জিলা দুখনত প্ৰচলিত ঝুম কৃষি ব্যৱস্থা। এই পদ্ধতিত বছৰি হাজাৰ-হাজাৰ বিঘা মাটিৰ বনাঞ্চল মুকলি কৰা হয় আৰু তেনেবোৰ ঠাইত ২/৩ বছৰ কৃষি কাৰ্য কৰা হয়। তাৰ পাছত মাটি-ডোখৰৰ সাৰ কমি যোৱাৰ লগে লগে আন এডোখৰ বনাঞ্চল তেনে কৃষিৰ বাবে মুকলি কৰা হয়। জনসংখ্যা বাঢ়ি অহাৰ লগে লগে আগৰ তুলনাত বনাঞ্চল মুকলি কৰি ঝুম কৃষি কৰাৰ পৰিমাণো বাঢ়িছে।

তালিকা নং ১ (ক)ঃ অসমৰ বনাঞ্চলৰ পৰিসংখ্যা

(বনাঞ্চল বৰ্গ কি· মি·)

| বছৰ | সংৰক্ষিত বনাঞ্চল | শ্ৰেণী বিভাজন নকৰা সংৰক্ষিত বনাঞ্চল | প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল | মুঠ বনাঞ্চল |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| ১৯৭২-৭৩ | ১৬,৩৩৩ | ৯,১৭১ | ৩,০৪২ | ২৮,৫৪৬ |
| ১৯৭৩-৭৪ | ১৬,৩৩৩ | ৯,১৭১ | ৩,০৪১ | ২৮,৫৪৬ |
| ১৯৭৪-৭৫ | ১৬,৪২০ | ৯,০৮৪ | ৩,১০৪ | ২৮,৬০৮ |
| ১৯৮০-৮১ | ১৭,১৬৬ | ১০,০৮৪ | ৩,৪৫৮ | ৩০,৭০৮ |
| ১৯৮১-৮২ | ১৭,১৬৬ | ১০,০৭৪ | ৩,৪৬৮ | ৩০,৭০৮ |
| ১৯৮৪-৮৫ | ১৭,৪০৯ | ১০,০৭৪ | ৩,৩৭১ | ৩০,৭৮১ |

[উৎস ঃ অসম চৰকাৰ মুখ্য বন সংৰক্ষক।]

## বননীতি আৰু আইন-কানুন


১৮৬৫ চনত পোন প্ৰথম বাৰৰ বাবে বৃটিছ চৰকাৰে 'চৰকাৰী বন আইন' শীৰ্ষক এখন আইন ৰচনা কৰি কাৰ্যত ব্যৱহাৰ কৰিছিল। এই আইনৰ দ্বাৰা বনাঞ্চলৰ কেইবিধমান মূল্যবান গছ আৰু মা-মছলাৰ ওপৰত ৰাজহ নিৰ্ধাৰণ কৰা হৈছিল। এই আইনে চৰকাৰক দেশৰ যিকোনো ঠাইৰ হাবি-বন বা চৰকাৰী মাটিক 'সংৰক্ষিত বনাঞ্চল' বুলি ঘোষণা কৰাৰ ক্ষমতা দান কৰিছিল। কিন্তু এই আইনখনৰ কিছুমান সীমাবদ্ধতা আছিল। বনাঞ্চলৰ ভিতৰত নাইবা সীমাত বসবাস কৰা জনজাতীয় বা অইন বাইজক এই আইনে উচ্ছেদ কৰাৰ ক্ষমতা দিয়া নাছিল। সেয়ে, ১৮৭৮ চনত পোন প্ৰথম বাৰৰ বাবে 'চৰকাৰী বন আইন' খনৰ কিছুমান গুৰুত্বপূৰ্ণ সংশোধনী কৰা হৈছিল। সংশোধনীৰ মাধ্যমেৰে সন্নিবিষ্ট কৰা দিশবোৰ হ'ল ঃ

দেশৰ বনভূমিবোৰক তিনিটা শ্ৰেণীত ভাগ কৰা হয় ঃ (ক) সংৰক্ষিত বনাঞ্চল, (খ) ৰক্ষণাবেক্ষন দিয়া বনাঞ্চল, আৰু (গ) গ্ৰামীণ বনাঞ্চল। সংৰক্ষিত বনাঞ্চলক সম্পূৰ্ণভাৱে চৰকাৰী সম্পত্তি হিচাপে ঘোষণা কৰা হয় আৰু অধিবাসী বা জনজাতীয়লোক বা অন্য নাগৰিকে বসবাস কৰিব নোৱৰা কৰা হয়। দ্বিতীয় শ্ৰেণীভুক্ত

তালিকা ১ (খ)

| বছৰ | মুঠ বনাঞ্চলৰ পৰিমাণ | শতকৰা হাৰ |
|---|---|---|
| ১ | ২ | ৩ |
| ১৯৭২-৭৫ | ২১,০৫৫ বৰ্গ কি. মি· | ২৬·৮১ শতাংশ |
| ১৯৮০-৮১ | ১৯,৭৯৬ ,, ,, ,, | ২৫·২১ শতাংশ |
| ৭ বছৰৰ পাৰ্থক্য | ১,২৫৯ ,, ,, ,, | ১·৬ শতাংশ কমিছে, |

[উৎসঃ মেপিং অব ফৰেষ্ট কভাৰ ইন ইণ্ডিয়া ফ্ৰম ছেটেলাইট ইমেজাৰি।]






OKDISCD

বনাঞ্চলবোৰত ইতিমধ্যে যিবোৰলোকে বসবাস কৰি আছিল, সেইসকলক স্বীকৃতি দিয়া হয় আৰু কিছুমান সীমাবদ্ধতাৰ মাজত তেওঁলোকৰ অধিকাৰ লিপিবদ্ধ কৰা হয়। তৃতীয় শ্ৰেণীভুক্ত বনাঞ্চল সম্পূৰ্ণ ৰাইজৰ সম্পত্তি হিচাপে স্বীকৃত হয়।

১৮৭৮ চনৰ সংশোধনীৰ পাছত ১৯২৭ চনলৈকে দেশৰ বনভূমি এনে নীতিৰ দ্বাৰাই পৰিচালনা কৰা হয়। ১৯২৭ চনত দ্বিতীয়বাৰৰ বাবে 'চৰকাৰী বন আইন'খনৰ সংশোধনী ঘটাই— 'ভাৰতীয় বন আইন' নামকৰণ কৰি নতুন ৰূপ দিয়া হয়। ১৯২৭ চনৰ সংশোধনীত সন্নিবিষ্ট হোৱা দিশবোৰ হ'ল:

সকলো শ্ৰেণীৰ কাঠ আৰু অন্যান্য বনজ সম্পদৰ ওপৰত ৰাজহ আদায় কৰা ক্ষমতা।

বন আইন ভংগ কৰা নাগৰিকৰ বিপক্ষে দণ্ডাদিৰ ব্যৱস্থা বৃদ্ধি; ছমাহ সশ্ৰম কাৰাদণ্ড নাইবা পাঁচশ টকাৰ জৰিমনাৰ ব্যৱস্থা।

'অধিবাসীসকলৰ অধিকাৰ' শব্দ কেইটাৰ ঠাইত 'জনসাধাৰণৰ সুবিধা আৰু অধিকাৰ' কৰা হয়।

### স্বাধীনোত্তৰ কালছোৱা

বনভূমি আৰু বন্যপ্ৰাণী ৰক্ষণাবেক্ষণৰ বাবে যিবোৰ আইন-কানুন ইতিমধ্যে গৃহীত হৈছে, সেইবোৰক দুটা ভাগত ভগাব পাৰি: (ক) ৰাষ্ট্ৰীয় পৰ্যায়ৰ আইন, আৰু (খ) অসম চৰকাৰৰ দ্বাৰা গৃহীত আইন।

ৰাষ্ট্ৰীয় পৰ্যায়ৰ আইন ৰচনা কৰা হৈছে ভাৰতীয় সংবিধানৰ নীতি-নিৰ্দেশনাৰ ওপৰত ভিত্তি কৰি। সংবিধানৰ নীতি-নিৰ্দেশনাত বনভূমি আৰু বন্যপ্ৰাণী জাতীয় সম্পদ আৰু সেইবোৰকযে সম্পূৰ্ণ ৰক্ষণাবেক্ষণ দিয়া উচিত, সেই বিষয়ে উল্লেখ আছে [সংবিধানৰ অনুচ্ছেদ: ৪৮ (ক)]

উল্লেখযোগ্য যে —১৯৭৬ চনত 'বন্যপ্ৰাণী' আৰু 'বনভূমি'ৰ ৰক্ষণাবেক্ষণৰ বিষয়টোক সংবিধান সংশোধন কৰি 'ৰাজ্যিক তালিকা'ৰ (তালিকা ২) পৰা 'সহবৰ্তী তালিকাত' (তালিকা ৩) অন্তৰ্ভুক্ত কৰা হয়। ইয়াৰ লগে লগেই বনভূমি, বন্যপ্ৰাণী আৰু পক্ষীৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰৰো দায়িত্ব বাঢ়ে।

**ৰাষ্ট্ৰীয় পৰ্যায়ৰ আইন:** ভাৰত চৰকাৰে ১৯৫২ চনত প্ৰথমবাৰৰ বাবে সমগ্ৰ দেশৰ বাবে বনভূমিৰ নীতি নিৰ্ধাৰণ কৰে। কিন্তু ই আছিল বৃটিছ চৰকাৰে ১৮৯৪ চনত গ্ৰহণ কৰা 'বনভূমিৰ নীতি-নিৰ্দেশনা'ৰ ৰূপান্তৰ স্বৰূপ। ১৯৫২ চনৰ বননীতিত সন্নিবিষ্ট হোৱা দুটা প্ৰধান লক্ষ্যৰ ভিত্তৰত — বনাঞ্চলৰপৰা অধিক পৰিমাণৰ ৰাজহ আদায়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয় আৰু লগতে দেশৰ মুঠ মাটি কালিৰ এক তৃতীয়াংশত বনভূমি সংৰক্ষণ কৰাটো নিশ্চিত কৰা হয়। এই দুটা বিপৰীতধৰ্মী নীতিৰ এটাই আনটোৰ ওপৰত বাধাৰ সৃষ্টি কৰি আহিছে।

বনাঞ্চলৰপৰা অধিক ৰাজহ সংগ্ৰহৰ বাবে ঠিকাদাৰসকলক কাঠ কাটিবলৈ দিয়া অনুজ্ঞাপত্ৰত যি পৰিমাণৰ কাঠ কটাৰ আদেশ থাকে, দৰাচলতে তাতকৈ বহু বেছি পৰিমাণৰ কাঠ সংগ্ৰহ কৰা হৈছিল। তদুপৰি, জনসংখ্যাৰ বিস্ফোৰণ, ব্যাপক বেদখল, উদ্যোগ আদি প্ৰতিষ্ঠাৰ বাবে স্থান, কৃষি আৰু জলসিঞ্চনৰ বাবে বনভূমিৰ ব্যৱহাৰ, জলবিদ্যুতৰ প্ৰসাৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি ১৯৭৮ চনত 'কেন্দ্ৰীয় বন পৰিষদে' [Central Forests Board] 'জাতীয় কৃষি আয়োগৰ অনুমোদনাৱলী'ৰ ভিত্তিত এখন খচৰা বন-বিধেয়ক প্ৰস্তুত কৰে। বহু মতানৈক্য আৰু বাদানুবাদৰ পাছত ১৯৮০ চনত এই বিধেয়কখন আইন হিচাপে গৃহীত হয়। দেশৰ বনজ সম্পদৰাজিক ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত ১৯৮০ চনৰ এই "বন সংৰক্ষণ আইন" এক দৃঢ় পদক্ষেপ, —যদিহে ইয়াত সন্নিবিষ্ট হোৱা দিহাবোৰ বাস্তৱত ৰূপায়িত কৰিব পাৰি। ১৯৮০ চনৰ বন সংৰক্ষণ আইনৰ উল্লেখযোগ্য দিশবোৰ হৈছে:

বনভূমি বেদখল বা বনজ সম্পদ চোৰাংকৈ আহৰণ কৰাৰ বিপৰীতে— দোষী সাব্যস্ত কৰিবৰ বাবে দোষৰ পৰিমাণ বঢ়োৱা।

ঘাঁহ, খেৰ, ফুল, গছ-পাত, ডাল আদি বনজ সম্পদ আহৰণৰ ক্ষেত্ৰতো নিষেধাজ্ঞা প্ৰয়োগ।

ৰাজ্য চৰকাৰৰ যিকোনো মাটিকে 'সংৰক্ষিত বনাঞ্চল' বুলি ঘোষণা আৰু নিষেধাজ্ঞা জাৰি কৰাৰ অধিকাৰ।

সংৰক্ষিত বনাঞ্চলবোৰত চলি থকা খেলি-মেলি দূৰ কৰাৰ বাবে 'বন বন্দবস্তী বিষয়াক' ফৌজদাৰী ক্ষমতা দিয়া।

বন বিভাগৰ বিষয়াৰ ক্ষমতা বৃদ্ধি।

### ৰাজ্যিক পৰ্যায়ৰ আইন-কানুন

১৯৮০ চনৰ 'ভাৰতীয় বন সংৰক্ষণ আইন'খন ৰাজ্য চৰকাৰসমূহেও প্ৰয়োগ কৰিব পাৰে। বনভূমি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ বাবে অসম চৰকাৰৰ নিজস্ব কেইবাখনো নিয়ম আৰু বিনিয়ম (Rules and Regulations) আছে। সেইবোৰৰ ভিতৰত '১৮৯১ চন'ৰ অসম বন বিনিয়ম' খনেই উল্লেখযোগ্য। '১৮৭১ চনৰ গৰু-ম'হ অনধিকাৰ-প্ৰৱেশ আইন'খনতো গৰু-ম'হৰপৰা কিদৰে বনভূমি ৰক্ষা কৰিব লাগে তাৰ বিধি-ব্যৱস্থা আছে। এই আইন-কানুনবোৰে বন-বিষয়াসকলক নিম্ন লিখিত ক্ষমতাবোৰ দিছে:

এজন বন-বিষয়াই যিকোনো মাটি বা বনাঞ্চল পৰিদৰ্শন কৰাৰ লগতে— জৰিপ, সীমা নিৰ্ধাৰণ আৰু মানচিত্ৰ তৈয়াৰ কৰাৰ ক্ষমতা।

বন-বিষয়াসকলে প্ৰয়োজন অনুসৰি দেৱানী আদালতত নিজৰ উপস্থিতি বা হাজিৰা দিয়াৰ লগতে দলিল-পত্ৰ আদি দাখিল কৰাৰ ক্ষমতা।

১৮৮২ চনৰ ফৌজদাৰী কাৰ্যবিধি আইনৰ দিহামতে তদন্ত-পৰোৱানা (Search-Warrants) জাৰি কৰাৰ ক্ষমতা।



বন সম্বন্ধীয় কথাৰ অনুসন্ধান আৰু তেনে অনুসন্ধানৰ ক্ষেত্ৰত সাক্ষী গ্ৰহণ আৰু বিবৰণ নথিবদ্ধ কৰাৰ ক্ষমতা।

বনাঞ্চলক অগ্নিৰপৰা ৰক্ষা কৰাৰ বাবে বিভিন্ন ঋতুত জাননী জাৰি কৰাৰ ক্ষমতা।

বনাঞ্চলৰ মাটিত ঝুম কৃষি বন্ধ কৰাৰ বাবে নাইবা তেনে কামৰ দ্বাৰা বনাঞ্চল নাশ বা ক্ষতি কৰাৰপৰা ৰক্ষা কৰাৰ ক্ষমতা আৰু প্লাৱিত মাটি ৰক্ষা কৰাৰ ক্ষমতা।

পানীত ওপঙি অহা কাঠ ধৰাৰ ক্ষমতা আৰু

বন-আইনৰ অধীনত সম্পত্তি ৰক্ষা কৰাৰ ক্ষমতা ইত্যাদি।

### আন্তঃৰাষ্ট্ৰীয় সংৰক্ষণ নীতি

ৰাষ্ট্ৰসংঘৰ 'খাদ্য আৰু কৃষি সংস্থাই' যুগুত কৰা 'ক্ৰান্তীয় অঞ্চলৰ বনজ-সম্পদ' শীৰ্ষক প্ৰতিবেদনত প্ৰকাশ পাইছে যে ক্ৰান্তীয় অঞ্চলৰ এছিয়াৰ দেশবোৰত বিস্তৃত হাৰত হোৱা নিৰ্বনীকৰণৰ ফলত বানপানী, ভূমি স্খলন, জলাধাৰত বৃহৎ পৰিমাণৰ পলস জমা হোৱা, স্থানীয় জলবায়ুৰ পৰিবৰ্তন আদি ঘটনা ঘটিব লাগিছে।

### অদূৰদৃষ্টি সম্পন্ন নীতি

বৃটিছ চৰকাৰৰ লক্ষ্য আছিল— দেশৰ বনভূমিৰ পৰা অধিক পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰা। কিন্তু, স্বাধীনোত্তৰ কালছোৱাতো বৃটিছ সাম্ৰাজ্যবাদীসকলৰ আদৰ্শৰ ভিত্তিতেই বনাঞ্চলৰ পৰা অধিক ৰাজহ সংগ্ৰহ কৰাৰ নীতি চলি আছে।

বনাঞ্চলৰ পৰা পোৱা ৰাজহৰ পৰিমাণ (তালিকা ৪) সৰ্বোচ্চ শতকৰা ৪·২১ ভাগহে, তথাপিও কৃষিভিত্তিক দেশ এখনত বনাঞ্চলৰপৰা পোৱা ৰাজহৰ পৰিমাণটো কম নহয়। প্ৰকৃতাৰ্থত এই ৰাজহৰ আচল পৰিমাণ আৰু বাঢ়িলহেঁতেন, যদিহে চোৰাং বেপাৰী, ঠিকাদাৰ, দালাল আদিয়ে বেআইনীভাৱে সংগ্ৰহ কৰা কাঠ বা

তালিকা ৪

অসমৰ বনভূমিৰপৰা পোৱা ৰাজহৰ পৰিমাণ আৰু মুঠ ৰাজহৰ বিপৰীতে ইয়াৰ শতকৰা হাৰ

[কোটি টকাত]

| ৰাজহ/বছৰ | ১৯৭৯-৮০ | ১৯৮০-৮১ | ১৯৮১-৮২ | ১৯৮২-৮৩ | ১৯৮৩-৮৪ |
|---|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ | ৬ |
| বনজ সম্পদৰ পৰা ৰাজহ | ১১·৩৫ | ১২·২৮ | ১৫·২৫ | ১৭·৮২ | ২২·১৬ |
| অসমত সংগ্ৰহ হোৱা মুঠ ৰাজহ | ২৬৯·২৯ | ৪৩৬·১৬ | ৩৬৫·৪৭ | ৪৩১·৫৮ | [illegible] |
| বনজ সম্পদৰ পৰা পোৱা ৰাজহৰ শতকৰা হাৰ | ৪·২১% | ২·৮২% | ৪·১৭% | ৪·১৩ | — |

[উৎস: অসমৰ পৰিসংখ্যাৰ হাত পুথি, ১৯৮২]

বনজ সম্পদৰপৰা ৰাজহ পোৱা গ'লহেঁতেন। বন-বিভাগে হিচাপৰ ভিত্তিত যিমান পৰিমাণৰ কাঠ কাটে তাতকৈ বহু বেছি পৰিমাণৰ কাঠ চোৰাং বেপাৰীৰ কামৰ ফলত হাবিৰ পৰা ওলাই যায়। চৰকাৰৰ বন বিভাগে তেনে তথ্যৰ ওপৰত গুৰুত্ব দিয়া দেখা নাযায়; বৰঞ্চ এই যুক্তিহে দিয়ে যে বনাঞ্চলত সদায় পূৰঠ কাঠহে কটা হয় বা অপৰিকল্পিত হাৰত কাঠ কটা নহয়। বনাঞ্চলৰ কাঠ কটা কাম নিৰ্ধাৰণ কৰা হয় কৰ্ম আঁচনি [Working Plan] অনুসৰি। প্ৰকৃততে এই আঁচনি অনুসৰি নিৰ্ধাৰণ কৰা পূৰঠ গছহে কাটিব লাগে। কিন্তু বাস্তৱত এইটো নহয়। বেআইনীভাৱে প্ৰতিবছৰে কটা হাজাৰ-হাজাৰ গছৰ কোনো হিচাপ নাথাকে আৰু সেইবোৰ কাম "কৰ্ম আঁচনিৰ" বাহিৰতে হয়।

### জনসাধাৰণে কৰা ক্ষতি

বেদখল, গৰু-ম'হ চৰোৱা, চোৰাংকৈ কাঠ কটা, কৃষি আৰু অন্যান্য কাৰ্যৰ বাবে প্ৰায়েই বনাঞ্চল ব্যৱহাৰ কৰাৰ অভিযোগ শুনা যায়। তদুপৰি অসমত থকা 'প্লাইউড মিল'বোৰৰ দ্বাৰাও আমাৰ ৰাজ্যখনৰ বনাঞ্চল ধ্বংস পাই আহিছে।

### চৰণীয়া পথাৰ

ৰাষ্ট্ৰসংঘৰ 'খাদ্য আৰু কৃষি সন্থাৰ' এটা সমীক্ষাত প্ৰকাশ যে ভাৰত তথা দক্ষিণ-পূব এছিয়াৰ ক্ৰান্তীয় অঞ্চলৰ দেশবোৰত ক্ৰমাগতভাৱে চৰণীয়া পথাৰৰ অভাৱে দেখা দিয়া বাবে গৰু-ম'হ প্ৰায়েই বনাঞ্চলত চৰোৱা হয়। অসম চৰকাৰৰ পশু পালন বিভাগে ১৯৭৯ চনত কৰা পিয়ল অনুসৰি অসমত গৰু আৰু ম'হৰ সংখ্যা ৭৩·৩৪ লাখ। অসমত সাধাৰণতে গৰু-ম'হ চৰকাৰী চাৰণভূমি, চনপৰা মাটি আৰু পতিত মাটিত চৰোৱা হয়। অসমত চৰণীয়া পথাৰ, চনপৰা আৰু পতিত মাটিৰ পৰিমাণ ১৩,৮১০ বৰ্গ কি· মি·। অৰ্থাৎ প্ৰতি বৰ্গ কি· মি· এনে ঠাইত ৫৩১টা গৰু-ম'হ চৰোৱা হয়।

৭৩·৩৪ লাখ গৰু-ম'হৰ বাবে প্ৰতি বছৰে প্ৰায় ২৮·১০ কোটি কুইণ্টল ঘাঁহৰ প্ৰয়োজন; কিন্তু ১৩,৮১০ বৰ্গ কি· মি· মাটিৰপৰা প্ৰতি বছৰে ১৬·৮৪ কোটি কুইণ্টল ঘাঁহহে উৎপাদন হয়। ই মাত্ৰ শতকৰা ৬০ ভাগ চাহিদাহে পূৰণ কৰে। গতিকেই, ঘাঁহৰ বাকী চাহিদা পূৰণৰ বাবে পথাৰৰ নৰা, ধান খেৰ আদি নতুবা বনাঞ্চলৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়।

## বনাঞ্চলত বেদখলৰ ৰাজনীতি

অসম চৰকাৰৰ বন-বিভাগৰ তথ্যানুসাৰে বৰ্তমান অসমত ৩০,৭৮১ বৰ্গ কি· মি· বনাঞ্চল দেখুউৱা হৈছে যদিও প্ৰকৃততে সেই পৰিমাণৰ মাটিত বনভূমি নাই। বন-বিভাগৰ তথ্যমতেই ১৯৮২-৮৩ চনলৈকে ১,৩১১·৯৭ বৰ্গ কি. মি. বনাঞ্চল ইতিমধ্যে ৭০,২৬৪টা পৰিয়ালে বেদখল কৰি আছে। অৰ্থাৎ গড়ে প্ৰায় ১৪ বিঘা বনাঞ্চলৰ মাটি প্ৰতিটো পৰিয়ালৰ দখলত আছে। এই ৭০,২৬৪টা পৰিয়ালে ৫২৪খন 'বনগাঁৱ'ত বসবাস কৰে। এই গাঁওবোৰৰ অধীনত ১,৫০,২৩৩ জন লোকে ৫২৯·০৩ বৰ্গ কি· মি· মাটিত বসবাস কৰি কৃষিকাৰ্য কৰি আছে।

বনাঞ্চলৰ গাঁওবোৰৰ অধিকাংশ লোকেই জনজাতীয়। এওঁলোকৰ প্ৰায়বোৱেই দুখীয়া কৃষক আৰু শ্ৰমজীৱী লোক। এইসকল লোকে কঠোৰ শ্ৰম কৰি হাবিৰ গছ-বন কাটি, বনাঞ্চলৰ মাটি ভাঙি কৃষিকাৰ্য কৰি, হাবিৰ নদ-নদী আৰু খাল-বিলৰ মাছ-কাছ ধৰি জীৱন নিৰ্বাহ কৰে।


এওঁলোকে বনাঞ্চল বেদখল কৰাৰ গুৰিতে নিম্নলিখিত কাৰণবোৰ আছে:

বনাঞ্চলৰ কাষৰ দুখীয়া কৃষকসকলে জীৱন নিৰ্বাহৰ কোনো পৰ্যায়ত বিপদত পৰি নিজৰ মাটি-ভেটি গাঁৱৰ মহাজন বা ধনী খেতিয়কক বেচি দিয়ে। সময়ত উপায়ান্তৰ হৈ নতুন কৃষিৰ মাটি বিচাৰি তেওঁলোক বনাঞ্চলৰ ভিতৰলৈ সোমাই যায়। এওঁলোকে কৃষিৰ বাবে বনভূমি মুকলি কৰি, আৰু তৎকালেই জীৱিকা নিৰ্বাহৰ বাবে বনৰ গছ কাটি অনিষ্ট সাধন কৰে।

বহু সংখ্যক বেদখলকাৰীক অৱশ্যে ৰাজনৈতিক দালাল, ঠিকাদাৰ আদি শ্ৰেণীৰ মানুহে বনাঞ্চলৰ সুবিধাজনক ঠাইত আনি বহুৱায়— নিজৰ ৰাজনৈতিক উদ্দেশ্য আৰু চোৰাং কাঠৰ কাৰবাৰত সহায়ৰ বাবে। এওঁলোকৰ সহায়ত ঠিকাদাৰ, চোৰাং বেপাৰী আদিয়ে সামান্য মজুৰিৰ বিনিময়ত হাবিৰ কাঠ কটাই নিয়ে।

আটাইতকৈ আচৰিত কথা যে— সংৰক্ষিত বনাঞ্চলৰ বেদখলী মাটি সামান্য মূল্যৰ বিনিময়ত বেদখলকাৰী বা বনাঞ্চললৈ নতুনকৈ বসতি কৰিবলৈ অহা লোকৰ মাজত বেচা-কিনা হয়। এনেদৰে বেচা-কিনা হোৱা মাটিৰ মালিকী স্বত্বৰ বাবে বিঘাই প্ৰতি পঞ্চাছ টকাৰপৰা পাঁচশ টকা পৰ্যন্ত লেনদেন হয়। বনাঞ্চল মাটি বেচা-কিনাৰ কামটো সাধাৰণতে এক শ্ৰেণী দালালৰ দ্বাৰা হয়। এই দালালবোৱে যোৱা আঠত্ৰিছ বছৰ (বা তাতোকৈ আগৰপৰা) কিছুমান দুষ্ট ৰাজনীতিক আৰু বন-বিভাগৰ কৰ্মচাৰী-বিষয়াৰ ছত্ৰছায়াত আশ্ৰয় লৈ আছে। এনেদৰেই অসমৰ সংৰক্ষিত বনাঞ্চলবোৰৰ লাখ লাখ বিঘা মাটি বেদখলকাৰীৰ হাতলৈ গৈছে আৰু বনাঞ্চলৰ বিস্তৰ ক্ষতি হৈছে। যেতিয়াই উচ্ছেদৰ প্ৰশ্ন উঠে, তেতিয়াই সেইসকলৰ অদৃশ্য হাতে কাম কৰে আৰু উচ্ছেদৰ আদেশ স্থগিত বা বাতিল কৰা হয়। এইদৰে দুষ্ট চক্ৰৰ সংঘবদ্ধ প্ৰচেষ্টাৰ বাবে বহুবাৰ উচ্ছেদৰ আদেশ বাতিল হৈছে।

উত্তৰ-পূব ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত ৰাজ্যৰ বনভূমি




ভৌগোলিক মাটিকালিৰ বিপৰীতে শতকৰা হাৰ

| | (ক) চৰকাৰী পৰিসংখ্যা | (খ) হায়দৰাবাদৰ এন· আৰ· এছ· এৰ পৰিসংখ্যা | |
|---|---|---|---|
| অসম | ৩৯·২০ | ২৫·২১ = | ১৯,৭৯৬ বৰ্গ কি· মি· |
| মেঘালয় | ৩৮·০২ | ৫৫·৩৯ = | ১২,৪৫৮ ,, |
| মণিপুৰ | ৬৭·৭৫ | ৬০·৭০ = | ১৩,৫৭২ ,, |
| নগালেণ্ড | ১৭·৪২ | ৪৮·৯৭ = | ৮,০৯৫ ,, |
| অৰুণাচল প্ৰদেশ | ৬১·৬৭ | ৬২·৩৪ = | ৫২,১০৪ ,, |
| মিজোৰাম | ৩৩·৮১ | ৫৬·৭৬ = | ১১,৯৭১ ,, |
| ত্ৰিপুৰা | ৫৬·৫৮ | ৪৯·০৩ = | ৫,১৩৮ ,, |
| উত্তৰ-পূব ভাৰত | ৪৪·৯২ | ৫৯·২০ = | ১,১৩,১৩৪ ,, |

(ক)ৰ পৰিসংখ্যা ১৯৮০ চনৰ আৰু (খ)ৰ পৰিসংখ্যা ১৯৮০-৮২

### প্লাইউড গোষ্ঠী

অসমৰ ৪৪টা প্লাইউড কাৰখানাত (বেচৰকাৰী হিচাপ মতে ৬৪টা) দেশৰ সৰ্বমুঠ উৎপাদিত প্লাইউডৰ শতকৰা ৬০ ভাগ উৎপাদন হয়। ১৯৮২-৮৩ চনত এই কাৰখানাবোৰত মুঠ ৫৮,৭০০ ঘন মিটাৰ কাঠ ব্যৱহাৰ কৰা হয়। এইটো চৰকাৰী হিচাপহে। অনুজ্ঞাপত্ৰৰ বিপৰীতে কাৰখানাবোৰে বনাঞ্চলৰপৰা কাঠ সংগ্ৰহ কৰাৰ উপৰিও চোৰাংকৈ বিভিন্ন উপায়েৰে কাঠ সংগ্ৰহ কৰাৰ বাতৰি প্ৰায়েই ওলায়।


এই প্লাইউড কাৰখানাবোৰ কেচামালৰ অভাৱত সংকটতৰ সন্মুখীন হৈছে। কাৰখানাবোৰত প্ৰয়োজনীয় পৰিমাণৰ কাঠৰ যোগান ধৰিব পৰাকৈ অসমৰ হাবিত কাঠ নাই। প্ৰয়োজনীয় কাঠৰ চাহিদাৰ শতকৰা ২২ ভাগহে অসমৰ বনাঞ্চলৰপৰা পূৰণ কৰিব পৰা যায়। সেয়ে, অসমৰ বনাঞ্চলৰ কাঠৰ উপৰিও মেঘালয়, নগাৰাজ্য আৰু অৰুণাচল প্ৰদেশৰপৰাও কাৰখানাবোৰলৈ কাঠ আহে। কিন্তু ১৯৮১ চনত নগাৰাজ্য আৰু অৰুণাচল প্ৰদেশে ফলাকাঠ ৰাজ্যৰ বাহিৰলৈ সৰকি নাযাবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে। গতিকেই, ১৯৮২ চনৰ পৰা প্লাইউড কাৰখানাবোৰে কেচামালৰ চাহিদা পূৰণৰ বাবে অসম আৰু মেঘালয়ৰ কাঠৰ ওপৰতে নিৰ্ভৰ কৰে। ফলস্বৰূপে, যোৱা তিনি বছৰত আগৰ তুলনাত চোৰাংকৈ কাঠ কটা কাৰ্য বৃদ্ধি হ'বলৈ ধৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল, —এচাম দুষ্ট বেপাৰী (কাঠফলা কলৰ মালিক, প্লাইউড কাৰখানাৰ মালিক আদি), ৰাজনীতিক ব্যক্তি, ঠিকাদাৰ, দালাল, আনকি বন-বিভাগৰ এচাম বিষয়া-কৰ্মচাৰীয়ে লগ হৈ যোৱা তিনিবছৰে প্লাইউড কাৰখানাবোৰৰ কাৰণে হাবিৰ কাঠ কাটি অসমৰ বনাঞ্চলৰ অপূৰণীয় ক্ষতি কৰিলে।

প্লাইউড কাৰখানাবিলাকৰ উপৰিও ৩৬৫টা কাঠফলা কল, এটা জুইশলাইৰ কাৰখানা, দুটা মেচ স্পিলণ্ট কাৰখানা, তিনিটা কাগজৰ কল (দুটাৰ উৎপাদন এতিয়াও আৰম্ভ হোৱা নাই) আছে। এই বনজ-সম্পদভিত্তিক উদ্যোগবোৰলৈ কেঁচামাল বনাঞ্চলৰ পৰাই আহে।

প্লাইউড গোষ্ঠীৰ মিলবোৰৰ উৎপাদিত সা-সামগ্ৰীবোৰৰপৰাও অসম চৰকাৰে বছৰি বহু লাখ টকাৰ উৎপাদন কৰ হেৰুৱাইছে। আইনৰ সুৰুঙাৰে এই কাৰখানাবোৰে অসমত উৎপাদিত প্লাইউডৰ সম্ভাৰ একে মালিকীস্বত্বৰ অধীনত থকা মহাৰাষ্ট্ৰ বা কৰ্ণাটক ৰাজ্যৰ আন প্লাইউড কাৰখানাৰ নামলৈ বদলি কৰে, কিয়নো সেইবোৰ ৰাজ্যত প্ৰতি বৰ্গমিটাৰ প্লাইউডৰ দাম অসমৰ পাইকাৰী বজাৰতকৈ পাঁচগুণ বেছি। এইদৰে প্লাইউড গোষ্ঠীয়ে ৰাজ্য চৰকাৰৰ অজ্ঞাতে সম্ভাৰ বদলি কৰি বেছি লাভবান হৈছে আৰু অসম চৰকাৰক বিক্ৰি কৰাৰপৰা বঞ্চিত কৰি আহিছে।

অসমৰ বনভূমিৰপৰা সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ




### জনসংখ্যা বনাম বনাঞ্চল

অসমত ১৯৭১ চনৰ লোকপিয়ল অনুসৰি মুঠ জনসংখ্যা আছিল ১,৪৬,২৫,১৫১ জন। ১৯৮১ আৰু ১৯৮৫ চনৰ নিৰ্ধাৰিত জনসংখ্যা হৈছে যথাক্ৰমে ২·০৩ কোটি আৰু ৩·২৮ কোটি। অসমত জনমূৰি বনাঞ্চলৰ পৰিমাণ যথাক্ৰমে ০·০০২১ বৰ্গ কি· মি· আৰু ০·০০১৫ বৰ্গ কি· মি·। প্ৰকৃততে এই হাৰ আৰু কম হ'ব। ১৯৮০ চনৰ হিচাপত বনাঞ্চলৰ সৰ্বভাৰতীয় হাৰ ০·০০১১ বৰ্গ কি· মি·। (তালিকা ৫ দ্ৰষ্টব্য।)

তালিকা ৫

উত্তৰ-পুব ভাৰতৰ ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ বনভূমিৰ তথ্য : ১৯৮০ [উৎস : নতুন দিল্লীৰ 'বিজ্ঞান আৰু পৰিবেশ কেন্দ্ৰ'ই প্ৰকাশ কৰা 'ভাৰতৰ ১৯৮২ চনৰ পৰিবেশৰ অৱস্থা'ৰ পৰা]

| ৰাজ্য/কেন্দ্ৰীয় শাসিত ৰাজ্য | বনাঞ্চল (বৰ্গ কি. মি.ত) | ভৌগোলিক মাটিকালিৰ তুলনাত বনাঞ্চলৰ শতকৰা হাৰ | জনমূৰি বনাঞ্চলৰ পৰিমাণ (বৰ্গ কি. মি.) |
|---|---|---|---|
| অসম | ৩০,৭৮১ | ৩৯·২০ | ০·০০১৬ |
| মেঘালয় | ৮,৫৫০ | ৩৮·০২ | ০·০৭৬৬ |
| মণিপুৰ | ১৫,১৫০ | ৬৭·৭৫ | ০·০১০৬ |
| নগা ৰাজ্য | ২,৮৮০ | ১৭·৪২ | ০·০০৪১ |
| অৰুণাচল প্ৰদেশ | ৫১,৫৪০ | ৬১·৬৭ | ০·০৮২৬ |
| মিজোৰাম | ৭,১৩০ | ৩৩·৮১ | ০·০১৪৬ |
| ত্ৰিপুৰা | ৫,৯৩০ | ৫৬·৫৮ | ০·০০২৯ |
| উত্তৰ-পুব ভাৰত | ১,২১,৯৬১ | ৪৪·৯২ | ০·০১৭৬ |

## সামাজিক বনানীকৰণ

বেদখল আৰু নিৰ্বনীকৰণৰ ফলত ক্ৰমাগতভাৱে নিঃশেষ হোৱা বনাঞ্চলক পুনৰ উজ্জ্বল কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে 'সামাজিক বনানীকৰণ আঁচনি' ১৯৭০ চনৰ শেষৰ ফালে আৰম্ভ কৰে। এনে আঁচনি প্ৰথমে গুজৰাটত আৰম্ভ কৰা হৈছিল। গুজৰাটৰ সাফল্যৰ পাছত দেশৰ প্ৰায়বোৰ ৰাজ্যৰে চকু মেল খায় আৰু কেন্দ্ৰীয় চৰকাৰে আঁচনিখন সকলো ৰাজ্যলৈ সম্প্ৰসাৰণ কৰে। এই আঁচনিৰ মূল লক্ষ্য হৈছে—খৰিৰ বাবে বৃক্ষৰোপন, পশুৰ খাদ্যৰ উপযোগী তৃণ-তৰুৰ উৎপাদন, ফল-মূলৰ গছৰোৱা আৰু নিত্য ব্যৱহাৰিক কাঠৰ উৎপাদন বৃদ্ধি কৰা।

অসমতো সামাজিক বনানীকৰণ আঁচনিৰ জৰিয়তে সংৰক্ষিত বনভূমি, চাৰণ ভূমি, পতিত মাটি, ৰাজ আলিৰ দাঁতি, শিক্ষানুষ্ঠানৰ চৌহদ, ঐতিহ্য-মণ্ডিত মঠ-মন্দিৰ, মছজিদ, গীৰ্জা, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ চৌহদ আদিত বৃক্ষৰোপন কৰা হৈছে। অসমত ইতিমধ্যে সামাজিক বনানীকৰণৰ নিম্নলিখিত আঁচনিবোৰ গ্ৰহণ কৰা হৈছে : (১) সামাজিক বনানীকৰণ [সাধাৰণ অঞ্চল], (২) জনজাতীয় উন্নয়ন আঁচনি, (৩) অনুসূচীত জাতি উন্নয়ন আঁচনি, (৪) গ্ৰামীন ৰাইজৰ বাবে খৰি উৎপাদন আঁচনি [কেন্দ্ৰীয় চৰকাৰৰ আঁচনি], আৰু (৫) ক্ষিপ্ৰতাৰে বাঢ়ি অহা বৃক্ষৰোপন আঁচনি।

১৯৮৩-৮৪ বছৰটোৰ ভিতৰত অসমত উক্ত আঁচনি আৰু অন্যান্য বনানীকৰণ আঁচনিৰ জৰিয়তে ১৮৩·৬৬ বৰ্গ কি. মি. মাটিত সামাজিক বনানীকৰণ কৰা হয়। এইবোৰ ঠাইত ৪২৩ লাখ বৃক্ষ ৰোপন কৰা হয়। (তালিকা ৬)

### সামাজিক বনানীকৰণ আঁচনিৰ লাভালাভ

ষষ্ঠ পৰিকল্পনাৰ কালছোৱাত ভাৰতবৰ্ষৰ ১০০ খন জিলাত বিশেষভাৱে খৰি উৎপাদনৰ বাবে বৃক্ষৰোপম আঁচনি গ্ৰহণ কৰা হৈছিল। পৰিকল্পনা আয়োগৰ 'খৰি উৎপাদন অধ্যয়ন সমিতি'য়ে এই আঁচনিৰ বহুল সম্প্ৰসাৰণৰ বাবে প্ৰাক্কলন পুনৰ বিবেচনা কৰিবলৈ অনুমোদন জনায়। দেশৰ বৰ্তমান খৰিৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই সমিতিয়ে প্ৰতিবছৰে ১·৫০ লাখ বৰ্গ কি. মি. ঠাইত খৰিৰ বাবে বৃক্ষৰোপনৰ অনুমোদন জনায়। এইটো কাৰ্যকৰী কৰিবলৈ প্ৰতি বছৰে ৮০০ নিযুত গছপুলি আৰু ৮০০-১০০০ টকা খৰচ হ'ব। কিন্তু চৰকাৰে এই অনুমোদনাৱলীৰ ওপৰত ভিত্তি কৰি

তালিকা ৬ : ১৯৮০-৮১ৰপৰা ১৯৮৪-৮৫ লৈ সামাজিক বনানীকৰণ আচনিৰ ব্যয়ৰ হিচাপ

[লাখ টকাত]

| শিতানসমূহ | ১৯৮০-৮১ | ১৯৮১-৮২ | ১৯৮২-৮৩ | ১৯৮৩-৮৪ | ১৯৮৪-৮৫ |
|---|---|---|---|---|---|
| ১। সামাজিক বনানীকৰণ (সা: অ.) | ৯৫·৬১ | ১০৫·৮৪ | ১১৮·৬২ | ২০০·০০ | ৩১০·০০ |
| ২। জনজাতি উন্নয়ন আঁচনি | — | ৪০·০০ | ৬১·০০ | ১২০·০০ | ১৮০·০০ |
| ৩। গঞা ৰাইজৰ | ৭·৪৬ | ৪১·৮৮ | ৭৮·৫৬ | ১৩৪·৭৬ | ১৮০·০০ |
| ৪। অনুসুচিত জাতি উন্নয়ন আঁচনি | — | — | ১·০০ | ৪·০০ | ৮·০০ |
| সৰ্বমুঠ ব্যয় → | ১০৩·০৯ | ১৮৭·৩২ | ২৫৯·১৮ | ৪৫৮·৭৬ | ৬৭৮·০০ |

[উৎস : অসম চৰকাৰৰ বন বিভাগৰ 'গছ থাকিলেহে, মানুহ থাকিব' শীৰ্ষক পুস্তিকাৰ পৰা।]



আঁচনি গ্ৰহণ নকৰিলে।

ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাত অসমত ১৭ কোটি টকা সামাজিক বনানীকৰণৰ বাবে খৰচ কৰা হৈছে।

অসমৰ জলবায়ু আৰু মাটিয়ে আঁচনিখনৰ সফল ৰূপায়ণত সহায় কৰি আহিছে। গতিকেই, সপ্তম পৰিকল্পনাৰ কালছোৱাত, ৰাজ্যখনৰ প্ৰয়োজনীয় খৰিৰ চাহিদা পূৰাব পৰাকৈ খৰিৰ বাগান, পাৰ্বত্য জিলাত ফল-মূলৰ বাগান. আন জিলাসমূহৰ ঠায়ে ঠায়ে এৰি-মুগা-পাট আদি পুহিব পৰাকৈ নুনী আৰু সোৱালু গছ, চোম গছৰ বাগান আদিত গুৰুত্ব দিলে দুখীয়া ৰাইজ উপকৃত হ'ব।

সপ্তম পৰিকল্পনাত সামাজিক বনানীকৰণ আঁচনিত ৮০০ বৰ্গ কি.মি. মাটিত বৃক্ষৰোপন কৰাৰ কথা। ইয়াৰ বাবে ৮৫ কোটি টকা ধাৰ্য কৰা হৈছে। এই বৃহৎ পৰিমাণৰ ধনে যাতে ৰাইজৰ প্ৰকৃত উপকাৰ সাধিব পাৰে, তালৈ লক্ষ্য ৰখাটো সংশ্লিষ্ট সকলোৰে অৱশ্য কৰ্তব্য।

### নিৰ্বনীকৰণ আৰু ইয়াৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি

নিৰ্বনীকৰণ আৰু বৰষুণৰ সম্বন্ধ-সূচক বহু বিজ্ঞানভিত্তিক সমীক্ষাৰ উদাহৰণ দাঙি ধৰিব পাৰি। এনেবোৰ সমীক্ষাৰ পৰা এইটো নিশ্চিতভাৱে ক'ব পাৰি যে জলবায়ুৰ ওপৰত বনাঞ্চলৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। যদিহে আমাৰ অমূল্যসম্পদ বনাঞ্চল বৰ্তমানৰ হাৰত নিৰ্বনীকৰণ কৰা হৈ থাকে, তেতিয়া অদূৰ ভৱিষ্যতে অসমৰ সেমেকা জলবায়ুও শুকান হ'ব আৰু বৃষ্টিপাতৰ পৰিমাণো কমিব। তেনে এক পৰিস্থিতিত আমাৰ কৃষি ক্ষেত্ৰৰো বিস্তৰ ক্ষতি হ'ব আৰু ইয়াৰ দ্বাৰাই ৰাজ্যখনৰ কৃষিভিত্তিক অৰ্থনৈতিক অৱস্থালৈ জটিলতা আহিব।

ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ অৱবাহিকা আৰু ইয়াৰ উপনৈবিলাকৰ ওপৰ অঞ্চলত (up stream region) থকা বনাঞ্চলবোৰত ক্ষিপ্ৰ হাৰত নিৰ্বনীকৰণ হোৱাত, বাৰিষা খৰস্ৰোতা নদীৰ সোঁতে সেই অঞ্চলৰ পাহাৰৰপৰা এক বৃহৎ পৰিমাণৰ পলস (silt), শিল-বালি আদি কঢ়িয়াই আনি ভৈয়াম অঞ্চলৰ নদী উপত্যকাত প্ৰতিবছৰে জমা কৰে। এনেদৰে অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈবোৰৰ নদী উপত্যকা ক্ৰমে বাম হ'ব লাগিছে। এনে বাম নদী উপত্যকাই বাৰিষাৰ অতিৰিক্ত পানী ধৰি ৰাখিব নোৱাৰাৰ বাবেই প্ৰতিবছৰে অসমত বানপানী হয়। এনে সমস্যাযে কেৱল অসমতেই হৈছে এনে নহয়; হিমালয় অঞ্চলত যোৱা কেইবা দশক জুৰি হোৱা নিৰ্বনীকৰণৰ ফলত হিমালয় অঞ্চলৰপৰা উৎপত্তি হোৱা নদ-নদীবোৰে উত্তৰ ভাৰতত, বিশেষকৈ বিহাৰ, বংগ আৰু উত্তৰ-প্ৰদেশতো বানপানীৰ সৃষ্টি কৰিছে। সেয়ে, কেন্দ্ৰীয় চৰকাৰ 'বন, বন্যপ্ৰাণী আৰু পৰিৱেশ বিভাগ' তথা 'বন-পৰিষদে' হিমালয়ৰ তৰাই বনভূমিৰ পৰিবেশ ৰক্ষণাবেক্ষণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে। অসম চৰকাৰেও ৰাজ্যখনত বানপানীৰ সমস্যা সমাধানৰ সময়ত উত্তৰ-পূৰ্ব পৰিষদৰ লগত যোগাযোগ কৰি, উত্তৰ পূৰ্ব ভাৰতৰ ৰাজ্যসমূহত [পাৰ্বত্য অঞ্চলত] নিৰ্বনীকৰণ ৰোধ কৰা আৰু পৰিবেশ সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাটো দৰকাৰ।

### পৰামৰ্শ

জনসংখ্যাৰ বিস্ফোৰণ, বেদখলকাৰীৰ দ্বাৰা ব্যাপকভাৱে বনাঞ্চল দখল, কৃষি কাৰ্য আৰু বিভিন্ন উন্নয়নমূলক আচনিৰ বাবে বনাঞ্চল ব্যৱহাৰ আৰু অসৎ ঠিকাদাৰ, দালাল, ৰাজনীতিকৰ দ্বাৰা বনাঞ্চল ধ্বংস আদি কাৰণবোৰৰ বাবে যোৱা কেইবা দশকো জুৰি অসমৰ বনাঞ্চল ক্ৰমে কমি আহিব লাগিছে। অসমৰ চিৰসেউজ বনাঞ্চল যেন মৰুভূমিলৈ ৰূপান্তৰ হ'ব লাগিছে। পঞ্চাছ বছৰ আগতে অসমত কেতিয়াও অনুভূত নোহোৱা খৰাং বতৰ—আজি সকলোৰে চিনাকি।

অসমত বৰ্তমান যি পৰিমাণৰ বনাঞ্চল আছে [২৫·২১ শতাংশ], সেই পৰিমাণ যদিহে সংৰক্ষণ কৰা নহয় তেতিয়া অসম অচিৰেই মৰুভূমিলৈ ৰূপান্তৰিত হ'ব আৰু বৰ্তমানৰ জনসমাজে বিপদৰ সন্মুখীন হোৱাৰ উপৰিও ভৱিষ্যত বংশধৰ সকলো বিপদগ্ৰস্ত হৈ পৰিব। কিয়নো, অসমত গড়ে প্ৰতিবছৰে ১৭৯·৮৬ বৰ্গ কিল'মিটাৰ বনাঞ্চল কমিব লাগিছে। সেয়ে, বৰ্তমানৰ বাবে আৰু ভৱিষ্যত বংশধৰসকলৰ বাবে আমাৰ বনাঞ্চল সংৰক্ষণ কৰাৰ বাবে চৰকাৰ তথা অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে নিম্নলিখিত ব্যৱস্থাৱলী শিঘ্ৰেই গ্ৰহণ কৰা দৰকাৰ :—

(১) 'বন আইন-১৯৮০'ৰ দিহা মতে অনতিবিলম্বে ৰাজ্যখনৰ চৰকাৰী মাটি আৰু সংৰক্ষিত বনাঞ্চলৰপৰা বেদখলকাৰীৰ উচ্ছেদ কৰি সেইবোৰ ঠাইত গছ ৰুব লাগে।

(২) ৰাজ্যখনত কমি অহা চৰণীয়া পথাৰৰ প্ৰতি লক্ষ্য ৰাখি গাঁৱৰ ওচৰত থকা চৰণীয়া পথাৰ আৰু গ্ৰামীন ৰিজাৰ্ভ বা বনাঞ্চলৰ পৰাও উচ্ছেদ কৰা দৰকাৰ।

(৩) উক্ত দুবিধ উচ্ছেদ কাৰ্যৰ ফলত যিসকল থলুৱা জনসাধাৰণ উচ্ছেদিত হ'ব, সেইসকলক পুনৰ সংস্থাপন কৰাটো দৰকাৰ। বিদেশী বেদখলকাৰীক অসম চুক্তিৰ দিহা অনুসৰি উচ্ছেদ কৰি অসমৰপৰা বিতাৰণ কৰা উচিত।

(৪) বৰ্তমান ৫২৪ খন বনগাঁৱৰ বাহিৰে আৰু যাতে বনগাঁও বাঢ়িব নোৱাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা দৰকাৰ। এই বনগাঁওবোৰত থকা অধিকাৰীসকলৰ পৰিসংখ্যা ৰাখি, বনবিভাগৰ পৰা তেওঁলোকক চিনাক্তকৰণ কাৰ্ড দিয়া উচিত। লগতে বিধি অনুসৰি তেওঁবিলাকে পাব পৰা সুবিধাবোৰ লিপিবদ্ধ কৰা দৰকাৰ।

(৫) বৰ্তমান ৰাজ্য চৰকাৰে অসমৰ অতিৰিক্ত মুখ্য সচিবৰ তত্বাৱধানত গঠন কৰি দিয়া বনভূমি সম্পৰ্কীয় অনুসন্ধান আয়োগে ১৮৬৫ চনৰেপৰা



OKDISCD

(প্ৰথম ভাৰত চৰকাৰে গ্ৰহণ কৰা বননীতি) সকলো বনভূমি আৰু বন্যপ্ৰাণী সম্পৰ্কীয় কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ আইন-কানুন, অধি-নিয়ম আদি খৰচি মাৰি আলোচনা কৰাৰ লগতে, ইয়াত থকা আসোঁৱাহ-বোৰ ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ কৰা দৰকাৰ। ৰাজ্য চৰকাৰে বনভূমি সমন্ধীয় আইন-কানুনৰ আসোঁৱাহবোৰ দূৰ কৰিব লাগে।

(৬) ৰাজ্যখনত ইতিমধ্যে স্থাপন কৰা ৬৪ টা প্লাইউড কাৰখানা আৰু অন্যান্য বনজ সম্পদৰ ওপৰত নিৰ্ভৰ-শীল কল-কাৰখানাৰ (৩৬৫টা কাঠফলা কল, এটা জুইশলাইৰ কাৰখানা, দুটা মে স্পিল ট কাৰখানা, কাগজৰ কল ৩টা ইত্যাদি) বাবে প্ৰয়োজনীয় পৰিমাণৰ সম্পদ আছেনে নাই সেইটো জৰীপ কৰা দৰকাৰ। বৰ্তমান চলি থকা উদ্যোগবোৰক কিমান পৰিমাণ কেঁচা-মাল (বনজ সম্পদ) দিব পৰা যায়—সেই ভিত্তিত কেঁচামালৰ বছেৰেকীয়া ভাগ ঠিক কৰি দিয়া উচিত হ'ব। বনজ সম্পদৰ ওপৰত নিৰ্ভৰশীল প্লাই-উড, কাঠফলা কল আদিয়ে উৎপাদিত সামগ্ৰীবোৰ অসম চৰকাৰৰ অনুমতি নোলোৱাকৈ যাতে ৰাজ্যৰ বাহিৰলৈ পঠাব নোৱাৰে—তাৰ প্ৰতি কঠোৰ নিয়ম বান্ধি দিয়া দৰকাৰ।

(৭) অসমত স্থাপন কৰা হিন্দুস্থান কাগজ নিগমৰ দুটা কাগজ কল আৰু অশোক কাগজ কল পূৰ্ণগতিৰে চলিলে অচিৰেই অসমত বাঁহৰ অভাৱে দেখা দিব। সেয়ে, অসমৰপৰা বাঁহ যাতে ৰাজ্যখনৰ বাহিৰলৈ যাব নোৱাৰে তাৰ প্ৰতি যত্নপৰ হোৱা দৰকাৰ। বৰ্তমান প্ৰতি দিনে বহু বাঁহ অসমৰ বাহিৰলৈ গৈ আছে।

(৮) অসমৰ বাবে সুকীয়া 'বন-নীতি' নিৰ্ধাৰণ কৰা দৰকাৰ। ৰাষ্ট্ৰীয় বন-নীতিৰ আধাৰত অসমৰ লগত খাপ খোৱা বিধৰ 'বন-নীতি' গ্ৰহণ কৰিলে নিশ্চয় সুফল পোৱা যাব। এনে 'বন-নীতি' নিৰ্ধাৰণ কৰোঁতে ৰাজ্যখনৰ ভূমি ব্যৱহাৰ নীতি (land use policy) নিশ্চিত কৰি গুৰুত্ব-পূৰ্ণ ক্ষেত্ৰবোৰ বাছি লোৱা দৰকাৰ। এনে কৰিবলৈ হ'লে বনাঞ্চলসমূহক তিনিটা ভাগত ভাগত ভাগ কৰিব লাগিব :

সংৰক্ষিত ক্ষেত্ৰ : পাৰ্বত্য জিলা দুখনৰ আৰু পৰ্বতীয়া অঞ্চলৰ পাদ দেশত থকা বনাঞ্চলবোৰ অন্ততঃ দহ বছৰৰ বাবে পূৰ্ণ-সংৰক্ষণ কৰা দৰকাৰ। এনে কৰিলে পৰ্বতৰ পাদদেশৰ ভূমিৰ ক্ষয়কাৰ্য ৰোধ হ'ব আৰু বানপানী কিছু পৰিমাণে কমিব বুলি আশা কৰা হয়। লগতে প্ৰাকৃতিক সমতাও স্থাপিত হ'ব।

উৎপাদন ক্ষেত্ৰ : ৰাজ্যখনৰ ভিতৰত থকা যিকোনো ঠাইকে উৎপাদন ক্ষেত্ৰ হিচাপে গ্ৰহণ কৰিব লাগে। পতিত মাটি, গাঁৱৰ বনাঞ্চল, ব্ৰহ্মপুত্ৰৰ পাৰৰ চৰ অঞ্চল আদি সামৰিলৈ তাত বৃক্ষৰোপন কৰিব লাগে। গ্ৰামীন দুখীয়া জনসাধাৰণৰ খৰিৰ চাহিদা পূৰাব পৰাকৈ সামাজিক বনানীকৰণ আঁচনি কাৰ্যকৰী কৰা দৰকাৰ।

গ্ৰামীন ক্ষেত্ৰ : গাঁও অঞ্চলত ব্যক্তিগত মালিকীস্বত্বত এতিয়াও এক বৃহৎ পৰিমাণৰ মাটি চন পৰি আছে। সেইবোৰ ঠাইত গাঁৱৰ মানুহৰ প্ৰয়োজন পূৰাব পৰাকৈ মূল্যবান গছ, খৰিৰ গছ, পাটপলু উৎপাদন কৰিব পৰা বিধৰ গছ, গৰু-মহৰ বাবে খাদ্য উৎপাদন কৰিব পৰা বিধৰ বাঁহ আৰু উদ্ভিদ আদি ৰোৱাৰ আঁচনি ৰাজ্য চৰকাৰৰ সামাজিক বনানীকৰণ বিভাগৰ জৰিয়তে গ্ৰহণ কৰিলে নিশ্চয় গঞা ৰাইজ উপকৃত হ'ব।

বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ মাজত যেতিয়ালৈকে জাতীয় সম্পদ ৰাজিৰ সংৰক্ষণৰ বাবে চেতনাবোধ নাহে, তেতিয়ালৈকে বনাঞ্চল ৰক্ষা সম্ভৱপৰ নহ'ব। দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ ৰোধ কৰিবলৈ সা-সম্পত্তিৰ হিচাপ লোৱাকে আদি কৰি বিহিত ব্যৱস্থা ল'ব লাগে।

চৰ অঞ্চলৰ খালী মাটি, টকলা পাহাৰ, নদ নদীৰ পাৰ, বিশেষকৈ ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ পাৰত খালী হৈ পৰি থকা মাটি চৰকাৰে অধিগ্ৰহণ কৰি বৃক্ষৰোপন কৰিলে সি খহনীয়া ৰোধ কৰাত সহায়ক হ'ব, আৰু বনজ সম্পদৰ পৰিমাণো বৃদ্ধি পাব।

পাৰ্বত্য অঞ্চলৰ জিলা দুখনত পৰ্যায়ক্ৰমে ঝুম কৃষি ব্যৱস্থা বন্ধ কৰি বেদিকা কৃষি ব্যৱস্থাৰ (Terrace Cultivation) প্ৰচলন কৰিবলৈ বিশেষ আঁচনি গ্ৰহণ কৰা দৰকাৰ। তেহে পাৰ্বত্য অঞ্চলৰ নিৰ্বনীকৰণ ৰোধ কৰিব পৰা হ'ব।

ৰাষ্ট্ৰীয় বন নীতিয়ে নিৰ্ধাৰণ কৰা শতকৰা ৩৩ শতাংশ বনাঞ্চল কৰিবলৈ বিশেষ আঁচনি লোৱা দৰকাৰ।

অসমৰ হাবি-বননিত থকা দুৰ্লভ-জাতীয় আৰু লুপ্তপ্ৰায় উদ্ভিদ আৰু বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰি সেইবোৰৰ বংশবৃদ্ধিত গুৰুত্ব দিয়া উচিত। সমগ্ৰ ভাৰতবৰ্ষত ১৩৪ বিধ লুপ্তপ্ৰায় উদ্ভিদ আছে; সেইবিলাকৰ ৯৯ বিধ অসম আৰু উত্তৰ-পূৰ্ব ভাৰতৰ।

বন্যপ্ৰাণী সংৰক্ষণ সমন্ধীয় আইন-কানুনবোৰৰ যিবোৰ সুৰক্ষা নিশ্চিত কৰিব লাগে।

গঁড় আৰু অন্যান্য বন্যপ্ৰাণী সংৰক্ষণৰ বাবে নিয়োজিত বন বিভাগৰ কৰ্মচাৰীসকলক আগ্নেয়াস্ত্ৰ আৰু অন্যান্য আধুনিক যন্ত্ৰ-পাতিৰ যোগান ধৰি চোৰাং চিকাৰ ৰোধ কৰিবলৈ অধিক ক্ষমতা দিয়া উচিত।


সিন্ধুবাণী চৌধুৰানীৰ
পতী-পত্নীৰ ধৰ্ম

প্ৰকাশক :
শ্ৰীখগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড,
আম্বাৰী, গুৱাহাটী-১




# আনন্দ আহি সমবায় আৰু অসম

প্ৰদীপ নেওগ

গুজৰাটৰ আনন্দ নামৰ ঠাইৰপৰা সমগ্ৰ ভাৰতত বিয়পি পৰি জনপ্ৰিয়তা লাভ কৰা আনন্দ আহি সমবায় এক সুফলপ্ৰদ সমবায় ব্যৱস্থা। প্ৰথম অৱস্থাত ই কেৱল গাখীৰৰ লগতে জড়িত আছিল। গাখীৰৰ ক্ষেত্ৰত চমকপ্ৰদ সাফল্য লাভ কৰিবলৈ সমৰ্থ হোৱা হেতুকে পাছলৈ তৈল বীজ, ফলমূল আৰু শাক-পাচলিৰ ক্ষেত্ৰতো কেইবা-খনো ৰাজ্যই এই সমবায় ব্যৱস্থা প্ৰয়োগ কৰিবলৈ লয়।

এই সমবায় ব্যৱস্থাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল উৎপাদনকাৰীক উৎপাদিত পণ্যৰ এক উপযুক্ত বজাৰ দিয়াৰ লগতে পণ্য উৎপাদনৰ বাবে সকলো প্ৰকাৰৰ সুবিধা দি উৎপাদন বৃদ্ধিত অৰিহণা যোগোৱা, আৰু পণ্য-ভিত্তিক বিভিন্ন কলকাৰখানা, উদ্যোগ আদি সমবায়ৰ ভেটিত গঢ় দিয়া।

মূলত : ই এক তিনিস্তৰীয়া ব্যৱস্থা : (১) প্ৰাথমিক সমবায় সমিতি, (১) জিলা সমবায় সংঘ আৰু (৩) ৰাজ্যিক ফেডাৰেশ্যন।

এখন ঠাইৰ (গাঁৱৰ) নিৰ্দিষ্ট পণ্যৰ উৎপাদকসকলে স্বেচ্ছাই গোট খাই গঠিত কৰা প্ৰাথমিক সমবায় সমিতিয়েই হৈছে ব্যৱস্থাটোৰ গুৰিৰ গোট। একোখন জিলাৰ সকলো-বিলাক প্ৰাথমিক সমবায় সমিতি জিলা সমবায় সংঘৰ পঞ্জীয়ন-ভুক্ত সদস্য হয় আৰু ৰাজ্য এখনৰ সকলো জিলা সংঘক (কেইবাটাও জিলা-সংঘ থকাৰ ক্ষেত্ৰত) এক ৰাজ্যিক ফেডাৰেশ্যনৰ সদস্য কৰা হয়। উল্লেখযোগ্য যে প্ৰয়োজন আৰু সুবিধা অনুযায়ী সংঘৰ এলেকা জিলা এখনতকৈ বেছি বা কম কৰিবও পাৰি।

প্ৰাথমিক সমিতিৰ নীতি-নিয়ম আদি সৰ্বসাধাৰণ সমবায় সমিতিৰ দৰেই প্ৰায় একে। সদস্যসকলৰ মাজৰপৰা গণতান্ত্ৰিকভাৱে নিৰ্বাচিত এখন কমিটিয়ে (৯ জনীয়া) নিৰ্দিষ্ট নিয়মানুযায়ী সমিতি পৰিচালনা কৰে। কমিটিৰ ভিতৰৰে এজন সভাপতি আৰু এজন সম্পাদকো বছা হয়। সদস্যসকলে উৎপাদিত পণ্য সমিতিক বেচি উচিত মূল্য লাভ কৰাৰ লগতে পণ্য উৎপাদনৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধাও (আহিলা পাতি, আধুনিক কৌশল, তথ্য আদি) লাভ কৰে।

জিলা সংঘই হৈছে আনন্দ আহি সমবায়ৰ চাবি-কাঠী সদৃশ গোট। ১৬ বা ১৭ জনীয়া এখন পৰিচালকৰ ব'ৰ্ডে (Board of Directors) মূলতঃ সংঘ পৰিচালনা কৰে। এই ১৬-১৭ জনৰে ১২ জন গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচিত প্ৰাথমিক সমবায় সমিতিৰ প্ৰতিনিধি, এজন ৰাজ্যিক বিত্তীয় অনুষ্ঠানৰ প্ৰতিনিধি, এজন ৰাজ্যিক সমবায় বিভাগৰ পঞ্জীয়ক বা তেওঁৰ প্ৰতিনিধি, এজন উক্ত সমবায়ৰ ৰাজ্যিক ফেডাৰেশ্যনৰ প্ৰতিনিধি আৰু এজন সংঘটোৰ পৰিচালক সঞ্চালকজন। প্ৰাথমিক সমিতিৰপৰা অহা ১২ জনে তেওঁলোকৰ মাজৰে এজনক সভাপতি নিৰ্বাচিত কৰে আৰু তেওঁ ব'ৰ্ডখনৰ মুৰব্বী হিচাপে পৰিগণিত হয়। ব'ৰ্ডেই সংঘৰ পৰিচালক-সঞ্চালকজনক নিযুক্তি দিয়ে আৰু সঞ্চালকে পূৰ্ব নিৰ্ধাৰিত সংখ্যা আৰু সংজ্ঞা অনুসৰি অন্যান্য কৰ্মচাৰীক নিযুক্তি দি সংঘৰ যাবতীয় কাম-কাজ পৰিচালনা কৰে।

পৰিচালক সঞ্চালকজন নিৰ্দিষ্ট পণ্যৰ কাৰিকৰী জ্ঞানেৰে শিক্ষিত ব্যক্তি (professional person) হয়। তেখেতক সহায় কৰিবলৈ কাৰ্যালয় সহায়ক, গাণনিক আদি শ্ৰেণীৰ কৰ্মচাৰীৰ উপৰিও এক কাৰিকৰী পক্ষ (technical wing) থাকে। এই কাৰিকৰী পক্ষত কাৰিকৰী শিক্ষাৰে শিক্ষিত এজন মেনেজাৰ আৰু কেইজনমান বিশেষজ্ঞ বিষয়া থাকে। তেওঁলোকক সহায় কৰিবলৈ থাকে যথোচিত সংখ্যক ছুপাৰ-ভাইজৰ। মেনেজাৰকে আদি কৰি ছুপাৰভাইজৰলৈকে অৰ্থাৎ কাৰিকৰী পক্ষৰ সকলো কৰ্মচাৰীকে তেওঁলোকৰ কৰ্মৰ লগত জড়িত সকলো বিষয়ত (আনন্দ আহি সমবায়ৰ নীতি তথা সমিতি আৰু সংঘত হিচাপ ৰখা পদ্ধতি, জড়িত পণ্য উৎপাদনৰ আৱশ্যকীয় আৰু অত্যাধুনিক জ্ঞান আদিৰ) একৰপৰা তিনিমহীয়া প্ৰশিক্ষণ দিয়া হয়। আনন্দ আহি সমবায়ক সমগ্ৰ দেশত বিয়পোৱাৰ উদ্দেশ্যে আনন্দ চহৰত ভাৰত চৰকাৰৰ দ্বাৰা স্থাপিত আৰু চৰকাৰী পুঁজিৰে পোষিত নেশ্যনেল ডেয়ৰি ডেভেলপমেণ্ট বৰ্ড (N.D.D.B.) নামৰ প্ৰতিষ্ঠানটোৱে উক্ত প্ৰশিক্ষণ দিয়াৰ দায়িত্ব বহন কৰে। প্ৰশিক্ষণৰ দায়িত্ব বহন কৰাৰ উপৰি ই বিভিন্ন ৰাজ্যত প্ৰতিষ্ঠা লাভ কৰা সংঘ আৰু ফেডাৰেশ্যনলৈ প্ৰয়োজনীয় কাৰিকৰী আৰু নীতি-বিষয়ক দিহা পৰামৰ্শ আগবঢ়ায়। তদুপৰি এই সমগ্ৰ ব্যৱস্থাটো আৰু ব্যৱস্থাৰ লগত জড়িত পণ্যৰ উৎপাদন, সংৰক্ষণ, সংশোধন আদিৰ উন্নতিকল্পে গৱেষণাও উক্ত প্ৰতিষ্ঠানটোৱে চলায়।

উক্ত ধৰণে কৰ্মচাৰী আৰু কাৰিকৰী সাহায্যৰে সমৃদ্ধ হোৱাৰ উপৰি পণ্য-আহৰণ, সংৰক্ষণ, সংশোধন বিতৰণ আদি যাবতীয় কাম-কাজৰ বাবে আৰু পণ্য উৎপাদকক পণ্য উৎপাদনত সহায়-সহযোগ আগবঢ়াবৰ বাবে প্ৰয়োজনীয় সকলো সা-সুবিধা তথা ব্যৱস্থা সংঘই নিজা'ববীয়াকৈ আহৰণ কৰি লয়। ইবিলাকৰ বাবে প্ৰয়োজনীয় অৰ্থ প্ৰথম অৱস্থাত ফেডাৰেশ্যনৰপৰা অথবা চৰকাৰৰপৰা (এক অংশ সাহায্য আৰু এক অংশ ঋণ হিচাপে) পোৱা হয়। পাছত নিজৰ লাভৰপৰাই সকলো ব্যৱস্থা কৰি সংঘই বিস্তৃতি লাভ কৰাৰ লগতে দিব লগা ঋণো পৰিশোধ কৰে। (অৰ্থ যোগানৰ বিষয়ে পাছত বিতংকৈ কোৱা হৈছে)।

প্ৰাথমিক সমবায় সমিতি গঠনৰ ক্ষেত্ৰত সংঘই আগভাগ লয়। প্ৰথমতে উক্ত কাৰিকৰী পক্ষৰ কৰ্মচাৰীয়ে অঞ্চল




OKDISCD

একোটাত জৰিপ চলায় আৰু তাৰ পাছত য'ত সম্ভৱ তথা উপযোগী, তাত সমিতি প্ৰতিষ্ঠা কৰাৰ যো-জা কৰে। এখন প্ৰাথমিক সমিতি প্ৰতিষ্ঠা কৰাৰে পৰা ঠন ধৰি উঠালৈকে (দুগ্ধ সমবায়ৰ ক্ষেত্ৰত তিনিমাহ) এজন ছুপাৰভাইজৰে সমিতিখনক নিৰবচ্ছিন্নভাৱে সকলো বিষয়ত দিহা পৰামৰ্শ আগবঢ়ায়। সেইখিনি সময়ৰ কাৰ্যাৱলী লক্ষ্য কৰি সমিতিখন সম্ভাৱনাপূৰ্ণ বুলি ধাৰণা হলেহে সংঘই সেই সমিতিক পঞ্জীয়নভুক্ত কৰে। পঞ্জীয়নভুক্ত সমিতিয়েহে সংঘৰ সা-সুবিধা লাভ কৰিব পাৰে। প্ৰথম অৱস্থাত ব্যৱসায় আৰম্ভ কৰিবলৈ সংঘৰ তৰফৰপৰা সমিতিক এক নগদ টকাৰ অনুদান (দুগ্ধ সমবায়ৰ ক্ষেত্ৰত এহেজাৰ) আৰু যাৱতীয় সা-সামগ্ৰী দিয়া হয়। তাৰ পাছতো প্ৰয়োজন আৰু যুক্তিসংগত হলে সংঘই সমিতিক ঋণ দিয়াৰ ব্যৱস্থাও আছে। এবাৰ ব্যৱসায় আৰম্ভ কৰাৰ পাছৰ পৰা সমিতি এখন নিজা লাভালাভৰ ওপৰত সুন্দৰকৈ চলি থাকে বা থাকিব পাৰে। উৎপাদকৰপৰা কিনা মূল্যতকৈ সামান্য আৰু নিৰ্ধাৰিত বেছি দামত সমিতিয়ে পণ্য সংঘক দিয়ে। সংঘই কিনা দাম, কটিওৱা, সংৰক্ষণ সংশোধন-বিতৰণ আদিত কৰা খৰচ ধৰি পণ্যৰ যি মূল্য হয় তাতোকৈ সামান্য আৰু নিৰ্ধাৰিত বেছি দামত বস্তুবোৰ দূৰৰ বজাৰত বেচে। উল্লেখযোগ্য যে সমিতিয়ে থলুৱা ক্ৰেতাৰ চাহিদা পূৰণ কৰি বাকী থকাখিনিহে সংঘক দিয়ে আৰু থলুৱা ক্ৰেতাক সংঘই দিয়া দামতে পণ্য বেচে।

সমিতিৰ দৰেই সংঘ একোটায়ো এক দুই বছৰৰ পাছৰপৰা নিজৰ লাভৰ ওপৰত চলি উন্নতি সাধন কৰে। সংঘ আৰু সমিতি উভয়ৰে লাভাংশ খৰচ কৰাৰ নিৰ্ধাৰিত নীতি থাকে আৰু সেই নীতি অনুযায়ী লাভাংশৰ এক মোটা অংশ যোগান ধৰা পণ্যৰ পৰিমাণ সাপেক্ষে প্ৰতিজন উৎপাদকে ব'নাছ হিচাপে লাভ কৰে। লাভৰ বাকী অংশ সমিতি আৰু সংঘই স্বউন্নয়নত নিৰ্দিষ্ট নিয়ম অনুযায়ী খৰচ কৰে। লাভৰ এক সামান্য অংশ সমাজ উন্নয়নমূলক (স্কুল আদি সজা) কামৰ বাবে নিয়োগ কৰাৰ ব্যৱস্থাও ৰখা হয়। মন কৰিবলগীয়া যে বছৰেকৰ মূৰত সাধাৰণ সভা পাতি সংঘই সদস্য সমিতিৰ আগত, আৰু সমিতিয়ে উৎপাদক সদস্যসমূহৰ আগত বছৰেকীয়া হিচাপ-নিকাচ দাঙি ধৰিবলৈ বাধ্য।

সন্নিবিষ্ট নক্সাখনত আনন্দ আহিৰ দুগ্ধ সমবায় সংঘৰ কাৰ্যাৱলীৰ এটা আভাস দিবলৈ যত্ন কৰা হৈছে।

এতিয়া আহোঁ এই সমবায় ব্যৱস্থা সমগ্ৰ দেশত বিয়পাবলৈ ভাৰত চৰকাৰে লোৱা 'অপাৰেশ্যন ফ্লাড' বুলি জনাজাত আঁচনিৰ কথালৈ। ১৯৭০ চনত আঁচনি আৰম্ভ কৰি কেন্দ্ৰীয় চৰকাৰে পুঁজিৰ ব্যৱস্থাপক হিচাপে 'ইণ্ডিয়ান ডেয়ৰি কৰপৰেশ্যন' নামৰ এক নিগমৰ জন্ম দিয়ে। এই নিগমে জনবল বৃদ্ধি বা কৰ্মী উন্নয়নৰ প্ৰয়োজনীয় অৰ্থ ১০০% 'গ্ৰাণ্ট' হিচাপে, বাকী কল কাৰখানা, উদ্যোগ, পৰিবহন আদিৰ বাবে প্ৰয়োজনীয় অৰ্থৰ






৩০% গ্ৰাণ্ট হিচাপে আৰু বাকী ৭০% ঋণ হিচাপে, ৰাজ্যিক ফেডাৰেশ্যন বা সংঘক নিজ ৰাজ্যিক চৰকাৰৰ জামিনত দিবলৈ নীতি নিৰ্ধাৰণ কৰে।

ভাৰত চৰকাৰৰ এই আঁচনিক দুটা স্তৰত বিভক্ত কৰা হৈছেঃ অপাৰেশ্যন ফ্লাড-১ আৰু অপাৰেশ্যন ফ্লাড-২।

অপাৰেশ্যন ফ্লাড-১ ১৯৭০ চনত আৰম্ভ হৈ ১৯৭৫ চনত সমাপ্ত হ'ব লাগিছিল যদিও বিভিন্ন কাৰণত ১৯৮১ চনতহে প্ৰকৃতাৰ্থত সমাপ্ত হয়। এই আঁচনিত দেশৰ কেইবাখনো ৰাজ্যৰ বিভিন্ন জিলাত মুঠ ১৮ টা দুগ্ধ সমবায় সংঘ স্থাপন কৰি সিবিলাকক বোম্বাই, কলিকতা, দিল্লী আৰু মাদ্ৰাজ এই চাৰিখন চহৰৰ লগত সংযোগ কৰা হয়। অৰ্থাৎ ১৮টা সংঘই প্ৰাথমিক সমিতিসমূহৰ জৰিয়তে উৎপাদকক উচিত মূল্য দি বিশুদ্ধ গাখীৰ সংগ্ৰহ কৰি, সেই গাখীৰ উক্ত চহৰ কেইখনৰ ক্ৰেতাক যোগান ধৰাৰ ব্যৱস্থা কৰা হয়। অপাৰেশ্যন ফ্লাড-১ অৰ বাবে ইণ্ডিয়ান ডেয়ৰি কৰপৰেশ্যনে মুঠ ১১৬·৪ কোটি টকা উলিয়াই দিয়ে।

অপাৰেশ্যন ফ্লাড-১ সম্পূৰ্ণ হোৱাৰ পূৰ্বেই ১৯৭৯ চনৰ ২ অক্টোবৰত অপাৰেশ্যন ফ্লাড-২ আৰম্ভ কৰা হয়। ই সাত বছৰীয়া আঁচনি আৰু ইয়াৰ মুঠ ধাৰ্য পুঁজি ৪৮৫·৬ কোটি টকা। আঁচনিখনৰ যোগেদি সমগ্ৰ দেশত মুঠ ১৫৫ টা দুগ্ধ সংঘ প্ৰতিষ্ঠা কৰি, মুঠ এক কোটি দুগ্ধ উৎপাদকক সামৰি লৈ, ১৪ লাখ নতুন বৰ্ণ সংকৰ গাই আৰু ম'হ সৃষ্টি কৰি, দেশৰ জনমূৰি গাখীৰ খোৱাৰ পৰিমাণ দিনে ১৪৪ গ্ৰাম কৰিবলৈ লক্ষ্য স্থিৰ কৰা হয়।

১৯৮৩ চনৰ মাৰ্চ মাহলৈকে অপাৰেশ্যন ফ্লাড আঁচনিৰ জৰিয়তে ২৬ লক্ষ দুগ্ধ উৎপাদকক সামৰি ২৩,৪৯৬ খন প্ৰাথমিক সমবায় সমিতি গঠন কৰা হৈছে। নগৰৰ দুগ্ধ সংশোধনশালাসমূহৰ দুগ্ধ সংশোধন দিনে ৩১ লাখ লিটাৰলৈ বৃদ্ধি পাইছে। ১৯৭০ চনত এই পৰিমাণটো মাত্ৰ ১০ লাখ লিটাৰহে আছিল। আনহাতে গ্ৰামাঞ্চলত গঢ় লৈ উঠা সংশোধনশালাসমূহত দিনে ৭২ লাখ লিটাৰ (গড়ে) দুগ্ধ সংশোধন হৈছে। গুজৰাট, দিল্লী মহাৰাষ্ট্ৰ, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যৰ অসংখ্য ঠাইত দুগ্ধ শীতলীকৰণ কেন্দ্ৰ, বৃহৎ সংশোধনশালা, পশুৰ সুষম আহাৰ উৎপাদন কাৰখানা আদিয়ে গঢ় লৈ উঠিছে। আনকি এই কলকাৰখানা. কেন্দ্ৰ আদিক কেন্দ্ৰ কৰি একোখন গাঁৱলীয়া ঠাই উদ্যোগ নগৰীলৈ পৰিণত হৈছে। লাখ লাখ মানুহে কৰ্ম সংস্থান লাভ কৰিছে। ইয়াৰ লগতে এই দুগ্ধ উদ্যোগত প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী আৰু যন্ত্ৰপাতি আদি যোগান ধৰিবলৈ গঢ়ি উঠিছে অন্যান্য উদ্যোগবিলাক। মন কৰিবলগীয়া যে দুগ্ধ উদ্যোগত লগা বিভিন্ন অত্যাধুনিক যন্ত্ৰপাতি, কলকাৰখানা আদি যাতে দেশৰ ভিতৰতে উৎপাদিত হয় সেই কথালৈ লক্ষ্য ৰাখিও ইণ্ডিয়ান ডেয়াৰি কৰপৰেশ্যনে সহায় আগবঢ়ায়। এইবিলাকৰ উপৰিও উক্ত ৰাজ্যবিলাকৰ বহু গাঁৱত টেলিভিশ্যন, টেলিফোন আদি আধুনিক সা-সুবিধা সমৃদ্ধ প্ৰাথমিক দুগ্ধ সমিতিৰ কাৰ্যালয় গঢ়ি উঠিছে। দুগ্ধ উৎপাদক একোজনে প্ৰতিদিনে গাখীৰৰ উচিত মূল্য পোৱাৰ উপৰিও বছৰেকীয়া ব'নাছ হিচাপেই ১৬-৭ হাজাৰলৈকে (গড়ে) টকা পাব পাৰিছে। জনসমাজত সংহতি বৃদ্ধি পাইছে; সমজুৱাভাৱে বিভিন্ন জনহিতকৰ কাম সমাধা হৈছে। আনহাতে উৎপাদকসকলৰ অলপমানো পণ্য (দুগ্ধ) অথলে যাবলগীয়া হোৱা নাই। তেওঁলোক ব্যৱসায়িক মনোভাবাপন্ন হৈ উঠিছে। এইটো বৰ্তমান অসমৰ কৃষকসকলৰ বাবে অতি প্ৰয়োজনীয়।

অসমত এই অপাৰেশ্যন ফ্লাড আঁচনিৰ জৰিয়তে মাত্ৰ এটা দুগ্ধ সংঘ —"পশ্চিম অসম দুগ্ধ উৎপাদকৰ সমবায় সংঘ" গঢ়ি উঠে। ১৯৮২ চনত অবিভক্ত শিৱসাগৰ, অবিভক্ত দৰং আৰু ডিব্ৰুগড় জিলা সামৰি "পূব অসম দুগ্ধ উৎপাদকৰ সমবায় সংঘ" নামৰ অন্য এক দুগ্ধ সংঘও স্থাপিত হৈছে। এইটো সংঘ কিন্তু অপাৰেশ্যন ফ্লাডৰ অন্তৰ্গত নহয়। ইয়াৰ স্থাপনৰ বাবে মুঠ ৩·৬ কোটি টকাৰ শতকৰা ৫০ ভাগ বহন কৰিছে কেন্দ্ৰীয় চৰকাৰে আৰু ৫০ ভাগ বহন কৰিছে অসম চৰকাৰে।

অসমৰ উক্ত দুই দুগ্ধ সংঘৰ লাভলোকচানৰ খতিয়ান দিয়া এই প্ৰবন্ধৰ লক্ষ্য নহয়। দুগ্ধ সংঘ দুটাৰ খতিয়ানৰ ভিত্তিত, অন্য কৃষিজাত পণ্যৰ ক্ষেত্ৰত অসমত এই সমবায় ব্যৱস্থাৰ উপযোগিতা নিৰ্ণয় কৰিবলৈ যোৱাটোও যুক্তিসংগত নহ'ব বুলিয়েই ধাৰণা হয়। কাৰণ অসমত দুগ্ধৰ উৎপাদন তেনেই কম; ব্ৰহ্মপুত্ৰৰ মাজৰ কেইটামান চাপৰিৰ উৎপাদকৰ বাদে বাকী প্ৰায় সকলো অঞ্চলৰ দুগ্ধ উৎপাদকৰ বাবে গাখীৰ বেচাটো এক সমস্যা হৈ উঠা নাই; বহু ক্ষেত্ৰত নিজৰ ঘৰতে উৎপাদকসকলে গাখীৰৰ ভাল মূল্য (ৰাষ্ট্ৰীয় মূল্যতকৈ বেছি) পায়। তদুপৰি দুগ্ধ উৎপাদন বঢ়োৱাৰ প্ৰক্ৰিয়াটোও কম সময়ৰ ভিতৰতে কৰিব পৰা বিধৰ নহয়। বৰ্তমান অসমৰ কম উৎপাদনক্ষম গাই-ম'হবুপৰা অধিক উৎপাদনক্ষম বৰ্ণসংকৰ গাই-ম'হৰ জাত সৃষ্টি কৰি, দুগ্ধ উৎপাদন বৃদ্ধি কৰি, ব্যৱসায়ৰ দ্বাৰা দুগ্ধ সংঘই লাভ দেখুৱাবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হোৱাটোৱেই স্বাভাৱিক। সি যি কি নহওক, অসমৰ কেইবাটাও শস্যৰ ক্ষেত্ৰত এই আনন্দ আহিং সমবায় ব্যৱস্থা অতি ফলপ্ৰভূভাৱে প্ৰযোজ্য হোৱাৰ স্থল আছে বুলি ধাৰণা হয়। কেন্দ্ৰীয় চৰকাৰৰ অনুৰোধসাপেক্ষে ইণ্ডিয়ান ডেয়ৰি ডেভেলপমেণ্ট কৰপৰেশ্যন আৰু NDDB-এ পাছলৈ তৈলবীজ, ফলমূল আৰু শাক-পাচলিৰ ক্ষেত্ৰতো এই সমবায় ব্যৱস্থা প্ৰয়োগ কৰাৰ আঁচনি গ্ৰহণ কৰাৰ কথা ইতিমধ্যে উনুকিওৱা হৈছে। এই

উদ্দেশ্যে উক্ত প্ৰতিষ্ঠান দুটাৰ তত্ত্বাৱধানতে 'Restructuring Edible Oil and Oil Seeds Production and Marketing শীৰ্ষক এক পৰিকল্পনাও (project) লোৱা হৈছে। এই 'প্ৰজেক্ট' ৰূপায়ণৰ বাবে ইণ্ডিয়ান ডেয়ৰি কৰপৰেশ্যনে পৃথককৈ ১৫০ কোটি টকা ধাৰ্য কৰিছে আৰু ৬ খন ৰাজ্যত মুঠ ১৬ টা প্ৰজেক্ট আৰম্ভ কৰি ৩,৪৭,০০০ জন তৈলবীজ উৎপাদকক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। উক্ত ছখন ৰাজ্যৰ ভিতৰত কিন্তু অসম নাই। অথচ অসমত আনন্দ আহি সমবায় ব্যৱস্থাৰ দ্বাৰা সৰিয়হ উৎপাদকসকলক সামৰি লৈ সৰিয়হৰ উৎপাদন বৃদ্ধি কৰি জনসাধাৰণক বিশুদ্ধ মিঠাতেল যোগান ধৰাৰ আঁচনি লোৱাৰ শক্তিশালী যুক্তি আছে বুলি পাছত দিয়া তথ্যবিলাকৰ পৰাই বুজিব পাৰি।

খেতিৰ মাটিৰ পৰিমাণৰ ভিত্তিত অসমত ধানৰ পিছতেই সৰিয়হৰ স্থান। মুঠ ২,১০,০০০ হেক্টৰ মাটিত বছৰি অসমত ৪৫,৫৮৩ টন সৰিয়হ উৎপন্ন হয়। সুখৰ বিষয় যে অসমত সৰিয়হৰ হেক্টৰে প্ৰতি গড় উৎপাদন সৰ্বভাৰতীয় গড় উৎপাদনতকৈও বেছি। সৰ্বভাৰতীয় গড় উৎপাদন ৪১২ কি. গ্ৰা./হেক্টৰ আৰু অসমত গড় উৎপাদন ৪৫৫ কি. গ্ৰা./হেক্টৰ। সৰিয়হৰ দ্বাৰা অধিক মাটি সামৰি লৈ আৰু উন্নত কৃষি প্ৰণালীৰ ব্যৱহাৰ নিশ্চিত কৰি ইয়াৰ উৎপাদন বহু পৰিমাণে বৃদ্ধি কৰাৰ স্থলো আছে; কাৰণ অসমৰ প্ৰায় সকলো জিলাতে সৰিয়হৰ খেতি ভাল হয়। (তালিকা-১)

তালিকা-১

| জিলা | মাটি কালি (হেক্টৰ) | উৎপাদন (টন) | উৎপাদন/হেক্টৰ কি. গ্ৰা./হেক্টৰ |
|---|---|---|---|
| ১। গোৱালপাৰা | ৩২৪১০ | ১৩৫৫৯ | ৪১২ |
| ২। কামৰূপ | ৩২৯৮০ | ৯২০১ | ২৭৯ |
| ৩। দৰং (অবিভক্ত) | ১৬৭৪০ | ১১৭৬৯ | ৪৪০ |
| ৪। নগাঁও | ৩৪১০০ | ৯৪২৪ | ১৭৬ |
| ৫। শিৱসাগৰ (অবিভক্ত) | ২৩৩৭০ | ১৭৪৩৫ | ৭৪৬ |
| ৬। লক্ষীমপুৰ | ১৪৮২০ | ১৪১২৯ | ৫৬৯ |
| ৭। ডিব্ৰুগড় | ১৯৩১০ | ১০৭১৯ | ৫৫৫ |
| ৮। কাছাৰ | ১৮৮০ | ৮২৭ | ৪৪০ |
| ৯। কাৰবি আংলং | ১৩১২০ | ৭৮৪৬ | ৫৯৮ |
| ১০। উ. কা. পাৰ্বত্য জিলা | ১২৬০ | ৫৭৩ | ৪৫৫ |
| অসম | ২১০০০০ | ৪৫৫৮৩ | ৪৫৫ |

উৎস—Basic Agricultural Statistics, 1979-80, Directorate of Agriculture, Govt. of Assam.

অসমত সৰিয়হৰ মূল্যৰ বিষয়ে একে আষাৰেই কব পাৰি যে আমাৰ উৎপাদকসকলে উচিত মূল্য পোৱা নাই। ১৯৭৬ চনত মাজুলীত চলোৱা এক অনুসন্ধানে দেখুৱায় যে উৎপাদকে প্ৰতি কুইণ্টল সৰিয়হত পায় ১৮৯.৪৪ টকা (পোনপটীয়াকৈ মিলত দিলে ১৯৭ টকা) আৰু এক কুইণ্টল সৰিয়হৰ পৰা উৎপাদিত মিঠাতেলৰ মূল্য হ'ল ৭৫০ টকা। আলোচিত তথ্যসমূহৰ পৰাই অসমত আনন্দ আহিৰ সৰিয়হ উৎপাদকৰ সমবায় সংঘ গঢ়ি তোলাৰ আঁচনি ল'ব পৰা যায় বুলি ধাৰণা হয়।

এতিয়া আহোঁ সুমথিৰা টেঙাৰ কথালৈ। পশ্চিমবংগ চৰকাৰে নেশ্যনেল ডেয়ৰি ডেভেলপমেণ্ট বৰ্ডৰ সহযোগত ১৯৮২-৮৩ চনৰপৰা সুমথিৰা টেঙাৰ ক্ষেত্ৰত আনন্দ আহি সমবায় ব্যৱস্থা প্ৰবৰ্তন কৰিছে। অসমক বহুতো পণ্ডিতে সুমথিৰা জাতীয় টেঙাৰ উৎকৃষ্ট ঠাই বুলি কয়। ইয়াৰ কেইবাটাও অঞ্চল সুমথিৰা উৎপন্নৰ বাবে প্ৰতি উপযোগী। প্ৰতিজোপা গছৰ পৰা বছৰি গড়ে ৫০০-৬০০ টা সুমথিৰা পোৱা হয়। বৰ্তমান অসমত প্ৰায় ৫ হাজাৰ একৰ মাটিত সুমথিৰা খেতি কৰা হয়; ইয়াৰে প্ৰায় ৩,৭৫০ একৰ খেতি তিনিচুকীয়া মহকুমাত। এই মহকুমাত বছৰি প্ৰায় ২ কোটি সুমথিৰা উৎপন্ন হয় আৰু অসমৰ মুঠ চাহিদাৰ বেছি অংশ এইখিনি সুমথিৰাৰ দ্বাৰাই পূৰ্ণ হয়। কিন্তু ১৯৭৮ চনত এই মহকুমাত চলোৱা এক অনুসন্ধানে দেখুৱায় যে উৎপাদকে ভোক্তাজনৰ টকাৰ মাত্ৰ ২০.৪৩% হে পায়, বাকী ৭৯.৫৭% যায় মাজৰ ব্যৱসায়ীৰ হাতলৈ। সেয়ে অন্ততঃ তিনিচুকীয়া মহকুমাত (pilot project হিচাপেই হওক) আনন্দ আহিৰ সুমথিৰা উৎপাদকৰ সমবায় সংঘ এটা গঢ়ি তোলাটো এক ফলপ্ৰদ প্ৰচেষ্টা হ'ব।

এই প্ৰবন্ধত মাত্ৰ দুটা সম্ভাৱনীয়তাৰ বিষয়েহে আলোচনা কৰা হ'ল। উক্ত দুই শস্যৰ বাদেও মৰাপাট, কুঁহিয়াৰ, ঘেঁহু আদিৰ ক্ষেত্ৰতো এই সমবায় ব্যৱস্থাৰ সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। এটাতকৈ অধিক শস্যৰ যুটীয়া সমবায়ৰ কথাও চিন্তা কৰাৰ স্থল আছে; কাৰণ তেনে ব্যৱস্থাত যন্ত্ৰপাতি আৰু কৰ্মচাৰীৰ উপযুক্ত ব্যৱহাৰ হোৱাৰ সুবিধা আছে। তদুপৰি মনকৰিবলগীয়া যে অসমৰ খেতিয়কৰ তাকৰীয়া মাটি (তাকো একেলগে নথকা) আৰু অৰ্থনৈতিক শোচনীয়তাই কৃষিৰ উন্নতিত সৃষ্টি কৰা সমস্যা সমাধানৰ ক্ষেত্ৰত সমবায়ৰ সমান অন্য কোনো ব্যৱস্থাই উপযোগী নহয় বুলিয়েই বোধ হয়।



কলিকাতাৰ চিঠি

# দ্বিতীয় দৃষ্টিত কলিকাতা

ভাৰতবৰ্ষৰ দৰে বিচিত্ৰ মানচিত্ৰ এখনত (বিভিন্ন ঐতিহাসিক কাৰণত) কেন্দ্ৰীভূত শাসনৰ প্ৰবৰ্তন আৰু অনুন্নত যোগাযোগৰ মাধ্যমৰ ফলস্বৰূপে তুলনামূলকভাৱে অনগ্ৰসৰ অঞ্চলবিলাকে নতুন দিল্লীৰ দৃষ্টি আকৰ্ষণৰ নিমিত্তে সদায়ে নিকটবৰ্তী, উন্নত আৰু অগ্ৰসৰ কেন্দ্ৰবিন্দু একোটাৰ ওপৰত নিৰ্ভৰ কৰি আহিবলগীয়া হৈছে। পূৰ্বাঞ্চলৰ অন্য অঞ্চলতকৈ পশ্চিমীয়া সভ্যতাৰ পোহৰ বহু আগতীয়াকৈ পোৱা কলিকাতা চহৰখনেও গোটেই অঞ্চলটোৰ আৰু বিশেষকৈ তুলনামূলকভাৱে বহু উপেক্ষিত উত্তৰ-পূৰ্বাঞ্চলৰ নিমিত্তে সদায়ে ঠিক তেনেকুৱা এটা গুৰুত্বয়েই লাভ কৰি আহিছে। ব্যৱসায়-বাণিজ্যৰেপৰা আৰম্ভ কৰি প্ৰায় সকলোবোৰ দিশতে কলিকাতা চহৰখন এতিয়াও আনকি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ বাবে দুৱাৰমুখ হিচাপে স্বীকৃত। আমাৰ চৰকাৰী নেতাসকলেও সেই একে পৰম্পৰাতে গুৰুত্বপূৰ্ণ চৰকাৰী সিদ্ধান্তবোৰো কলিকাতাতহে ঘোষণা কৰাটো আজি কিছু দিন আগলৈকে পৰিলক্ষিত হৈ আহিছিল। অসমৰ বিভিন্ন ঘটনাৱলীৰ ক্ষেত্ৰতো কলিকাতাৰ প্ৰেছ আৰু ইয়াৰ নেতৃবৰ্গৰ প্ৰতিক্ৰিয়াই আমাৰ অৱচেতন মনত অধিক গুৰুত্ব লাভ কৰে;—কাৰণ অবাঞ্চিত হ'লেও আমিও কিন্তু সদায় কলিকাতা চহৰখনক অইনৰ বাবে অসমৰ দুৱাৰমুখ হিচাপেই স্বীকৃতি দি আহিছোঁ। গুৱাহাটী চহৰখনক সেই অনুপাতে গঢ় দিব নোৱৰাৰ বিফলতাও হয়তো ইয়াৰ এক অন্যতম কাৰণ। যি কি নহওক, বাহিৰৰ জগতখনৰ বাবে অসমৰ দুৱাৰমুখ হিচাপে যি দায়িত্ব, কলিকাতা চহৰখনে তাক কিন্তু বজায় ৰাখিবপৰা নাই অথবা, নিকটবৰ্তী অনগ্ৰসৰ অঞ্চল এটাৰ সৈতে মূলসুঁতিৰ যোগাযোগৰ মাধ্যম হিচাপে কলিকাতা চহৰখনে সদায়ে ঋণাত্মক ভূমিকা এটাহে গ্ৰহণ কৰি অহাটো ঐতিহাসিকভাৱে পৰিলক্ষিত হ'ল। বৃটিছ চৰকাৰৰ বিভাজনৰ আৰু শোষণ-নীতিৰ পৰম্পৰা তথা অসমীয়া-বাঙালীৰ ঐতিহাসিক মতানৈক্যয়ে হয়তো এই অনাকাংক্ষিত ভূমিকাৰ মূল কাৰণ। কলিকাতা চহৰখনে নতুনদিল্লী আৰু অসমৰ মাজত প্ৰাচীৰ ৰূপে থিয় দি সদায়ে অসমৰ সমস্যাবোৰক বাহিৰত বিকৃত ব্যাখ্যা দি অহা বুলি অনুভৱ কৰাৰ ফলতে প্ৰায় প্ৰতিজন অসমীয়া মানুহৰে অৱচেতন মনত চহৰখনৰ প্ৰতি কিবা এক বিৰূপভাৱ পৰিলক্ষিত হোৱা দেখা যায়। তাৰ ফলস্বৰূপে, আনকি বেজবৰুৱা যুগৰ স্মৃতিয়েও আমাৰ মনত কলিকাতাৰ প্ৰতি কোনো আবেগিক অনুকম্পা জগাই তুলিব নোৱাৰে। আৰু সেয়েহে হয়তো কলিকাতা চহৰৰ ভাল, প্ৰশংসনীয় দিশসমূহে কদাচিতহে আমাৰ দৃষ্টিত ধৰা দিয়ে। তেনেদৰে, প্ৰথম দৃষ্টিত কলিকাতাখন হয়তো মনোগ্ৰাহীও নহয়;— কেউপিনে ভয়ানক ভিৰ, ব্যস্ততা, কিবা যেন অৰাজকতা; চৌৰংগীৰ ভিৰৰ মাজত কংকালসদৃশ মানুহ কেইটাই টনা হাতবাগী কেইখন আৰু প্ৰসংশিত বংগীয় সাম্যবাদৰ সৈতে সামন্তবাদৰ কি যে এক সুন্দৰ সহাৱস্থানৰ নমুনা! চহৰলৈ সন্ধিয়া নমাৰ লগে লগে প্ৰাচীনতম জীৱিকাৰ পূৰ্ণ পয়োভৰৰ কদৰ্যতা, কথাই প্ৰতি ট্ৰাম-বাছত অগ্নি সংযোগ,— আৰু যে কত কি! অসমখনক বাহিৰত সদায়ে বিকৃতভাৱে ব্যাখ্যা দি অহা এইখন হুলস্থূলীয়া কলিকাতা আমাৰ বাবে কেৱল বাতৰি কাকত, হাওড়া আৰু চৌৰংগীৰ অসহ্যকৰ ভিৰ, প্ৰৱঞ্চকৰ উৎপাত, আৰু পাৰ্কষ্ট্ৰিটৰ ওচৰৰ অসম ভৱনতে সীমাবদ্ধ।

কিন্তু আৰু এখন কলিকাতা আছে; অসমৰ প্ৰতি সদায়ে ঋণাত্মক জনমত গঠন কৰি থকা বুলি চহৰখনৰ প্ৰতি আমাৰ যিমানেই বিতৃষ্ণা নাহক কিয়, এইখন কলিকাতা কিন্তু সঁচাকৈয়ে অনন্য, যাৰপৰা শিকিবলগীয়া, জানিবলগীয়া বহু কথা আছে; সেইখন হৈছে, সৰ্বসাধাৰণ ৰাইজৰ কলিকাতা। চৰম দৰিদ্ৰতা, নিবনুৱা সমস্যা আৰু অন্যান্য অনেক সমস্যাত জৰ্জৰিত কলিকাতাৰ সৰ্বসাধাৰণ ৰাইজে সংগ্ৰামৰ মাজেৰে জীৱনটোক উপলব্ধি কৰি কলা-সংস্কৃতি, শিক্ষা-দীক্ষা সকলো দিশতে চহৰখনক এনে এটা প্ৰাণ দিছে, যিটো স্পন্দন দিল্লী বা বোম্বাই কোনো মহানগৰতে উপলব্ধি কৰিব নোৱাৰি। ব্যক্তিগত জীৱনৰ উপৰিও সমূহীয়া জীৱনৰো প্ৰতিটো ক্ষেত্ৰতে কলিকাতাৰ প্ৰত্যেকজন মানুহৰ যি তীব্ৰ সচেতনতা-বোধ, সেইয়া সঁচাকৈয়ে প্ৰায় গোটেই ভাৰতবৰ্ষতে বিৰল। ইয়েই কলিকতাখনক এক অনন্য ৰূপ দিছে। আৰু তাতোকৈ ডাঙৰ কথা, বৈপ্লৱিক চিন্তাধাৰা বা কলা-সাহিত্যৰ যিকোনো ক্ষেত্ৰতে কলিকাতাৰ ঐতিহাসিক পৰম্পৰা সদায়ে অটুট আছে; অইন ঠাইৰ দৰে এই চিন্তা-চৰ্চাৰ বিষয়বোৰ কেৱল বিশেষ কোনো গোটৰ মাজতে আবদ্ধ থকা নাই; সেইবোৰত সৰ্বসাধাৰণৰ ব্যাপক অংশ গ্ৰহণেই হয়তো কলিকাতাৰ সাংস্কৃতিক পৰিৱেশটো অধিক বাস্তৱ আৰু জীৱন্ত কৰি তুলিছে। অসমত সৰ্বসাধাৰণ ৰাইজৰ মাজত কলা-সংস্কৃতিৰ চৰ্চা সন্তোষজনক আকাৰত নোহোৱা বাবেই জনতাৰ মাজৰপৰা শিল্পী জন্ম দিয়া প্ৰক্ৰিয়াটো আজিও সম্ভৱপৰ হৈ উঠিল আৰু সেয়েহে সাহিত্য-সংস্কৃতি সকলো ক্ষেত্ৰতে একো একোটা সময়ত আমি এক বিৰাট শূন্যতাৰ সম্মুখীন হওঁ। যোৱা ছটাকৈ বছৰ ধৰি হোৱা অভূতপূৰ্ব গণ আন্দোলনটোৰ পাছতো আনকি আজি আমি সাহিত্য-সংস্কৃতি বা সাংবাদিকতা সকলো ক্ষেত্ৰতে পুৰণি চামটো শেষ হৈ যোৱাৰ পাছত কি— এই কথাটো ভাবিবলৈকো ভয় লগা অৱস্থা। কলিকাতাত কিন্তু সেই সমস্যা কাহানিও হোৱা নাই, বা হয়তো নহ'বও।— ৰবিশংকৰ, সত্যজিত



OKDISCD

ৰায়ৰ যুগ শেষ নৌ হওতেই অপর্ণা সেন, গোতম ঘোষ, প্ৰীতিশ নন্দীৰ চাম ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ ওলাই আহিছে। কলিকাতাৰ মানুহখিনিয়ে অতীতৰ গৌৰৱকে লৈ ব্যস্ত থাকে বুলি সাধাৰণতে আমি কওঁ যদিও বৰ্তমানৰ ক্ষেত্ৰতো কিন্তু ভাৰতবৰ্ষৰ অন্যান্য সাংস্কৃতিক কেন্দ্ৰ বিন্দুতকৈ কলিকাতাই নিঃসন্দেহে শ্ৰেষ্ঠত্ব দাবী কৰিব পাৰে। আৰু এই ধাৰাবাহিকতা ৰক্ষাৰ মূলতেই আমি ইয়াৰ সৰ্বসাধাৰণ ৰাইজৰ সচেতনতাবোধ বা ভাল বস্তুৰ প্ৰতি সমাদৰৰ মনোভংগীৰ ক্ষেত্ৰত সূক্ষ্মতাৰ কথা উল্লেখ কৰিব লাগিব। স্থানীয় 'পাড়া'ৰ ফুটবল খেলখনো তেওঁলোকে মোহনবাগান-ইষ্টবেংগলৰ খেলহেন জ্ঞান কৰি যিদৰে খুটিয়াই খুটিয়াই চায়, বা বিজ্ঞানৰপৰা আৰম্ভ কৰি কলা-সাহিত্যৰ চৰ্চালৈকে সকলো ক্ষেত্ৰতে একেবাৰে নিম্ন স্তৰৰপৰাই আলোচনা-সমালোচনাৰ মাজেদি উঠি অহা প্ৰতিভাবিলাকক যিদৰে অনুপ্ৰাণিত কৰে, সেইয়া সঁচাকৈয়ে প্ৰশংসনীয়। প্ৰবল জনসংখ্যাৰ হেঁচাৰ মাজতো কলিকাতাৰ প্ৰত্যেক চুবুৰীতে এখনকৈ অন্ততঃ খেলপথাৰ দেখিবলৈ পোৱা যাবই— আমাৰ অসমৰ চহৰ কেইখনত অথচ বিকাশৰ আৰম্ভণি পৰ্যায়তো আমি সৰু-সৰু ল'ৰা-ছোৱালীৰ বাবে উদ্যান কেইখনমান সংৰক্ষণ কৰিব নোৱাৰিলো। ক্ৰমান্বয়ে বৃদ্ধি পাই অহা জনসংখ্যাই সৃষ্টি কৰা আবাসস্থলীৰ সমস্যাৰ ফলস্বৰূপে নিম্ন মধ্যবিত্ত পৰিয়ালৰ ডেকা ল'ৰাবিলাকে সাধাৰণতে খোৱাৰ সময় আৰু ৰাতি শুবৰ নিমিত্তেহে ঘৰলৈ যোৱাটো অনেকৰ ক্ষেত্ৰত আমি লক্ষ্য কৰিছোঁ। নিবনুৱা সমস্যাৰে জৰ্জৰিত ডেকা চামটোৱে সমস্যাবোৰ পাহৰি থাকি ৰাতি শুবলৈ যোৱাৰ সময়লৈকে গধুলিটো কটাবৰ নিমিত্তে পাড়াই পাড়াই ক্লাবঘৰ খুলি লৈছে; ক্লাবঘৰৰ মজিয়াৰ আলোচনাৰ মাজেদিয়ে নতুন নতুন চিন্তাৰ আদান-প্ৰদান হৈছে, সমস্যা জৰ্জৰিত বাস্তৱ জীৱনৰ চিত্ৰ ফুটি উঠা নাটক হৈছে আৰু নিম্ন স্তৰৰ সেই প্ৰচেষ্টাবোৰৰ মাজেদিয়ে সম্ভাৱনাপূৰ্ণ প্ৰতিভাবোৰ পৰ্যায়ক্ৰমে ওপৰলৈ উঠি আহিছে। অসমত কিন্তু ঠায়ে ঠায়ে ক'ৰবাত তেনেকুৱা প্ৰতিক্ৰিয়া এটা আৰম্ভ হ'লেও হঠাৎ কোনোবা এটা স্তৰত গৈ গোটেই প্ৰক্ৰিয়াটোৱেই একেবাৰে চিন-মোকাম নোহোৱাকৈ নাইকিয়া হৈ গৈছে। ৰাইজৰপৰা উপযুক্ত সহাঁৰিৰ অভাৱতে আমাৰ বহু সম্ভাৱনাপূৰ্ণ প্ৰতিভা অকালতে মৰহি গৈছে, উপযুক্ত কোনো মাধ্যম নথকাত একেবাৰে সতেজ মস্তিষ্কবোৰ বজৰুৱা চিন্তাচৰ্চাত অপব্যৱহৃত হৈছে। কলিকাতাৰ কলেজ ষ্ট্ৰিটৰ কফি হাউছবোৰত বহা ডেকা ল'ৰাৰ আড্ডাবোৰত হিন্দী চলচ্চিত্ৰৰ নায়িকাৰ শাৰীৰিক সম্পদ ৰাজিৰ আলোচনাই কদাচিতহে ঠাই পায়। আমাৰ অসমত সকলো ঠাইতে চাৰিআলিৰ দাঁতিয়ে দাঁতিয়ে বজৰুৱা লাগ বান্ধ নোহোৱা কথাৰ আড্ডা দি সময় নষ্ট কৰা বয়সৰ ল'ৰাবিলাকে ইয়াত ৰাজনীতি কৰে; এইটো কেতিয়াবা আমাৰো ভাব হয় যে ৰাজনীতিৰ ক্ষেত্ৰত কলিকাতাৰ ডেকা চাম অনেক ক্ষেত্ৰতে বিপথে পৰিচালিত বা অপব্যৱহৃত, কিন্তু এই ক্ষেত্ৰত তেওঁলোকৰ যি একাগ্ৰতা, সি সঁচাকৈয়ে প্ৰশংসনীয়। অৱশ্যে, জীৱনটোৰ সৈতে যুঁজি ভাগৰি পৰি বাস্তৱৰপৰা আঁতৰি থাকিব খোজা পলায়নবাদী মনোভাবৰ নতুন চাম এটায়ো কলিকাতাত লাহে লাহে গা কৰি উঠিছে;— ডেকা চামৰ মাজত বিভিন্ন ৰাগীয়াল দ্ৰব্য সেৱনৰ মাত্ৰা দিনক দিনে ইয়াত বাঢ়ি গৈছে। কিন্তু, মন কৰিবলগীয়া কথা এয়ে যে উঠি অহা চামৰ এটা অংশৰ এই বিভ্ৰান্তি বা পলায়নবাদী মনোভাবৰ বিৰুদ্ধে কিন্তু প্ৰতিবাদ আহিছে নিজৰ মাজৰপৰাই; কলেজ ষ্ট্ৰিটৰ কফি হাউছত ডেকা ল'ৰাবোৰে এতিয়া কমিটি গঠন কৰি দি নিজেই পহৰা দিয়ে, যাতে ল'ৰা-ছোৱালী মিলিত হোৱা ঠাইবোৰত কোনো ৰাগীয়াল দ্ৰব্য সেৱনৰ আড্ডা বহিব নোৱাৰে। আমাৰ অসমৰ বিভিন্ন শিক্ষানুষ্ঠানবোৰত কিন্তু আজি কেইবছৰমানৰ ভিতৰতে ৰাগীয়াল দ্ৰব্য সেৱনৰ মাত্ৰা ভয়াবহ গতিত বৃদ্ধি পোৱা সত্ত্বেও তাৰ বিৰুদ্ধে উঠি অহা চামে নিজে সংঘবদ্ধ হৈ মাত মতাটোতো দূৰৈৰ কথা, অভিজ্ঞ বয়োবৃদ্ধ চামটোৱেও নতুন চাম পুৰুষ এনেদৰে পংগু হৈ যাব ধৰা প্ৰক্ৰিয়াটোক নিৰৱে সহ্য কৰি আছে।

বাঙালী মানুহৰ বাতৰিকাকত, বাহিৰা আলোচনী বা কিতাপ-পত্ৰ পঢ়াৰ প্ৰতি যি ধাউতি, সেইয়া সঁচাকৈয়ে যিকোনো জাতিৰ বাবেই অনুকৰণীয়। কোনোমতে জোৰা-তাপলি মাৰি চলা বাঙালী পৰিয়ালটোৱেও নিতৌ বাতৰি কাকতখন বা মাহেকত তিনি চাৰিখন আলোচনী কিনি পঢ়ে। কলিকাতাৰ সকলো ঠাইতে বাটৰ দাঁতিত বিভিন্ন সমাজসেৱী অনুষ্ঠান বা স্থানীয় ক্লাবৰ তৰফৰপৰা প্ৰাচীৰ পত্ৰিকাৰ নিচিনাকৈ দৈনিক বাতৰি কাকতবোৰ নিতৌ আঠা মাৰি থোৱা দেখিবলৈ পোৱা যায়;— বাতৰি কাকত কিনি পঢ়িব নোৱাৰাসকলে তাত জুম বান্ধি বাতৰিকাকত পঢ়ে, ঠিক আমাৰ ডেকাহঁতৰ কিছুমানে জুম বান্ধি অধীৰ আগ্ৰহেৰে সস্তীয়া আলোচনী পঢ়াৰ নিচিনাকৈ। বাটৰ কাষৰ আলোচনী বেচা হকাৰ কিছুমানে আকৌ আলোচনী ঘণ্টাৰ হিচাপত ভাৰালৈ দিয়ে;— আলোচনী কিনিবলৈ সামৰ্থ্য নথকাসকলে তাতে থিয় হৈ ভাৰাত আলোচনী পঢ়ে। সৰ্বসাধাৰণ ৰাইজৰ পঢ়াৰ প্ৰতি এই ধাউতি আৰু কিতাপ-পত্ৰ কিনাৰ অভ্যাসটোৰ নিমিত্তেই বাঙালী লেখকে কেৱল লিখা-মেলা কৰিয়েই জীৱিকা নিৰ্বাহ কৰাৰ কথা অনায়াসে ভাবিব পাৰে; উঠি অহা ডেকা ল'ৰা-ছোৱালী কোনোবাই লিখা-মেলাক 'কেৰিয়াৰ' হিচাপে লোৱাৰ সাহস কৰিব পাৰে। আমাৰ অসমত কিন্তু জনসংখ্যা অনুপাতে অসমীয়া কিতাপ-পত্ৰ, আলোচনীৰ গ্ৰাহকৰ সমাজ এখন আজিকোপতি গঢ়ি নুঠাৰ ফলত প্ৰতিযোগিতা পাতি নতুন লেখক বিচাৰ-খোচাৰ কৰি উলিওৱা প্ৰক্ৰিয়াটোতে আমি সন্তুষ্ট থাকিবলগীয়া হৈছে: উপযুক্ত সম্ভাৱনাপূৰ্ণ প্ৰতিভাকো আনকি সাহিত্য চৰ্চাকে জীৱিকা হিচাপে ল'বলৈ অনুপ্ৰাণিত কৰিব পৰা নাই, আৰু এনেকৈয়ে চকুৰ আগতে অনেক প্ৰতিভাৰ অপচয় আমি নিৰৱে গ্ৰহণ কৰি আছো।

কলিকাতাৰ সাধাৰণ মানুহখিনিৰো দেশ-বিদেশৰ বিভিন্ন সাম্প্ৰতিক ঘটনাৱলীৰ প্ৰতি তীব্ৰ সজাগতা বা সচেতনতাবোধকলৈ আমি বাহিৰৰপৰা অহাখিনিয়ে কেতিয়াবা কৌতুকো কৰোঁ, আৰু কেতিয়াবা মুগ্ধও হওঁ। ডেলহাউছিৰ কোনোবা এটা সৰু কোম্পানিৰ কৰ্মচাৰীসকলে কিবা দাবীৰ বাবে কৰা ধৰ্মঘটত তেওঁলোকৰ মাজৰে নেতাই বক্তৃতা দি থাকোঁতে তাত কেতিয়াবা গৈ মাৰ্কিন সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সমালোচনাইহে অধিক ঠাই পায়গৈ; ৰুছ সাম্ৰাজ্যবাদ আৰু মাৰ্কিন সাম্ৰাজ্যবাদৰ তুলনামূলক সমালোচনা কৰোঁতে নিজৰ মাজতে কথা কথাকটি আৰম্ভ হয়। এওঁলোকৰ সচেতনতাবোধ সন্দৰ্ভত আমাৰ সহকৰ্মী এজনে ভাল উদাহৰণ এটা দিছিল: ৰাতিপুৱা খৰখেদাকৈ অফিছলৈ যোৱাৰ সময়ত কেতিয়াবা ঘৰত বাতৰি কাকতখন চোৱাৰ সময় উলিয়াব নোৱাৰিলে তেওঁ বাছত যোৱা সময়খিনিত কাণ থিয় কৰি যায়; —ওচৰত বহি যোৱা মানুহখিনিৰ আলোচনাৰ মাজতে তেওঁ সেইদিনাৰ বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাৰপৰা খেলাৰ পৃষ্ঠালৈকে আটাইখিনি বাতৰি পোৱাৰ উপৰিও সেইবোৰৰ বিষয়ে ভিন্ন দৃষ্টিকোণৰ পৰা পৰ্যালোচনা আৰু 'বিশেষজ্ঞৰ মতামত' শুনাৰো হেনো সুবিধা পায়। কলিকাতাৰ প্ৰত্যেক অঞ্চলতে সুসংগঠিত নাগৰিক অধিকাৰ কমিটি কিছুমান আছে আৰু তাৰ মাজেদিয়ে তেওঁলোকে নিজ নিজ অঞ্চলৰ অভাৱ-অভিযোগবোৰ কৰ্তৃপক্ষৰ অৱগত কৰোৱাৰ লগতে নিজৰ অঞ্চলত সফলতাৰে গ্ৰাহক আন্দোলন গঢ়ি তুলিছে। স্থানীয় বজাৰখনত কিবা এবিধ সামগ্ৰীৰ দৰ পাঁচ পইচা বৃদ্ধি পালেও তেওঁলোকে তাৰ যুক্তিযুক্ততা সম্বন্ধে বেপাৰীৰপৰা কৈফিয়ৎ বিচাৰিব, প্ৰয়োজন হ'লে আন্দোলন কৰিব (কেতিয়াবা অৱশ্যে স্থানীয় বজাৰখনত মাছৰ দৰ বৃদ্ধি হোৱাটোতো তেওঁলোকে মাৰ্কিন সাম্ৰাজ্যবাদৰ অদৃশ্য হাত আবিষ্কাৰ কৰি উলিয়ায়গৈ।)

অসমৰ কোনো ঠাইতে আজিলৈকে সুস্থ গ্ৰাহক আন্দোলন এটা গঢ়ি তুলিব নোৱাৰাটো সৰ্বসাধাৰণৰ চিন্তা কৰা সকলৰ বাবে এক চৰম বিফলতা বুলিয়েই ক'ব লাগিব। স্থানীয় পৰ্যায়ত গ্ৰাহক আন্দোলন এটা গঢ়ি তুলিবলৈ হ'লে বৰ বিশেষ ধৰণেৰে যে ৰাজনৈতিকভাৱে জড়িত হৈ পৰিব লাগিব সেইটোতো নহয়; স্থানীয় সচেতন ব্যক্তি কেইজনে লগলাগি অনানুষ্ঠানিকভাৱে সংগঠিত হৈও অনায়াসে নিজ অঞ্চলৰ ব্যৱসায়ী কেইজনৰ একচেতিয়া আৰু যথেমধে লোৱা সিদ্ধান্তবোৰৰ সফলতাৰে বিৰোধিতা কৰিব পাৰে। কিন্তু, সামাজিক সচেতনতাবোধ নথকা আমাৰ 'সচেতন' মানুহখিনিয়ে সেইখিনিকে কৰিবলৈ টান পায়।

কলিকাতাৰ নতুন পুৰুষ চামৰ মনোবৃত্তিত কিছুমান বিসংগতিও কিন্তু আমাৰ চকুত পৰিছে। ভাৰতবৰ্ষৰ অইন ঠাইৰ তুলনাত ইয়াৰ প্ৰায় প্ৰতিগৰাকী ডেকা-গাভৰুৱেই ছাত্ৰাৱস্থাত যথেষ্টভাৱে বৈপ্লৱিক চিন্তাধাৰাৰে অনুপ্ৰাণিত যদিও, শিক্ষাকাল সাং কৰাৰ লগে লগে পঢ়াশুনাত ভাল অংশটোৰ প্ৰায়ভাগেই পোনছাটেই ব্যক্তিগত খুণ্ডৰ মনোগ্ৰাহী পদবীবোৰলৈ ঢাপলি মেলে আৰু ব্যক্তিগত খুণ্ডৰ গ্ৰাসত পৰি এই প্ৰগতিশীল মনবোৰেই এদিন গৈ ধনতান্ত্ৰিক প্ৰক্ৰিয়াটোৰ সুবাহক হৈ পৰে। সেয়েহে হয়তো বিপ্লৱৰ চহৰ কলিকাতাতো আমি ধনতান্ত্ৰিক আৰু সমাজবাদী প্ৰক্ৰিয়া দুটাৰ মাজত সহাৱস্থানৰ প্ৰবৃত্তি এটা দেখিবলৈ পাওঁ। তেনেদৰে, সংস্থান এটা যোগাৰ কৰিব নোৱাৰালৈকে নিবনুৱা বাঙালী যুৱক এজন যিমান সমাজ সচেতন বা দেশৰ প্ৰতি তেওঁ দায়বদ্ধতা যিমান উপলব্ধি কৰে, এবাৰ সংস্থাপিত হোৱাৰ পাছতে তেওঁলোকে সেইবোৰ পাহৰি যোৱাৰ মনোবৃত্তি এটা পৰিলক্ষিত হয়। চৰকাৰী কাৰ্যালয়বোৰত কাম-কাজ খুব কম হয়, ইউনিয়নৰ কাম-কাজবোৰে উৎপাদন বঢ়াওক চাৰি তাৰ গতি মন্থৰ কৰা যেনহে লাগে; —এবাৰ সংস্থাপিত হৈ লোৱাৰ পাছত সকলোৱে নিজৰ অধিকাৰৰ প্ৰতিহে অধিক সচেতন হৈ পৰে, দায়িত্বৰ প্ৰতি যেন নহয়। কলিকাতাৰ দৰে বিপ্লৱৰ চহৰ এখনত এনে মনোবৃত্তিয়ে গা কৰি উঠাটো কেতিয়াও নিশ্চয় উচিত নাছিল।

আধুনিকীকৰণ বা মহানগৰীৰ ব্যস্ততা বৃদ্ধি পোৱাৰ লগে লগে মানুহৰ জীৱনবোৰ যেন যান্ত্ৰিক হৈ পৰা বুলি দিল্লী বা বোম্বাইত যিটো অনুভৱ কৰা যায়, কলিকাতাৰ জীৱনযাত্ৰাত কিন্তু কেতিয়াও সেই ভাবটো অনুভূত নহয়। মহানগৰীৰ ব্যস্ততাৰ মাজতো মানুহবোৰ যথেষ্ট সহানুভূতিশীল যেন লাগে আৰু বাটে-পথে বিপদত পৰা অচিনাকি মানুহ এজন কদাচিতহে উপেক্ষিত হোৱা দেখা যায়। বাটে ঘাটে ছোৱালী জোকোৱা আৰু পীড়ন (molestation) জাতীয় ব্যভিচাৰৰ উদাহৰণো কলিকতাত বৰ কম। বাঙালী সমাজৰ ৰক্ষণশীলতা আৰু সৰ্বসাধাৰণ মানুহখিনিৰ সমাজ-সচেতনতাবোধৰ নিমিত্তেই কলিকতাত এওঁলোকে আজিও মহানগৰীকৰণ আৰু যান্ত্ৰিকীকৰণৰ এই তথাকথিত অৱশ্যম্ভাৱী বিপত্তিবোৰ (necessary evils) আঁতৰাই ৰাখিব পাৰিছে। আনহাতে, গুৱাহাটীত আমি দিল্লী বা বোম্বাইক অনুকৰণ কৰি আৰ্থ-সামাজিক বিবৰ্তন প্ৰক্ৰিয়াটোত সেইবোৰ স্তৰ নৌপাওঁতেই উধৰ্বতলীয় পৰ্যায়তে সেই সামাজিক ব্যভিচাৰবোৰ আৰম্ভ কৰি দিছোঁ।

শুদূৰ আমেৰিকা বা ইউৰোপৰ জীৱনযাত্ৰাৰ সপোন যেন লগ আচাৰ ব্যৱহাৰবোৰ অতি আকৰ্ষণীয় হ'লেও সেইবোৰ আমাৰ জীৱনযাত্ৰালৈ আমদানি কৰাত অনেক অসুবিধা থাকে: —কাৰণ, সেইবোৰ অঞ্চলৰ ভৌগোলিক পৰিবেশ বা সাংস্কৃতিক ধাৰাই আমাৰপৰা সম্পূৰ্ণ পৃথক। কিন্তু, নিচেই ওচৰৰ সদায়ে দেখি অহা প্ৰায় একে পৰিবেশৰে কলিকতা চহৰখনৰপৰা আমি শিকিবপৰা অনেক কথা আছে; —মাত্ৰ অভাৱ হৈছে আমাৰ অইনৰ বেয়া দোষবোৰ খুচৰি নাথাকি ভাল গুণবোৰ আয়ত্ত কৰিবপৰা মনোবৃত্তিৰ। চহৰখনৰ প্ৰতি সদায়ে আমাৰ প্ৰায় প্ৰতিজন অসমীয়া মানুহৰে এক বিতৃষ্ণাৰ ভাব: —অথচ, অসমীয়া চলচিত্ৰ জগতৰপৰা আৰম্ভ কৰি গীত-মাতলৈকে সকলো দিশতে আধুনিকীকৰণৰ নিমিত্তে আমি কলিকতাৰ ওপৰতে নিৰ্ভৰশীল। কলিকতাৰ যি-সকল স্বাৰ্থম্বেষী ৰাজনৈতিক নেতাৰ অসমৰ বিষয়ে চলোৱা অপপ্ৰচাৰত আমি বিতুষ্ট, অইন দিশত তেওঁলোকৰ ৰাজনৈতিক ভণ্ডামিৰ কথা ইয়াৰ সৰ্বসাধাৰণৰ মাজতো কিন্তু সমালোচিত হয়। অসমৰ ঘটনাৱলীবোৰৰ ওপৰত ইয়াত চলা ৰাজনৈতিক অপপ্ৰচাৰবোৰৰ বিপৰীতে আমাৰ কোনোবাই কলিকতাৰ সৰ্বসাধাৰণৰ মাজত অসমৰ প্ৰকৃত চিত্ৰখন দাঙি ধৰিব পৰাহেঁতেন হয়তো কলিকতাৰ অসমৰ প্ৰতি এই দীৰ্ঘদিনীয়া ঋণাত্মক ভূমিকাৰো অন্ত পৰিলহেঁতেন আৰু সিয়েই আওপাকে অসমত অসমীয়া বাঙালীৰ মাজত চলি অহা ভুল বুজাবুজিবোৰো আঁতৰ কৰিলেহেঁতেন।

পৰাগ কুমাৰ দাস


অসমীয়া সাহিত্যলৈ
আমাৰ সশ্ৰদ্ধ নিবেদন :


ডঃ হীৰেণ গোহাঁইৰ—
উপন্যাসৰ আধুনিক
সমালোচনা— ৬ টকা

নৰকান্ত বৰুৱাৰ—
ককাইদেউতাৰ হাড়—১২ টকা
কপিলীপৰীয়া সাধু—১২ টকা
হে অৰণ্য হে মহানগৰ—
৫·৫০ টকা

হেমবৰুৱাৰ—
ৰঙা কৰবীৰ ফুল— ১২ টকা
কন্নকী— ১০ টকা
বহাগতে পাতি যাওঁ বিয়া—
২৫ টকা
The Red River and the
Blue Hill— Rs. 40/-

ভবেন্দ্ৰ নাথ শইকীয়াৰ—
অন্তৰীপ— ৩৫ টকা

এলবিএছ পাব্লিকেশ্যন
জি, এন, বৰদলৈ ৰ'ড
আমবাৰী : গুৱাহাটী-১






# ৺বিহুৰ পবিত্ৰ স্মৃতিত

ডাঃ বিকাশ বৰুৱা

অসমৰ ঘাই ঘাই জাতীয় উৎসৱবিলাকৰ ভিতৰত দুৰ্গাপূজা, মেট্ৰিক, বানপানী, মাৰ্চ-এন্‌ডিং, লক্ষ্মী-সৰস্বতী আৰু বিশ্বকৰ্মা পূজা, বৰদলৈ ট্ৰফি, শিৱৰাত্ৰি আৰু সাহিত্যসভাৰ পাছতেই বিহুৰ স্থান। অসমীয়া ৰাইজৰ ৩৬৫টাই আনন্দমুখৰ দিনৰ ভালেকেইটা এই বিহুৱেও অকুপাই কৰি থৈছে।

মাদ্ৰাজত হুবাৰ বাৰিষা অহাদি অসমলৈ তিনিবাৰ বিহু আহে। এটা মিড্‌ জানুৱাৰীত অৰ্থাৎ নিউ ইয়েৰছ ডে'ৰ পোন্ধৰ দিনমান পাছতে; ইটো এপ্ৰিলত; আৰু তিনিনম্বৰটো··· ছবি, সেইটো কেতিয়া আহে, অলপ পাহৰিছোঁ। সি বৰ চুপচাপ আহে আৰু গুচি যায়।

ইয়াৰ ভিতৰত এপ্ৰিলৰ বিহুটোৱেই মেইন। পিছে জানুৱাৰীৰটোও কম নজমে! সেইটোত মস্ত খানা হয়। মদ-মাংস চলে। মেজি জ্বলাব লাগে। ৰাতি ঘৰে-ঘৰে গৈ বস্তু চুৰ কৰিব লাগে···মুঠতে ভাল জমি থাকে। আনিব নোৱাৰাখিনি খান্দি-উঘালি খান্তাং কৰি থৈ আহিব লাগে। পাছদিনা গৃহস্থৰ ৰং চাব লাগে। ভালকৈ খোৱা-বোৱাৰ অন্তত পাছৰ এটা সপ্তাহ এণ্টেৰ'কুইনলৰ সতে সহবাস কৰিব লাগে। ইত্যাদি।

এপ্ৰিলৰ বিহুটো সাংস্কৃতিক দিশৰপৰা আছামিজ লাইফত এটা বৰ ছিগনিফিকেণ্ট বস্তু। গতিকে ভৱিষ্যতৰ বাবে এক বিস্তৃত আঁচনি হাতত লোৱা হৈছে যাতে বিহুটো গজিয়াছালি পাতিব পৰা হয়।

প্ৰথম আৰু প্ৰধান কথা,—বিহুটোক বিহু হিচাপে নাপাতি 'বিহু-সোঁৱৰণী সপ্তাহ' বুলিহে পতা হ'ব। অতীজতে অসম দেশত বিহু নামৰ যিটো পদাৰ্থ পোৱা গৈছিল, তাৰেই স্মৃতিত এই 'সপ্তাহ' পালন কৰা হ'ব। মন্ত্ৰী-বিধায়ক মৰিলে লোকসভা, বিধানসভাই সোঁৱৰে। সাধাৰণ মানুহ মৰিলে নশ্বৰ দেহ বা বিগত আত্মাৰ সদগতি কামনা কৰি পুত্ৰ-পৰিয়ালে বছৰি শ্ৰাদ্ধাদি সম্পন্ন কৰে। কবি-সাহিত্যিক-গণে ইহলীলা সামৰাৰ পাছত সাহিত্য সভা আদিয়ে মৃত্যু-দিবস, জন্ম শতবাৰ্ষিকী অনুষ্ঠিত কৰে; মৃতকৰ স্মৃতিগ্ৰন্থ প্ৰকাশ কৰে; আলোচনা-চক্ৰ বা ছেমিনাৰ পাতি গুচি যোৱা গৰাকীৰ গুণগৰিমাদি চৰ্চা কৰে; শোভাযাত্ৰা উলিয়ায়, মুকলি অধিবেশনত বক্তাসকলে দুআষাৰ কয়, সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত কৰে। বহু ভাগ্যবান, ভাগ্যৱতীয়ে মৰণোত্তৰভাৱেও বহু বছৰলৈকে ডিগ্ৰি-ডক্টৰেট-পুৰস্কাৰ-সন্মানাদি পাই থাকে! উল্লেখ নিষ্প্ৰয়োজন যে ঠিক এই ধৰণৰ 'আইডিয়া'বিলাকেই 'বিহু সোঁৱৰণী সপ্তাহ' উদযাপনতো প্ৰযোজ্য হ'ব।

বিহুবৰীয়া এক্টিভিটিজ মাৰ্চৰ প্ৰথম ভাগৰপৰাই আৰম্ভ হৈ যাব। প্ৰথমে ঘৰুৱা পৰ্যায়ত, চাহৰ দোকানত অফিছত, ফুটপাথত আলোচনাবিলাক হ'ব। তাৰ পাছত ৰাজহুৱা সভা, কাৰ্যকৰী কমিটিৰ সভা আদি অনুষ্ঠিত হ'ব। প্ৰতিখন সভাতে দুই এঘণ্টাকৈ সৰু-সুৰা মল্লযুদ্ধ লাগিব আৰু বিজয়ীসকলকেই সভাপতি, সম্পাদক, কোষাধ্যক্ষ নিৰ্বাচিত কৰা হ'ব। প্ৰস্তাৱাদি গ্ৰহণ কৰা হ'ব। বিহুৰ তাৰিখ, নিৰ্দিষ্ট বক্তা, মুখ্য আলোচক, স্মৃতিগ্ৰন্থৰ উন্মোচক, সাংস্কৃতিক সন্ধিয়াৰ উদ্বোধক, বিশিষ্ট অতিথি, বাহিৰৰ শিল্পী আদি ঠিক কৰা হ'ব। সেইমতে সকলোৱে কামত আগবাঢ়িব।

উল্লেখযোগ্য যে শতকৰা ৭০/৮০ জনৰ তীব্ৰ আপত্তি থাকিলেও যি-কোনো প্ৰস্তাৱ 'সৰ্বসন্মতিক্ৰমেই' গৃহীত হ'ব।

মঞ্চ, পেণ্ডেল, বাঁহ, টিনপাত, ট্ৰিপাল, মাইক, লাইট, অতিথি শিল্পীৰ মাননী-অহা-যোৱাৰ খৰচ, গাড়ীৰ তেল, চাহ-তামোল বিড়ি ছিগাৰেট, কানি-ভাং, গামোছা, জাপি পতাকা আদি সকলো লৈ একোখন বিহু সম্মিলনৰ খৰচ নিম্নতম এক লাখৰপৰা পাঁচ লাখৰ ভিতৰত ধাৰ্য কৰা হ'ব। চুবুৰীৰ মানুহখিনিৰপৰা যিমান উঠে উঠিব। বাকীখিনি তুলিবৰ বাবে, এখন এম্বেছেডৰ গাড়ীত ওপৰে-তলে জাপিলে যিমান কেইজন মানুহ নিব পৰা যায়, সিমানকেইজনৰ এটা শক্তিশালী ফৌজ গঠন কৰা হ'ব। ফৌজিভাইসকল ভিক্ষা মাগিবলৈ লাজ নকৰা চৰিত্ৰৰ লোক হ'ব লাগিব। তদুপৰি, চেলাপেটি জোকৰ দৰে লাগি ধৰিব পৰা আৰু কোমল কথা ক'ব পৰা মানুহ এই দলটোত অন্তৰ্ভুক্ত কৰা হ'ব। এওঁলোকে অনবৰতে পইচাৰ ধান্দা কৰি ফুৰিব। সংখ্যাত সৰহ হোৱাৰ বাবে গৃহস্থ বা গৃহিণীৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিব। চিনাকিৰ সুবিধা লৈ, বা খা-খবৰ কৰাৰ ছলেৰেও ঘৰত সোমাব। ভদ্ৰতাৰ চিনস্বৰূপে প্ৰথমে নিমন্ত্ৰণী পত্ৰখনহে যাচিব। তাৰ পাছত দুআষাৰ সুখ-দুখৰ কথা পাতিব। তামোল-চালি খাব। শেষতহে পইচাৰ কথা উলিয়াব।

চান্দা বিচাৰিবৰ বাবে কোনো আন্তঃৰাষ্ট্ৰীয়, আন্তঃৰাজ্যিক, বা আন্তঃচুবুৰী সীমাৰেখা নাথাকিব। ধুবুৰীৰপৰা গৈ শদিয়াত, বা সৰ্বাই-বন্ধাৰপৰা গৈ জখলাবন্ধাত পইচা তুলিব পাৰিব। চৰকাৰী গাড়ী বিনাদ্বিধাই ব্যৱহাৰ কৰিব। তেল ৰাইজে দিব।

হাত-দীঘল উদ্যোক্তাসকলে মন্ত্ৰী-বিধায়ক, উপায়ুক্ত, টি প্লেণ্টাৰ, বিজিনেছমেনক পেট্ৰন পাতি ল'ব। পেট্ৰনগণক যথাসময়ত বিশেষ সন্মানেৰে মঞ্চত আদৰা হ'ব।

আলোচনাচক্ৰ, মুকলি অধিবেশন আদিলৈ বিশিষ্ট পণ্ডিতসকলক মাতি আনি উদ্যোক্তাসকল ধন্য হ'ব। 'চোৱা, আমি অমুক-অমুকক আনিলো' বুলি পাছত তেওঁলোকে ভীষণ বাহাদুৰী মাৰিব পাৰিব। আলোচনা চক্ৰত কি আলোচনা কৰিলে কেইটা নৱমনিচে শুনিলে, শুনি ঘৰত কি কৰিলেগৈ,—সেইবোৰ কথাৰ কোনো



OKDISCD

বিহু মাৰিব জনা সকলে আগধৰি 'কণ্ট্ৰেক্ট' ছাইন কৰি চহৰলৈ গুচি যাব। নঞ্জনাসকলে লেক্টোজেনৰ টেমা বজাই ঘৰে-ঘৰে হুচৰি মাৰি ফুৰিব। একেটা চুবুৰীৰপৰাই ন-দহটাকৈ পিলিঙা পেন্দুকনাৰ দলে পইচাৰ লোভত বিহু গাই ফুৰিলে ডাঙৰে নিৰুৎসাহ নকৰিব। ডিস্ক'সকলে অনাঅসমীয়াৰ দোকানৰ বাৰান্দাত, চলন্তমান বাছ, ট্ৰাক আৰু ফাষ্টক্লাছ গাড়ীৰ আগত বিচিত্ৰ প্ৰকাৰৰ বিহু পৰিবেশন কৰিব। সংগৃহীত ধন ৰাতিলৈ জুৰা আৰু মদিৰাত ব্যয় হ'ব।

ইয়াৰ বিপৰীতে ৰাজস্থানী, পাঞ্জাবী, বিহাৰী আৰু বংগীয় ভাইচাহাব সকলেই সম্পূৰ্ণ বিহুটো চম্ভালিব। বিহুৰ আগৰ দুই তিনিটা দেওবাৰ তেওঁলোকে দোকান খোলা ৰাখিব। কাষ্টমাৰসকলৰ দা-দৰমহাৰ খবৰ ভাই-ইঁতৰ নখৰ আগত থাকিব। 'ভেৰাইটি মালেৰে' দোকান বজাৰ ভৰি পৰিব। সন্ধিয়াবিলাক পূজা-পূজা যেন লাগিব।

বিহাৰী ভৈয়াইঁতে আধাইঞ্চি ৰাস্তাৰ ধূলিৰ আৱৰণীৰে মেৰিওৱা গুড় সস্তাতে সাত টকা কেজিত পৰিবেশন কৰিব। প্ৰতি কেজি গুড়ত ৫০ টা মাখি ফ্ৰি দিব।

তামিলনাডু, কেৰালা, লুধিয়ানাৰ পৰা তাৰ ব্যৱসায়ীসকলে বিহুৰ বতৰত অসমলৈ সুন্দৰ-সুন্দৰ গামোছা, মেখেলা, চাদৰ আদি পঠাই থাকিব। ড্ৰয়িং ৰুম ডেকৰেশ্যনৰ বাবে উন্নত মডেলৰ জাপি, পাটি ত্ৰিপুৰাৰ পৰা আমদানি কৰিব পৰা হব। গ্ৰিটিংছ কাৰ্ডৰ কম্পেনি বিলাকে বিহুৱৰীয়া ওলগ-পত্ৰ সুলভ মূল্যত অসমলৈ ৰপ্তানি কৰিব।

"ফ্ৰায়ম"ৰ লেখিয়াকৈ ফৎকৰে ঘিঁউত ভাজি দিব পৰা ঘিলাপিঠাৰ ৰমেটেৰিয়েল পে'ষ্ট জয়পুৰৰ পৰা পেকেটত আহিব। ষ্টেট ফেদে পলি-থিনৰ বেগত বৰা চাউল, তিল, নাৰি-কল-ৰোকা আদি যোগান ধৰিব। ৰেডিমেইড লস্কৰা ৰসগোল্লাৰ টিনত আহিব।

গৰু-বিহুৰ দিনা গৰুৰ সলনি আমুলস্প্ৰে'ৰ টেমাবিলাককে টেপৰ তলত ধুই পেলোৱা হ'ব।

মাহ-হালধীয়ে বাথৰুম লেতেৰা কৰে। তাৰ সলনি ৰেখা, হেমা মালিনী ইঁতে ব্যৱহাৰ কৰা চাবোন আৰু ছেম্পুৰে গা ধুলেই হ'ব।

বিহু সোঁৱৰণী সপ্তাহৰে এটা দিন বিশুদ্ধ অসমীয়া ভাষা কোৱা দিবস হিচাপে উদ্‌যাপন কৰা হ'ব। কেনেকৈ অতি সহজতে ভবেন্দ্ৰ নাথ শইকীয়াক ভবেন চইকীয়া আৰু সত্যেন্দ্ৰ প্ৰসাদ ভট্টাচাৰ্য্যক চৈত্যেন ভৎচাৰ্যি বুলি কব পাৰি তাৰ ট্ৰেইনিং দিয়া হ'ব। আছামিজ মিডিয়ামৰ ছাপ'টাৰসকলে এই কামত আগভাগ লব।

যিসকল অসমীয়াৰ নিজৰে জাতীয়ত্ব সম্বন্ধে সন্দেহ থাকে, তেৰাসৰে ডিস্ক' ড্ৰেছ বা ছাফাৰি ছুটৰ ওপৰতে গামোচা এখন লৈ নিজক অসমীয়া বুলি প্ৰমাণ কৰিব পাৰিব।

অত্যাধুনিক আদব-কায়দাৰ লগত খাপ খুৱাই টিভি কোম্পানি, শাৰীৰ দোকান, ক'ল্ড ড্ৰিংকছ আদিয়ে মিছ ৱিহু কুইন জাতীয় কম্পিটিশ্যনবিলাক স্পনছ'ৰ কৰিব। চেম্পিয়নগৰাকীক বিজয়ৰ মুকুট তেওঁলোকে পিন্ধাব। লগতে শাৰী, টিভি, ফ্ৰিজ, জোতা ছেণ্ডেল আদি মনোলোভা উপহাৰো আগবঢ়াব।

আছাম'-জাপানিজ কলাবৰেশ্যনৰ 'ধুমুহা-য়াছমা' কম্পিউটাৰৰ মতে গোটেই অসমত ফাষ্ট ৰাউণ্ডত ৪৭০২৩ গৰাকী বিহু কোঁৱৰ-কুঁৱৰীৰ সৃষ্টি হ'ব। যথাক্ৰমে হিটছ, কোৱাটাৰ ফাইনেল আদিৰ শেষত যিজন বা যিগৰাকী থাকিবগৈ, তেৱেঁই অসমৰ 'বিহু-একচ্ছত্ৰী অধিপতি' হ'ব।

বিহুৰ বিষয়ে খুব ভাল জ্ঞান থকা প্ৰাচীন-পন্থী পণ্ডিত এগৰাকীয়ে 'বিহু-ৰেফাৰি' হিচাপে নিযুক্তি পাব। তেওঁ হুইছেল এটা মুখত লৈ ফ্ৰুইট কৈ ফাউল, পেনাল্টি, অফছাইড আদি ধৰি থাকিব।

ঐক্য-সম্প্ৰীতিৰ কথা মনত ৰাখি সকলো কৃষ্টি-সংস্কৃতিকে প্ৰদৰ্শনৰ সুযোগ দিয়া হ'ব। সকলো ধৰণৰ শিল্পীয়ে বিহুৰ বতৰতে দুপইচা ঘটিব।

পৰাপক্ষত প্ৰতিটো চুবুৰীতে এখনকৈ সন্মিলন পতা হ'ব; তেতিয়াহে সকলোৱে নিজ নিজ প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা পাব। গোটেই চহৰখনতে মাত্ৰ এখন সন্মিলন হলে নিজৰ দক্ষতা প্ৰদৰ্শনৰ পৰা দক্ষ লোকসকল বাকৈকেয়ে বঞ্চিত হ'ব।

"টকাৰ অভাৱত পৰি থকা দৰকাৰী কামবোৰ এই কেইলাখমান টকাৰে কৰি দুই-এবছৰ নিজৰ ভিতৰতে মুকলি-বিহুকে পাতোঁচোন আহক" বুলি কোনো বে-ৰসিক মূঢ়মতিয়ে যদি পাগলৰ প্ৰলাপ বকে তেনেহলে তেওঁক নেলুত ধৰি প্ৰস্তাৱটোৰে সৈতে মিউনিছিপেলিটিৰ নৰ্দমালৈ নিক্ষেপ কৰা হ'ব।

তাৰ সলনি, সকলোৱে সদগতিৰ কথা ভাবি, কাতিবিহুটোতো কিবা-কিবি পাতিব পৰা যায়নেকি সেই বিষয়েহে অদূৰ ভৱিষ্যতে পণ্ডিত-মহলে চিন্তা-চৰ্চা কৰিব।

৺বিহুৰ বিদেহী আত্মাই অজান্তি মুলুকত চিৰশান্তি লাভ কৰি সুখে-সন্তোষে থাকক, সদ্যহতে পৰমপিতা পৰমেশ্বৰৰ ওচৰত এয়েই সৰল প্ৰাৰ্থনা!

---

## সম্পাদকৰ কোঠালিত


**বন্ধু :** আগতে দিছপুৰৰ মাজেৰে যোৱা প্ৰায় সকলো ৰাস্তাতে বাধা-নিষেধ আছিল। আজিকালি অন্ততঃ এটা ৰাস্তাত বাধা-নিষেধ বাহাল ৰখা হৈছে। আগতে বাধা-নিষেধ প্ৰবৰ্তন কৰা হৈছিল শত্ৰুৰ ভয়ত, এতিয়া যি বুজা গৈছে—বাধা-নিষেধ প্ৰবৰ্তন কৰা হৈছে মিত্ৰৰ ভয়ত। গতিকে গভীৰ সাৰমৰ্ম থকা এষাৰ কথা মনত ৰাখিবা ; —পৃথিৱীত একো-একোটা এনেকুৱা ৰাস্তা আছে—য'ত শত্ৰু-মিত্ৰ উভয়েই অপকাৰী।





# নিৰ্মেঘ

গুৰমাইল সিং




প্ৰেছটোৰপৰা ওলাই ৰাস্তাৰ দুয়োপাশে সি চকু ফুৰালে। নিজম নিস্তব্ধ। মাথো এক নিৰ্দিষ্ট ব্যৱধানৰ অন্তৰে অন্তৰে অন্ধকাৰৰ সৈতে যুদ্ধত প্ৰবৃত্ত হৈছে ষ্ট্ৰিট লাইটবোৰ। (প্ৰতিটো লাইট প'ষ্টৰে চৌদিশে উৰি আছে অসংখ্য চগা পোক।) হাতৰ কলমটো পেণ্টৰ জেপত ভৰাই, ছিগা-ৰেট এটা জ্বলাই সি খোজ ল'লে। বাতৰিটো সেইমতে সজাই সি বাৰু কিবা ভুল কৰিলে নেকি? এনেয়ে আজি প্ৰেছটোৰ মেজাজ ভাল নহয়। (আজিৰ কাকতখনত এটা অতি ইম্পৰ-টেণ্ট নিউজ ড্ৰপ পৰাৰ উপৰিও আন দুটা গুৰুত্বপূৰ্ণ নিউজৰ কেপছন ভুল।) দিনটোৰ কাকতখন হাতত লৈ সম্পা-দক বৰুৱাছাৰে মুখখন সেই পুৱাৰে-পৰা ওন্দোলাই থাকিল আৰু সুবিধা পালেই দস্তুৰমত যাকে-তাকে কথা শুনালে। মুঠতে গোটেই দিনটো প্ৰেছটোৰ মেজাজ বেয়া। ...দীননাথৰ

ডাল ভাগি 'া'হে হৈ আছে। সেইডাল ঠিক কৰি দিবা আৰু কিবা থাকিলে চাই-চিতি...। নাইট ছিফটত ডিউটি কৰিবলৈ অহা ছাব এডিটৰ মৃণাল দত্তই জাৰৰ নিশা এড়ি কাপোৰৰ তলৰপৰা হাতখন সুলিয়ায়। এলাহ কৰে। প্ৰিণ্ট অৰ্ডাৰ লবলৈ অহা পৰিমল শইকীয়াক দত্তই মুখেৰেই বুজায়। হাতখন সুলিয়ায়। সিমানেই নহয়। ...দত্তদা কেনি গ'ল? প্ৰিণ্ট অৰ্ডাৰ লবলৈ আহি পৰিমল শইকীয়াই দত্তক বিচাৰে। হৰেণ শৰ্মা প্ৰুফ ৰিডাৰ। তেৱেঁই আগবাঢ়ি আহে আৰু কয়,—দত্তদা গ'লগৈ। টোপনি ধৰিলে বোলে। মোকেই চাই দিবলৈ কৈ গৈছে...। মৃণাল দত্ত এনেকুৱাই। প্ৰেছটোত অৱশ্যেই তেওঁ সন্মানিত। কাকতখনৰ বয়স আজি প্ৰায় চৰিবছ বছৰ। প্ৰতিষ্ঠাৰ দিন ধৰি দত্ত এই প্ৰতিষ্ঠানৰ একান্ত অনুগত কৰ্মী। ছিগাৰেটটোত শেষ টানটো মাৰি সি পুনৰ ভাবিলে— বাতৰিটো সেইদৰে সজাই সি বাৰু কিবা ভুল কৰিলে নেকি? এই লৈয়ে কাইলৈও বৰুৱা-ছাৰৰ কথা শুনিব লগা হ'ব নেকি? ছিক্সটি পইণ্টত ছাৰে সজাই থৈ যোৱা ৰানপানীৰ বাতৰিটোতকৈ জাম্বো জেট এখন বোমা বিস্ফোৰণত পতিত হৈ শতাধিক লোকৰ প্ৰাণহানি হোৱাৰ বাতৰিটো সজাব পাৰিতো! (আত্ম-প্ৰত্যয়— তেওঁ থাকোঁতে নিউজটো আহি যোৱা হ'লে ছাৰেও কিজানি এইটোকে ডাঙৰ বাতৰি কৰি সজালেহেঁতেন!) টোপনিৰপৰা উঠি দুৱাৰমুখতে প্ৰস্ৰাৱ কৰি থকা অধ্যাপক বিজয় দুৱৰাই তাক দেখি থকা-মকাকৈ লুঙীখন তললৈ নমাই দিলে। দ্বিতীয়বাৰ সেইফালে নোচোৱাকৈয়ে সি পাৰ হৈ গ'ল। প্ৰেছটোৰপৰা তাৰ থকা ঘৰটোৰ দূৰত্বও নিচেই কম নহয়। ওচৰতে বিচাৰিও ভাৰা ঘৰ এটা পোৱা নহ'ল এতিয়াও। ...ছাল্লা! অন্যায় অবিচাৰেৰে দুনীয়া ভৰি গ'ল। আৰেৰ ক'ত যাব? যাব ক'ত? কিমান দিননো এনেকৈ থাকিব? এই দুৰ্ঘোৰ কলি কালৰ আৰু বেছি দিন নাই। সত্যযুগ আহিবই। আহিবই। চাই লম তেতিয়া। তেতিয়া কলৈ যাব? ...। চাৰিআলিৰ চুকটোত শুকান গুণ্ডাৰ হট্টগোল। আজিয়েই নহয়। প্ৰায় প্ৰতি নিশাৰ ই এক পৰিচিত দৃশ্য। প্ৰতি সন্ধ্যা ঘৰত চিঞৰ-বাখৰ লগাব। দো:ভাগ নিশা স্থান পৰিবৰ্তন—ঘৰৰ সন্মুখৰপৰা চহৰৰ মাজমজিয়ালৈ দিনৰ দিনটো বেমাৰী মানুহৰ দৰে কেলেং-মেলেংকৈ ঘূৰি ফুৰা শুকান গুণ্ডা সন্ধ্যা হ'লেই বহুদিন ফৰ্ম হেৰুৱাই বহি থকাৰ পাছত হঠাতে এদিন দুৰ্ধৰ্ষ হৈ উঠা বেটছমেনৰ দৰে মাৰাত্মক ৰূপ লয়। ...কোন আছ বে? ওলাই আহ...। ক্ৰমাগতভাৱে

শুকান গুণ্ডাৰ চিঞৰপৰা আঁতৰি আহি সি তাৰ কোঠা পালেহি। দুৱাৰখন হেঁচুকি কোঠাটোলৈ সোমাই সি দেখিলে জ্যোতি শুই আছে। তাৰ নাকেৰে বাহিৰ হৈছে এক ছন্দোময় শব্দ। যোৱা দুদিন জ্যোতিৰ লগত তাৰ কথা-বতৰা হোৱা নাই। একে-বাৰে বেয়া স্তৰ পোৱাগৈ নাই যদিও যোৱা দুদিন দুয়োটাই ভালদৰে কথা-বতৰা পতা নাই।

লাইটটো অফ কৰ না।

অলপ ৰ। জাষ্ট ফাইভ মিনিট।

সদায় সদায় মাজনিশা ঘৰ সোমাই লাইটডাল জ্বলাই টোপনি ভাঙিবি। তোৰনো কি? অলপ পাছতে ফোঁচাফোঁচাই টোপনি যাবি মইহে— খন্তেক নিৰৱতা।



OKDISCD

লাইটটো নুমুৰানা। কিনো কৰি আছ?

পাঁচ মিনিট। এই—

তাৰ কথা শেষ নহ'ল। শোৱা-পাটিৰ পৰাই অলপ হালি খুলি থোৱা ছেণ্ডেল এপাত তুলি লৈ জ্যোতিয়ে লাইটটোলৈ দলিয়াই দিলে। থপ। কাঁচ ভাগি পকাত পৰাৰ এক শব্দ। তাৰপাছত অন্ধকাৰ। নিঃশব্দ। যোৱা দুদিন জ্যোতিৰ লগত তাৰ ভালদৰে কথা-বতৰা হোৱা নাই।

* * *

পুৰা দহমান বজাত সি প্ৰেছটোলৈ আহিল। তাৰ এতিয়া ডিউটি নাই। আজিও তাৰ ইভনিং ছিফ্‌টহে। তথাপি সি প্ৰেছটোলৈ আহিল। আচলতে কালিৰ বাতৰিটো সম্পৰ্কীয় প্ৰতিক্ৰিয়া জানিবলৈকে সি এই পুৱাতে ওলালহি। জোনাক বৰুৱা চিফ ছাব এডিটৰ। তাক দেখিয়ে তেওঁ মাত লগালে— কি হ'ল? কালি ফিচাৰ চেইঞ্জ কৰি দিলা?

—বেয়া হ'ল নেকি?

নাই নাই। কি বেয়া? সন্মুখৰ ফাইলটোৰ কাগজ এখিলা হাতত লৈ চাই চাই তেওঁ ক'লে— ইমান ইম্পৰ-টেণ্ট নিউজ এটা ড্ৰপ পৰি গ'লহেঁতেন। খুব ভাল কৰিলা। কেৱল আমাৰে নহয়; বাকীবোৰ কাকততো আজিৰ ফিচাৰ এইটোৱেই। —তেন্তে ঠিকেই আছে? মোৰ আকৌ ভয়…তাৰ কথা শেষ নৌ-হওঁতেই বৰুৱাই মুখ পাতি ললে— কিহৰ ভয়? ভয় কিহৰ? হাতৰ কাগজডোখৰ ফাইলটোত জাপি থৈ খুব বিজ্ঞৰ দৰে তেওঁ মন্তব্য কৰিলে—জাৰ্ণেলিজমত ভয়-চয় থাকিব নালাগে। আচলতে…। সি তাৰপৰা আঁতৰ হ'ল। সুবিধা পালেই দীঘলীয়া ভাষণ দিয়াত জোনাক বৰুৱা অভ্যস্ত। সম্পাদকৰ কোঠালৈ বুলি আগ-বাঢ়োতেই তেওঁ বলীন হাজৰিকাৰ সন্মুখীন হ'ব লগা হ'ল। হাজৰিকাই লোকেল নিউজ এডিট কৰে। এদম মেলা ফাইল, ভ্ৰূ-কুঞ্চিত, ঘৰ্মাক্ত মুখ-মণ্ডলৰ হাজৰিকাই তাক দেখিয়ে মাত লগালে— একাংকিকা নাট হয় নে নাটক? এই এক প্ৰব্লেম। নাট বুলিলেও তেওঁ সুধিব—হোৱাই? নাটক কিয় নহয়? নাটক বুলিলেও সুধিব— নাট কিয় নহয়? হোৱাই? ৰাষ্ট্ৰীয় 'পথ' বোলে বাট নোবোলে। গাঁৱৰ আলি-পদূলিহে শুদ্ধ আলি-ৰাস্তা ভুল। এইবোৰ কথাৰো হাজৰিকাক কিয়টো লাগে। নিৰ্ঘাত প্ৰশ্ন কৰিব হোৱাই? সেই হোৱাইটোৰ উত্তৰ সি হাজৰিকাক দিব নোৱাৰে। প্ৰায়ে ধেঁহায়। তথাপি হাজৰিকাই নেৰে। দেখা পালেই তেওঁৰ কিবা নহয় কিবা এটা ওলাবই। ৰীতিমতে এক বিৰক্তিদায়ক কাৰবাৰ। হাজৰিকাই তেওঁৰ বাইফোকেল গ্লাছৰ মাজেৰে তালৈ চায়েই আছে। তেওঁৰ ওঁঠদুখন জোঙা হৈ থকাৰ ফলত তেওঁক বৰ কুৎসিৎ যেন দেখা গৈছিল। কিবা এটাটো মানুহজনক ক'ব লাগিল। কিন্তু…

গুডমৰ্নিং ছাৰ— হঠাতে কোঠাৰ-পৰা বৰুৱাছাৰ ওলাই আহিল আৰু সি ছাৰৰ লগত কথা আৰম্ভ কৰাৰ সুযোগটো ল'লে। গুডমৰ্নিং এণ্ড কংগ্ৰেচ্যুলেশ্যন। কালি তোমাৰ সিদ্ধান্ত সুন্দৰ। পুৰা ছয় বজাৰ ৰেডিঅ' নিউজ শুনিয়ে মোৰ ভীষণ চিন্তা লাগি আছিল— নিউজটো বা আমাৰ কাকতত কাভাৰ হয় নে নহয়? পাছত চকীদাৰটোৰ হাতৰপৰা লৈ কাগজখন চাইহে ভাল লাগিল। বৰুৱা ছাৰৰ কথা শুনি তাৰ মনটো ভাল লাগিল। তাৰ পিঠিত চপৰিয়াই তেওঁ পুনৰ মাত লগালে— এনেকুৱা ইম্পৰ-টেণ্ট নিউজ ড্ৰপ পৰি গ'লে বা (তেওঁ চকী এখন ক্ৰেংকৈ টানি লৈ তাতে বহিল আৰু পকেটৰপৰা চিগাৰেট এটা উলিয়াই জুইশলাটো বিচাৰি চোলাৰ জেপত খেপিয়ালে) কেতিয়াবা কিবা মাৰাত্মক ভুল থাকি গলে কি হয় জানানে? (জুইশলাৰ কাঠিটো মাৰি তেওঁ ছিগাৰেটটো জ্বলালে আৰু খুব খৰকৈ দুটামান টান মাৰি ললে। হয় কি—পুৱাৰ চাহ খোৱাই ঠিক নহয়গৈ। মেজাজ নষ্ট হৈ যায়। সেইকাৰণে আজিকালি কি হয় ক'ব পাৰানে? —ইহঁতকেইটাই —এই ল'ৰা-ছোৱালীকেইটাই চাহ খোৱাৰ আগতে আহি পালেও কাকতখন লুকুৱাই থয়। হাঃ হাঃ! নিজৰ কথাত ৰস পাই তেওঁ নিজেই হো-হোৱাই হাঁহি দিলে। বাই-দা-ৱে হাজৰিকা''— হাঁহি সামৰি তেওঁ হাজৰিকাক মাত লগালে।

আপোনাৰ ছোৱালীজনীৰ কিবা অসুখ বুলি শুনিছিলো। এতিয়া কেনে?

নাই। (হাজৰিকাই চচমাযোৰ খুলি চকু দুটা মোহাৰিলে।) অলপ ভাল পাইছে। কিন্তু কাহটো কমা নাই। আজি বিয়লি আকৌ ডাক্তৰ চৌধুৰীৰ ওচৰলৈ লৈ যাম বুলি ভাবিছোঁ।

চৌধুৰী মানে—ইন্দ্ৰজিৎ চৌধুৰী?

হয়।

আচ্ছা আচ্ছা। ভালকৈ দেখুৱাই-মেলি লওক। এই সৰু-সৰু ল'ৰা-ছোৱালীৰ অসুখ আৰু…… তেওঁ কথাষাৰ শেষ নকৰিলে আৰু হঠাতে মনত পৰাৰ দৰে তালৈ চাই সুধিলে —তোমাৰটো এতিয়া ডিউটি নাই?

নাই। এনেয়েহে এপাক আহিছিলো।

নাই যদিও এটা কাম কৰাচোন। তেওঁ চকীখনৰ পৰা উঠিল। ছিগা-ৰেটটো টেবুলখনৰ ওপৰতে থকা এছট্ৰেটোত মোহাৰিলে। —এই টেলি-প্ৰিণ্টাৰৰ খবৰ এটা কৰাচোন। মূৰ দুপিয়াই সি শলাগিলে। বৰুৱাছাৰ ভিতৰলৈ সোমাই গ'ল। সি ফোনটো দাঙি ল'লে। এই টেলিপ্ৰিণ্টাৰৰ ঝামেলাটো আজিও নুগুচিল। এইবাৰেই এবাৰ এছিষ্টেণ্ট এডিটৰ তাজউদ্দিন চৌধুৰীয়ে প্ৰপ্ৰাইটাৰৰ ওচৰত কিবাকিবি কৈছিলগৈও। লাভ একোডাল নহ'ল। মাত্ৰ চৌধুৰীৰ দুটা ইনক্ৰিমেণ্ট বন্ধ হৈ ৰ'ল। এজেঞ্চিৰ পৰা কোনো সহাঁৰিয়েই নাই। দুৱাৰখন ঠেলি কোঠাটোলৈ সোমাই আহিল এক সুন্দৰী যুৱতী। অনুসন্ধিৎসু চাৰনিৰে তেওঁ ইফালে-সিফালে চালে। প্ৰুফ ৰিডাৰ হৰেণ শৰ্মা চালাক মানুহ। তেওঁ যুৱতীক দেখিয়েই যেন সকলো কথা বুজি পালে—ঠিক তেনে এটা ভাবেৰে শৰ্মাই তেওঁক হাজৰিকাৰ ফালে আঙুলিয়াই দিলে। ছোৱালীজনী আগবাঢ়িল আৰু হাজৰিকাৰ ভ্ৰূ-কুঞ্চিত। ওঁঠ দুখন থুতুৰিটো কুৎসিৎ ধৰণে জোঙা হৈ আছে। এক বিৰক্ত দৃষ্টিৰে হাজৰিকাই ছোৱালীজনীলৈ মূৰ তুলি চালে আৰু সুধিলে—কি আছিল? অতপৰৰ পাছত এতিয়াহে এজেঞ্চিৰ পৰা সহাঁৰি আহিল। ফোনত চিএৰি-চিএৰি সি টেলিপ্ৰিণ্টাৰটোৰ কথা পাতিলে। ফোনটো থৈ সি পুনৰ ছোৱালীজনীৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে। হাজৰিকাৰ সন্মুখত বহি কথা পাতি থকা ছোৱালীজনীয়ে চকু দুটাত ৰুমাল হেঁচি উচুপিছে। চৰম বিৰক্তিভৰা চাৰনিৰে হাজৰিকাই ছোৱালীজনীলৈ চাই আছে। উপস্থিত আটাইলৈ সি চকু ফুৰালে—নাই কাৰো চকুত চকু নপৰিল। প্ৰত্যেকৰে দৃষ্টি কেৱল ছোৱালীজনী আৰু হাজৰিকাৰ ওপৰতে নিবদ্ধ। মূৰটো কিছু হলাই ছোৱালী-জনীৰ কাষলৈ আহি হাজৰিকাই মাত লগালে—আপুনি সম্পাদকক এবাৰ লগ কৰক। এনেকৈ থাকি লাভ নাই। আমাৰ কিছুমান বাইণ্ডিংছ আছে বুজিছে। ছোৱালীজনী উঠিল আৰু হাজৰিকাই আঙুলিয়াই দিয়াৰ দৰে তেওঁ সম্পাদকৰ কোঠালৈ বুলি আগুৱাই গ'ল। গোটেই দৃশ্যটো ৰ লাগি চাই থকা চকীদাৰ ৰামকুমাৰে বাট ভেটিব লগা তাৰ দায়িত্বটোও পাহৰি থাকিল। এক মুহূৰ্তৰ বাবে গোটেই দৃশ্যটো কোনো এখন এবছাৰ্ড নাটকৰ এক স্থিৰ দৃশ্যৰ দৰে দেখা গ'ল। ছোৱালীজনী দুৱাৰখন হেঁচুকি সম্পাদকৰ কোঠালৈ সোমাই গ'ল। হৰেণ শৰ্মা চালাক মানুহ। অতি কম কথাতে তেওঁ তাক বুজাই দিলে যে আন কথা নহয়—কৰবাত গান গাই পুৰস্কাৰ পোৱা ছোৱালীজনীৰ ফটোসহ নিউজটো যোৱা নাই। হাজৰিকাই পাই কৈয়ো দিলে— পুৰণি খবৰ। এতিয়া আৰু……। লগে লগেই আৰম্ভ। সি হাজৰিকাৰ মুখলৈ চালে। মানুহ-জনৰ মুখখন তেতিয়াও পৰিষ্কাৰ হোৱা নাই। বিৰক্তিৰে তেওঁ বিৰ-বিৰাইছে—দুনীয়াৰ যত ঝামেলা চব আহি মোৰ পাল্লাতে…। হাজৰিকালৈ তাৰ বেয়াই লাগিল। এনেয়ে সদায় মানুহজনৰ মুড অফ। তাতে…। পৰহি বোধহয়—ক'ৰবাৰপৰা লামা এজন আহিল। তেওঁলোকৰ কোনোবা বৌদ্ধ গুৰু এজন আহিব। কিবা মিটিং— এইধৰণৰ এটা নিউজ ছপাবলৈ দি গৈছিল। তাৰ খবৰটো কৰিবলৈ আহি হাজৰিকাৰ সন্মুখত হাজিৰ। কথাটো শুনি হাজৰিকাই বোলে— আজিৰ কাকতত নিউজটো ওলাইছেই। কাকতখন মেলি লামাজনে নিউজটোৰ ওপৰত এবাৰ চকু ফুৰালে। তাৰপাছত কক্কালৰ গেৰুৱা গাথনিৰপৰা টকা দহটা উলিয়াই তেওঁ হাজৰিকালৈ আগবঢ়াই দিলে। এবাৰ টকা দহটা আৰু এবাৰ লামাজনৰ মুখলৈ চাই হাজৰিকাই সুধিলে—কি? লামাজনে বোলে—নিউজটো ছপা হ'ল। দিছোঁ আৰু। চাহ-তাহ কিবা এটা……। কপালৰ সমগ্ৰ ৰেখা হাজৰিকাৰ থূপ খাই গ'ল। প্ৰচণ্ড বিৰক্তি তেওঁৰ মুখমণ্ডলত বিয়পিল। তেওঁ চচমাযোৰ খুলিলে আৰু চকু দুটা মোহাৰিলে। কিছুসময় পাছত লামাজনৰ ফালে নোচোৱাকৈয়ে হাজৰিকাই ক'লে,— নালাগে। আমাৰ ইয়াত এইবোৰ নচলে। নিউজ ছপা কৰাটো আমাৰ কৰ্তব্য। লামাজনে কিছু বিব্ৰত বোধ কৰিলে। কিন্তু— । নাঃ। তেওঁ মানি ল'বলৈ টান পালে। খুব জোৰকৈ মুখখনলৈ হাঁহি এটা আনি তেওঁ ক'লে— এহ্ ৰাখি দিয়ক। কামত আহিব। ক্ৰেংকৈ চকীখন ঠেলি হাজৰিকা বহাৰপৰা উঠিল। চচমাযোৰ চকুত বহুৱাই ললে। (পৰা হ'লে লামাজনক তেওঁ গতিয়াই বাহিৰ কৰি দিলেহেঁতেন চাগৈ!) লামাজনক চৰম বিৰক্ত দৃষ্টিৰে এবাৰ চাই তেওঁ ক'লে —আপুনি ইয়াৰপৰা যাওক। খটক খটক শব্দ তুলি হাজৰিকা বাথৰুমৰ ফালে গুচি গ'ল।

* * *

জ্যোতিক মাত লগাই বাহিৰৰপৰা দুৱাৰখন জপাই সি প্ৰেছলৈ বুলি খোজ ললে। তাৰ হাতৰ ঘড়িত তেতিয়া প্ৰায় দহ বাজিছে। প্ৰেছত এতিয়া মানে চাগৈ বৰুৱা ছাৰকে ধৰি…

আহিল? ষ্টাফ ৰিপৰ্টাৰ বৰুণ বৰ্মনে মাত লগালে।

এয়া, আপুনি উভতিল?

হয় দিয়ক। কোনোৰকম শেষ কৰি আহিছোঁ। দেৰী নকৰো দিয়ক। ভিনিহি নাই নহয়— কলিকতালৈ গ'ল। বাইদেউৰ তাতে ৰাতি শুবগৈ লাগিব। গুড নাইট।

গুড নাইট। বৰ্মন গ'লগৈ। চাকৰিলৈ বুলি যেতিয়া আহিছিল প্ৰথম লগ পাইছিল এই বৰ্মনকে। খুব হেল্পফুল, কিমান কি ধৰণেৰে যে তাক তেওঁ সহায় কৰি দিছিল। কিমান দিনৰ ঘটনা সেইটো? জানু-ৱাৰী, ফেব্ৰুৱাৰী আৰু মাত্ৰ তিনিটা মাহৰ পাছতে দুবছৰ সম্পূৰ্ণ হ'ব। দুবছৰ! এই দুটা বছৰৰ ভিতৰত ঘৰলৈ তাৰ এবাৰো যোৱা নহ'ল। নগাঁৱলৈ অৱশ্যে এবাৰ সি গৈছিল। কিন্তু ঘৰলৈ যোৱা নহ'ল। কিয় যাব সি? কিছুমান কথাত সি বৰ জেদী। কি এক সৰু কথা দেউতাকে কৈছিল তাক— 'নাম নুমুৱালি'। দুদিন-দুনিশা সি চটফটাই থাকিল। নাই-নোৱাৰি। ঘৰৰপৰা সি ওলাল। প্ৰেছটোৰ লগত লিখা-মেলাৰ যোগেদি পূৰ্বৰেপৰা তাৰ এক সম্পৰ্ক আছিলেই। সি তালৈ গুচি আহিল। ভবামতেই তাৰ চাক-ৰিটো হৈ গ'ল। সেই দিনাই সি সিদ্ধান্ত ললে— কেতিয়াও, কোনো-ক্ষণতো সি দেউতাকৰ চিনাকি নিদিয়ে। কেৱল নিজৰ পৰিচয়েই তাৰ বাবে যথেষ্ট। কেৱল নিজৰ পৰিচয়। কাৰো নাম নুমুৱাবলৈ নাই। গাটো তাৰ একপ্ৰকাৰ ঘামি গ'ল। কি কৰি আছে বা দেউতাহঁতে এতিয়া? সি হাতৰ ঘড়িটোলৈ চালে। ১০ বাজি ২০ মিনিট। ইমান সোনকালে ঘৰত কোনো নোশোৱে। খুব সম্ভৱ ঘৰত





OKDISCD

লাইটটো সুমুৱানা। কিনো কৰি আছ?

পাঁচ মিনিট। এই—

তাৰ কথা শেষ নহ'ল। শোৱাপাটিৰ পৰাই অলপ হালি খুলি থোৱা ছেণ্ডেল এপাত তুলি লৈ জ্যোতিয়ে লাইটটোলৈ দলিয়াই দিলে। থপ। কাঁচ ভাগি পকাত পৰাৰ এক শব্দ। তাৰপাছত অন্ধকাৰ। নিঃশব্দ। যোৱা দুদিন জ্যোতিৰ লগত তাৰ ভালদৰে কথা-বতৰা হোৱা নাই।

*   *   *

পুৱা দহমান বজাত সি প্ৰেছটোলৈ আহিল। তাৰ এতিয়া ডিউটি নাই। আজিও তাৰ ইভনিং ছিফ্‌টহে। তথাপি সি প্ৰেছটোলৈ আহিল। আচলতে কালিৰ বাতৰিটো সম্পৰ্কীয় প্ৰতিক্ৰিয়া জানিবলৈকে সি এই পুৱাতে ওলালহি। জোনাক বৰুৱা চিফ ছাব এডিটৰ। তাক দেখিয়ে তেওঁ মাত লগালে— কি হ'ল? কালি ফিচাৰ চেইঞ্জ কৰি দিলা?

—বেয়া হ'ল নেকি?

নাই নাই। কি বেয়া? সন্মুখৰ ফাইলটোৰ কাগজ এখিলা হাতত লৈ চাই চাই তেওঁ ক'লে— ইমান ইম্পৰ্টেণ্ট নিউজ এটা ড্ৰপ পৰি গ'লহেঁতেন। খুব ভাল কৰিলা। কেৱল আমাৰে নহয়; বাকীবোৰ কাকততো আজিৰ ফিচাৰ এইটোৱেই। —তেন্তে ঠিকেই আছে? মোৰ আকৌ ভয়···তাৰ কথা শেষ নৌ-হওঁতেই বৰুৱাই মুখ পাতি ললে— কিহৰ ভয়? ভয় কিহৰ? হাতৰ কাগজডোখৰ ফাইলটোত জাপি থৈ খুব বিজ্ঞৰ দৰে তেওঁ মন্তব্য কৰিলে—জাৰ্ণেলিজমত ভয়-চয় থাকিব নালাগে। আচলতে···। সি তাৰপৰা আঁতৰ হ'ল। সুবিধা পালেই দীঘলীয়া ভাষণ দিয়াত জোনাক বৰুৱা অভ্যস্ত। সম্পাদকৰ কোঠালৈ বুলি আগবাঢ়োতেই তেওঁ বলীন হাজৰিকাৰ সন্মুখীন হ'ব লগা হ'ল। হাজৰিকাই লোকেল নিউজ এডিট কৰে। এদম মেলা ফাইল, ভ্ৰূ-কুঞ্চিত, ঘৰ্মাক্ত মুখমণ্ডলৰ হাজৰিকাই তাক দেখিয়ে মাত লগালে— একাংকিকা নাট হয় নে নাটক? এই এক প্ৰব্লেম। নাট বুলিলেও তেওঁ সুধিব—হোৱাই? নাটক কিয় নহয়? নাটক বুলিলেও সুধিব— নাট কিয় নহয়? হোৱাই? ৰাষ্ট্ৰীয় 'পথ' বোলে ৰাট নোবোলে। গাঁৱৰ আলি-পদূলিহে শুদ্ধ আলি-ৰাস্তা ভুল। এইবোৰ কথাৰো হাজৰিকাক কিয়টো লাগে। নিৰ্ঘাত প্ৰশ্ন কৰিব হোৱাই? সেই হোৱাইটোৰ উত্তৰ সি হাজৰিকাক দিব নোৱাৰে। প্ৰায়ে ঘেঁহায়। তথাপি হাজৰিকাই নেৰে। দেখা পালেই তেওঁৰ কিবা নহয় কিবা এটা ওলাবই। ৰীতিমতে এক বিৰক্তিদায়ক কাৰবাৰ। হাজৰিকাই তেওঁৰ বাইফোকেল গ্লাছৰ মাজেৰে তালৈ চায়েই আছে। তেওঁৰ ওঁঠদুখন জোঙা হৈ থকাৰ ফলত তেওঁক বৰ কুৎসিৎ যেন দেখা গৈছিল। কিবা এটাটো মানুহজনক ক'ব লাগিল। কিন্তু···

গুডমৰ্নিং ছাৰ— হঠাতে কোঠাৰ-পৰা বৰুৱাছাৰ ওলাই আহিল আৰু সি ছাৰৰ লগত কথা আৰম্ভ কৰাৰ সুযোগটো ল'লে। গুডমৰ্নিং এণ্ড কংগ্ৰেচ্যুলেশ্যন। কালি তোমাৰ সিদ্ধান্ত সুন্দৰ। পুৱা ছয় বজাৰ ৰেডিঅ' নিউজ শুনিয়ে মোৰ ভীষণ চিন্তা লাগি আছিল— নিউজটো বা আমাৰ কাকতত কাভাৰ হয় নে নহয়? পাছত চকীদাৰটোৰ হাতৰপৰা লৈ কাগজখন চাইহে ভাল লাগিল। বৰুৱা ছাৰৰ কথা শুনি তাৰ মনটো ভাল লাগিল। তাৰ পিঠিত চপৰিয়াই তেওঁ পুনৰ মাত লগালে— এনেকুৱা ইম্পৰ্টেণ্ট নিউজ ড্ৰপ পৰি গ'লে বা (তেওঁ চকী এখন ক্ৰেংকৈ টানি লৈ তাতে বহিল আৰু পকেটৰপৰা চিগাৰেট এটা উলিয়াই জুইশলাটো বিচাৰি চোলাৰ জেপত খেপিয়ালে) কেতিয়াবা কিবা মাৰাত্মক ভুল থাকি গলে কি হয় জানানে? (জুইশলাৰ কাঠিটো মাৰি তেওঁ ছিগাৰেটটো জ্বলালে আৰু খুব খৰকৈ দুটামান টান মাৰি ললে। হয় কি—পুৱাৰ চাহ খোৱাই ঠিক নহয়গৈ। মেজাজ নষ্ট হৈ যায়। সেইকাৰণে আজিকালি কি হয় ক'ব পাৰানে? —ইহঁতকেইটাই —এই ল'ৰা-ছোৱালীকেইটাই চাহ খোৱাৰ আগতে আহি পালেও কাকতখন লুকুৱাই থয়। হাঃ হাঃ! নিজৰ কথাত ৰস পাই তেওঁ নিজেই হো-হোৱাই হাঁহি দিলে। বাই-দা-ৱে হাজৰিকা"— হাঁহি সামৰি তেওঁ হাজৰিকাক মাত লগালে।

আপোনাৰ ছোৱালীজনীৰ কিবা অসুখ বুলি শুনিছিলো। এতিয়া কেনে?

নাই। (হাজৰিকাই চচমাযোৰ খুলি চকু দুটা মোহাৰিলে।) অলপ ভাল পাইছে। কিন্তু কাহটো কমা নাই। আজি বিয়লি আকৌ ডাক্তৰ চৌধুৰীৰ ওচৰলৈ লৈ যাম বুলি ভাবিছোঁ।

চৌধুৰী মানে—ইন্দ্ৰজিৎ চৌধুৰী?

হয়।

আচ্ছা আচ্ছা। ভালকৈ দেখুৱাই-মেলি লওক। এই সৰু-সৰু ল'ৰা-ছোৱালীৰ অসুখ আৰু ··· ··· তেওঁ কথাষাৰ শেষ নকৰিলে আৰু হঠাতে মনত পৰাৰ দৰে তালৈ চাই সুধিলে —তোমাৰটো এতিয়া ডিউটি নাই?

নাই। এনেয়েহে এপাক আহিছিলো।

নাই যদিও এটা কাম কৰাচোন। তেওঁ চকীখনৰ পৰা উঠিল। ছিগাৰেটটো টেবুলখনৰ ওপৰতে থকা এছট্ৰেটোত মোহাৰিলে। —এই টেলিপ্ৰিণ্টাৰৰ খবৰ এটা কৰাচোন। মূৰ দুপিয়াই সি শলাগিলে। বৰুৱাছাৰ ভিতৰলৈ সোমাই গ'ল। সি ফোনটো দাঙি ল'লে। এই টেলিপ্ৰিণ্টাৰৰ ঝামেলাটো আজিও নুগুছিল। এইবাবেই এবাৰ এছিষ্টেণ্ট এডিটৰ তাজউদ্দিন চৌধুৰীয়ে প্ৰপ্ৰাইটাৰৰ ওচৰত কিবাকিবি কৈছিলগৈও। লাভ একোডাল নহ'ল। মাত্ৰ চৌধুৰীৰ দুটা ইনক্ৰিমেণ্ট বন্ধ হৈ ৰ'ল। এজেঞ্চিৰ পৰা কোনো সহাঁৰিয়েই নাই। দুৱাৰখন ঠেলি কোঠাটোলৈ সোমাই আহিল এক সুন্দৰী যুৱতী। অনুসন্ধিৎসু চাৰনিৰে তেওঁ ইফালে-সিফালে চালে। প্ৰুফ



ৰিডাৰ হৰেণ শৰ্মা চালাক মানুহ। তেওঁ যুৱতীক দেখিয়েই যেন সকলো কথা বুজি পালে—ঠিক তেনে এটা ভাবেৰে শৰ্মাই তেওঁক হাজৰিকাৰ ফালে আঙুলিয়াই দিলে। ছোৱালীজনী আগবাঢ়িল আৰু হাজৰিকাৰ ভ্ৰূ-কুঞ্চিত। ওঁঠ দুখন থুতুৰিটো কুৎসিৎ ধৰণে জোঙা হৈ আছে। এক বিৰক্ত দৃষ্টিৰে হাজৰিকাই ছোৱালীজনীলৈ মূৰ তুলি চালে আৰু সুধিলে—কি আছিল? অতপৰৰ পাছত এতিয়াহে এজেঞ্চিৰ পৰা সহাঁৰি আহিল। ফোনত চিঞৰি-চিঞৰি সি টেলিপ্ৰিণ্টাৰটোৰ কথা পাতিলে। ফোনটো থৈ সি পুনৰ ছোৱালীজনীৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিলে। হাজৰিকাৰ সন্মুখত বহি কথা পাতি থকা ছোৱালীজনীয়ে চকু দুটাত ৰুমাল হেঁচি উচুপিছে। চৰম বিৰক্তিভৰা চাৰনিৰে হাজৰিকাই ছোৱালীজনীলৈ চাই আছে। উপস্থিত আটাইলৈ সি চকু ফুৰালে—নাই কাৰো চকুত চকু নপৰিল। প্ৰত্যেকৰে দৃষ্টি কেৱল ছোৱালীজনী আৰু হাজৰিকাৰ ওপৰতে নিবদ্ধ। মূৰটো কিছু হলাই ছোৱালী-জনীৰ কাষলৈ আহি হাজৰিকাই মাত লগালে—আপুনি সম্পাদকক এবাৰ লগ কৰক। এনেকৈ থাকি লাভ নাই। আমাৰ কিছুমান বাইণ্ডিংছ আছে বুজিছে। ছোৱালীজনী উঠিল আৰু হাজৰিকাই আঙুলিয়াই দিয়াৰ দৰে তেওঁ সম্পাদকৰ কোঠালৈ বুলি আগুৱাই গ'ল। গোটেই দৃশ্যটো ৰ লাগি চাই থকা চকীদাৰ ৰামকুমাৰে বাট ভেটিব লগা তাৰ দায়িত্বটোও পাহৰি থাকিল। এক মুহূৰ্তৰ বাবে গোটেই দৃশ্যটো কোনো এখন এবছাৰ্ড নাটকৰ এক স্থবিৰ দৃশ্যৰ দৰে দেখা গ'ল। ছোৱালীজনী দুৱাৰখন হেঁচুকি সম্পাদকৰ কোঠালৈ সোমাই গ'ল। হৰেণ শৰ্মা চালাক মানুহ। অতি কম কথাতে তেওঁ তাক বুজাই দিলে যে আন কথা নহয়—কৰবাত গান গাই পুৰস্কাৰ পোৱা ছোৱালীজনীৰ ফটোসহ নিউজটো যোৱা নাই। হাজৰিকাই পাই কৈয়ো দিলে— পুৰণি খবৰ। এতিয়া আৰু ··· ···। লগে লগেই আৰম্ভ। সি হাজৰিকাৰ মুখলৈ চালে। মানুহ-জনৰ মুখখন তেতিয়াও পৰিষ্কাৰ হোৱা নাই। বিৰক্তিৰে তেওঁ বিৰ-বিৰাইছে—দুনীয়াৰ যত ঝামেলা চব আহি মোৰ পাল্লাতে ···। হাজৰিকালৈ তাৰ বেয়াই লাগিল। এনেয়ে সদায় মানুহজনৰ মুড অফ। তাতে ···। পৰহি বোধহয়—ক'ৰবাৰপৰা লামা এজন আহিল। তেওঁলোকৰ কোনোবা বৌদ্ধ গুৰু এজন আহিব। কিবা মিটিং— এইধৰণৰ এটা নিউজ ছপাবলৈ দি গৈছিল। তাৰ খবৰটো কৰিবলৈ আহি হাজৰিকাৰ সন্মুখত হাজিৰ। কথাটো শুনি হাজৰিকাই বোলে— আজিৰ কাকতত নিউজটো ওলাইছেই। কাকতখন মেলি লামাজনে নিউজটোৰ ওপৰত এবাৰ চকু ফুৰালে। তাৰপাছত কঙ্কালৰ গেৰুৱা গাথনিৰপৰা টকা দহটা উলিয়াই তেওঁ হাজৰিকালৈ আগবঢ়াই দিলে। এবাৰ টকা দহটা আৰু এবাৰ লামাজনৰ মুখলৈ চাই হাজৰিকাই সুধিলে —কি? লামাজনে বোলে—নিউজটো ছপা হ'ল। দিছোঁ আৰু। চাহ-তাহ কিবা এটা ··· ···। কপালৰ সমগ্ৰ ৰেখা হাজৰিকাৰ থূপ খাই গ'ল। প্ৰচণ্ড বিৰক্তি তেওঁৰ মুখমণ্ডলত বিয়পিল। তেওঁ চচমাযোৰ খুলিলে আৰু চকু দুটা মোহাৰিলে। কিছুসময় পাছত লামাজনৰ ফালে নোচোৱাকৈয়ে হাজৰিকাই ক'লে,— নালাগে। আমাৰ ইয়াত এইবোৰ নচলে। নিউজ ছপা কৰাটো আমাৰ কৰ্তব্য। লামাজনে কিছু বিব্ৰত বোধ কৰিলে। কিন্তু— । নাঃ। তেওঁ মানি ল'বলৈ টান পালে। খুব জোৰকৈ মুখখনলৈ হাঁহি এটা আনি তেওঁ ক'লে— এহ্‌ ৰাখি দিয়ক। কামত আহিব। ক্ৰেংকৈ চকীখন ঠেলি হাজৰিকা বহাৰপৰা উঠিল। চচমাযোৰ চকুত বহুৱাই ললে। (পৰা হ'লে লামাজনক তেওঁ গতিয়াই বাহিৰ কৰি দিলেহেঁতেন চাগৈ!) লামাজনক চৰম বিৰক্ত দৃষ্টিৰে এবাৰ চাই তেওঁ ক'লে —আপুনি ইয়াৰপৰা যাওক। খটক খটক শব্দ তুলি হাজৰিকা বাথৰূমৰ ফালে গুচি গ'ল।

*   *   *

জ্যোতিক মাত লগাই বাহিৰৰপৰা দুৱাৰখন জপাই সি প্ৰেছলৈ বুলি খোজ ললে। তাৰ হাতৰ ঘড়ীত তেতিয়া প্ৰায় দহ বাজিছে। প্ৰেছত এতিয়া মানে চাগৈ বৰুৱা ছাৰকে ধৰি···

আহিল? ষ্টাফ ৰিপৰ্টাৰ বৰুণ বৰ্মনে মাত লগালে।

এয়া, আপুনি উভতিল?

হয় দিয়ক। কোনোৰকম শেষ কৰি আহিছোঁ। দেৰী নকৰো দিয়ক। ভিনিহি নাই নহয়— কলিকতালৈ গ'ল। বাইদেউৰ তাতে ৰাতি শুবগৈ লাগিব। গুড নাইট।

গুড নাইট। বৰ্মন গ'লগৈ। চাকৰিলৈ বুলি যেতিয়া আহিছিল প্ৰথম লগ পাইছিল এই বৰ্মনকে। খুব হেল্পফুল, কিমান কি ধৰণেৰে যে তাক তেওঁ সহায় কৰি দিছিল। কিমান দিনৰ ঘটনা সেইটো? জানুৱাৰী, ফেব্ৰুৱাৰী আৰু মাত্ৰ তিনিটা মাহৰ পাছতে দুবছৰ সম্পূৰ্ণ হ'ব। দুবছৰ! এই দুটা বছৰৰ ভিতৰত ঘৰলৈ তাৰ এবাৰো যোৱা নহ'ল। নগাঁৱলৈ অৱশ্যে এবাৰ সি গৈছিল। কিন্তু ঘৰলৈ যোৱা নহ'ল। কিয় যাব সি? কিছুমান কথাত সি বৰ জেদী। কি এক সৰু কথা দেউতাকে কৈছিল তাক— 'নাম সুমুৱালি'। দুদিন-দুনিশা সি চটফটাই থাকিল। নাই-নোৱাৰি। ঘৰৰপৰা সি ওলাল। প্ৰেছটোৰ লগত লিখা-মেলাৰ যোগেদি পূৰ্বৰেপৰা তাৰ এক সম্পৰ্ক আছিলেই। সি তালৈ গুচি আহিল। ভৰামতেই তাৰ চাকৰিটো হৈ গ'ল। সেই দিনাই সি সিদ্ধান্ত ললে— কেতিয়াও, কোনো-ক্ষণতো সি দেউতাকৰ চিনাকি নিদিয়ে। কেৱল নিজৰ পৰিচয়েই তাৰ বাবে যথেষ্ট। কেৱল নিজৰ পৰিচয়। কাৰো নাম সুমুৱাবলৈ নাই। গাটো তাৰ একপ্ৰকাৰ ঘামি গ'ল। কি কৰি আছে বা দেউতাইতে এতিয়া? সি হাতৰ ঘড়িটোলৈ চালে। ১০ বাজি ২০ মিনিট। ইমান সোনকালে ঘৰত কোনো নোশোৱে। খুব সম্ভৱ ঘৰত

এতিয়ামানে সকলো ভাত খোৱা টেবুলত। মা-দেউতা, দাদা আৰু ভণ্টি। ভণ্টিৰ যে এজমেটিক ট্ৰাবোল আছিল ভাল হ'ল নে বাৰু? কেতিয়াও যে মায়ে তাইক ঠাণ্ডা পানীৰে গা ধুবলৈ নিদিয়ে! জেপৰপৰা ৰুমালখন উলিয়াই মুখখন সি মচি ললে। দেউতাইঁতৰ যে স্কুলখনৰ সেই কিবা খেলিমেলি এটা লাগি আছিল সেইটোবা এতিয়া ঠিক হ'ল নে নাই? এক মুহূৰ্তৰ বাবে সি ৰৈ গ'ল। কি হৈছে? ঘৰখনৰ কথাবোৰ··· নাই। জেপৰপৰা উলিয়াই সি ছিগাৰেট এটা জ্বলালে। দাদাৰ বিয়াখন আৰু মাৰ পচন্দৰ সেই ছোৱালীজনী! কি অসুবিধা আছিল? মাতটো— অ' মাতটো তাইৰ মতা মানুহৰ দৰে ডাঙৰ আছিল। এইটো বছৰতে ভণ্টিয়ে পি· ইউৰ ফাইনেল···। জোৰকৈ সি মূৰটো জোকাৰি দিলে আৰু সন্মুখৰ প্ৰেছবিল্ডিংটোলৈ মূৰ তুলি চালে। ছাইকেল ষ্টেণ্ডটোৰ কাষৰ অন্ধকাৰতে ৰৈ সি ছিগাৰেটটো টানি ললে। হাতৰ ঘড়িত চাৰে দহমান বাজোঁতে সি প্ৰেছত সোমাল। বৰুৱা ছাৰ যাবলৈ বুলি ওলাইছিলেই। তাক দেখি তেওঁ পুনৰ কোঠাত সোমাল আৰু তাক মাতি পঠিয়ালে। সি সোমাই গ'ল। বৰুৱা ছাৰে ক'লে— মই যাওঁগৈ। তোমাৰ ওপৰতে এৰিলোঁ। বাৰমান বজালৈ বাট চাবা। কিবা ইম্পৰটেণ্ট আহিলে মোক ৰিং কৰিবা। মাইণ্ড ইট— যিমান ৰাতিয়েই নহওক। অ' কে'? মূৰ দুপিয়াই সি শলাগিলে। ছাৰ গুচি গ'ল। সি ডেস্কলৈ আহিল। দিনৰ ব্যস্ততাৰ অন্ত ঘটিছে। টেলিপ্ৰিণ্টাৰটো খট খট খটক খট কৰি চলি আছে। নিজৰ ড্ৰয়াৰটো বন্ধ কৰি এছিষ্টেণ্ট এডিটৰ চৌধুৰীও যাবলৈ সাজু হৈছে। সি তেওঁক সুধিলে— প্ৰুফ ৰিডাৰ কোনো নাই?

নাই। শৰ্মা আছিল। গা বেয়া বুলি এইমাত্ৰ ছাৰৰপৰা ছুটি লৈ গ'ল। চিন্তা কৰিবলগা নাই দিয়া। মাত্ৰ আৰু আধা কলমমান নিউজৰহে প্ৰুফ চাবলৈ বাকী। বাকীবোৰ আদায় হ'লেই।

মই দেখোন অকলশৰীয়া হ'লো? তাৰ কথাত চৌধুৰীয়ে হাঁহিলে।— থাকা থাকা। ডেকা ল'ৰাৰ আৰু কি···। চৌধুৰী গুচি গ'ল। এডিটৰিয়েল ডেস্কখনৰ এটা মূৰত অকলশৰে সি বহি ৰ'ল। দিনটোৰ কাকতবোৰৰ এখনৰ পাছত এখনকৈ আটাইবোৰৰ ওপৰতে সি চকু ফুৰালে। উৎকৎ গৰম পৰিছে। চলি থকা ফেনখনৰ বতাহবোৰ গৰম হৈ পৰিছে। কাষৰ মানুহ ঘৰৰপৰা চিৰাচৰিত ঢং ঢং শব্দটো ভাঁহি আহিছে। লিচু গছত বান্ধি থোৱা টিং। বাদুলি খেদিবলৈ ৰচি টানি টানি ঘৰৰপৰা মাজে মাজে কৰা শব্দ ঢং ঢং···। সি উঠিল। টেলিপ্ৰিণ্টাৰটোৰ নিউজবোৰ চালে— কিবা ইম্পৰটেণ্ট আহিছে নেকি? ব্যস্ততাৰে পৰিমল শইকীয়া সোমাই আহিল— আৰু তালৈ চাই সুধিলে— কিবা দিব নেকি? —এতিয়াও একো অহা নাই। খৰধৰকৈ শইকীয়া ওলাই গ'ল। সদা ব্যস্ত মানুহ শইকীয়া! ইতিমধ্যে আধা কলমমান নিউজৰ প্ৰুফ সি চাই দিলে আৰু শইকীয়াক আৰু আধা ঘণ্টামান অপেক্ষা কৰাৰ কথা ক'লে। প্ৰায় চাৰে এঘাৰমান বজাত যি টেলিপ্ৰিণ্টাৰটো চাবলৈ গ'ল। —আকৌ নতুনকৈ তিনিটামাহৰ কাৰণে ছোভিয়েটৰ 'একপাক্ষিক নিৰস্ত্ৰীকৰণৰ সিদ্ধান্ত। টেলিকাষ্ট কৰা নহ'ব বুলি কোৱা পৰহিৰ পাকভাৰত এদিনীয়া ক্ৰিকেট মেচখনৰ টেলিকাষ্ট কৰাৰ সিদ্ধান্ত ঘোষণা আৰু এইটো পি· টি· আইৰ নগাঁৱৰ নিউজ। নগাঁও দেখিয়ে সি চকু ফুৰালে— এক্সপায়াৰড —এইচ·এন·তালুকদাৰ। খৰধৰকৈ সি নিউজটো পঢ়িলে। বহুতসময় তভক মাৰি সি থিয় দি ৰ'ল। তাৰপাছত লাহে লাহে সি ফোন কৰিলে— হেল্লো

ইয়েছ, পি-কে-বৰুৱা স্পিকিং

ছাৰ, মই

অ' তুমি? কিবা আছিল নেকি?

ছাৰ— তাৰ মাতটো কঁপিল।

কোৱা।

ছাৰ, হৰেন্দ্ৰ নাথ তালুকদাৰ ঢুকাইছে ছাৰ।

হৰেন্দ্ৰ তালুকদাৰ— মুক্তি যুজাৰু?

হয় ছাৰ

এটা কাম কৰা। চমু বাতৰি এটা বা দুটা উঠাই নিউজটো চমুৱাই দি দিয়া। ছেপাৰেটলি টুৱেন্টি ফ'ৰ পইণ্টত দিবা। অ'কে'?

হ'ব ছাৰ।

আৰু কিবা আছিল?

ছাৰ। এ-পি-এফৰ নিউজ এটা আছিল। ছোভিয়েট ইউনিয়নে আকৌ তিনিমাহৰ বাবে একপাক্ষিক নিৰস্ত্ৰীকৰণৰ সিদ্ধান্ত ঘোষণা কৰিছে। আৰু ছাৰ পৰহিলৈ হবলগীয়া ক্ৰিকেট মেচখনৰ টেলিকাষ্ট কৰিব ছাৰ।

ইজ ইট? ৰ'বা। এইকেইটা নিউজ ··· ···। কেইমুহূৰ্তমানৰ পাছত তেওঁ মাত লগালে। এটা কাম কৰা। এই চমু নিউজকেইটা উঠাই এই দুটা নিউজকে ছটকৈ দি দিয়া। হৰেন্দ্ৰ তালুকদাৰৰ নিউজটো পাছলৈ থাওক···

ছাৰ

অ'কে'? হ'ব নহয়?

হ'ব ছাৰ। সি ফোনটো থৈ দিলে। তাৰ ভৰিৰ তলৰ পৃথিৱীখন কঁপি উঠা যেন লাগিল। গোটেই দেহটো ঘামত তিতি গ'ল। টেলিপ্ৰিণ্টাৰৰ নিউজৰ টুকুৰাকিটা লুটিয়াই-বগৰাই সি আকৌ চালে। এক্সপায়াৰড·এইচ-এন-তালুকদাৰ। —ৰিনাউনড্ ফ্ৰিডম ফাইটাৰ এইচ-এন-তালুকদাৰ ডাইড এট ৯-৪৫ পি-এম দিছ ইভনিং এট হিজ অউন ৰেছিডেন্স। হি হেজ পাছড হিজ ইউথ ইন ডি জেইল ডিউৰিং দি ফ্ৰিডম ষ্ট্ৰাগল এণ্ড লষ্ট হিজ ৰাইট হেণ্ড টু ডি ব্ৰিটিছ পুলিছ ফৰ হিজ ··· ···। হি হেজ লেফট বিহাইণ্ড হিজ ৱাইফ, এ ডটাৰ এণ্ড টু য়াং ···

টেলিপ্ৰিণ্টাৰৰ নিউজৰ টুকুৰাটো দুহাতেৰে খামুচি সি চিঞৰিলে— —দেউতা, অ' দেউতা ···।





## আঁহতৰ ছাঁ

বীৰেন বৰকটকী

চান্দ সদাগৰৰ ডিঙা
ক'ত বুৰিছিল নেজানো
এতিয়া মন সাগৰত
লাহে লাহে তাৰ স্মৃতিও বুৰিছে
'কমলা কুঁৱৰী মোৰে প্ৰাণেশ্বৰী
পানীবা কিমানে হ'ল'
বুলি সাধু কোৱা
আইতা এতিয়া নিশ্চল
শেতেলিত পৰি থকা আইতাৰ
শিতানৰ অলপ দূৰতে
ঠগাকিখনত থকা
কীৰ্তন, দশম, মহাভাৰতত
ধূলি-বালি পৰিছে
মকৰাই জাল গুঠিছে
ক্ষুদ্ৰ ক্ষুদ্ৰ কীটে
ভিতৰত সহস্ৰ ফুটা কৰিছে
ঠিক যেন কিবা অচিন পোকে
'কুটি কুটি জাল কৰা
আঁহতৰ বুঢ়া পাত কেইখিলাহে।
তামোলৰ সেলেঙি লগোৱা
ৰঙেৰে বোলোৱা ওঁঠৰ
চুমা লবলৈ আইতাৰ কাষলৈ
নাতিনীকেইটা নাহে।
তেওঁলোকৰ গালত পৰা 'কিছ'বোৰত
লিপষ্টিকৰ দাগ।
উদঙীয়া মনবোৰ
ভৰলী, দিচাং, দিখৌৰ পাৰত নাই
দেওপানী বিল অগম্য
তেওঁলোকৰ মনবোৰ ঘূৰিছে
টেমছ, মিছিছিপিৰ পাৰত
বাইকাল হ্ৰদৰ নিৰ্জ্জনত
কেতিয়াবা কেতিয়াবা
কোনোৱে হয়তো শুনিছে
ভলগা, হোৱাংহোৰ কথা
'নিশা' 'দিবা'ৰ কথা
সিও বিৰল।
ডাৱৰৰ নাওখনিৰপৰা
দোকমোকালিতে গাটো তিয়াওঁ বুলি
ওভতনি বিলত নামোতেই
পূৰ্ণিমাৰ জোনটো
বিলে গিলি থোৱাৰ কথা
তেওঁলোকে নেজানে
তেওঁলোকে শুনিছে
জোনটো ৰঙামুৱা খেতিয়ক হৈ
ঢাপৰ বেৰত আউজি থাকে অসমৰ
বুকুতো।

'কামৰদ'লৰপৰা
ডবা কাঁহ বাজি' তেওঁলোকক
সন্ধিয়াই জাননী নিদিয়েহি
লাহে লাহে নুশুনা হ'ব
গাঁৱৰ বাটেদি অহা
ভাগৰুৱা গৰখীয়া স'তে
ঘৰমুৱা গৰুজাকৰ নানান কাহিনী।
হয়তোবা কেতিয়াবা তেওঁলোকক
সন্ধিয়াই অহাৰ বাতৰি দিয়ে
'ক'লা চয়তান' আৰু 'নীলা ডাইনী'ৰ
বীভৎস ভংগীৰে।

স্থিতিৰ শিপাকটা বনছাই কৰা
গছৰ তলত দঁা নাই
আছে চকু মনৰ তৃপ্তিহে
ছাঁত বিশ্ৰাম আছে
বহুযুগ ব্যাপি থকা
লুইতৰ পাৰে পাৰে
পলসুৱা মাটিত গজা
বৰগছ আঁহত তলৰ।



## স্বপ্ন

জয়ন্ত দিহিঙীয়া

অহমিকাৰ চৌফলীয়া ৰ'দত জীৱন্তে দগ্ধ হয়,
মোৰ প্ৰেম।
প্ৰাত্যহিকতাত মূৰ্তমান বিয়াকুল আশা
উন্মুক্ত খিৰিকিৰ উপলব্ধিখিনিয়ে কৈ যায়
এয়া মাথো বিমূৰ্ত হতাশা!
চকুলৈ চোৰাচোঁন, তাত মাথো
দুখৰ কজলা মেঘ,
তেলক'লীয়া ভ্ৰূযোৰত যোৱা নিশাৰ স্বপ্নৰ ভগ্নাৱশেষ!




OKDISCD

ধাৰাবাহিক উপন্যাস

# অনুসন্ধান (দুই)

শীলভদ্ৰ



[ ৫ ]

ৰজত কলিতাই তেওঁক লিখিবলৈ কোৰাত ভৃগু চৌধুৰীয়ে মুখত আপত্তি কৰিলেও মনেমনে ভাল পাইছে। এসময়ত তেওঁ গল্প লিখিছিল। কেইবছৰমান পাছত তেওঁৰ লিখা বন্ধ হ'ল। ইয়াত আচৰিত হ'বলগীয়া একো নাই। লাহেলাহে মানুহৰ লগত তেওঁৰ সম্বন্ধ বিচ্ছিন্ন হৈ গ'ল। তদুপৰি অসমীয়া মানুহৰ জীৱনত বৈচিত্ৰৰ অভাৱ। লিখে নো কোনে? শিক্ষক বা অইন চৰকাৰী চাকৰীয়াল। কিছুদিন পাছত তেওঁলোকে এটা নিৰ্দিষ্ট বৃত্তৰ পৰিধিৰে আৱৰ্তন কৰিবলৈ ধৰে। কেম্পাছৰ বাসগৃহবোৰ যেনেকুৱা একেই ধৰণৰ মানুহবোৰো কিছুদিন একে ধৰণৰ হৈ পৰে। মিষ্টাৰ এক্‌ছ'ৰ জীৱন বৃত্তান্ত লিখি কেৱল 'এক্‌ছ'ৰ ঠাইত ওৱাই' লিখি দিলে সেইখন 'ওৱাই'ৰ জীৱন বৃত্তান্ত হৈ যাব। মানুহৰ লগত স্বাভাৱিক সম্বন্ধৰপৰা বিচ্ছিন্ন হৈ কেৱলমাত্ৰ কাল্পনিক প্যাৰেগিক জগতত বাস কৰি এমিলি ব্ৰ ন্তে এখনহে মাত্ৰ যুগান্তকাৰী উপন্যাস লিখিব পাৰিছে।

দুদিনমান আগত এটা দৃশ্য দেখি ভৃগু চৌধুৰী আতংকিত হৈ উঠিছিল। বাৰান্দাৰ দাঁতিত থিয় হৈ ৰাজ আলিৰ ফালে মুখ কৰি প্ৰতাপ পাঠকে পিচাপ কৰি আছে। অসংখ্য মানুহ বাটেৰে গৈ আছে। চকুত চকু পৰে বুলি চৌধুৰীয়ে মুখখন ঘূৰাই ল'লে। পিছে কোনো প্ৰয়োজন নাছিল। পাঠক সম্পূৰ্ণ উদাসীন। নিজ কাম শেষ কৰি সোঁহাতেৰে জননেন্দ্ৰিয় ধাৰণ কৰি সজোৰে কেইটামান জোকাৰ মাৰি পাঠক নিৰ্বিকাৰভাৱে আকৌ ভিতৰলৈ সোমাই গ'ল। বাটৰ একেবাৰে ওচৰতেই বাৰান্দাখন। মানুহজন পগলা হোৱা হ'লে কথা নাছিল। স্বাভাৱিক মানুহ। ছিটিবাছত উঠি পেনছনৰ টকা আনিবলৈ ট্ৰেজাৰি অফিছলৈ যায়, মোনা লৈ বজাৰ কৰি আহে, ডাকঘৰত চিঠি ৰেজিষ্ট্ৰি কৰিও আহে। মানুহৰ লগত সম্বন্ধ নাথাকিলে এনেকুৱাই হয়। মানুহৰ অস্তিত্বৰ কথাই বোধহয় মানুহে পাহৰি যায়। ভৃগু চৌধুৰীৰ মনত সংশয়ৰ সৃষ্টি হ'ল। তেওঁৰ আঁচৰণবোৰ স্বাভাৱিক হৈ আছে তো?

আগতে চৌধুৰীৰ বিভিন্ন মানুহৰ লগত সম্পৰ্ক আছিল; তেওঁ ঘূৰিও ফুৰিছিল ইচ্ছামতে। ১৯৫৪ চনত একেবাৰে শেষ মুহূৰ্তত তেওঁৰ প্ৰয়াগৰ কুম্ভমেলালৈ যোৱাৰ মন গ'ল। মন গ'ল যেতিয়া আৰু কোনো কথা নাই, তৎক্ষণাৎ যাত্ৰা। কিবা ডেৰশ বছৰ মূৰতহে এনেকুৱা যোগ পৰিছে। পুণ্য অৰ্জন তেওঁৰ উদ্দেশ্য নাছিল। অকল ভাৰতবৰ্ষৰে নহয়, গোটেই পৃথিৱীৰ মানুহ তাত গোট খাব। কিহৰ আকৰ্ষণত? ইমান অমানুষিক কষ্ট স্বীকাৰ কৰি ভালকৈ খোজকাঢ়িব নোৱৰা অশক্ত বুঢ়ীবোৰেও কিহৰ প্ৰেৰণাত কুম্ভমেলালৈ ঢাপলি মেলে? ভৃগু চৌধুৰীৰ মনলৈ এই বুঢ়ীবোৰৰ মনৰ কথা ভৃগু চৌধুৰীয়ে বুজি নাপায়। তেওঁৰ নিজে অংশ গ্ৰহণ কৰি চাবৰ মন গ'ল।

স্নানৰ দিনা এলাহাবাদত উপস্থিত হ'বলৈ হলে হাতত সময় নাই। কলিকতালৈ চৌধুৰী প্লেনত গ'ল। ডাকোটা প্লেনবোৰে কলিকতাৰপৰা মাল কঢ়িয়াই ৰূপসী বিমানকোঠত নামিছিল। উভতি যাওঁতে যথেষ্ট পৰিমাণে মাল নাথাকে। গতিকে কিছুমান আসন ফিট কৰি মানুহ যোৱাৰ ব্যৱস্থা কৰা হৈছিল। নামমাত্ৰ ভাৰা। পিছে আৰাম বিচাৰিলে এই প্লেনত নোযোৱাই উচিত। যিদিনা চৌধুৰী কলিকতালৈ যায় সিদিনা প্লেনত আছিল শুকান মাছৰ বস্তা। কি উৎকট গোন্ধ! অৱশ্যে পঁচিছ টকাত ৰাজকীয় আৰাম বিচাৰিলে কেনেকৈ হ'ব?

কলিকতাত তেওঁ মিচেছ বৰুৱাক লগ ধৰিলে। তেওঁলোকৰ দাৰোৱান ৰামলগন সিঙে অসাধ্য সাধন কৰিব পাৰে। গধূলি ট্ৰেইনৰ টিকটৰ কাৰণে ৰামলগনক খাতিৰ কৰিব লাগিব। মিছেছ বৰুৱাই উৎকণ্ঠা ব্যক্ত কৰিলে।

"তই যে একেবাৰে শেষ সময়ত যাবলৈ ওলাইছ, তাত গৈ থাকিবি ক'ত?"

"থাকিম ক'ৰবাত।"

"ক'ত থাকিবি? মেলাত কিমান মানুহ হ'ব তোৰ কিবা ধাৰণা আছে? মাধৱী তাত আছে নহয়? ৰ, মই মাধৱীলৈ এখন চিঠি দিওঁ। দৰকাৰ হ'লে তাত থাকিব পাৰিবি। একো অসুবিধা নহয়, বিৰাট ঘৰ।"

চৌধুৰীয়ে ক'ত এগৰাকী অচিনাকি মানুহৰ ঘৰত উঠিব? মিছেছ বৰুৱাই বেয়া পাব বুলি তেওঁ চিঠিখন ল'লে। স্নানৰ দিনাহে দুপৰীয়া এলাহাবাদত উপস্থিত হ'ল। হাওড়াত যে তেওঁ কেনেকৈ গাড়ীত উঠিছিল নিজেই ক'ব নোৱাৰে। মানুহৰ ঠেলাহেঁচাত স্বয়ংক্ৰিয়ভাৱে গাড়ীৰ ভিতৰত সোমাই গ'ল। জনসমুদ্ৰ। প্ৰতিটো ষ্টেশ্যনতে সেই উত্তাল জনসমুদ্ৰ, অন্ধ আৰু বধিৰ। কোনোবাই ভৰিৰ গচকত থেতেলা হৈ আৰ্তনাদ কৰিলেও কোনেও মানুহজনক নেদেখে আৰু তাৰ চিঞৰো নুশুনে। পাহাৰ নাই, নদী নাই, প্ৰাকৃতিক কোনো দৃশ্যই চকুত নপৰে। কেৱল মানুহ আৰু মানুহ। মানুহৰ সোঁত। মানুহৰ সোঁত নহয়, মনুষ্য পিণ্ড। কাৰো হাত নাই, ভৰি নাই, চকু কাণ নাই, সকলোবোৰ লগ লাগি একাকাৰ হৈ গৈছে। জাতিবাচক বিশেষ্য।

গংগাৰ ওপৰত কেইবাখনো অস্থায়ী দলং সাজি দিয়া হৈছিল। তাৰে এখনেৰে পাৰ হৈ চৌধুৰীয়ে মেলাৰ ঠাইলৈ যাত্ৰা কৰিলে। আহিছে যেতিয়া সংগমত গাটো ধুই লোৱাই ভাল। গংগা, যমুনা আৰু সৰস্বতীৰ সংগমস্থল। সৰস্বতীক দেখা নাযায়, অদৃশ্যভাৱে মাটিৰ তলেৰে আহি হেনো ইয়াত মিলিত হৈছে।

"ইধৰ কাহা যাতা?"

এজন বুঢ়া মানুহে তেওঁক প্ৰশ্ন কৰিছে

"ক'ত গা ধুব লাগে চাওঁ।"

"মৰাৰ মতলব? ৰাতিপুৱা ভৰিৰ গচকত কিমান মানুহ মৰিছে খবৰ ৰাখা? ঘাট সিফালে, তুমি এৰি থৈ আহিলা। ঘাটৰ ফালে নাযাবা, অসম্ভৱ পিছল হৈ আছে। এবাৰ পিছল খাই পৰিলে ৰক্ষা নাই। তৎক্ষণাৎ মানুহে গচকি শেষ কৰি দিব। ভাৰতৰ মানুহে লাভৰ কাৰণে যিকোনো পাপ কাম কৰিব পাৰে। গা ধুলে পুণ্য হ'ব, পুণ্য। তোমাৰো পুণ্য কৰাৰ ইচ্ছা নেকি?'

"ঠিক পুণ্য কৰাৰ ইচ্ছা নহয়। ইনানবোৰ মানুহে গা ধুই আছে, গা ধুলে মনত বেলেগ কিবা ভাব হয় নেকি তাকেই চাব খুজিছোঁ।"

"চোৱা।"

পিছে ইতিমধ্যে সামগ্ৰিক ইচ্ছাৰ পৰা তেওঁৰ ইচ্ছাটো বিচ্ছিন্ন হৈ পৰিছে। উধাতু খাই গা ধোৱাৰ কাৰণে যিদৰে লৰি গৈ আছিল তাৰ কোনো মানে নাই বুলি তেওঁ বুজি পালে।

তিল ধাৰণৰ ঠাই নাই। হোটেল, তম্বু ক'তো ঠাই নাই। বাটতো ভৰি দিয়াৰ ঠাই নাই। প্ৰাকৃতিক প্ৰয়োজন সমাধা কৰা তো দূৰৰ কথা ক'ৰবাত বহি যে তেওঁ অলপ জিৰণি ল'ব তাৰো উপায় নাই। বুঢ়াজনৰ নিৰ্দেশমতে তেওঁ অন্নপূৰ্ণা কেফেটেৰিয়াত কিবা অলপ খাই ল'লে। তাতো সেই একেই ভিৰ।

গধূলি হ'বৰ হ'ল। ক'ত থাকিব, কি কৰিব? ক্ৰমাগত এনেকৈ ঘূৰি থাকিব নোৱাৰি। মিছেছ বৰুৱাই মাধৱী দেৱীলৈ চিঠি দিছে। সেইবুলি এগৰাকী অপৰিচিতা মহিলাৰ ওচৰলৈ গৈ তো দাবী কৰিব নোৱাৰি— "এইয়া, মিছেছ বৰুৱাই আপোনালৈ এইখন চিঠি দিছে, গতিকে মোৰ থকা-খোৱাৰ ব্যৱস্থা কৰি দিয়ক।" মেলা উপলক্ষে আৰু বা কিমান মানুহ তেওঁৰ ঘৰত আছে? পিছে উপায়তো নাই। চৌধুৰীয়ে অনিচ্ছা সত্ত্বেও মাধৱী দেৱীৰ ঘৰৰ পিনে যাবলৈ ধৰিলে। ঠাই-ডোখৰৰ নামটো এতিয়া তেওঁৰ মনত নাই। কোনোবা চাহাবৰ নামেৰে নাম। ডেল্টনগঞ্জ নে হেমিল্টনগঞ্জ, এই ধৰণৰ নাম।

এই ঘটনাটোৰ তাৎপৰ্য নথকা নহয়। মাধৱী দেবী অতি ব্যক্তিত্বসম্পন্ন মহিলা। দেখিলেই মনত স্বয়ংক্ৰিয়ভাৱে শ্ৰদ্ধাৰ উদয় হয়।

"নমিতা যখন চিঠি দিয়েছে তখন তো আৰ না বলতে পাৰি না। এসো।"

চৌধুৰীয়ে অলপ থতমত খাই গ'ল। মাধৱী দেৱী অসমৰ এক প্ৰাতঃস্মৰণীয় মানুহৰ পৰিয়ালৰ বোৱাৰী। অসম আৰু অসমীয়াৰ কাৰণে তেখেতৰ অৱদান চিৰস্মৰণীয়। অসমৰপৰা আহিছে বুলি জানিও মাধৱী দেবীয়ে তেওঁৰ লগত অসমীয়াত কথা নাপাতিলে কিয়? পিছে তেওঁ চৌধুৰীৰ লগত ইমান ভাল ব্যৱহাৰ কৰিছিল যে তেওঁৰ কথা মনত পৰিলে আজিও চৌধুৰীৰ মনত শ্ৰদ্ধা উপজে। তেতিয়া তেওঁ এইটো ভাল পোৱা নাছিল যে মাধৱী দেৱীৰ ল'ৰা-ছোৱালীয়ে একাষাৰ অসমীয়া কথা কব নোৱাৰে। ল'ৰাজন খুব বুদ্ধিমান, তেওঁ এলাহাবাদ বিশ্ববিদ্যালয়ত এম. এ পঢ়ি আছিল। ছোৱালীজনী স্কুলৰ ছাত্ৰী খুব ভদ্ৰ আৰু মৰমলগা।

চৌধুৰীয়ে থাকিবলৈ পাইছে, গা-পা ধোৱা ইত্যাদিৰ সুবিধা পাইছে, এয়েই যথেষ্ট। খোৱাবোৱা তেওঁ বাহিৰতে কৰিব বুলি ঠিক কৰিছিল। অন্নপূৰ্ণা কেফেটেৰিয়া তো আছেই। মাধৱী দেৱীয়ে ৰাতিপুৱাই তেওঁক আগচি ধৰিলে।

"নোখোৱাকৈ ক'লৈ ওলাই যোৱা? দিনটো টলো-টলোকৈ ঘূৰি ফুৰিবা। ভাতকেইটা খাই যোৱা। সংকোচৰ একো নাই। নমিতাৰ ভাগিন যেতিয়া তুমি মোৰো ভাগিন।"





OKDISCD

চিনাজনা নাই, কি মানুহ কেনেকুৱা মানুহ একোৱেই নাজানে। মিছেছ বৰুৱাই কিবা একাষাৰ লিখি দিছে বুলিয়েই চৌধুৰীক তেওঁ ঘৰৰ ল'ৰাৰ দৰে ব্যৱহাৰ কৰিছে। "নমিতাৰ ভাগিন যেতিয়া তুমি মোৰো ভাগিন।"

তেওঁৰ সৌভাগ্য যে তেওঁ সঁচাকৈ ভাল বঙলাভাষী মানুহ কিছুমানৰ সংস্পৰ্শলৈ আহিছে। ভাষাৰ ব্যৱধানে অন্তৰৰ যোগাযোগ ব্যাহত কৰিবপৰা নাই। সম্প্ৰদায় হিচাপে বঙালীক বেয়া পাবলৈ তেওঁ টান পায়। সেইকাৰণে উগ্ৰ জাতীয়তাবাদী কিছুমানে তেওঁক সন্দেহৰ চকুৰে চায়।

[৬]

ভৃগু চৌধুৰী ৰাতিপুৱা বজাৰৰ ফালে গৈছিল। বাটত শৈলেন বৰুৱাক লগ পাই মাত দিলে।

"ক'লৈ যায়, বৰুৱা ?"

নেদেখাৰ বা নুশুনাৰ কোনো কাৰণ নাই। কোনো সঁহাৰি নিদিয়াকৈ বৰুৱা গৈ থাকিল। চৌধুৰী অপ্ৰস্তুত হ'ল। বৰুৱা মানুহজন কেতিয়া কি মেজাজত থাকে কোৱা টান। ঘৰৰ ওচৰতে থাকে। উপযাচি চৌধুৰীৰ ঘৰলৈ আহি মাত লগাই গৈছে।

"আপুনিয়েই সেই বিখ্যাত লেখক বাৎসায়ন ? সিদিনাহে গম পালো। পৰ্বত মহম্মদৰ ওচৰলৈ নগলে, মহম্মদেই পৰ্বতৰ ওচৰলৈ যাব।'

বেচ আড্ডাবাজ মানুহ। ৰাজনীতি সমাজনীতি সকলো তেওঁৰ নখদৰ্পনত। ৰাজীব গান্ধীৰ ভুল কোনখিনিত চৌধুৰীক তেওঁ ধুনীয়াকৈ বুজাই দিলে।

শৈলেন বৰুৱাই অতীতক পাহৰি থাকিব পাৰে কিন্তু অতীতক অস্বীকাৰ কৰিব নোৱাৰে। দোলক ইমূৰৰপৰা সিমূৰলৈ গৈ থাকে। এক বিস্মৃত অতীতৰ ঘটনা, পিছে ঘটনাটোৱে তেওঁৰ মনত যি আলোড়নৰ সৃষ্টি কৰিছিল এতিয়াও সেই আলোড়ন মাৰ যোৱা নাই। কেতিয়াবা তেওঁৰ ধাৰণা হয় যে তেওঁ এটা অতি জঘন্য কাম কৰিছে। এই ক্ষেত্ৰত তেওঁ অস্থিৰ হৈ পৰে। আকৌ কেতিয়াবা তেওঁৰ ধাৰণা হয় যে এইটো এটা অতি সাধাৰণ ঘটনা। এনেকুৱা ক্ষেত্ৰত তেওঁ স্বাভাৱিক হৈ পৰে। হাঁহি মাতি মানুহৰ লগত সহজভাৱে কথা পাতে।

তেওঁৰ ভাব হ'ল যেন তেওঁৰ গোটেই গাত কোনোবাই তৰল মলি লেপি দিছে। নিজৰ ক্লেদাক্ত শৰীৰৰ ফালে চাই নিজেই ঘৃণাত শিয়ৰি উঠিল। সোঁসোঁৱাই অহা উন্মত্ত বানপানীৰ আগত সকলো বাধানিষেধ সমূলে উৎপাটিত হৈ ক'ৰবালৈ ভাহি গ'ল। বানপানী আঁতৰি গৈছে, কিন্তু এই উন্মত্ত বানপানীয়ে সৃষ্টি কৰা ধ্বংসস্তুপৰ ফালে তেওঁ আতংকিত হৈ চাই ৰ'ল। তেওঁ ৰুণুবৌৰ ফালে চালে। নিশ্চিন্তভাৱে শুই আছে, যেন একোৱেই হোৱা নাই। বৰুৱাই ঘৃণাৰ দৃষ্টিৰে তেওঁৰ ফালে চালে। তেওঁৰ স্বামী সেইটো কোঠাত আছে, হয়তো টোপনি গৈছে। পিছে টোপনি আহিব পাৰে জানো ? তেওঁৰ মনত কি কোনো সন্দেহৰ উদয় হোৱা নাই ? দেৱতা নে পাথৰৰ মূৰ্তি ?

বৰুৱাই ঘড়িটো চালে। এক বাজি গৈছে। তেওঁ ৰুণুবৌক ঠেলি দিলে।

"ৰাতি পুৱাবৰ হ'ল। নোযোৱা ?"

"যাওঁ।"

"যোৱাহে। কি ভাবিব ?"

"একো নাভাবে। তোমাৰ লগত আড্ডা মাৰি আছোঁ। কি আৰু ভাবিব ? শুলে নিশ্চয়।"

তেওঁ বৰুৱাৰ ওচৰ চাপি আহিল। অলপ স্থিৰ হৈ চিন্তা কৰিব পৰাৰ আগতেই বৰুৱা আকৌ বানপানীত উটি গ'ল। তেওঁৰ অতীত ভৱিষ্যত আনকি তেওঁৰ অস্তিত্ব পৰ্যন্ত সোঁতৰ মুখত ভাহি গ'ল।

ৰাতিপুৱা শৈলেনে মহেশদাৰ মুখৰ ফালে চকু তুলি চাব নোৱৰা হ'ল। কোনো ৰকমে পলাব পাৰিলে ৰক্ষা পৰে। ৰুণুবৌ নিৰ্বিকাৰ, শৈলেনৰ লগত ধেমেলীয়া সুৰত কথা পাতিছে, কিবা কথাত মহেশদাকো জোকাই আছে। মহেশদাই কি সঁচাকৈ একো বুজি নাপায় ? দেৱতা নে পাথৰৰ মূৰ্তি ? তেওঁৰ সমুখৰপৰা আঁতৰি যোৱাৰ কাৰণে শৈলেন ব্যস্ত হৈ উঠিল।

"বেগ-ছেগ লৈ কলৈ ওলাইছা ?"

"অফিছৰ কামখিনি কৰি বাহিৰে বাহিৰে যাম গৈ।"

"হব জানো আজি অফিছৰ কাম ?"

"হব।"

ৰুণুবৌয়ে মাত দিলে।

"আজি থাকি যাবা। কিহৰ ইমান লৰালৰি ?" শৈলেনে একো নামাতিলে। ইয়ালৈ আৰু তেওঁ নাহে। কাম নহ'লে হোটেলত থাকিব। তেওঁৰ চৰিত্ৰ নিৰ্মল নহয়। পিছে অইনবোৰ ঘটনা বেলেগ আৰু এইটো ঘটনা বেলেগ।

শৈলেনৰ কাম হৈ গ'ল। হৈ গ'ল মানে নহ'ল। ছেক্ৰেটেৰি দিল্লীলৈ গৈছে। সাতদিন পাছতহে আহিব। তদুপৰি অৰ্ডাৰ হৈ আছে, ছেক্ৰেটেৰি আহিলেই হ'ব। তেওঁৰ থকাৰ প্ৰয়োজন নাই। তেওঁ ঘৰলৈ উভতি যাবলৈ ওলাল।

নিজৰ লগত যুদ্ধ কৰি শৈলেন পৰাভূত। মহেশদাই আচৰিত হৈ সুধিলে, "তই, ইমান ৰাতিখন ?"

"ৰুণুবৌ ক'ত ?"

"ৰুণু ? ৰুণুতো নাই ?"

শৈলেনে দুৱাৰৰ কাঠত ধৰি নিজকে চম্ভালি ল'লে। তেওঁ দৃষ্টি কেন্দ্ৰীভূত কৰি মহেশদাৰ মুখৰ ফালে চোৱাৰ চেষ্টা কৰিলে। কি দেখিছে কি কৈছে একোকে কব নোৱাৰে।

"নাই ? ক'লৈ গৈছে ?"

"আবেলি বায়েক আহিছিল, তেওঁৰ লগত গ'ল। ৰাতিটো তাতেই থাকিব। বহুতদিন যোৱা নাই। আহ, ভিতৰলৈ আহ। তই আহিবি বুলি কৈছে। ভাত বাঢ়ি থোৱা আছে। একো অসুবিধা নহয়।"

শৈলেনৰ মগজুত এটা বিস্ফোৰণ ঘটিল। ধোঁৱা আৰু ধোঁৱা, ধোঁৱাৰ-কুণ্ডলী। একো নোকোৱাকৈ হঠাতে তেওঁ উভতি যাবলৈ আৰম্ভ কৰিলে।

"এই, শুন।"

তেওঁ ইতিমধ্যে অদৃশ্য হৈ গৈছে। এই আকস্মিক ঘটনা এটাই শৈলেন বৰুৱাৰ জীৱনৰ আকাৰ সলনি কৰি দিলে। একেই নাম আৰু একেই পৰিচয় লৈ ঘূৰি ফুৰিলেও তেওঁ এজন বেলেগ মানুহত পৰিণত হ'ল। এক অপ্ৰতিৰোধ্য আকৰ্ষণ আৰু লগতে নিজৰ প্ৰতি এক তীব্ৰ ঘৃণা। ইমান দিনৰ মূৰতো সিদিনাৰ প্ৰতিটো অংগৰ স্পৰ্শ আকৌ তেওঁ স্পষ্টকৈ অনুভৱ কৰে। মনৰ শীততাপ নিয়ন্ত্ৰিত কোঠাত সযতনে ৰাখি দিয়া হৈছে। সকলো অনুভূতি অবিকৃত হৈ আছে।

ৰুণুবৌৱে ঘটনাটোৰ কথা পাহৰি গৈছে। যেন কেতিয়াবা অলস মুহূৰ্তত পঢ়া আকৰ্ষণীয় চুটি গল্প এটাহে।

শৈলেন বৰুৱাই আকৌ ৰুণুবৌৰ লগত যোগাযোগ কৰাৰ চেষ্টা কৰিলে, কিন্তু নোৱাৰিলে। এদিন তেওঁ ৰুণুবৌক অকলে লগ পালে।

"আৰে, আৰে, কি খবৰ তোমাৰ ?"

সেই একেখৰণৰ মোহিনী ৰূপ। উত্তেজনাত বৰুৱাৰ বুকুখন এনেকৈ টিপটিপাবলৈ ধৰিলে যে তেওঁ কথা কবলৈ টান পালে। উশাহ বন্ধ হৈ মৰিবলৈ ওলোৱা মানুহৰ দৰে তেওঁ ৰুণুবৌৰ ফালে হাতখন বঢ়াই দিলে। গভীৰ বিতৃষ্ণাত ৰুণুবৌ পিছুৱাই গ'ল। আৰু এখোজ আগবাঢ়িলে তেওঁ যেন চিঞৰি উঠিব।

তাৰ পাছত শৈলেনে ৰুণুবৌক লগ পোৱাৰ চেষ্টা কৰা নাই। বহুদিনৰ মূৰত আকৌ এবাৰ ৰুণুবৌক লগ ধৰিছিল। পকা চুলিৰ সৈতে ৰুণুদেৱী তেতিয়া এগৰাকী সম্ভ্ৰান্ত মহিলা। এজনী নামথকা সমাজকৰ্মী, ৰাজনৈতিক প্ৰতিপত্তি নথকাও নহয়। বাৰেবাৰে সতৰ্ক কৰি দিয়া সত্ত্বেও বৰুৱা অফিছলৈ নাযায়, একো কামকে নকৰে। বিৰক্ত হৈ কৰ্তৃপক্ষই তেওঁক হাফলংলৈ বদলি কৰি দিলে। বদলিৰ অৰ্ডাৰ ৰদ কৰাৰ আবেদন লৈ তেওঁ ৰুণুদেৱীক লগ ধৰিলে।

"আৰে শৈলেন, ক'ৰ পৰা ?"

কব নোৱৰাকৈ শৈলেনে তেওঁক আপুনি বুলি সম্বোধন কৰিলে।

"আপোনাক লগ পাবলৈ আহিছোঁ।"

শৈলেনৰ কথা শুনি তেওঁ ক'লে, "চাওঁ বাৰু, কিবা কৰিব পাৰোঁ নেকি। যোৱাৰ আপত্তি কাৰ ? তোমাৰ নে তোমাৰ পৰিবাৰৰ ?"

শৈলেনে বিয়া কৰোৱা নাই বুলি তেওঁক নকলে। নিজকে যথেষ্ট লঘু কৰা হৈছে। আৰু নালাগে।

শৈলেন বৰুৱাৰ নিজৰ ওপৰত খং উঠি গ'ল। কি কৰা উচিত আৰু কি কৰা উচিত নহয়, সেই সম্বন্ধে তেওঁৰ স্পষ্ট ধাৰণা আছে, কিন্তু কামৰ সময়ত সেইবোৰ চিন্তা ক'ৰবাত থাকে। মনৰ জোৰ অলপো নাই। বদলি ৰদ কৰাৰ কাৰণে ৰুণুদেৱীৰ ভৰিত লুটি খাই পৰিব লাগে নে ? ছি:। নিজৰ ওপৰত তেওঁৰ খং উঠি গ'ল। ভৃগু চৌধুৰীয়ে মাত দিয়াত তেওঁ শূন্য দৃষ্টিৰে চৌধুৰীৰ ফালে চালে। উত্তৰ দিয়াৰ কথা মনতেই নপৰিল।

[৭]

মুখেৰে আপত্তি জনালেও ভৃগু চৌধুৰীয়ে উপন্যাস এখন লিখাৰ প্ৰস্তাৱটো উলাই কৰিব পৰা নাই। কি লৈ লিখিব যোৱা কেইদিনমান ধৰি তেওঁ তাকেই চিন্তা কৰি আছে। ভৌতিক আৰু মানসিকভাৱে এটা সীমিত পৰিবেশৰ মাজত তেওঁৰ বিচৰণ। কাহিনী এটা বিচাৰিবলৈ গৈ এই কথাষাৰ তেওঁ আৰু বেছি স্পষ্টকৈ উপলব্ধি কৰিলে। কিছুমান নিৰ্দিষ্ট মানুহ আৰু নিৰ্দিষ্ট ঘটনাৰ লগতহে তেওঁৰ পৰিচয়। তাৰেই ক্লান্তিকৰ বিভিন্ন বিন্যাস। এহাল ল'ৰা-ছোৱালী প্ৰেমত পৰিল। ভিন্ন-জাতি, ভিন্ন ধৰ্ম, ভিন্ন সামাজিক পৰিবেশ। ব্যৰ্থ প্ৰেম ? নায়ক-নায়িকাৰ কোনোবা এজন আত্মঘাতী হ'ব পাৰে, কোনোবা এজনে স্মৃতিক সম্বল কৰি গোটেই জীৱন অকলশৰীয়াহৈ থাকিব পাৰে। লেখকজন যদি সহানুভূতিশীল হয় তেনেহ'লে তেওঁ নায়ক-নায়িকাক সকলো বাধা-বিপত্তিক তুচ্ছ কৰিবলৈ উদগণিও দিব পাৰে।

পিছে জীৱনত ঘটনাবোৰ ইমান সহজ নহয়। ভৃগু চৌধুৰীয়ে নীলাক ভাল পাইছিলনে ? নে এইটো সংজ্ঞা দিব নোৱৰা অনুভূতি এটাৰ অস্পষ্ট প্ৰতীক ? অন্ততঃ নীলাক দেখিলে তেওঁ মুগ্ধ হৈ গৈছিল। ওচৰলৈ আহিলে পুলকত গোটেই শৰীৰ ৰোমাঞ্চিত হৈ উঠিছিল। অনৈসৰ্গিক সৌন্দৰ্যৰ সমুখত মুগ্ধ বিস্ময়ৰ ভাব। চেহ্‌নাইত বিছমিল্লা খাঁৰ দাদ্‌ৰা শুনিলে চমজদাৰ এজনৰ মনত কেনেকুৱা ভাৱৰনো উদয় হয় ? ইমান কোমল, ইমান সূক্ষ্ম ! ইন্দ্ৰিয়-গ্ৰাহ্য ঐহিক বন্ধনৰপৰা মুক্ত হৈ মনটো যেন বেলেগ জগতৰ সীমান্তত উপনীত হয়গৈ। আৰু অলপ সংকেত আৰু অলপ নিৰ্দেশ পালেই যেন পাখি মেলি সীমান্ত অতিক্ৰম কৰি যাব। কিন্তু এইটো আৰু হৈ নুঠে। সেই-কাৰণে লগতে মনত এটা বিষাদৰ ভাৱো উদয় হয়।

নাই, নীলাৰ কথালৈ গল্প লিখিব নোৱাৰি। প্ৰেমৰ গল্পবো কিছুমান চিৰাচৰিত নিয়ম আছে। প্ৰথম যৌৱনত কোনোবা এজনী ছোৱালীয়ে কাৰোবাৰ মনত এক অনৈসৰ্গিক মাধুৰ্যৰ সৃষ্টি কৰিছিল, সেই বুলি এইলৈতো এটা গল্প লিখিব নোৱাৰি ! গঁগাৰ ঘটনালৈ গল্প হ'ব পাৰে ; কিন্তু এইটোলৈ নহয়। নীলাক যে তেওঁ বিয়া কৰাব এই কথা ভৃগু চৌধুৰীয়ে কেতিয়াও ভবা নাছিল। ইয়াৰ কাৰণ এইটো নহয় যে তেওঁ ভিন্ন স্তৰৰ মানুহ, এইটোও নহয় যে নীলা তেওঁতকৈ দুই-তিনি বছৰমানে ডাঙৰ। দূৰৰপৰা নীলাক দেখি মুগ্ধ হোৱাৰ প্ৰৰি-প্ৰেক্ষিতত এইবোৰ কথাৰ কোনো প্ৰাসংগিকতা নাই।

"মই তোমাক ভাল পাওঁ।" চৌধুৰীয়ে নীলাক এই বুলি কেতিয়াও ক'ব নোৱাৰিলে হয়। এই শব্দবোৰ

ইমান তুচ্ছ আৰু অৰ্থহীন। হাস্যকৰ বচন।

শৰৎ কালৰ দোকমোকালিত আপুনি বাহিৰলৈ ওলাই আহিছে নে? বেলিটো তেতিয়াও ওলাই অহা নাই। পূব আকাশত বিভিন্ন ৰঙৰ বৈচিত্ৰময় সম্ভাৰ। আন্ধাৰ আঁতৰি যাবলৈ ধৰিছে; কিন্তু দৃশ্যবোৰ তেতিয়াও স্পষ্টকৈ ফুটি উঠা নাই। প্ৰতিটো দৃশ্যত এক ৰহস্যৰ আৱৰণ। গছ এজোপাৰ ঠাল-ঠেঙুলিবোৰেও তেতিয়ালৈকে নিজৰ বিশিষ্ট সত্তা আহৰণ কৰা নাই। সকলোবোৰেই পাৰিপাৰ্শ্বিকতাৰ লগত সানমিহলি হৈ আছে। শেৱালিৰ গোন্ধৰ লগত মিহলি হৈ উষাই আপোনাৰ মনত এক অনৈসৰ্গিক ভাবৰ সৃষ্টি কৰিব পাৰে। সেই বুলিতো আপুনি উষাক বিয়া কৰোৱাৰ কথা ভাবিব নোৱাৰে।

অসংখ্য ৰঙৰ বৈচিত্ৰময় খেলা নিৰ্দেশ কৰিবলৈ মানুহে থোৰতে একেটা শব্দকে ব্যৱহাৰ কৰে। নীলাৰ প্ৰতি চৌধুৰীৰ মনোভাবক প্ৰেম বুলি ক'ব নোৱাৰি, অন্ততঃ প্ৰচলিত অৰ্থত ক'ব নোৱাৰি।

পৰিবাৰৰ মাত শুনি চৌধুৰী বৰ্তমানলৈ উভতি আহিল।

"টেবুলত তোমাৰ ভাত ঢাকি থৈছোঁ। তুমি খাই লবা, মই অলপ বাগৰ দিওঁ।"

"কিয়, কি হৈছে?"

"গাটো ভাল লগা নাই, মূৰটোও কিবা টিংটিঙাই আছে।"

নীলাৰ স্মৃতিয়ে চৌধুৰীৰ পৰিবাৰৰ প্ৰতি থকা প্ৰেম আৰু প্ৰীতিক ক্ষুণ্ণ কৰিবপৰা নাই। বয়সৰ লগে লগে তেওঁৰ পৰিবাৰৰ শৰীৰ ভাগি পৰিছে। সেই কাৰণে তেওঁৰ খং; অইনৰ ওপৰত নহয়, নিজৰ ওপৰতে। অসুস্থ হৈ চৌধুৰীৰ অসুবিধাৰ সৃষ্টি কৰিছে বুলি নিজৰ ওপৰতেই খং।

চৌধুৰীৰ পৰিবাৰ শুই আছে। টোপনি গৈছে নে এনেয়ে শুই আছে কোৱা টান। খিৰিকিৰে দুই চাৰিটা বৰষুণৰ টোপাল আহি বিছনাত পৰিছে। চৌধুৰীয়ে সন্তৰ্পনে খিৰিকিখন বন্ধ কৰি দিলে।

তেওঁ পৰিবাৰৰ ফালে চালে। বয়সে মুখখন ভালকৈ আঁচুৰিছে। চকুৰ তলত গভীৰ ক'লা দাগ। মুখৰ অইন অংশতো ক'লা ক'লা দাগ। মুখৰপৰা পিছলি দৃষ্টি ভৰিৰ ফালে গ'ল। ভৰিহালখন এতিয়াও বহুতো কম বয়সীয়া মহিলাৰ ভৰি যেন দেখা হৈ আছে। ত্বক এতিয়াও মসৃণ আৰু ৰঙচুৱা হৈ আছে।

গভীৰ মৰমেৰে চৌধুৰীৰ মনটো প্লাৱিত হৈ গ'ল। ঘাত প্ৰতিঘাতময় জীৱনত বহুতো উত্থান আৰু পতনৰ মাজেৰে, চৌধুৰীৰ পৰিবাৰ ছাঁৰ দৰে সদায় চৌধুৰীৰ কাষতেই বৈ আছে।

প্ৰথম জীৱনত ভৃগু চৌধুৰী বহুতো দুখ-কষ্টৰ মাজত আছিল। প্ৰৱক্তাৰ সামান্য দৰমহা! ভায়েকৰ পঢ়াৰ খৰচ দি, ঘৰলৈ অলপ পঠিয়াই হাতত একো নাথাকেই। এবাৰ কেম্পাছত তেওঁ থকা ঘৰৰ চোতালত নিজে নিজে লাওগছ হৈ তাত অজস্ৰ লাও লাগিছিল। দিনৰ পাছত দিন কেৱল লাওৰ আঞ্জা আৰু ভাত। ডাল-দৰিদ্ৰ এজনেও এনেকুৱা খাদ্য নাখায়।

সেই দিনবোৰ পাৰহৈ গৈছে, কিন্তু অভ্যাস ৰৈ গৈছে। বিনা দ্বিধায় অইন সকলোৰে কাৰণে খৰচ কৰিব পাৰে, কিন্তু নিজৰ কাৰণে খৰচ কৰিবলৈ চৌধুৰীয়ে বৰ টান পায়।

ক'ৰবালৈ যাবলৈ ওলালে তেওঁৰ পৰিবাৰে তেওঁক কয়, "ভিৰৰ মাজত ছিটিবাছত ঠেলাহেঁচা কৰিবলৈ নাযাবা, ৰিক্‌চা-ফিক্‌চা এখন লৈ যাবা।"

"হ'ব, হ'ব, চিন্তা কৰিব নালাগে।"

পিছে তেওঁ নোৱাৰে। ছিটি বাছত পঞ্চাছ পইচা, আৰু ৰিক্‌চা এখন ল'লে কমেও পাঁচ টকা লাগিব। চৌধুৰী ছিটিবাছ ৰোৱা ঠাইত ৰৈ থাকে। প্ৰতিখন বাছ ভৰ্তি, তিল ধাৰণৰ ঠাই নাই। বুঢ়া মানুহ বুলি কোনেও খাতিৰ নকৰে। উপায়ো নাই আৰু আশা কৰাও ভুল। কিন্তু এখন আসনৰ ওচৰত থিয় হৈ থকা অৱস্থাত আসনখন খালী হ'লে স্কুল-কলেজত পঢ়া ল'ৰা এজনে যেতিয়া দূৰৰপৰা খেদি আহি চৌধুৰীক কিলাকুটিৰে ঠেলামাৰি আসনখন দখল কৰে তেতিয়া তেওঁ অলপ অস্বস্তি বোধ কৰে। তেওঁ নিজে বহিব পৰা নাই কাৰণে নহয়, মুঠেই নহয়। তথাপিও এক অজ্ঞাত আতংকত তেওঁ আতংকিত হৈ উঠে।

"বাবা, বহক।"

তেওঁ মন কৰা নাছিল, কামিজৰ হাতত ধৰি টনাতহে তেওঁ লক্ষ্য কৰিলে। এজন মানুহে থিয় হৈ তেওঁক বহিবলৈ কৈছে। মানুহজনক দেখাত নেপালী মানুহ যেন লাগিল। বয়সো একেবাৰে কম নহয়, চল্লিছৰ ঘৰত।

"তুমি নামিবা নেকি?"

"নাই, নানামো। বহকচোন আপুনি।"

আচহুৱা ঘটনা। চৌধুৰীয়ে অস্বস্তি বোধ কৰিবলৈ ধৰিলে।

"তুমি আমাৰ ছাত্ৰ আছিলা নেকি?"

"নাই, নাই। সেইবোৰ একো নহয়।"

"তেনেহ'লে?"

সৰুসুৱা ঘটনায়ো চৌধুৰীক চঞ্চল কৰি তোলে। তেওঁৰ মনটো ভাল লাগি গ'ল; তেওঁ এটা পৱিত্ৰতাৰ স্পৰ্শ অনুভৱ কৰিলে।

চৌধুৰীয়ে যে বুজি নাপায় এইটো নহয়। এতিয়া এই কৃচ্ছ্ৰ সাধনাৰ কোনো প্ৰয়োজন নাই। এটা অনুভূতিয়ে আন এটা অনুভূতিক টানি আনে। সচ্ছলতাৰ কথা উপলব্ধি কৰাৰ লগে লগে তেওঁৰ মাকৰ কথা মনত পৰে। মনটো বেদনাৰ্ত হৈ উঠে। কোনো দিনাই অপ্ৰয়োজনীয় বস্তু এটা তেওঁৰ হাতত তুলি দিব পৰা নাই। চাউল, দাইল আৰু নিমখ, অতি লাগতিয়াল বস্তু। পাছত এই লাগতিয়াল বস্তুবোৰৰ বাহিৰেওতো তেওঁ খৰচ কৰিব পৰা হৈছিল। মাকৰ তীৰ্থদৰ্শন কৰাৰ বৰ হাবিয়াস আছিল।

৫৭ পৃষ্ঠাত চাওক





# ব্যৱসায়ী থিয়েটাৰৰ গতি-প্ৰকৃতি আৰু অসমৰ ভ্ৰাম্যমান থিয়েটাৰ

যোগেন চেতিয়া

অসমৰ বৰ্তমান ব্যৱসায়ী তথা ভ্ৰাম্যমান নাট্যগোষ্ঠী সমূহৰ অভ্যুদয় অসমৰ সাংস্কৃতিক ক্ষেত্ৰৰ এক উল্লেখযোগ্য অভিলেখ। এই নাট্যগোষ্ঠীসমূহৰ নাট্যাভিনয়ে নগৰে-চহৰে— বিশেষকৈ শীতকালত এক আলোড়নৰ সৃষ্টি কৰে। ব্যৱসায়িক ভিত্তিত গঠিত হোৱা এই নাট্যদলসমূহৰ অভিনয় উপভোগ কৰিবলৈ যথেষ্ট সংখ্যক দৰ্শকৰ সমাগম হয়। গতিকে এই দলসমূহৰ নাট্যাভিনয়ে জনমানসত এক ভাব-মূৰ্তি গঢ়ি তুলিবলৈ সক্ষম হোৱাটো এটা অতি উৎসাহৰ কথা।

প্ৰাচীন কালত ভাৰতত এনে ধৰণৰ নাট্যদলৰ উল্লেখ বা বিৱৰণ পাবলৈ বিৰল। অৱশ্যে বৃত্তিধাৰী নট, নটী, ভৰত, শৈলুষ আদিৰ কথা বিভিন্ন পুথিত পোৱা যায়। অতীত কালত ব্যৱসায়ী নাট্যগোষ্ঠীতকৈ সাধাৰণ বা চৌখীন নাট্য সম্প্ৰদায়ৰ প্ৰাধান্য দেখিবলৈ পোৱা যায়। ইংৰাজসকলৰ আগমনে ভাৰতত নাট্যাভিনয়ক এক বৃত্তি হিচাপে গ্ৰহণ কৰাৰ পৰম্পৰা সৃষ্টিত প্ৰেৰণাৰ যোগান ধৰিছিল। কলিকতা, বোম্বাই, মাদ্ৰাজ আদি নগৰত গঢ় লৈ উঠা ইংৰাজ নাট্যদল আৰু অনুষ্ঠানবিলাকে—প্ৰথমে ভাৰতত ব্যৱসায়িক নাট্যাভিনয়ৰ বুনিয়াদ ৰচনা কৰিছিল। বোম্বাইৰ পাৰ্চী ব্যৱসায়িক নাট্যদলবিলাকে ১৮ শতিকাৰ দ্বিতীয়াৰ্ধত উত্তৰ আৰু দক্ষিণ ভাৰতৰ বিভিন্ন ঠাইত অভিনয় প্ৰদৰ্শন কৰি বৃত্তিধাৰী নাট্য দলৰ গঠনত অৱদান যোগাইছিল। কলিকতা নগৰীত ১৮৭২ চনৰপৰা ব্যৱসায়ী ৰংগমঞ্চৰ প্ৰবৰ্তন হৈছিল বুলি নিৰ্ণয় কৰা হৈছে। অৱশ্যে ১৭৯৫ চনত হেৰাচিম লোবেদফ নামৰ এজন ৰুছদেশীয়লোকে কলিকতাত সৰ্বপ্ৰথম ৰংগমঞ্চ "বেংগলী থিয়েটাৰ" স্থাপন কৰি টিকেট বিক্ৰিৰ জৰিয়তে নাটক অভিনয়ৰ সূচনা কৰিছিল। তেতিয়াৰ বংগদেশত প্ৰচলিত হোৱা এনে নাট্যাভিনয় ইয়াৰ প্ৰতিবেশী ৰাজ্য উৰিষ্যা অসম আদিলৈকো লাহে লাহে বিস্তাৰিত হৈ পৰিছিল। আনুমানিক ১৮৬০-৭০ চনৰ ভিতৰত জয়দেৱ শৰ্মাৰ নেতৃত্বত অসমৰ কামৰূপ জিলাৰ মুৰকুচি গাঁৱত প্ৰথম ব্যৱসায়িক নাট্যদল অথবা যাত্ৰাদল গঠিত হোৱাৰ কথা জানিব পাৰি। কামাখ্যাতো বাঙালী ওস্তাদ এজনে সেই সময়ত এটা যাত্ৰাদল গঠন কৰিছিল। হাজো, মাজগাঁও, হেলনা, বামুনকুচি, শিলা, দক্ষিণ গণকগাৰী আৰু বৰখোলা আদি কামৰূপ জিলাৰ বিভিন্ন ঠাইত বংগদেশৰ যাত্ৰাৰ আহিলৈ বহুতো নাট্যদলৰ সৃষ্টি হৈছিল আৰু এই দলবিলাকে সাধাৰণতে বাংলা নাটকৰ অভিনয় প্ৰদৰ্শন কৰিছিল। স্বনামধন্য শিল্পী ব্ৰজনাথ শৰ্মাৰ "কালিকা অপেৰা পাৰ্টি" নামৰ যাত্ৰা দলটো ১৯২১ চনত শিলাগাঁৱত গঠিত হৈছিল আৰু ইয়াকেই প্ৰথম অসমীয়া ব্যৱসায়ী নাট্যদল বুলি বহুতে অভিহিত কৰে। অৱশ্যে ১৯১২ চনত পাঠশালাত সন্তৰাম চৌধুৰীয়ে সংগঠিত কৰা 'পাঠশালা নাট্য সমিতি' আৰু ১৯২০ চনত হাউলীত জীৱেশ্বৰ শৰ্মাই "মৈৰামৰা চতুৰ্ভুজ অপেৰা পাৰ্টি" নামৰ ভ্ৰাম্যমান যাত্ৰাদল গঠন কৰাৰ কথা এইখিনিতে উল্লেখযোগ্য। কিন্তু নাট্যশিল্পী ব্ৰজ শৰ্মাই এই দিশত চলোৱা আশাশুধীয়া প্ৰচেষ্টা উল্লেখযোগ্য। এই শিল্পীজনে নিজাকৈ "আসাম কহিনুৰ থিয়েটাৰ পাৰ্টি"ৰ জন্ম দি ১৯৩৬ চনলৈকে ছবছৰ কাল অতিবাহিত কৰাৰ পাছত ছহাজাৰ টকা লোকচান ভৰি বন্ধ কৰি দিবলগীয়া হয়। ব্ৰজ শৰ্মাৰ এই প্ৰচেষ্টাৰ এক উল্লেখযোগ্য ফলশ্ৰুতি হ'ল— তেৱেঁই পোন প্ৰথমে ১৯৩৩ চনত অসমৰ নাট্যাভিনয়ত সহ অভিনয়ৰ প্ৰৱৰ্তন কৰে। ব্ৰজ শৰ্মাই 'হিন্দুবীৰ' নাটকৰ অভিনয়ৰ যোগেদি প্ৰথম ব্যৱসায়িক ভিত্তিত নানা মঞ্চ কৌশলযুক্ত চলন্ত থিয়েটাৰ সূচনা কৰি এক আলোড়নৰ সৃষ্টি কৰিছিল। তেওঁৰ এই নাট্যদলত নটসূৰ্য ফণী শৰ্মা, বিষ্ণু প্ৰসাদ ৰাভা, চন্দ্ৰ চৌধুৰী, কমলা বৈষ্ণৱ, ৰজনী শৰ্মা আদি অভিনেতাসকলে অভিনয় কৰি ভৱিষ্যতৰ কাৰণে অভিনয়ৰ শকত বুনিয়াদ ৰচনা কৰিছিল। অভিনেতাসকলক মাহিলী ভিত্তিত দৰমহা দিয়াৰ প্ৰথা এই দলতেই সূচনা কৰা হৈছিল। ইয়াৰ পাছৰ কালছোৱাত কামৰূপ অঞ্চলত বহুতো যাত্ৰা দলৰ জন্ম হৈছিল আৰু এই ৰীতিৰ নাট্যাভিনয়ৰ ধাৰাটো ক্ষীণভাৱে হ'লেও প্ৰবাহিত কৰি ৰাখিছিল। বিশেষ বলিষ্ঠ প্ৰচেষ্টা বা অভিনৱত্ব এই কালছোৱাত লক্ষ্য কৰা নাযায়। ষাঠিৰ দশকত এই ব্যৱসায়ী নাট্যদলবিলাকৰ জীৱনলৈ নতুন প্ৰাণ প্ৰাচুৰ্য আহিল। ১৯৬৩ চনত পাঠশালাৰ অচ্যুত লহকৰৰ নেতৃত্বত নতুন কলাকৌশল সম্বলিত এটা নাট্যদলৰ আৱিৰ্ভাৱ হয়। ১৯৬৭ চনত এই দলে অভিনয়ত থিয়েটাৰস্কোপ পদ্ধতি প্ৰয়োগ কৰে আৰু ১৯৬৮ চনত ছিনে থিয়েটাৰ প্ৰৱৰ্তন কৰি ভ্ৰাম্যমান নাট্যদলৰ অভিনয়লৈ বৈপ্লৱিক পৰিবৰ্তন আনে। ভ্ৰাম্যমান নাট্যদলৰ জন্মভূমি পাঠশালাৰ সদা লহকৰ, কুমুদ প্ৰসাদ শৰ্মা, ৰতন লহকৰ, কৃষ্ণ ৰয় আদিয়ে ভ্ৰাম্যমান নাট্যগোষ্ঠী গঠন কৰি এই ব্যৱসায়ী নাট্যদলৰ সমৃদ্ধি সাধন কৰিছিল। চামতাত ১৯৬৪ চনত ধৰণী



OKDISCD

বৰ্মনে ব্ৰজদেবী নাট্যদল গঠন কৰিছিল। হাজোৰ কৰুণা মজুমদাৰৰ "পূৰ্বজ্যোতি থিয়েটাৰ" অন্য এটা উল্লেখযোগ্য ভ্ৰাম্যমান নাট্যদল। মৰোৱাৰ শৰৎ মজুমদাৰৰ ভাগ্যদেবী থিয়েটাৰ, নলবাৰীৰ বীৰেণ কলিতাৰ ৰূপকোঁৱৰ থিয়েটাৰ, আশুতোষ ঋষিপদ ভট্টাচাৰ্যৰ মুকুন্দ থিয়েটাৰ, কৃষ্ণ ৰয়ৰ আৱাহন থিয়েটাৰ, মহানন্দ শৰ্মাৰ অপৰূপা থিয়েটাৰ পিছৰ কালত জনপ্ৰিয়তা লাভ কৰা উল্লেখযোগ্য ভ্ৰাম্যমান নাট্যদল। চামতাৰ শ্ৰীমতী অবলা বৰ্মনে এটা নাট্যদল গঠন কৰি ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ স্বকীয়া আয়তন দান কৰিবলৈ যত্ন কৰা বিশেষ উল্লেখযোগ্য কথা। কামৰূপ জিলাৰ বাহিৰেও গোৱালপাৰা, গোলাঘাট অভয়াপুৰী, শিৱসাগৰ আদি বিভিন্ন ঠাইলৈ এই ভ্ৰাম্যমান নাট্যগোষ্ঠীৰ সংগঠনৰ প্ৰসাৰণ ঘটা বৰ্তমান সময়ছোৱাৰ অন্য এটা লক্ষণীয় দিশ।

ইউৰোপৰ ব্যৱসায়িক নাট্যগোষ্ঠীৰ ইতিহাস অতি পুৰণি। ইউৰোপৰ বিভিন্ন দেশত সাধাৰণ বা অবৈতনিক ৰংগমঞ্চৰ সমান্তৰালভাৱে ব্যৱসায়িক ৰংগমঞ্চই অগ্ৰগতি লাভ কৰি আহিছে আৰু দুয়ো শ্ৰেণী ৰংগমঞ্চই পৰস্পৰৰ উপাদান গ্ৰহণ কৰি নিজৰ জীৱনী শক্তি বৃদ্ধি কৰি আহিছে। লণ্ডন মহানগৰীত অৱস্থিত "ৱেষ্ট এণ্ড" ব্যৱসায়ী ৰংগমঞ্চত সফল নোহোৱা বহুতো নাটক সাধাৰণ ৰংগমঞ্চত কৃতকাৰ্যতাৰে অভিনয় হোৱাৰ অভিলেখ পোৱা যায়। ইংলণ্ডত ১৯০০ চনৰপৰা আৰম্ভ হোৱা ৰেপাৰটৰি নাট্য আন্দোলন প্ৰকৃততে ৱেষ্ট-এণ্ড থিয়েটাৰত অভিনীত হোৱা গতানুগতিক নাটকীয় বৈশিষ্ট্যহীন নাটকৰ বিৰুদ্ধে হোৱা আন্দোলন বুলি ক'ব পাৰি। ৰেপাৰটৰি আন্দোলনে নতুন পৰীক্ষামূলক আৰু জীৱনমুখী নাটক অভিনয়ৰ ওপৰত গুৰুত্বদান কৰিছিল। এই শ্ৰেণী নাটকৰ অভিনয়ৰ সময়ত অভিনেতাসকলে অভিনয় কৰিছিল— নাটকৰ প্ৰতি থকা তেওঁলোকৰ আন্তৰিকতা আৰু নিষ্ঠাৰ কাৰণে। কিন্তু ব্যৱসায়ী নাট্যমঞ্চত সাধাৰণতে অভিনেতাসকলে ধনৰ লালসাতেই অভিনয়ত অংশ গ্ৰহণ কৰে। ফলস্বৰূপেই ব্যৱসায়ী মঞ্চৰ এটা সীমাবদ্ধতা লক্ষ্য কৰা যায়। আমেৰিকা যুক্তৰাজ্যৰ 'ব্ৰডৱে' থিয়েটাৰ ১৯০০ চনত স্থাপিত হৈছিল। ব্যৱসায়িক উদ্দেশ্যে মঞ্চস্থ কৰা সকলো নাটকেই কেৱল ধন সংগ্ৰহৰ অৱলম্বন হৈ পৰিছিল। পুৰণি ক্লাছিক নাটক বা পৰীক্ষামূলক নাটকে এই মঞ্চত আদৰ নাপাইছিল। ফলস্বৰূপে নাটক আৰু অভিনয় গতানুগতিক হ'বলৈ বাধ্য হৈছিল। "ব্ৰডৱে"ত মঞ্চস্থ হোৱা নাটকৰ বিৰুদ্ধে Washington Square Players, Provincetown Players আদি অব্যৱসায়ী নাট্যানুষ্ঠানে বিদ্ৰোহ সূচনা কৰিলে। There were other attempts to establish theatres away from Broadway before the begining of modern off Broadway in the late 1940's and early 1950's. এই ক্ষেত্ৰত আমেৰিকাৰ Little Theatre Movementঅৰ ভূমিকা বিশেষ উল্লেখযোগ্য। এনে ধৰণৰ অভিযানে ইউৰোপ-আমেৰিকাৰ নাট্যকলাৰ ক্ষেত্ৰত এটা ব্যাপক আৰু জনপ্ৰিয় ৰূপ ধাৰণ কৰিছিল। ইউৰোপত সূচনা হোৱা ৰেপাৰটৰি আন্দোলনে এদিন ব্যৱসায়ী নাট্যাভিনয়ে ষোড়শ শতিকাত বিতাড়িত কৰা একাংক নাটকবোৰক মঞ্চত পুনৰ মৰ্যাদাপূৰ্ণ স্থান দিছিল। উনৈছ শতিকাৰ নৱম দশকৰ ফ্ৰান্স, জাৰ্মানি, ইংলেণ্ড আৰু আয়াৰলেণ্ডৰ "মুক্ত মঞ্চৰ" ঢৌৱে ইউৰোপৰ নৱজাগ্ৰত দাৰ্শনিক, নৈতিক সমাজ আৰু অৰ্থনৈতিক চেতনাক বাস্তৱৰূপ দান কৰিবলৈ চেষ্টা কৰিছিল।

ভাৰতৰ ব্যৱসায়ী নাট্যদলৰ অভ্যুদয়ৰ কথা আমি আগতে উল্লেখ কৰি আহিছোঁ। বোম্বাইৰ ১৮৩০ চনমানৰ পৰা গঠিত হোৱা পাৰ্চী থিয়েটাৰকেই অতি পুৰণি ব্যৱসায়ী নাট্যদল বুলি কোৱা হয়। এই থিয়েটাৰ দলে বোম্বাই আৰু উত্তৰ ভাৰতৰ বহুতো ঠাইত অভিনয় প্ৰদৰ্শন কৰি শেষত ১৮৮০ চনৰপৰা দক্ষিণ ভাৰতৰ অন্ধ্ৰ, কৰ্ণাটক আদি ঠাইত ব্যৱসায়ী নাট্য ধাৰাৰ সোঁত বোৱাই দিছিল। তাৰ ফলস্বৰূপেই অন্ধ্ৰৰ বেলাৰিত প্ৰথম ব্যৱসায়ী নাট্য প্ৰতিষ্ঠান স্থাপিত হয়। কৰ্ণাটকত ১৮৭৭ চনত গদগত প্ৰথম এনেধৰণৰ মঞ্চৰ সূচনা হয়। সেই সময়ৰ মহীশুৰৰ মহাৰজাই এই পাৰ্চী নাট্য সম্প্ৰদায়ৰ নাট্যাভিনয়ৰ দ্বাৰা প্ৰভাৱান্বিত হৈ ৰাজ্য প্ৰাসাদৰ নাট্য সংস্থা গঠন কৰাত পৃষ্ঠপোষকতা কৰিছিল। বেলাৰিত সৰস বিনোদনী সভা, সুমনোৰম সভা, নামৰ বৃত্তিধাৰী নাট্যদলৰ আবিৰ্ভাৱ হয়। কৰ্ণাটকত ৪/৫ বছৰৰ ভিতৰত Halasagi Natak Company, Tantupura Natak Mandali, Sri Chamarajendra Karnataka Sabha, Sri Gubbi Chennabasaweshwara Kripaposhita Natak Sangha আদি অনুষ্ঠানবিলাকে গা কৰি উঠিছিল। কিন্তু ইয়াৰ ভিতৰত কেৱল Gubbi Companyৰ আয়ুস দীঘলীয়া হৈছিল। পাৰ্চী ব্যৱসায়ী নাট্য গোষ্ঠীৰ অনুসৰণত তামিলনাডুত প্ৰচলিত হোৱা ব্যৱসায়ী থিয়েটাৰবিলাক শেষৰ ফাললৈ গতানুগতিক আৰু বিশেষত্বহীন হৈ পৰিছিল। উৰিষ্যাৰ অন্নপূৰ্ণা থিয়েটাৰ আৰু জনতা ৰংগমঞ্চ অতি পুৰণি আৰু প্ৰসিদ্ধ ব্যৱসায়ী অনুষ্ঠান। সেই দৰে মণিপুৰ ৰাজ্যৰ ব্যৱসায়ী ৰংগমঞ্চই অবাৰিতভাৱে অগ্ৰগতি লাভ কৰি আছে। এই দুয়োখন ৰাজ্যত ব্যৱসায়ী ৰংগমঞ্চৰ এই জীৱন-প্ৰাচুৰ্যই সকলোকে বিস্মিত কৰি তুলিছে। মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগৰো ব্যৱসায়ী ৰংগমঞ্চৰ ইতিহাস কিছু প্ৰাচীন। ১৯০৪ চনত প্ৰথমে ব্যৱসায়ী ভিত্তিত গঠিত হোৱা মহাৰাষ্ট্ৰ নাটক মণ্ডলী শিক্ষিত লোকেৰে পৰিপুষ্ট হৈছিল। নতুন বিষয়বস্তু, সুনিপুন অভিনয় আৰু গীতৰ বাহুল্য মহাৰাষ্ট্ৰী বৃত্তিধাৰী— নাটকৰ জনপ্ৰিয়তাৰ অন্যতম কাৰণ।

পশ্চিম বংগৰ— ব্যৱসায়ী ৰংগমঞ্চ মাৰাঠী নাটকৰ দৰে গীতছল নহয়। সমগ্ৰ ভাৰতবৰ্ষৰ ৰাজনৈতিক জীৱনৰ স্নায়ুকেন্দ্ৰ কলিকতাৰ পৰিবেশৰ লগত সামঞ্জস্য ৰাখি জাতীয় ভাবাপন্ন ৰাজনৈতিক আৰু সামাজিক নাটক বাঙলা ব্যৱসায়ী নাটকৰ মূল সম্পদ।

বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে বংগ দেশ আৰু দেশৰ অন্যান্য ঠাইৰ ব্যৱসায়ী নাট্যদলৰ গতানুগতিক প্ৰথাগত অৰ্থ-লালসাযুক্ত অভিনয় দেখি বীতশ্ৰদ্ধ হৈ পৰিছিল; সেই কাৰণেই তেওঁ "ললিতকলাৰ সূক্ষ্ম সৌন্দৰ্য্য উপভোগ কৰিবলৈ ইচ্ছুক দৰ্শকৰ কাৰণে পৃথক ৰংগালয় নিৰ্মাণ কৰিবলৈ পৰামৰ্শ দিছিল। কবি গুৰুৰ এই উক্তিৰ যথাৰ্থতা নোহোৱা নহয়। কাৰণ ব্যৱসায়ী মঞ্চৰ কাৰ্যকলাপে প্ৰমাণ কৰে যে এই মঞ্চই সততে নতুন নাটকৰ প্ৰতি বেছি সমাদৰ প্ৰদৰ্শন নকৰে; তদুপৰি সমসাময়িক জীৱন আৰু সমাজৰ নাড়ীৰ স্পন্দনৰ প্ৰতি এই নাটক সচেতন নহয়। দৰ্শকৰ আনন্দৰ সস্তীয়া খোৰাক যোগাব পৰা নাটকসমূহৰ ওপৰতেই ব্যৱসায়িক গোষ্ঠীয়ে বেছি গুৰুত্ব দিয়ে। সাজ-পোছাকৰ জাকজমকা, দৃশ্য সজ্জাৰ আড়ম্বৰ, পোহৰ নিক্ষেপৰ যাদুকৰী খেলা এইবোৰ হৈছে এনে ৰীতিৰ নাট্যাভিনয়ৰ কিছুমান গতানুগতিক কৌশল। এনেবোৰ কাৰণতেই পাৰ্চী ব্যৱসায়ী নাট্য গোষ্ঠীয়ে জনপ্ৰিয়তা হেৰুৱাই পেলাইছিল। পশ্চিম বংগতো দ্বিতীয় মহাযুদ্ধৰ পাছৰ কালছোৱাত ব্যৱসায়ী ৰংগমঞ্চৰ জনপ্ৰিয়তা অস্তমিত হৈ পৰিছিল। দাক্ষিণাত্যৰ কেইবাখনো ৰাজ্যত বৃত্তিধাৰী ৰংগমঞ্চই এই ক্ষয়ৰোগত দুৰ্দশাগ্ৰস্ত হৈ পৰিছিল। তেলুগু মঞ্চত তাত্তিপাত ৰংচঙীয়া, আড়ম্বৰ পূৰ্ণ ব্যৱসায়ী নাট্যাভিনয়ে ব্যৱসায় অচল কৰি তুলিছিল। হিন্দী আৰু উৰ্দু ব্যৱসায়ী নাট্যমঞ্চও সেই সংক্ৰামক ব্যাধিত শয্যাশায়ী হৈ পৰিছিল। অসমৰ ব্ৰজ শৰ্মাৰ ব্যৱসায়ী নাট্য গোষ্ঠীয়েও এনে দুৰ্যোগৰপৰা হাত সাৰিব পৰা নাছিল।

ব্যৱসায়ী ৰংগমঞ্চৰ গঠন ৰীতিৰ বিষয়ে আলোচনা কৰোঁতে সাধাৰণ বা চৌখীন ৰংগমঞ্চৰ বহিভূত কৰি ৰাখিলে নহ'ব। কাৰণ ব্যৱসায়ী— নাট্য গোষ্ঠীবিলাকক এনে সাধাৰণ বা চৌখীন মঞ্চই জন্ম দিয়াৰ দায়িত্ব বহন কৰে আৰু দুয়ো শ্ৰেণীৰ ৰংগমঞ্চই পৰস্পৰৰ ওপৰত নিৰ্ভৰ কৰি জীৱন নিৰ্বাহ কৰে। ইউৰোপ আৰু আমেৰিকাৰ ব্যৱসায়ী আৰু সাধাৰণ ৰংগমঞ্চ সমান্তৰাল গতিত—আগবঢ়া পৰিলক্ষিত হয়। ব্যৱসায়ী ৰংগমঞ্চৰ ইতিহাস সচ্ছল নহয়। ই হঠাতে উল্কাৰ দৰে আকাশ জাতিষ্কাৰ কৰি পলকতে নিশ্চিহ্ন হৈ যায়। ইয়াৰ জীৱনী শক্তিৰ ওপৰত সন্দেহ, দ্বিধা ভাব সমূলী আঁতৰ কৰিব পৰা নাই। আমাৰ দেশত ব্যৱসায়ী ৰংমমঞ্চৰ উত্থান-পতনৰ যি ইতিহাস আছে, সি বহুত ক্ষেত্ৰত কৌতুহলপূৰ্ণ। পশ্চিম বংগত দ্বিতীয় মহাযুদ্ধৰ পাছত বৃত্তিধাৰী ৰংগমঞ্চ স্থবিৰ হৈ পৰাত শ্ৰীৰংগম থিয়েটাৰৰ "দুঃখীৰ ইমান", বিশ্বৰূপাৰ "ক্ষুধা" আৰু "সেতু" মিনাৰ্ভাৰ "এৰাও মানুষ" ৰংমহলৰ "এক মুঠো আকাশ" আদি জীৱনধৰ্মী নাটকৰ যোগেদি ই পুনৰ গতিশীলতা লাভ কৰা দেখিবলৈ পোৱা যায়। হিন্দী, উৰ্দু বৃত্তিধাৰী থিয়টাৰৰ খোজ থৰক-বৰক হৈ পৰোঁতে যশস্বী অভিনেতা পৃথীৰাজ কাপুৰৰ যত্নত নতুন ভাবধাৰাৰ পাঠান, আহুতি, গদ্দাৰ আদি নাটকৰ জৰিয়তে ইয়াৰ দৃঢ় পদক্ষেপ আৰম্ভ হয়। বিৰল নাট্য প্ৰতিভাৰ অধিকাৰী শিশিৰ ভাদুৰীয়ে বিদেশতো তেওঁৰ বৃত্তিধাৰী নাট্যসম্প্ৰদায়ৰ জৰিয়তে ভাৰতৰ নাট্যকলাৰ গৌৰব বিস্তাৰিত কৰাৰ পাছত ৮০ হাজাৰ টকাৰ ধাৰ মূৰতলৈ তেওঁৰ নাট্যমঞ্চ 'মনোমোহন" বন্ধ কৰিবলগীয়া হৈছিল। অথচ এইজন শিল্পীয়েই অভিনয় ৰীতি আৰু বাংলা নাটকৰ গতিধাৰাৰ এক বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিছিল বুলি অভিনন্দিত হোৱাৰ গৌৰৱ লাভ কৰিছিল। তামিল মঞ্চক সাধাৰণ বা চৌখীন নাট্যগোষ্ঠীয়ে এদিন ব্যৱসায়ী মঞ্চৰ গৰাহত পৰি জীৱনীশক্তি হেৰুৱাই পেলোৱা তামিল নাট্যকলাক উদ্ধাৰ কৰি নতুন প্ৰাণ দান কৰিছিল। মাৰাঠী থিয়েটাৰতো দেখা যায় যে ব্যৱসায়ী মঞ্চইহে আজি সাধাৰণ মঞ্চ আৰু নাটকৰ ঐশ্বৰ্য বৃদ্ধিত সহায় কৰিছে। কেৰালাৰ "কেৰালা পিপলছ আৰ্ট ছেণ্টাৰ" নামৰ ব্যৱসায়ী নাট্যদলে ৰাজ্যখনত বৃত্তিধাৰী মঞ্চৰ ভেটি সুদৃঢ় কৰি তুলিছে। এই আৰ্ট ছেণ্টাৰে নিবেদন কৰা "তুমিয়েই মোক কমিউনিষ্ট কৰিলা" ৰাজনৈতিক বিপ্লৱী নাটকখনে শত ৰজনীৰ অভিনয় সম্পূৰ্ণ কৰি ৰাজ্যৰ সেই সময়ৰ কংগ্ৰেছী চৰকাৰৰ পতন ঘটোৱাত ইন্ধন যোগাইছিল আৰু মালয়ালম নাটকৰ ওপৰত থকা তামিল নাটকৰ প্ৰভুত্ব খৰ্ব কৰি মালয়ালম নাটকৰ গতিবেগ তীব্ৰ কৰি তুলিছিল।

এই প্ৰসংগতে পশ্চিমবংগৰ যাত্ৰাদলৰ সম্পৰ্কে এটা কথা উল্লেখ কৰাটো অপ্ৰাসংগিক নহ'ব। গাঁও অঞ্চলত প্ৰচলিত যাত্ৰাদলবিলাকৰ প্ৰথাগত, বৈশিষ্ট্যহীন অভিনয়ে যাত্ৰাদলৰ জীৱনী শক্তি হ্ৰাস কৰি আনিছিল। এনে সময়তে যশস্বী অভিনেতা-পৰিচালক উৎপল দত্ত, অমৰ ঘোষ আদিয়ে যাত্ৰা দলত যোগদান কৰি পুৰণি পৰিবেশনৰ এক বৈপ্লৱিক পৰিবৰ্তন ঘটাই মঞ্চ পৰিকল্পনা আৰু পোহৰ নিক্ষেপৰ কৌশলৰ নতুন ৰূপদান কৰিলে। ১৯৬৭ চনমানৰপৰা পুৰণি যাত্ৰাক থিয়েটাৰৰ অৱয়ব দান কৰা হ'ল। জীৱনী পালাৰ লগে লগে বিপ্লৱী পালাৰ সংযোজন ঘটাই যাত্ৰাক মহানগৰীৰ পৰিবেশলৈ সম্প্ৰসাৰিত





OKDISCD

কৰা হ'ল। ব্যাপক প্ৰচাৰ অভিযান আৰু ১৯৭২ চনত পশ্চিম বংগ চৰকাৰৰ যাত্ৰাভিনয়ৰ প্ৰতি স্বীকৃতিদান, তদুপৰি পশ্চিমবংগ সাংবাদিক সন্থাই যাত্ৰাক চলচ্চিত্ৰ আৰু নাটকৰ লগতে পুৰস্কৃত কাৰ্যই যাত্ৰাৰ জনপ্ৰিয়তা ব্যাপক ধৰণেৰে বৃদ্ধি কৰিলে।

পশ্চিমবংগৰ যাত্ৰাভিনয়ে এদিন নামনি অসমৰ কামৰূপ আদি ঠাইত যাত্ৰাদল সৃষ্টিত অৰিহনা যোগান ধৰাৰ কথা আগতে উল্লেখ কৰি অহা হৈছে। পশ্চিমবংগৰ যাত্ৰাদলৰ পুনৰ বিন্যাসে অসমৰ এই শতিকাৰ ষাঠীৰ দশকত নতুন উদ্যম আৰু শক্তিৰে গঢ় লৈ উঠা ভ্ৰাম্যমান নাট্যদলৰ ওপৰত কিছু প্ৰভাৱ বিস্তাৰ কৰিছিল। জাকজমকীয়া দৃশ্যসজ্জা, আঁলোক নিক্ষেপৰ যাদুকৰী কৌশল, চলচ্চিত্ৰৰ কলাকৌশলৰ প্ৰয়োগ, নৃত্য নাটকৰ সংযোগ আৰু ব্যাপক প্ৰচাৰ অভিযান আদি লক্ষণসমূহ দুয়োটা অনুষ্ঠানতে একে। বহুতো বাংলা নাটকৰ অসমীয়া অভিযোজনা আদিয়েও এই প্ৰভাৱৰ ক্ষেত্ৰত প্ৰেৰণাৰ যোগান ধৰিছিল। অতিপাত আড়ম্বৰপূৰ্ণ পৰিবেশন আৰু মঞ্চ-চাতুৰীৰ বাবে পশ্চিমবংগৰ যাত্ৰা নাটকৰ প্ৰতি দৰ্শকৰ এটা অনীহাৰ ভাৱ পৰিলক্ষিত হৈছিল; ঠিক তেনেদৰে অসমৰ ভ্ৰাম্যমান নাটকলৈও তেনে সংকট নামি আহিছিল। দৰ্শকে তেনে নাটকৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন নকৰা হৈছিল। ইতিমধ্যে ভ্ৰাম্যমান নাট্যদলে অসমৰ কেইগৰাকীমান শক্তিশালী নাট্যকাৰ ড° ভবেন শইকীয়া, অৰুণ শৰ্মা মহেন্দ্ৰ বৰঠাকুৰ, পদ্ম বৰকটকী আদিৰ নাটক পৰিবেশন কৰি সেই সংকট আঁতৰ কৰিবলৈ কিছুদূৰ সক্ষম হৈছে। কিন্তু এই কথা স্বীকাৰ কৰিব লাগিব যে আমাৰ অসমৰ ব্যৱসায়ী নাট্যমঞ্চ এক অগ্নি পৰীক্ষাৰ সন্মুখীন হৈছে। মঞ্চ চাতুৰী, তাৰকাৰ চমক, পোহৰৰ যাদু খেলাৰ সীমাবদ্ধতা আজি সকলোৰে দৃষ্টি গোচৰ হৈছে। আমেৰিকা, ইংলণ্ড আদিৰ ৰংগমঞ্চৰ চুম্বকত্ব দান কৰিবলৈ যৌনমত্ততাৰ আশ্ৰয় লোৱা হৈছিল, কলিকতাৰ কিছুমান ব্যৱসায়ী মঞ্চত কাবাৰে নৃত্যগীত অন্তৰ্ভুক্ত কৰা হৈছিল; কিন্তু সিও যেন নিস্তেজ হৈ পৰিছে। আমাৰ ভ্ৰাম্যমান নাট্য গোষ্ঠী তেনে দিশৰ প্ৰতি আকৰ্ষিত হোৱা নাছিল বুলি ক'ব নোৱাৰি।

কেৱল শক্তিশালী নাটকেই ব্যৱসায়ী বা সাধাৰণ মঞ্চৰ প্ৰধান অৱলম্বন বুলি অভিহিত কৰিব নোৱাৰি। এই ক্ষেত্ৰত নাট্যাচাৰ্য শিশিৰ ভাদুৰীৰ জীৱনৰ অভিজ্ঞতাৰ কথা উল্লেখযোগ্য। তেওঁ বহু হাজাৰ টকাৰ ধাৰৰ বোজা লৈ ব্যৱসায়ী মঞ্চৰ দুৱাৰ চিৰকাললৈ বন্ধ কৰিবলগীয়া হোৱা অৱস্থাটোৰ কাৰণে অন্য বহু কাৰণৰ লগতে সেই সময়ৰ বাঙালী সমাজৰ বিপৰ্যস্ত অৱস্থা আৰু তাৰ লগে লগে দৰ্শকৰ নিম্নগামী ৰুচি আৰু লঘু চিত্ততাক জগৰীয়া বুলি অভিহিত কৰিছে। গতিকে শিশিৰ ভাদুৰীয়ে এক পৰিশীলিত আৰুমাৰ্জিত ৰুচিৰ দৰ্শক আৰু শিল্পসংগত অভিনয় ধাৰা প্ৰবৰ্তন কৰিবৰ কাৰণে জাতীয় নাট্যশালা স্থাপন কৰাৰ ওপৰত গুৰুত্ব দিছিল আৰু পশ্চিমবংগৰ চৰকাৰে জাতীয় নাট্যশালা স্থাপনৰ ব্যৱস্থা নোলোৱাৰ কাৰণে তেওঁ সন্মানীয় পদ্মশ্ৰী পদবী প্ৰত্যাখ্যান কৰিছিল। গতিকে বৃত্তিধাৰী আৰু অবৈতনিক নাট্যমঞ্চৰ কথা আলোচনা কৰোঁতে এটা কথা পৰিষ্কাৰ হৈ পৰে যে উৎকৃষ্ট নাটক বা পৰিচ্ছন্ন পৰিবেশনৰ লগত ৰুচিবান দৰ্শকৰ প্ৰয়োজনীয়তা অতি বেছি। দুয়ো শ্ৰেণী নাটকৰ গতিবেগ নিৰ্ণয় কৰে দৰ্শকৰ মনোভংগীয়েহে। দৰ্শকৰ ৰুচিবোধত অৱক্ষয় ঘটিলে উৎকৃষ্ট নাটকেও প্ৰাপ্য সহাঁৰি লাভ কৰিব নোৱাৰিব পাৰে। গতিকে উপযুক্ত দৰ্শক সৃষ্টি কৰিবৰ কাৰণে আমাৰ নাট্যদলসমূহে যাবতীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

ব্যৱসায়ী নাট্য প্ৰয়াসৰ পয়োভৰলৈ লক্ষ্য কৰি বহুতে আশংকা প্ৰকাশ কৰে যে এই ৰীতিৰ নাট্যাভিনয়ে সাধাৰণ বা অবৈতনিক মঞ্চৰ ক্ষতি সাধন কৰিব পাৰে। এই আশংকাৰ— সমাধান আমি প্ৰকাশ কৰা তথ্য-পাতিয়েই দিব। কাৰণ নতুন নতুন বিষয়বস্তুৰ বক্তব্য আৰু ৰীতিৰ প্ৰতি দৰ্শক চিত্তৰ যি দুৰ্বাৰ আগ্ৰহ তাক অবৈতনিক মঞ্চইহে পূৰণ কৰিব পাৰে। পশ্চিমবংগ, মহাৰাষ্ট্ৰ, কৰ্ণাটক আদি ৰাজ্যত ব্যৱসায়ী আৰু সাধাৰণ ৰংগমঞ্চৰ যি সহ অৱস্থান, সেই সহ অৱস্থান আৰু ভাৰসাম্য ৰক্ষা কৰিব পাৰিলে অসমতো ব্যৱসায়ী বা ভ্ৰাম্যমান নাটকক লৈ সৃষ্টি হোৱা সন্দেহ আৰু শংকা দূৰ হ'ব। পৃথিৱীৰ নাট্য মঞ্চৰ ইতিহাসে সেই কথাকেই প্ৰতিপন্ন কৰে।

হীৰেন ভট্টাচাৰ্যৰ
নিৰ্বাচিত কবিতা
সুগন্ধি পখিলা
মূল্য--২০'০০ টকা
পৰিবেশক/প্ৰকাশিকা গুৱাহাটী-১





# বিশ্বকাপ ফুটবল প্ৰতিযোগিতা

অমূল্যহাস্য গোস্বামী

১৯৮২ চনৰ স্পেইনত হৈ যোৱা ফাইনেল খেলখনৰ পাছৰেপৰা পৃথিৱীৰ ফুটবল প্ৰেমীসকলৰ মাজত হোৱা তৰ্ক-বিতৰ্ক আশা-উন্মাদনা, সকলোৰে অন্ত পেলাই আৰ্জেন্টিনাই ৩-২ গলৰ ব্যৱধানত পশ্চিম জাৰ্মানিক হৰুৱাই ত্ৰয়োদশ বিশ্বকাপ লাভ কৰে। খেলৰ এই উত্তেজনা, বিজয়ী হোৱাৰ আনন্দ আৰু সমবেত দৰ্শকমণ্ডলীৰ অভিনন্দন ধ্বনি ইমানেই তীব্ৰ আছিল যে খেলৰ পাছত বঁটা বিতৰণী সভাত আৰ্জেন্টিনাৰ অধিনায়ক মাৰাডোনাই কাপ আনিবলৈ গৈ অভিভূত হৈ নিজৰ মেডেলিয়নটো লবলৈকে পাহৰি গৈছিল। বঁটা বিতৰণীৰ পাছতেই দেখা গ'ল চিৰাচৰিত প্ৰথাৰ জয়-উল্লাস য'ত লক্ষাধিক দৰ্শকেও অংশ গ্ৰহণ কৰিছিল। পাছদিনা আৰ্জেন্টিনা দল উভতি গৈ বুয়েনছ আয়াৰছ পোৱাৰ পাছত অগণন দৰ্শকৰ যি স্বতঃস্ফুৰ্ত আনন্দ দেখিবলৈ পোৱা গৈছিল তাক ভাষাৰে বৰ্ণাব নোৱাৰি।

১৯৩০ চনতে আৰম্ভ হোৱা এই বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত এইবাৰ প্ৰথমবাৰৰ কাৰণে আগৰ ১৬টা টিমৰ সলনি ২৪টা টিমে যোগদান কৰিছিল। এইবাৰ খেলবোৰ যি প্ৰণালীত খেলোৱা হৈছিল তাৰ বৈধতা সমন্ধে তৰ্ক-বিতৰ্ক আজিও চলি আছে আৰু হয়তো বহুত দিনলৈকে চলি থাকিব। বিশেষজ্ঞ, নামী দামী খেলোৱাৰ, ক্ৰীড়াবিদ সকলোৱেই প্ৰায় একমতেৰে এইবাৰৰ প্ৰণালীৰ কটু সমালোচনা কৰিছে। এই প্ৰণালী এনে যে এটা টিম এখনো খেলত নহৰাকৈয়ে কেৱল পেনাল্টি শ্যুট-আউটত প্ৰতিযোগিতাৰপৰা ওলাই গৈছে; আৰু আনহাতে এখন খেলাও নিজিকাকৈ একোটা দল পাছৰ ৰাউণ্ডলৈ উঠিছে। এই প্ৰণালীত এটা দিশেই কেৱল ভালকৈ স্থিৰ কৰি যোৱা হৈছিল: প্ৰতিযোগিতাখনত যিমান খেলেই ড্ৰ নহওক, এটা নিৰ্দিষ্ট সময়ৰ ভিতৰতে প্ৰতিযোগিতাখন শেষ কৰিব পৰা হ'ব। তাৰ বাহিৰে এইবাৰৰ প্ৰণালীৰ বিশেষ একো সুবিধা দেখা পোৱা নাযায়।

এইবাৰ প্ৰতিযোগিতাৰ নতুন নতুন দলবোৰৰ ভিতৰত দক্ষিণ কোৰিয়া, ইৰাক আৰু কানাডাৰ খেলাৰ বিশেষ সুনাম নাছিল; সুপৰিকল্পিত প্ৰশিক্ষণৰ বাবে এই টিমবোৰৰ খেল নিষ্প্ৰাণো হোৱা নাছিল; —বিশেষকৈ কোৰিয়াই আৰ্জেণ্টিনাৰ বিৰুদ্ধে এটা আৰু ইটালিৰ বিৰুদ্ধে দুটা সুন্দৰ গ'ল কৰিছিল। ইৰাকৰ খেলাত কিন্তু দৈহিক শক্তিৰ অপব্যৱহাৰ বেছিকৈ পৰিলক্ষিত হৈছিল। হাংগেৰিৰ খেলাই আছিল সকলোতকৈ নিৰাশজনক। সেই পুছকাছ, হিডেকুটি, কোচিচৰ যাদুকৰী-কৌশলী বুলি খ্যাতি টিমটোৰ কোনো প্ৰতিচ্ছবিয়েই নাই। উৰুগুৱে আৰু পাৰাগুৱেৰ খেলো নিৰাশজনক। মৰক্কো যদিও বিশ্বকাপৰ দ্বিতীয় ৰাউণ্ড খেলা প্ৰথম আফ্ৰিকান টিম তথাপি তেওঁলোকৰ খেলাত এতিয়াও একেবাৰে ওপৰ খাপৰ খেলাৰ চাপ নাই। প্ৰথম ৰাউণ্ডত আলোড়ন সৃষ্টিকাৰী ডেনমাৰ্ক আৰু ৰাছিয়াৰ খেলৰমান বহু উন্নত পৰ্যায়ৰ আছিল যদিও— সেই উন্নতমানৰ খেল গোটেই প্ৰতিযোগিতাখনত সদায় অব্যাহত ৰখাৰ ক্ষমতা তেওঁলোকৰ নাছিল। তথাপি এই কথা মানিব লাগিব যে ভাগ্যই তেওঁলোকক ঠিক সময়ত সহাৰি নিদিয়াৰ কাৰণেই ৰাছিয়াই প্ৰতিযোগিতাৰপৰা বিদায় ল'ব লগা হৈছিল। ছেমিফাইনেল খেলা চাৰিটা দলৰ বাহিৰে যিটো দলৰ খেল সমালোচনা কৰা দৰকাৰ সেইটো হৈছে ব্ৰাজিলৰ দলটো। প্ৰায় সকলোৰে মতে ব্ৰাজিলেই প্ৰতিযোগিতাত বিজয়ী হব লাগিছিল;— সেয়ে যে হৈ নুঠিল। তাৰ কাৰণ ব্ৰাজিলৰ খেলৰ মান উন্নত নোহোৱাটো নহয়; তেওঁলোক হাৰিছিল তেওঁলোকৰ মুক্ত ধৰণৰ খেলৰ বাবে। এইখিনিতে নতুন প্ৰণালীটোকো কটু সমালোচনা কৰাৰ স্থল আছে। কোনো খেল নহৰাকৈয়ে পাঁচখন খেলত দহটা গল দি কেৱল এটা গ'ল খাই ব্ৰাজিলৰ দলে পেনাল্টি শ্যুট-আউটত ফ্ৰান্সৰ লগত হাৰ মানি প্ৰতিযোগিতাৰপৰা বিদায় লব লগা হৈছিল। যোগ্যদল হিচাপে তেওঁলোকে Fair Play Trophy পোৱাৰ সন্মান লাভ কৰিছিল।

মাৰাডোনা



ফুটবল খেলৰ লগত ৰোমাঞ্চ জড়িত আছে। এই ৰোমাঞ্চকৰ ফুটবল খেল অতি নিৰ্মল,— য'ত দৈহিক শক্তিৰ প্ৰয়োজন প্ৰায় নায়েই। কৌশলী খেলুৱৈৰে গঠিত দলবোৰৰ তেনে খেলা অতি আনন্দদায়ক; তেনেখেলবোৰে দৰ্শকৰ আগত ফুটবল খেলৰ যি প্ৰতিচ্ছবি দাঙি ধৰে, তাক শিল্পকৰ্ম বুলি কব পাৰি। এইবাৰ তেনে এখন খেল এই প্ৰতিযোগিতাত দেখা পোৱা গৈছিল; —কোৱাটাৰ ফাইনেলৰ ব্ৰাজিল আৰু ফ্ৰান্সৰ মাজত

হোৱা খেলখন। প্ৰায় সকলোৰে মতে বহুদিনৰ মূৰত এনে এখন খেল বিশ্বকাপ প্ৰতিযোগিতাত দেখা পোৱা গৈছিল। দুয়োটা দলৰে সহজ, সাৱলীল, মুক্ত ধৰণ আৰু কৌশলেৰে ভৰপূৰ এই খেলখনৰ ক্ৰীড়া-কৌশলৰ মান ইমান ওপৰ খাপৰ হৈছিল যে সি দৰ্শকৰ মন আনন্দ আৰু উত্তেজনাৰে ভৰাই দিছিল। এইখন খেলেই লগতে আৰু এটা কথা প্ৰমাণ কৰিছিল যে ব্যক্তিগত খেলুৱৈতকৈ খেলখনহে প্ৰধান; নহলেনো জিকো, ছক্ৰেটিছ আৰু প্লাটিনিৰ নিচিনা বিশ্ববৰেণ্য খেলুৱৈসকলে একেখন খেলতে পেনাল্টি খুটত গল কৰিবলৈ ব্যৰ্থ হয়নে?

১৯৫৮ চনৰ বিশ্বকাপত বিপক্ষ দলবোৰৰ মাজত ভয়ৰ সঞ্চাৰ কৰি ধুমুহাৰ দৰে ফুটবল জগতলৈ আহিছিল সৰ্বকালীন শ্ৰেষ্ঠ ফুটবল খেলুৱৈ পেলে। এইজন ফুটবলৰ সম্ৰাটৰ খেলৰ মান ইমানেই ওপৰ খাপৰ আছিল যে বিপক্ষ দলবোৰক তেওঁৰ খেলে ব্যতিব্যস্ত কৰি তুলিছিল। তেওঁ যেতিয়া বল লৈ আগুৱাইছিল, তেতিয়া তেওঁক বাধা দিয়া বা ধৰি ৰখাৰ কোনো উপায়েই নাছিল। পাঠকসকলৰ বোধকৰোঁ মনত আছে যে ১৯৬৬ চনত ইংলণ্ডত হোৱা বিশ্বকাপ প্ৰতিযোগিতাত তেওঁক বল ধৰিবলৈকে দিয়া হোৱা নাছিল। জঘন্য ফাউলৰ দ্বাৰা তেওঁৰ আঁঠু ক্ষতবিক্ষত কৰি ফিল্ডৰপৰা তেওঁক বাহিৰ কৰি দিয়া হৈছিল। চকুত পানীৰে আৰু থোকাথুকি মাতেৰে তেওঁ আৰু বিশ্বকাপ নেখেলো বুলি কৈছিল। তেতিয়া সকলোৰে মনত, বিশেষকৈ ফুটবল প্ৰেমীসকলৰ মনত এই প্ৰশ্নৰ উদয় হৈছিল— "Is this the end of the ball players?" ফিফা কিন্তু মনে মনে বহি থকা নাছিল। সকলো ফালৰেপৰা কোলাহল উঠিছিল যে ৰোমাঞ্চকৰ ফুটবল খেল বচাব লাগে, দৈহিক শক্তিৰ প্ৰয়োগ কঠোৰ হাতেৰে দমাব লাগে। অকল clinical আৰু forceful ফুটবল খেলেই ফুটবল-খেলৰ শেষ নহয়। চিত্তবিজয়ী 'ফুটবলৰ শিল্পী' সকলহে খেলৰ বিশেষ আকৰ্ষণ; সেয়েহে ৰেফাৰিং খুব কঢ়া ধৰণৰ হ'ব লাগিব, যাতে ফুটবল খেল ফুটবল খেল হৈয়েই থাকে; —এখন দৈহিক শক্তি ব্যৱহাৰৰ যুদ্ধক্ষেত্ৰত পৰিণত নহয়। হৈছিলো সেয়ে। পেলেই আকৌ ১৯৭০ চনত বিশ্বকাপ খেলি দলক আকৌ বিজয়ী কৰিছিল; আৰু পাছত খেল পথাৰত আবিৰ্ভাৱ হৈছিল— জাৰজিনো, জিকো, প্লাটিনি, ইছুবিঅ' আদিৰ নিচিনা খেলুৱৈসকলৰ। কৌশলী খেলোৱাৰৰ সমাদৰ সকলো সময়তে আছিল আৰু আগলৈকো থাকিব। অকল জিকা-হৰাৰ ওপৰত গুৰুত্ব দিয়া ফুটবল খেলত প্ৰাণ নাই; কাৰণ এইখেলৰ মূলেই হৈছে যিকোনো উপায়েৰে খেল জিকিব লাগিব; দৈহিক শক্তিৰ অপপ্ৰয়োগেই হওক বা আন কোনো উপায়েৰেই হওক। আজিকালি ৰেফাৰিং বৰ চোকা আৰু খেলবোৰ সুপৰিকল্পিতভাৱে চলোৱাৰ কাৰণে দুজন লাইনমেন আৰু অন্য এজন বিষয়া প্ৰত্যেক খেলতে ব্যৱহাৰ কৰা হয়। ৰেফাৰিসকলে যে কেতিয়াবা ভুল নকৰে সেই কথা কোৱা নাই; কিন্তু তেওঁলোকৰ ক্ষমতা বহুত বাঢ়িছে; নহলেনো পশ্চিম জাৰ্মানিৰ বিৰুদ্ধে খেলোঁতে আৰ্জেণ্টিনাৰ মাৰাডোনাক প্ৰথম ফাউল কৰোঁতে ৰেফাৰিয়ে হালধীয়া কাৰ্ড দেখুৱাইনে? এনে ৰেফাৰিঙৰ ফলত খেলবোৰ নিয়ন্ত্ৰণত থাকে।

এইবাৰৰ প্ৰতিযোগিতাত ছেমিফাইনেল খেলা চাৰিটা দলৰ ভিতৰত বেলজিয়ামক বিশেষ ভাগ্যবান বুলি ক'ব পাৰি; কাৰণ গ্ৰুপিংবোৰ এনে ধৰণেৰে কৰা হৈছিল (বোধকৰোঁ ঘৰুৱা দল মেক্সিকোৰ সুবিধাৰ বাবে) যে ড্ৰখন ভাৰসাম্যহীন বুলিয়েই ক'ব পাৰি। তথাপি কেইবাখনো খেলৰ পাছত দলটো সংঘবদ্ধ হৈ পৰিছিল আৰু আৰ্জেণ্টিনাৰ লগত ভাল খেল প্ৰদৰ্শন কৰিয়েই ২-০ গলত হাৰিছিল। অন্যখন ছেমিফাইনেলত পশ্চিম জাৰ্মানি দলে যোগ্যতৰ দল হিচাপেই ফ্ৰান্সক ২-০ গ'লত পৰাজিত কৰিছিল। ফ্ৰান্সৰ এই পৰাজয়ৰ মূল কাৰণ হৈছিল তেওঁলোকৰ বিশ্ববিখ্যাত মিডফিল্ডৰ খেলুৱৈকেইজনৰ, বিশেষকৈ প্লাটিনি টিগানা আৰু ফাৰ্ণাণ্ডেজৰ অপেক্ষাকৃত নিম্নমানৰ খেল। আনহাতে পশ্চিম জাৰ্মানিৰ খেলত বিস্ময়কৰ প্ৰায় একোৱেই নাছিল; কিন্তু তেওঁলোকৰ আছিল দৈহিক সবলতা, একাগ্ৰতা আৰু কেতিয়াও 'হাৰ নামানো' মনোভাৱৰ এনে এক সুন্দৰ সংমিশ্ৰণ— যি দলটোক চকুত পৰাতকৈ বহু বেছি ওপৰ খাপৰ খেল খেলিবলৈ সক্ষম কৰিছিল।

বিশ্বকাপৰ বিৱৰণী লিখিলে ফাইনেল খেলখনৰ কথা উনুকিয়াবই লাগিব। তীব্ৰ উত্তেজনাৰে পৰিপূৰ্ণ (বিশেষকৈ শেষৰ কুৰি মিনিটত) এই খেলখন এখন গতানুগতিক খেলৰ নিচিনাকৈয়ে আগবাঢ়িছিল;— তাতে আৰ্জেণ্টিনা দলে ২-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থকাত। কিন্তু খেল শেষ হ'বলৈ প্ৰায় পোন্ধৰ মিনিটমান থাকোঁতে পশ্চিম জাৰ্মানি দলে এটা গ'ল পৰিশোধ কৰাৰ পাছত তেওঁলোকে দুগুণ উৎসাহেৰে খেলিবলৈ লয়, আৰু কেইমিনিটমানৰ পাছতে দ্বিতীয় গ'লটোও পৰিশোধ কৰি খেলত সমতা স্থাপন কৰে। তেতিয়া খেল তুমুল উত্তেজনাৰে ভৰি পৰিল, আৰু দৈহিক শক্তিত বেছি বলবান পশ্চিম জাৰ্মানি দলটোৱে আৰ্জেণ্টিনাক প্ৰচণ্ড হেঁচা দিবলৈ আগবাঢ়ি গল। সেই সময়ত তেওঁলোকে আৰ্জেণ্টিনাৰ মাৰাডোনাৰ প্ৰায়-যাদুকৰি প্ৰতিভাক পাহৰি এটা ভুলেই কৰিলে; খেল শেষ হবলৈ পাঁচ মিনিটমান থাকোঁতে প্ৰায় মাজপথাৰত মাৰাডোনাই এটা বল পাই চকুৰ পচাৰতে আগত থকা সতীৰ্থ বুৰুচাগাক এনেকৈ বলটো সজাই দিলে যে বুৰুচাগাই বল লৈ প্ৰচণ্ড গতিত আগবাঢ়ি দলৰ তৃতীয় আৰু খেলৰ শেষ গ'লটো দি আৰ্জেণ্টিনা দলক যোৱা সাত বছৰৰ



ভিতৰত দ্বিতীয় বাৰৰ কাৰণে বিশ্বকাপ বিজয়ী কৰে। ফাইনেল খেলত জাৰ্মানি দলৰ চোকা পহৰাৰ বাবে মাৰাডোনা নিজে গ'ল কৰিবলৈ সক্ষম হোৱা নাছিল; কিন্তু দলৰ কাৰণে তেওঁৰ অৱদান আৰু দলৰ গ'ল কেইটাত তেওঁৰ খেলৰ প্ৰভাৱ নিশ্চয়কৈ ফুটি উঠিছিল। এক কথাতে কবলৈ হলে, যদি এজন খেলুৱৈৰ দ্বাৰা ১৯৮৬ চনৰ বিশ্বকাপৰ ভাগ্য নিৰ্ণয় হৈছিল, তেনেহলে সেইজন নিঃসন্দেহে বৰ্তমানৰ সৰ্বশ্ৰেষ্ঠ খেলুৱৈ ডিয়েগ' আৰমাণ্ড' মাৰাডোনা।

এনে অৱস্থাত ফুটবল খেলৰ সম্ৰাট কোন— পেলে নে মাৰাডোনা এই বুলি উঠা প্ৰশ্নই নানান তৰ্ক-বিতৰ্কৰ সৃষ্টি কৰিছে। হোৱাটো খুব স্বাভাৱিক; কাৰণ ডেকাচাম ফুটবল প্ৰেমীৰ বাবে পেলে বোধকৰোঁ অতীতৰ এটা প্ৰসিদ্ধ নামহে;— তেওঁৰ খেলৰ জ্ঞান সম্বন্ধে সুপৰিচিত হোৱাৰ সুবিধা বোধকৰোঁ এই চামে পোৱা নাই। আজিৰ টেলিভিশ্যনে মাৰাডোনা আদি শ্ৰেষ্ঠ খেলুৱৈসকলৰ খেল আনি দিছে নিজৰ ঘৰৰ চাৰিবেৰৰ ভিতৰলৈ; পেলেক চাবলৈ হয়তো নতুন চামে সেই সুবিধা পোৱা নাই; তথাপি পেলে পেলেই তেওঁ অদ্বিতীয়। যিজন খেলুৱৈয়ে ১৭ বছৰ বয়সতে ফুটবল জগতক চমৎকৃত কৰি ৰজা আখ্যা লাভ কৰি, সুদীৰ্ঘ বাৰ বছৰে চাৰিখন বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত সেই সন্মান অক্ষুণ্ণ ৰাখিব পাৰিছিল, তেনে এজন খেলুৱৈ এতিয়ালৈকে ফুটবল জগতত ওলোৱা নাই। পেলে আছিল বহু তাৰকাৰ ভিতৰত থকা এক সৰ্বোজ্জ্বল তাৰকা;— শ্ৰেষ্ঠতমসকলৰো শ্ৰেষ্ঠ। মাৰাডোনা হ'ল এনে এক তাৰকা যি অকলে এটা দলৰ ভাগ্য নিৰ্ণয় কৰিবলৈ সক্ষম হৈছিল। ইও এটা আচৰিত ক্ষমতা। ইয়াৰো তুলনা নাই। সেয়ে মই ভাবোঁ, এনে ধৰণৰ তৰ্ক-বিতৰ্কৰ কোনো শেষ নাই, কিন্তু ই অবান্তৰ। পেলে, মাৰাডোনা বা তেওঁলোকৰ দৰে আন খেলুৱৈসকল এটা বিশ্বপ্ৰিয় খেলৰ "supreme athlete"; দুয়োজনেই বিশ্ববৰেণ্য। পেলেই ব্ৰাজিলক আন আন তাৰকাসকলৰ সহায়েৰে তিনিবাৰ বিশ্ব কাপত বিজয়ী কৰিছিল; মাৰাডোনাই প্ৰায় নিজস্ব চেষ্টাৰেই আৰ্জেণ্টিনাক ১৯৮৬ চনৰ বিশ্বকাপ জিকাৰ গৌৰৱেৰে গৌৰৱান্বিত কৰিলে। এনে প্ৰতিভাশালী খেলুৱৈৰ স্থান সদায় সমপৰ্যায়তে থাকিব।

এইবাৰৰ বিশ্বকাপত বহুতো কুশলী খেলুৱৈৰ নিৰাশজনক খেলে দৰ্শকৰ মন হতাশ কৰিলে। কেইবাটাও বিখ্যাত দলৰ খেল নিম্ন খাপৰ হ'ল; ফাউল বা নিষিদ্ধ আচৰণৰ কাৰণে বহুতো খেলুৱৈক সাৱধান বা বহিষ্কাৰ কৰালে; বহুতৰ আশা-আকাংক্ষা ভাগি চূৰমাৰ হল; তথাপি কবই লাগিব যে এই প্ৰতিযোগিতাখনৰ চিৰন্তন গতি চিৰন্তন হৈয়েই ৰল। অতি সোনকালেই দেশে-দেশে আকৌ ইটালিত হ'ব লগা ১৯৯০ চনৰ চতুৰ্দশ বিশ্বকাপৰ প্ৰস্তুতি আৰম্ভ হ'বই। ১৯৮৬ চনৰ বিশ্বকাপ ফুটবলৰ ইতিহাসত আৰ্জেণ্টিনা দলে বিজয়ী দলৰ স্থান অধিকাৰ কৰিলে; কিন্তু সকলো দিশ বিচাৰ কৰিলে এই কথাই মনলৈ আহে যে এই প্ৰতিযোগিতাৰ আচল বিজয়ী হল— খেলৰ ৰজা ফুটবল।

৫০ পৃষ্ঠাৰ পিছৰ পৰা

আগ্ৰহ মিশ্ৰিত ধেমালিৰ সৈতে তেওঁ ভৃগু চৌধুৰীক কৈছিল, "মোক অইন একো নালাগে। কামকাজত সোমাই থিতাপি লাগিলে এই মোক এবাৰ বাবা বিশ্বনাথক দৰ্শন কৰাই আনিবি।"

ভৃগু চৌধুৰীয়ে সেই সুযোগ নাপালে।

মনৰ এনেকুৱা অৱস্থাত বেংকৰপৰা টকা উলিয়াওঁতে তেওঁ অলপ বেছিকৈ উলিয়াই নাপালে। এনেকৈ বেংকত ৰাখিনো কি হ'ব? কল্পতৰুৰপৰা তেওঁ এযোৰ ধুনীয়া পাটৰ মেখেলা-চাদৰ কিনি ল'লে। সঁচাকৈ বৰ ধুনীয়া। প্ৰয়োজনৰ বাহিৰে জীৱনত এই প্ৰথম পৰিবাৰৰ কাৰণে নিজৰপৰাই তেওঁ এবিধ ধুনীয়া বস্তু কিনিলে।

এই উপহাৰ পাই তেওঁৰ পৰিবাৰ আনন্দত উত্ৰাৱল হৈ উঠিবনে? চৌধুৰীয়ে কব নোৱাৰে। এনেকুৱা ঘটনা আগতে কেতিয়াও ঘটা নাই। কাপোৰযোৰ হাতত লৈ চৌধুৰীৰ পৰিবাৰ স্তব্ধ হৈ ৰ'ল। তেওঁৰ ওঁঠ দুখন কঁপি উঠিল। মুখখন ঘূৰাই নিজকে চম্ভালি লৈ তেওঁ নিৰুত্তাপ কণ্ঠেৰে ক'লে, "ইমান দাম দি এই যোৰ কাপোৰ নো কিয় আনিলা? ইমান জকমকীয়া কাপোৰ পিন্ধাৰ বয়স জানো আছে?"

সঁচাকৈ বৰ পলম হৈ গৈছে। অত্যন্ত সংকোচৰ সৈতে চৌধুৰীয়ে উপলব্ধি কৰিলে যে এইযোৰ কাপোৰ কিনিলে অন্ততঃ এক দশক আগতেই কিনিব লাগিছিল।

দীৰ্ঘ দিনৰ পৰিশ্ৰমত চৌধুৰীৰ পৰিবাৰৰ শৰীৰ ভাগি পৰিছে। প্ৰায়েই অসুখ হৈ থাকে। আজিও তেওঁ বিছনাত শুই আছে। ভৃগু চৌধুৰীয়ে সবিস্ময়ে লক্ষ্য কৰিলে যে তেওঁৰ পৰিবাৰৰ মুখৰ চুলিখিনি গোটেই পকি গৈছে। মুখখন সোতোৰা-সোতোৰ। তেওঁৰ দৃষ্টি মুখৰপৰা ভৰিৰ ফালে পিছলি গ'ল। ভৰি দুখন এতিয়াও প্ৰাপ্তযৌৱনা ছোৱালীৰ দৰে হৈ আছে। দীৰ্ঘ যাত্ৰাৰ কাৰণে এতিয়াও প্ৰস্তুত।

স্বয়ংক্ৰিয়ভাৱে তেওঁ চৌধুৰীৰ উপস্থিতি সম্বন্ধে সজাগ হৈ চকু মেলি চালে। নিৰ্মল হাঁহিত তেওঁৰ মুখখন ভৰি গ'ল।

"কাপোৰযোৰ যে আনিছা।"

"অ, কি হ'ল?"

"মৰিলে পিন্ধাই দিবা।"

[আগলৈ]



OKDISCD

## অস্ত্ৰোপচাৰ

ভগৱতী আয়ে ৰঙা ফুল এপাহ দি ক'লে,—এই পাহ ধুই পানীখিনি খুৱাবা, সাতোটা গৰখীয়া ল'ৰাক ৰঙা-চাউল, ৰঙা পাচলিৰে এসাজ ভাত খুৱাবা।

ভক্তই সেইমতে কাম কৰিলে ; তেওঁৰ ঘৰৰ ৰোগীৰ বহুদিনীয়া অসুখ ভাল হৈ গ'ল।

এয়া সৰু কালতে শুনা কথা। আজিও এনে কথা শুনিয়েই আছোঁ। দিন যোৱাৰ লগে লগে এনেধৰণৰ কথা-কাণ্ডৰ কিছুমান দিশৰ উন্নতি ঘটিছে, কিছুমান একেই আছে। কিছুমান দিশৰ উন্নতি মানে,—তাহানি মানুহে কল, মাহ, বুট, তামোল-পাণৰ টোপোলা লৈ দহ-পোন্ধৰ মাইল ছাইকেল মাৰি ভগৱতী আইৰ ওচৰলৈ গৈছিল, এতিয়া ড্ৰাফট, চেক, নগদ টকা লৈ উৰাজাহাজত উঠি প্ৰভুৰ ওচৰলৈ যায়,—তেনেকুৱা উন্নতি। কথা-কাণ্ডবোৰৰ মূল চৰিত্ৰ একেই আছে। এইবোৰৰ প্ৰতি এচাম মানুহৰ শ্ৰদ্ধা আৰু বিশ্বাস অতি গভীৰ। প্ৰতিষ্ঠিত ধৰ্মমতৰ লগতো বৰ্তমানে এনে অলৌকিক ধৰণৰ কথা-কাণ্ডৰ সংমিশ্ৰণ ঘটোৱা হৈছে। উদাহৰণ স্বৰূপে, এগৰাকী গুৰুৱে কোনো কোনো দেৱ-দেৱীৰ মূৰ্তি পূজা নামানে, কেৱল নাম-কীৰ্তনেৰে মংগল সাধনৰ চেষ্টা কৰে। এইখিনিলৈকে কথাটো ধৰ্মপ্ৰাণসকলৰ বাবে ঠিকেই আছে ; কিন্তু গুৰু গৰাকীয়ে তেখেতৰ ধৰ্ম-কৰ্মৰ লগতে ৰোগীৰ চিকিৎসাও সামৰি লৈছে। ভক্তসকলৰ মনত তেখেতৰ চিকিৎসা-পদ্ধতিৰ প্ৰতি গভীৰ বিশ্বাসৰ সৃষ্টি হৈছে। ইতিমধ্যে তেখেতৰ চিকিৎসাত নিৰাময় লাভ কৰা ৰোগী বা ৰোগীৰ পৰিয়ালৰ লোকে গভীৰ সন্তুষ্টি আৰু প্ৰত্যয়ৰ ভাব প্ৰকাশ কৰিবলৈ লৈছে। গুৰু গৰাকীয়ে দুৰাৰোগ্য কেনছাৰ ৰোগৰো চিকিৎসা কৰিছে। শয্যাশায়ী ৰোগীজনে ভাল পাই ঘূৰা-পকা কৰিবলৈ লৈছে। শেষত অৱশ্যে তেওঁ আকৌ শয্যাশায়ী হৈছে ; এতিয়া তেওঁ মৃত্যুৰ ক্ষণ গণিছে ; এতিয়া পৰিয়ালৰ লোকে উপলব্ধি কৰিছে—মাজতে ডাক্তৰী-চিকিৎসা বন্ধ কৰি দিয়া বাবে তেওঁৰ মৃত্যু বহু বেছি দ্ৰুত গতিৰে ওচৰ চাপি আহিল।

এনে ঘটনা শিক্ষিত-অশিক্ষিত, ধনী-দুখীয়া সকলো শ্ৰেণীৰ মাজতে ঘটিছে ; গাঁও-চহৰ সকলোতে ঘটিছে।

কিন্তু শেহতীয়াভাৱে পোৱা এবিধ খবৰে আমাৰ যুক্তি-জ্ঞান জোকাৰি পেলাইছে। ফিলিপাইনছত এগৰাকী চিকিৎসক আছে ;—তেখেতে এক আশ্বৰ্যজনক পদ্ধতিৰে ৰোগীৰ চিকিৎসা কৰে। শুনামতে, তেখেতে ৰোগীক শুৱাই লৈ, দেহৰ প্ৰয়োজনীয় অংশৰপৰা ভিতৰৰ যন্ত্ৰ-পাতিবোৰ উলিয়াই আনে ; সেইবোৰৰ মাজৰপৰা অপৰাধী, দুষ্ট টুকুৰাটো পেলাই দিয়ে বা সেইবোৰৰ মেৰামতি কৰে, তাৰ পাছত যন্ত্ৰ-পাতিবোৰ আকৌ ৰোগীৰ গাত ভৰাই দিয়ে। ৰোগীয়ে কোনো ধৰণৰ কষ্ট নাপায়। যন্ত্ৰপাতিবোৰ উলিয়াই অনা কামটো চিকিৎসকগৰাকীয়ে হাতেৰেই কৰে, শেষত সেইবোৰ পুনৰ-সংস্থাপিত কৰি হাত ফুৰাই দিলেই কটা-ছিঙাৰ চিন নোহোৱা হৈ যায়।

আচৰিত হ'বলগীয়া কথা,— চিকিৎসক গৰাকীৰ এই কটা-ছিঙা কামবোৰৰ ফটো তুলি থাকিবলৈ দিয়া হয়। বৰ্তমান অসমত তেনে ফটো দেখিবলৈ পোৱা গৈছে ; কাৰণ অসমৰপৰা চিকিৎসকগৰাকীৰ ওচৰলৈ ভালেমান লোক যাবলৈ আৰম্ভ কৰিছে। কেইদিনমানৰ আগতে কেইখনমান ফটো দেখিলো ;— ৰঙীন ফটো ; ৰোগী শুই আছে, তেওঁৰ পেটৰ ওপৰত ভিতৰৰপৰা উলিয়াই অনি থোৱা নাড়ী-ভুৰু ;— ৰক্তাক্ত।

নাম-কীৰ্তনৰ ওপৰত বিশ্বাসী সেই গুৰু গৰাকী আৰু ফিলিপাইনছৰ এই চিকিৎসক গৰাকী সম্পৰ্কে গুৱাহাটীৰ শিক্ষিতা মহিলা কেইগৰাকীমানৰ আলোচনাৰ সাৰমৰ্ম এনেকুৱা : গুৰুৰ কথা বাৰু যেন-তেন, কিন্তু ফিলিপাইনছৰ ডাক্তৰজনৰ কথা মই বিশ্বাস নকৰাকৈ থাকিব নোৱাৰোঁ। অইনৰ হ'লেও এক কথা, কিন্তু আমাৰ অফিছৰে কলিগ এজনৰ ল'ৰাটো··· ।

ল'ৰাটোৰ দুৰাৰোগ্য অসুখ আছিল, ফিলিপাইনছৰ চিকিৎসকজনে চিকিৎসা কৰা পাছত ভাল হৈছে।

কথাবোৰ বিতংকৈ নজনাকৈ মানুহৰ কৰ্ম আৰু বিশ্বাস সম্পৰ্কে মতামত দিয়াটো উচিত কাম নহয়। ডাক্তৰী কিতাপত মানুহৰ দেহৰ ভিতৰৰ যন্ত্ৰ-পাতি দেখিছো, অন্ততঃ চলচিত্ৰত বহু জটিল অপাৰেশ্যন দেখিছোঁ, এডাললমান নলী ইফাল-সিফাল হ'লেই কি দুৰ্ঘটনা হ'ব, সেইটো অনুমান কৰিব পাৰোঁ। তেনেস্থলত কেৱল হাতেৰে গাৰ ভিতৰৰপৰা যন্ত্ৰ-পাতিবোৰ উলিয়াই অনা! আকৌ থৈ দিয়া!

আগতেই কৈছোঁ,— অসমৰ এচাম লোকৰ মাজত ফিলিপাইনছৰ চিকিৎসকগৰাকী জনপ্ৰিয় আৰু বিশ্বাসভাজন হৈছে। যিসকলৰ প্ৰত্যক্ষ অভিজ্ঞতা হৈছে, সেইসকলে অনুগ্ৰহ কৰি আমালৈ এই চিকিৎসা-কাৰ্যৰ বৰ্ণনা ছবিৰে সৈতে পঠালে, আমি সেয়া পাঠক পাঠিকালৈ আগ বঢ়াব পাৰিম। কথাবোৰৰ এটা আলোচনা এতিয়াই হোৱাটো ভাল। যদি এনে এক অপূৰ্ব চিকিৎসা-পদ্ধতি আছে, তেনেহলে সি সমগ্ৰ পৃথিৱীত জনপ্ৰিয় হওক ; কেৱল অসমৰ নিচিনা পিছপৰা ৰাজ্যখনত এই বিষয়ে বিশ্বাস-অবিশ্বাস, শ্ৰদ্ধা-সন্দেহৰ সৃষ্টি হ'ব লাগিছে কিয় ? ফিলিপাইনছ-যাত্ৰা ব্যয়বহুল ঘটনা, গতিকে এই কথাটোৰ এটা সুকীয়া গুৰুত্ব আছে।

৮।৭।৮৬

OKDISCD